# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১২/০৯/২০২৩ মঙ্গলবাৰ

**মাননীয় অধ্যক্ষৰ মহোদয়ৰ অধ্যক্ষতাত আজি ইংৰাজী ১২-০৯-২০২৩ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ শৰৎকালীন অধিবেশনৰ কাৰ্য্যসূচী অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং- **২১**, শ্ৰী ৰূপেশ গোৱালা । মাননীয় মন্ত্ৰী ডাঙৰীয়ানি।

**শ্ৰীমতী অজন্তা নেওঁগ, (মহিলা আৰু শিশু উন্নয়ন বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰী ৰূপেশ গোৱালা, ডুমডুমা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে গম পাইছো যে, বিগত দুটা বছৰত প্ৰায় সকলোবিলাক ঠাইতে আদৰ্শ আংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছে আৰু এই আদৰ্শ অংগনবাড়ী কেন্দ্ৰসমূহ নিৰ্মাণ হোৱাৰ পাছত অভিভাৱক সকলৰ আৰু কন কন ল'ৰা-ছোৱালী সকলৰ এই অংগনবাড়ী কেন্দ্ৰ সমূহৰ প্ৰতি পূৰ্বৰ তুলনাত যথেষ্টগুণে আকৰ্ষণ বৃদ্ধি পাইছে। তাৰ ফলত মই নিজে প্ৰত্যক্ষ কৰিছো যে, ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বৃদ্ধি পাইছে। কিন্তু এটা কথা এইখিনিতে মই মাননীয় মন্ত্ৰী মহোদয়াক দৃষ্টিগোচৰ কৰিব খুজিছো যিবিলাক vigilance and monitoring committee আছে সেইবিলাকৰ সভা সমিতি সঘনাই নহয়। মই বিধায়ক হোৱাৰ পিছত নিজে দুবাৰ সভাত উপস্থিত থকাৰ সুযোগ পাইছিলো। যদি vigilance and monitoring committee বিলাকৰ সভা যদি সঘনাই হয় আৰু কেন্দ্ৰ সমূহত থকা সমিতি বিলাকো যদি সঘনাই বহে আৰু যদি ঠিকমতে আমি managment ৰ কামসমূহ কৰো তেন্তে আদৰ্শ অংগনবাড়ী কেন্দ্ৰ সমূহ আমি যেনে ধৰণে নিৰ্মাণ কৰিছো তাৰ প্ৰকৃত উপকাৰিতা প্ৰতিফলিত হ'ব বুলি ভাৱো। গতিকে এইক্ষেত্ৰত মই মন্ত্ৰী মহোদয়াক দৃষ্টি আকৰ্ষণ কৰিলো আৰু অলপ খোৱাবোৱাৰ ক্ষেত্ৰতো মই যিটো ৰিপ্লাই পাইছো তাত লিখিছে Ready to eat food provide কৰা হৈছে। Quality খুৱেই ভাল কিন্তু বহু ল'ৰা-ছোৱালী আকৌ use নকৰাৰ বাবে বহু ল'ৰা-ছোৱালীয়ে এনে ধৰণৰ খোৱাবোৱা খাবও নুখুজে। যদি এইক্ষেত্ৰত alternative ব্যৱস্থা থাকে তাৰবাবে মই মন্ত্ৰী মহোদয়াক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়ানি।

**শ্ৰীমতী অজন্তা নেওঁগ, (মহিলা আৰু শিশু উন্নয়ন বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো তেখেতৰ concern টোৰ কাৰণে। ইতিমধ্যে আমি বিধায়কসকলক প্ৰত্যেকটো ব্লকত vigilance and monitoring committee ৰ সভাপতি, বিধায়ক সকল আছে তেখেত সকলে তিনিমাহৰ মুৰত এবাৰ vigilance and monitoring committee ৰ মিটিং পাতিব লাগে। মই আপোনাক এইটো কথাই জনাইছো যে তৎকালীনভাৱে আমাৰ ব্লক সমূহত vigilance and monitoring committee ৰ মিটিং হৈছে নে নাই এই বিষয়ে মই নিজে পৰ্য্যালোচনা কৰিম আৰু ইতিমধ্যে মই আজিয়েই নিৰ্দেশ দিম য'ত পৰ্যালোচনা হোৱা নাই অতি সোনকালে প্ৰত্যেকটো ব্লকতে তেওঁলোকে নিয়মীয়াকৈ অন্ততঃ মাহেকত আপোনালোকে vigilance and monitoring committee ৰ মিটিং

বহে তেতিয়া আমাৰ কাৰণেও ভাল হ'ব আৰু আপোনালোকৰ কাৰণেও ভাল হ'ব। কাৰণ আপোনালোকৰ সমষ্টিৰ অন্তৰ্গত যিমানবিলাক ব্লক আছে, Development Block আছে, ICDS Block আছে তাত আপোনালোকে এই আঁচনিখনৰ জৰিয়তে শিশু সকলে পুষ্টিকৰ খাদ্য কেনেধৰণে পাইছে বা সুন্দৰভাৱে পাইছে নে নাই এইখিনি কথাও জানিব পাৰিব। গতিকে মই আজিয়েই সম্পূৰ্ণভাৱে CDPO সকলক নিৰ্দেশনা দিম মিটিং সমূহ যাতে পাতে আৰু লগতে আপুনি কেন্দ্ৰ পৰ্য্যায়ত যিবিলাক আমাৰ সমিতি আছে তাতো যাতে তেওঁলোকে পৰ্য্যালোচনা কৰি থাকে আৰু সেই পৰ্য্যালোচনা কৰিবৰ কাৰণেও CDPO সকলক নিৰ্দেশনা দিম।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা Supplementary আছে। মই যিটো কথা মন্ত্ৰী মহোদয়াৰ দৃষ্টিগোচৰ কৰিছিলো, যিটো আজিকালি পেকেট ফুড দিয়া হয়, কোৱালিটি খুৱেই ভাল কিন্তু বহু ল'ৰা-ছোৱালীৰ অভ্যাস নথকাৰ বাবে খাব নুখুজে। সেই কাৰণে ইয়াৰ কিবা alternative দিব পাৰি নেকি যিসকলে খাব নুখুজে তেওঁলোকৰ কাৰণে অন্য কিবা ব্যৱস্থা থাকে, তেন্তে মই ভাৰো ভাল হ'ব।

**শ্ৰীমতী অজন্তা নেওঁগ, (মহিলা আৰু শিশু উন্নয়ন বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়াভাৱে যিখন নিৰ্দেশনা আহিছে, তাত তেওঁলোকে কৈছে যে Micronutrient পাব লাগে। আমি দাল খিচিৰি যিটো আমি সাধাৰণভাৱে বনাও সেইখিনি খাদ্য গ্ৰহণ কৰিলে গৰ্ভৱতী মহিলা সকলে বা অপুষ্টিকৰ শিশু সকলে যিখিনি প্ৰ'টিন পাব লাগে, mineral পাব লাগে, ভিটামিন পাব লাগে সেইখিনি নাপায় আৰু সেই কাৰণে আচলতে কি হয় যিটো intention ত আমি তেওঁলোকক খোৱা খাদ্যখিনি দিছো সেইটোৰ আমি result টো নাপাও। আমিও দেখিছিলো সৰুতে আমি Horlicks খাওঁ আৰু কিছুমান suplementary product খাওঁ, তেতিয়াহ'লে যিটো আমি malnutrition নাইকিয়া কৰিব লাগে লাগে সেইটো উদ্দেশ্যত আমি সমফল হওঁ। গতিকে এটা কথা ঠিক যে চাহ বাগিছাসমূহত আমি দেখিছো যে তেওঁলোকে প্ৰ'টিন খাব নুখুজে, ভিটামিন খাব নুখুজে, মিনাৰেল খাৰ নুখুজে। গতিকে এইক্ষেত্ৰত এটা সজাগতাৰ প্ৰয়োজনীয়তা আছে আৰু সেইখিনিৰ প্ৰতি আমি লক্ষ্য ৰাখিছো যিখিনি আমি খাদ্য দিছো তাত সম্পূৰ্ণভাৱে যাতে Micronutrient থাকে, সেইখিনিৰ কাৰণে আমি দিছো। কেতিয়াবা হয় যে আমি খোৱা খাদ্যবিলাক নাখাওঁ। চাহ বাগিচাত আমি বেছিকৈ নিমখ গ্ৰহণ কৰো বা proteinous food বিলাক গ্ৰহণ নকৰো। তাৰ কাৰণে সজাগতাৰ প্ৰয়োজনীয়তা আছে। আমি বিভাগে সজাগতা আনিবৰ চেষ্টা কৰিম আৰু আপোনালোকেও তেনেকুৱা ধৰণৰ সজাগতা সভা যাতে আপোনালোকৰ অঞ্চল বিলাকত পাতি আপোনালোকে অংশ গ্ৰহণ কৰে তাৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী আচিফ মহম্মদ নাজাৰ।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত মুঠ ৪৭৩ টা অংগনবাড়ী কেন্দ্ৰ আছে। কিন্তু বেছিভাগৰ পৰা complain আহে যে instant Dal Khichdi fortified food আৰু multigrain Suji দিয়া হয় ল'ৰা-ছোৱালী বিলাকক খাবৰ কাৰণে। কিন্তু বহু অংগনবাড়ী worker ৰে complain দিছে সৰু সৰু কন কন ল'ৰা-ছোৱালীবিলাকে খাৰ নিবিচাৰে। গতিকে মই আপোনাৰ জৰিয়তে ক'ব বিচাৰিছো যে কিবা যদি alternate ব্যৱস্থা কৰিব পাৰে ইয়াৰ উপৰিও সৰুৰ পৰা ৩ বছৰলৈকে যিবোৰ ল'ৰা-ছোৱালী আছে সিহঁতক মটৰ, চাউল এইবোৰ দিয়া হয় আৰু ৩ ৰ পৰা ৬ বছৰ বছৰ বয়সৰ ল'ৰা-ছোৱালী বিলাকক খিচিৰি দিয়া হয় অংগনবাড়ী কেন্দ্ৰবিলাকত। কিন্তু পৰ্য্যাপ্ত পৰিমাণে ল'ৰা-ছোৱালী বিলাকে

খাব নোৱাৰে। তাৰ কাৰণে যদি মাননীয়া মন্ত্ৰী মহোদয়াই ব্যৱস্থা কৰে তেতিয়াহ'লে বহুত ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওঁগ, (মহিলা আৰু শিশু উন্নয়ন বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি দুটা প্ৰকাৰে খাদ্যবিলাক দিওঁ, এটা হৈছে ready to eat food. আমাৰ কেন্দ্ৰ বিলাকত ৰন্ধা খাদ্য। আগতে খিচিৰি আছিল, Micronutrient দিয়াৰ পৰা যিখিনি খাদ্য ৰান্ধে আৰু চাউলো দিয়া হয় তাত fortified চাউল দিয়া হয়। গতিকে মোৰ কথাখিনি এইখিনিয়েই যে মানুহে যিখিনি পাবলগীয়া Micronutrient তেওঁলোকে যদি গ্ৰহণ নকৰে তেতিয়াহ'লে কিন্তু কেৱল চাউল, খিচিৰি, মটৰ দি তেওঁলোকৰ পৰিপুষ্টি আমি আনিব নোৱৰো। এইক্ষেত্ৰত আমি কেন্দ্ৰ বিলাকলৈ গৈ চাম। গতিকে মই এই কথাটো লক্ষ্য ৰাখিছো যে যিহেতু কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজ্যবিলাকতে নিৰ্দেশনা দিছিল যে আমাৰ পৰিপুষ্টিকৰ আহাৰ দিয়াৰ পাছতো অপুষ্টিকৰ ল'ৰা-ছোৱালী বিলাকৰ সংখ্যা কমা নাই কিয়? গোটেইখিনি কথা আমি চালি-জাৰি চাইছিলো। তাৰ পিছত আমি এই ব্যৱস্থা গ্ৰহণ কৰিছো। তথাপিতো মাননীয় অধ্যক্ষ মহোদয়, আমি কেন্দ্ৰ বিলাকত চাম। সাধাৰণ ভাৱে আমি যিখিনি চাউল দিও, সেইখিনি তেওঁলোকে ঘৰত গ্ৰহণ কৰিব পাৰে। তাত আমি fortified চাউল এইকাৰণে দিছো যে fortified rice টো গ্ৰহণ কৰিলেহে অপুষ্টিকৰ শিশু বিলাকে পুষ্টিকৰ দিশে আগবাঢ়ি যাওঁক। আপুনি নিজেও এজন ডাক্তৰ, সেইকাৰণে মই অনুৰোধ জনাইছো পুষ্টিকৰ খাদ্যবিলাক যাতে গ্ৰহণ কৰে তাৰ ওপৰতহে আচলতে আমি জোৰ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং- ২২, শ্ৰী জাকিৰ হুছেইন লস্কৰ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সমূহ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰসমূহ পাইছো। যোৱা বিধান সভাত এই প্ৰশ্নটো কৰিছিলো আৰু মাননীয় মন্ত্ৰী মহোদয়ে কৈছিল যে যিমান সোনকালে হয় সিমান সোনকালে এই পদসমূহ পুৰণ কৰা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, অত্যন্ত পৰিতাপৰ বিষয় যে আমাৰ এইটোৰ কাৰণে ১২৬ জন বিধায়কৰ এই সমস্যাটো আছে। দেখা গৈছে যে য'ত PMAY complete হৈছে কিন্তু job card ৰ যি পইচা পাবলগীয়া আছিল, পোৱা নাই। আমি নিজে এমাহ এই বিষয়টো চালো আৰু গম পালো যে প্ৰগ্ৰেচ ৰিপোৰ্টৰ কাৰণে ওপৰৰ পৰা হেঁচা প্ৰয়োগ হয় আৰু যেতিয়া ৰিপোৰ্টটো হয় দেখা যায় যে সম্পূৰ্ণ হোৱাৰ পিছত তাত ID create নহয়। লাখ লাখ দুখীয়া মানুহে পইচা পোৱা নাই। কাৰণ এজনে এটা GP কৰিব নোৱাৰে। কিন্তু এই সকলক দুই-তিনিটা GP দিয়া হৈছে। মই এটা **তথ্য দাখিল কৰিছো।** য'ত আছে যে এতিয়ালৈকে হাইলাকান্দিত মাত্ৰ ২৩ জন মানুহে এশ দিনৰ দৰমহা পাইছে। অসমৰ অৱস্থা এনেকুৱা যে মুঠ ৪১,৮৬,০০০ সক্ৰিয় job card holder আছে। তাৰ ভিতৰত ৫১,৯৫৪ জন ২০২১-২২ চনত পাইছে। এতিয়া কথাটো হ'ল যে এই আঁচনিৰ পৰা এই লোকসকলক remuneration দিয়া হয়। তাত কি অসুবিধাৰ কাৰণে ইমান দিন এই পদসমূহ hanging কৰি ৰখা হৈছে? এই বিষয়ে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী,পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জাকিৰ হুছেইন লস্কৰ ডাঙৰীয়াই মোক সুধিছিল যে মুঠতে কিমান পদ আছে আৰু কিমান

পদ খালী আছে? মই ইতিমধ্যে কিমান পদ খালী আছে তেখেতক জনাইছো। আমাৰ AE খালী হৈ আছে ৩৬ টা। আমাৰ GPEC ৬২ জনৰ ভিতৰত কৰ্মৰত হৈ আছে ৫২ জন, কৰ্মৰত Computer Assistant আছে ৪৪ জন আৰু GRS আছে ৪৬ জন। যিসকল কৰ্মৰতComputer Assistant, GPEC, GRS বা AE আছে তেওঁলোকে এতিয়া যিটো হাৰত কাম কৰি আছে, সেইটো চাই মাননীয় অধ্যক্ষ মহোদয় আপোনালোকে আচৰিত হ'ব। আজি আমি যদি চাওঁ আমাৰ ২০১৬ চনৰ পৰা ২০২১ চনলৈ তেওঁলোকে PMAY ঘৰ সম্পূৰ্ণ কৰিছিল ৪,৪,০০০ টা। কিন্তু এতিয়া মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ কৰ্ম-সংস্কৃতিৰ আধাৰত তেওঁলোকে ২৮ মাহত ৯,৯০,০০০ টা ঘৰ সম্পূৰ্ণ কৰিছে। গতিকে কৰোবাত খালী হৈ আছে সেইটো আমাৰ কাৰণে ডাঙৰ কথা নহয়। তেওঁলোকৰ কামৰ performance টোহে চাব লাগে। আমাৰ যি ৮,০০০ মানুহ আছে তেওঁলোকক ক'ৰ পৰা মাননী দি আছো? তেওঁলোকৰ কাৰণে কোনো সুকীয়া দৰমহা ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰৰ পৰা নাহে। আমাৰ যি Administrative Cost তাৰ পৰা আমি দি আছো। তাৰ কাৰণে আমি এইবাৰ অভিনৱ কৌশল লৈছো। আমি আগতে বিভিন্ন মেলা আদিত হৰ্ডিং আদি লগাই যি ধৰণে প্ৰচাৰ কৰিছিলো, তেওঁলোকে যাতে ভালদৰে কামত মনোনিৱেশ কৰিব পাৰে তাৰ বাবে PF দিবৰ বাবে আমি সেই হৰ্ডিংত খৰচ হোৱা ৪ কোটি টকা কেনচেল কৰি আমি তেওঁলোকক পি এফ দি আছো। সংখ্যা কিমান আছে সেইটো ডাঙৰ কথা নহয়। কিন্তু সেই হিচাপে তেওঁলোকৰ performance বহুত বেছি উন্নত বুলি মই বিশ্বাস কৰো। ২০১৬ চনৰ পৰা PMAY কাম আৰম্ভ হৈছে আৰু ২০২১ চনলৈ ৪ লাখ ঘৰ নিৰ্মাণ হৈছিল আৰু যোৱা ২৮ মাহত তেওঁলোকে ৯,৯০,০০০ টা ঘৰ সম্পূৰ্ণ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইমান ঘৰ সম্পূৰ্ণ কৰাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ দিব লাগে। আপোনাৰ জৰিয়তে জানিব বিচাৰিছো যে কিমান মানুহে সম্পূৰ্ণ হোৱাৰ পিছত এই জব কাৰ্ডৰ পইচাটো পাইছে? ইয়াত এটা ডাঙৰ অসুবিধা হৈছে যে যেতিয়া সম্পূৰ্ণ হোৱা দেখা যায়, তেতিয়া সেই দুখীয়া মানুহ জনে জব কাৰ্ডৰ পইচাটো নাপায়। মই ভাৱো যে এই সমস্যাটো ১২৬ টা সমষ্টিত আছে আৰু আমাৰ তাত অতি বেছিকৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মূল প্ৰশ্নটো কৰক।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে MGNREGA ৰ যি ratio ত পইচাটো যাব লাগিছিল সেই অনুপাতে এই ৯ লাখৰ ভিতৰত কিমান মানুহে পাইছে?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব। প্ৰশ্নবিলাক এনেদৰে কৰিব লাগে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো মজুৰিৰ কথা কৈছে আমি ২০২১-২২ ত ২৭,৭৯,০০০ মানুহক মজুৰি দিছো আৰু ২০২২-২৩ ত ৬৬,৪৬,০০০ মানুহক মজুৰি দিছো। চলিত বৰ্ষৰ ছেপ্তেম্বৰ মাহলৈ ৯,২৭,০০০ মানুহক আমি মজুৰি দিছো। তাৰ মাজত কোনোবা যদি মজুৰি নোপোৱাকৈ আপোনাৰ সমষ্টিত আছে, আপুনি মোক বিশেষভাৱে জনাব। মই ইয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে আপোনাক আশ্বাস দিছে আৰু আপুনি নামখিনি দি দিব। এতিয়া কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই ক'ব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ

পৰা জানিব বিচাৰিছো যে GRS, GPEC আছে তেওঁলোকৰ ওপৰত আমাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ কামৰ ক্ষেত্ৰত যিখিনি উন্নয়ণ হয়, সেইখিনি বহুপৰিমাণে নিৰ্ভৰ কৰে। মাননীয় মন্ত্ৰী মহোদয়ে জানে যে ২০২২ চনৰ ১ ফেব্ৰুৱাৰীত ২০ দিনৰ কাৰণে strike কৰিছিল আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে সম্পূৰ্ণৰূপে collaps হৈ গৈছিল। আপোনালোকে তাত স্থায়ী মানুহ আনিব নোৱাৰে। কিন্তু SSA বা NHM ত যি ধৰণৰ ROP আছে য'ত ৬০ বছৰলৈকে তেওঁলোকে চাকৰি কৰিব পাৰে, ঠিক তেনেদৰে তেওঁলোকৰ কাৰণেও ROP কৰাৰ ব্যৱস্থা কৰা হ'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি প্ৰায় ৮ হাজাৰ ঠিকা ভিত্তিক কৰ্মচাৰী আছে আৰু তেওঁলোকৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই হওঁক বা মইও সংবেদনশীল আৰু এই বিষয়টোৰ ওপৰত আমি বিভিন্ন সময়ত আলোচনা কৰি আছো। NHM ত যেনেকৈ ১০ বছৰ পাৰ হোৱা সকলক ৬০ বয়সলৈ স্থায়ী কৰাৰ কথা কৈছিলো তেওঁলোককো কৰাৰ কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কৈছিলো আৰু এই কথাটো এতিয়াও বিবেচনাধীন হৈ আছে। আগতে তেওঁলোকৰ PF নাছিল কিন্তু আমি সংবদেনশীল হোৱাৰ বাবে PF ৰ ব্যৱস্থা কৰিলো। কৰ্মৰত অৱস্থাত যিসকলৰ মৃত্যু হৈছে, আমি এতিয়ালৈকে ৬০ জন তেনে ব্যক্তিৰ পৰিয়ালক ৫ লাখ টকাকৈ এককালীন সাহাৰ্য্য প্ৰদান কৰিছো। তেওঁলোকে বহুত ত্যাগ কৰিছে। আজি PMAY ৰ যি Performance তাৰ যদি ক্ৰেডিট দিব লাগে তেন্তে নিম্নস্তৰত যিসকল GPEC, GRS, AE আছে তেওঁলোকক দিব লাগিব। কাৰণ তেওঁলোকৰ কাৰণে আমি যোৱা ২৮ মাহৰ ভিতৰত ১ মিলিয়ন ঘৰ নিৰ্মাণ সম্পূৰ্ণ কৰিব পাৰিছো। গতিকে আমি নিশ্চয় তেওঁলোকৰ প্ৰতি সহানুভূতিশীল আৰু এই বিষয়টো বিচেনাধীন হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-২৩। মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই ক'ব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী,পৰ্য্যটন, কাৰিকৰী, দক্ষতা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰ পাইছো আৰু সেই সম্পৰ্কে মই বেছি ক'বলৈ নাযাওঁ। মানস অভয়াৰণ্য অসমৰ এটা সম্পদ আৰু ইয়ালৈ পৰ্য্যটক বাহিৰৰ পৰা আহে। কিন্তু ইয়ালৈ যোৱা মূল যি দুটা পথ আছে- এটা ভৱানীপুৰৰ পৰা মানস অভয়াৰণ্যলৈ যাব পাৰি আৰু এটা বৰপেটা ৰোডৰ পৰা মানস অভয়াৰণ্যলৈ যাব পাৰি। এই দুয়োটা পথৰে অতি বেয়া অৱস্থা। এই পথ কেইটা যদি উন্নত কৰা নাযায়, পৰ্য্যটক সকলে স্বাভাৱিকতে অসুবিধা পাব। বৰপেটা ৰোডৰ পৰা মানস অভয়াৰণ্যলৈ যাব পৰা পথটো নদীয়ে খহাইছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে জানে আৰু এই পথদুটাৰ যদি widening and strengthening কৰা নাযায়, পৰ্য্যটক তালৈ যাব নোৱাৰিব। ইয়াৰ ওপৰত মাননীয় মন্ত্ৰীমহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে? ইয়াৰোপৰিও মানস অভয়াৰণ্যত উন্নত অতিথিশালা নিৰ্মাণ কৰাৰ কিবা ব্যৱস্থা কৰিছে নেকি? এতিয়ালৈকে তাত বহু ব্যক্তিগত ৰিজ'ৰ্ট নিৰ্মাণ কৰা হৈছে। আনহাতে, মানাহ অভয়াৰণ্যত পৰ্যটন বিভাগৰ জৰিয়তে উন্নত অতিথিশালা স্থাপন কৰাৰ কিবা পৰিকল্পনা আছে নে নাই? তাত বহুত ব্যক্তিগত ৰিজৰ্ট হৈছে। আমাৰ অধ্যক্ষ মহোদয়ো যায়, অন্য সদস্যবোৰো যায়। তাত প্ৰায়ে ভিৰ থাকে। সৰ্ব দিশৰ পৰা সৰ্বাংগ সুন্দৰ ঠাইখনত যদি উন্নত অতিথিশালা স্থাপন নকৰে, তেন্তে পৰ্যটকৰ আৰ্থিক ভাৱে যথেষ্ট পৰিমাণৰ ক্ষতি হয়। তৃতীয়তে, সৰভোগক কেন্দ্ৰ

কৰি গৰখীয়া গোঁসাইকে ধৰি আমাৰ যিবোৰ প্ৰতিষ্ঠান আছে, তাৰ বাবে এটা উন্নত অতিথিশালা সৰভোগত পৰ্যটন বিভাগে কৰিব নেকি? তাত এটা বান্ধিছিল, কিন্তু সেইটো abandon হৈ পৰি আছে। গৰখীয়া গোঁসাইক কেন্দ্ৰ কৰি উন্নত অতিথিশালা স্থাপন কৰাৰ কিবা পৰিকল্পনা কৰিব নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী,পৰ্যটন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ভাৰত চৰকাৰৰ ‘স্বদেশ দৰ্শন’ৰ wildlife Circuit আছিল, সেই Circuitৰ জৰিয়তে আমি মানাহ অভয়াৰণ্যত যথেষ্ট খিনি কাম কৰিছিলো। এই কামখিনি আমাৰ সদস্যগৰাকীয়ে গৈ চাই আহিব পাৰিব। পানবাৰী, বাহ্বাৰী, ভূঞাপাৰা, লক্ষীবজাৰ আৰু সোমবাগান এই পাঁচখন ঠাইত খুব উন্নত মানৰ ৰিজৰ্ট বনোৱা হৈছে যাক আমি Carbon free বুলি কৈছো। কোনো concrete ব্যৱহাৰ নকৰাকৈ খুব সুন্দৰ structure ত Log Hut কিছুমান বনাইছো। অধ্যক্ষ মহোদয়ে চাগে গৈছে, তেওঁ দেখিছে। মাননীয় সদস্যগৰাকীয়ে যিটো ৰাস্তাৰ কথা কৈছে, তাৰ দুটা ৰাস্তাৰ এটা ৰাস্তাত মই জনামতে মেৰামতিৰ কাম আৰম্ভ হৈছে। মই নিশ্চয়কৈ গড়কাপ্তানি বিভাগক এই কথাটো জনাম। ৰাস্তা পৰ্যটন বিভাগে নবনায়, গড়কাপ্তানি বিভাগে বনাব যিহেতু পৰ্যটক যোৱা ৰাস্তা। মই জনাত এটা ৰাস্তা ভালে আছে। আনটো ৰাস্তাৰে মই বহুদিন যোৱা নাই, গতিকে এতিয়া যদি কিবা বেয়া হৈছে, নাজানো। আজিৰ পৰা ৩-৪ বছৰ আগত এই ৰাস্তাটো খুব সুন্দৰভাৱে বহল কৰি বনোৱা হৈছিল। গতিকে, মই নাভাৱো যে এই তিনি-চাৰি বছৰতে ৰাস্তাটো বেয়া হৈছে। তথাপিও সন্মানীয় সদস্যগৰাকীয়ে কোৱা কথাটো মই লোকনিৰ্মাণ বিভাগক জনাম। দ্বিতীয়তে, গৰখীয়া গোঁসাইৰ থানত ইতিমধ্যে অসম পৰ্যটন উন্নয়ন নিগমৰ ফালৰ পৰা এটা অতিথিশালা বনোৱা হৈছিল। যোৱা বছৰৰ আগৰ বছৰত আৰু এটা অতিৰিক্ত পুঁজি দিয়া হৈছিল যাতে তাত কৰিবলগীয়া কামখিনি কৰিব পাৰে। মানাহৰ কাৰণে এটা সুখবৰ যে আজিৰ তাৰিখত TATA ৰ Ginger Group এ এখন হোটেল তাত বনাবৰ কাৰণে আগবাঢ়ি আহিছে। তাত কেইবাটাও ব্যক্তিগত খণ্ডৰ কোম্পানী আহি বা তাৰ স্থানীয় লোকেও বহুত ৰিজৰ্ট ইত্যাদি কৰিছে । আমাৰ সন্মানীয় সদস্য মনোৰঞ্জন তালুকদাৰ বাওঁপন্থী চিন্তাধাৰাৰ মানুহ। তেখেতে ভাৱে যে চৰকাৰে ৰিজৰ্ট বনাব লাগে। কিন্তু আমাৰ কথাটো হ’ল যে চৰকাৰে ৰিজৰ্ট বনাবৰ বাবে সকলো সা-সুবিধা দিব লাগে। আমি পৰ্যটনক উদ্যোগ হিচাপে ঘোষণা কৰিছো। উদ্যোগ ঘোষণা হোৱাৰ লগে লগে তাত যিয়ে ৰিজৰ্ট বনাব, ৩৩% capital subsidy পাব, ৰাস্তাৰ বাবে পইচা পাব, electricity ৰ subsidy পাব। Tourism is an industry. আজিৰ তাৰিখত Industry Department ত যিখিনি সুবিধা পায়, Tourism Industry policy মতে সেই সকলোখিনি পাব। গতিকে, আমাৰ বিভাগে ৰিজৰ্ট নবনায়। আমাৰ বিভাগৰ কাম হ’ল কেনেকৈ promotion কৰিব লাগে, কেনেকৈ অসমলৈ পৰ্যটক আনিব লাগে। ৰিজৰ্ট বনোৱা কামটো ব্যক্তিগত খণ্ড আৰু স্থানীয় ৰাইজৰ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ )ঃ** চাৰ, এটা স্পষ্টীকৰণ দিব খুজিছো যে তেওঁলোকে গৰখীয়া গোঁসাইত যিটো অতিথিশালা বনোৱা বুলি কৈছে, সেইটো ঠিকাদাৰে আজি বহু বছৰ ধৰি বান্ধিও এতিয়ালৈকে handover কৰিব পৰা নাই। এই বিষয়টো মন্ত্ৰী মহোদয়ে অলপ ব্যক্তিগত ভাৱে চালে ভাল হয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্যটন ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, সেইটো আমাৰ পঞ্চায়ত

বিভাগৰ মন্ত্ৰী মহোদয়ে উদ্বোধন কৰা বুলি কৈছে। আনহাতে মই পৰ্যটন নিগমৰ অধ্যক্ষ হৈ থাকোতে নিজে গৈ চাই আহিছিলো, তেতিয়া কিছু কাম বাকী আছিল। তাৰ বাবে মই পৰ্যটন নিগমৰ পৰা অতিৰিক্ত পইচাও দিছিলো।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ )ঃ** চাৰ, উদ্বোধন হৈছে, কিন্তু handover হোৱা নাই। মন্ত্ৰী মহোদয়ে আহি এবাৰ চাই যাওঁক।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্যটন ইত্যাদি) ঃ** হ'ব মই এবাৰ মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ লগত গৰখীয়া গোঁসাই থানত সেৱা কৰিবলৈ যাম। কিবা যদি বাকী আছে, চাই আহিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-২৪। মাননীয় মন্ত্ৰী।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্যটন ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী )ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই প্ৰশ্নটো আজি সাত বছৰৰ পৰাই উত্থাপন কৰি আহিছো। কিন্তু আজিলৈকে ফলাফলটো পোৱা নাই আৰু একেটা উত্তৰেই দি থকা হৈছে। মহোদয়, দীপৰ বিলৰ গোটেই এলেকাটো ৪০ বৰ্গ কিঃমিঃৰ, এতিয়া তাত ১৫ বৰ্গ কিঃমিঃহে আছে। আনহাতে, সেই ১৫ বৰ্গ কিঃমিঃৰ ৪.১ বৰ্গ কিঃমিঃ বন বিভাগৰ Wildlife Sanctuary। বাকী থকা এলেকাখিনি হৈছে Wetland, Revenue ৰ। গতিকে এইখিনি কৰিবৰ বাবে কি অসুবিধা হৈছে মই এতিয়ালৈকে বুজি পোৱা নাই। ইতিমধ্যে এই সম্পৰ্কত এটা NGO য়ে গৌহাটী উচ্চ ন্যায়ালয়ত এখন PIL ৰুজু কৰিছিল। এই বিষয়ত মাননীয় মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে final judgement নিদিয়াটো হয়, কিন্তু এটা interim judgement দিয়া হৈছে। এই interim judgement ত আমাৰ Justice জনে ইমান সুন্দৰ ভাৱে পৰামৰ্শ দিছে যে মই ভাৱো সেই পৰামৰ্শটো মানি ল'ব লাগে। তেওঁ কৈছে- In the opinion of the Court, the following measures and suggestions if taken into consideration and applied can go a long way in achieving the desired results for the protection, beautification and enhancement of the bio-diversity of the place. To consider construction of promenade (promod bhraman marg) cycling track, walking track on the entire periphery of the lake once the promenade or promod marg including the cycling track etc. are established. The possibility of organizing sporting events at the national and international levels can be explored. To consider setting up dedicated facilities for promoting tourism i.e. food courts, entertainment zones, parks etc. along side the lake" ..interruptions...মহোদয়, এনেদৰে এটা interim judgement দিয়া হৈছে। গতিকে এনেকৈ এটা সুবিধা দিয়াৰ পিছতো সুবিধাটো কিয় লোৱা হোৱা নাই। ইয়াৰ ৰহস্য কি মই বুজি পোৱা নাই.....interruptions...

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য, আপুনি সদনৰ পিছত personally মাননীয় মন্ত্ৰীৰ লগত বহি.....interruptions.....

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, সদন কমিটি গঠন কৰি দিয়ক ...interruptions.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, এজন সদস্যই সদায় লাগি আছে, তেখেতক সহায় কৰিব লাগে আৰু কামখিনি কৰিব লাগে....

**মাননীয় অধ্যক্ষঃ** আপোনালোকক supplementary প্ৰশ্ন কৰিবলৈ দিয়া হ'ব, তেতিয়া ক'ব, এতিয়া সদনৰ সময় নষ্ট নকৰিব। মাননীয় মন্ত্ৰী ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্যটন ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই ৭ বছৰে প্ৰশ্ন কৰি আহিছে, মই ৭ মিনিটত কৈ শেষ কৰিম বুলি ভাৱিছো। এইবাৰ আপোনাৰ সমস্যাৰ সমাধান হৈ যাব। মই ভাৱো ইয়াৰ পিছত আৰু তেখেতৰ প্ৰশ্ন নাহিব। ইতিমধ্যে উত্তৰণ আঁচনিত ১০ কোটি টকা দিয়া আছে। তাৰ পিছত SOPD ৰ পৰা ৪ কোটি টকাৰ আবণ্টন দিছিলো। তাৰে ১০ কোটি আৰু ২ কোটি টকা sanction হৈ আজিৰ তাৰিখতো ১২ কোটি টকাAssam Tourism Development Corporation ৰ ওচৰত ৰৈ আছে। তাৰ পিছতো আমি কাম কৰিব পৰা নাই। আপুনিও জানে, আপোনাৰ লগত মই কেইবাবাৰো গৈছো। বন বিভাগৰ লগত আমি আলোচনা কৰিছো। তাত কিছুমান এনে কথা আছিল যে- প্ৰথম অৱস্থাত য'ত Tourist Information Centre or Tourist Facilitation কৰিব খুজিলো, তাত নতুনকৈ ৰে'ল বিভাগে Elevated Railway Track বনাবৰ কাৰণে পৰিকল্পনা কৰিলে। আমি ঠাইটো উলিয়াব পৰা নাই যে ক'ত কৰিম? আমি এবাৰ সিদ্ধান্ত ললো ইতিমধ্যে বন বিভাগে কিছু পৰিমাণে আগ্ৰহ প্ৰকাশ কৰিছে আমি বহুত হেঁচা দিয়াৰ পাছত। এইবাৰ এটা ভাল কথা হৈছে যে কিছুদিন আগতে মহামান্য আদালতত এটা PIL হৈছিলে আৰু ইয়াত খুৱ clearly এটা instruction দিছে যে তাত কি কি কৰিব পাৰি। সেইকাৰণে আদালতৰ নিৰ্দেশনাৰ পাছত বন বিভাগ আৰু পৰ্যটন বিভাগ আমি একেলগে বহিছিলো। তাৰ লগতে আমি এটা কথা চিন্তা কৰিলো যে যিহেতু Elevated Railway track ৰ কথা হৈ আছে, গতিকে তাত যদি আমি এইটো কৰো তেতিয়া পিছলৈ অসুবিধাৰ সৃষ্টি হ'ব। এতিয়া দ্বীপৰ বিলৰ পশ্চিমফালে হ'ব। তাত প্ৰায় এহাজাৰ বিঘা ৰেভিনিউৰ মাটি আছে। এই ডাটা আমি ইতিমধ্যে ৰেভিনিউ বিভাগৰ পৰা লৈছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আগ্ৰহ এইটোৱে যে সেই ৰেভিনিউৰ মাটিখি নি আমি যদি আৰু অলপ খান্দি দিব পাৰো তেতিয়া দ্বীপৰ বিলৰ পানীৰ বহন ক্ষমতাটো বহুত বৃদ্ধি হ'ব আৰু দ্বীপৰ বিলখন দেখিবলৈ খুৱ সুন্দৰ হ'ব। কেইদিনমান আগতে মই মাননীয় সদস্য গৰাকীৰ লগত দ্বীপৰ বিলত নাৱেৰে গৈছিলো আৰু দেখিছিলো যে বিলৰ মাজত যিটো খনাজান আছে তাৰ উত্তৰফালে থকা পানীখিনি খুব লেতেৰা। কিন্তু দক্ষিণফালে থকা পানীখিনি ছফা। তাৰমানে GMC ৰ পৰা যিখিনি লেতেৰা পানী আহে সেইখিনি খনাজান পাৰ হৈ যাব নোৱাৰে। সেইখিনি খনাজানেৰে ব্ৰহ্মপুত্ৰলৈ গুছি যায়। গতিকে যি পানী নিষ্কাশনৰ কথা কৈছে তাৰ বাবে GMD য়ে কাম কাৰি আছে। সেয়েহে সেইফালৰ পৰা পানী নিষ্কাশন কৰিলে খনাজানৰ সিফালৰ পানীখিনি ছফা হৈ যাব। যিহেতু পশ্চিমফালে থকা পানীখিনি ছফা সেইকাৰণে আমি খনাজানৰ পশ্চিমফালে থকা ঠাইত সুন্দৰভাৱে এটা ডাঙৰ এহেজাৰ বিঘা মাটি আমি ৰেভিনিউৰ পৰা লৈ তাত কিছু খান্দি দিব বিচাৰিছো যাতে দ্বীপৰ বিলৰ বহন ক্ষমতা বৃদ্ধি হয়। আপোনালোকক জনাবলৈ পাই সুখী যে এইমাহৰ ভিতৰতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে তালৈকে যাব, চাব গোটেই ব্যৱস্থাটো আৰু মই ভাৱো যে এইবাৰৰ পাছত আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই প্ৰশ্ন কৰিব নালাগে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মই সদিচ্ছা নথকা বুলি কোৱা নাই। মাননীয়

মুখ্যমন্ত্ৰী ডাঙৰীয়াই যদি এইমাহৰ ভিতৰতে যাম বুলি কৈছে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** আমাৰ water resource বিভাগৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু আমি এইবাৰ দ্বীপৰ বিলৰ sluice gate খন খুলি দিছো। তাৰবাবে দ্বীপৰ বিলত এইবাৰ ব্ৰহ্মপুত্ৰৰ পৰিষ্কাৰ পানী সোমাইছে। এই পানীখিনি ওলাই যোৱাৰ লগে লগে দ্বীপৰ বিল যথেষ্ট ছাফা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য চক্ৰধৰ গগৈ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বগীবিলৰ কথা ক'ব বিচাৰিছো। আমাৰ তাত থকা বগীবিলখন এটা সময়ত খুব বেছি খ্যাতনামা ঠাই নাছিলে। কিন্তু যেতিয়া ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰ সংযোগী প্ৰায় ৫ কিঃ মিঃ দৈৰ্ঘ্যৰ বগীবিল দলং হৈ গল তাৰ পিছত বগীবিল খন খুব প্ৰসিদ্ধ ঠাই হৈ পৰিল অৰু ৰমেন দাই যেনেকৈ ৭ বছৰ দ্বীপৰ বিলৰ কথা ক'লে মোৰ তেনেকৈ তিনিটা বছৰ হৈছে সদনত কোৱা যে বগীবিলত এখন পৰ্য্যটন ক্ষেত্ৰৰ বিকাশ হ'ব লাগে। কিন্তু যোৱা কেইবাবছৰ ধৰি কোৱাৰ পাছতো এতিয়ালৈকে হোৱা নাই। কিন্তু আজি মাননীয় মন্ত্ৰী ডাঙৰীয়াই এটা ভাল খবৰ দিয়া যেন পালো যে এতিয়া ৫০ বিঘা মাটি লোৱা হৈছে বুলি কৈছে আৰু ৮০ লাখ টকাৰে সীমা বেৰ নিৰ্মাণৰ কথাও জনাইছে। তাৰবাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। বগীবিলত ইতিমধ্যে ব্যক্তিগত খণ্ডৰ বহুখিনি অনুষ্ঠান গঢ় লৈ উঠিছে। তাত কাঞ্চনজংঘা নামৰ এটা ইকো ৰিজোৰ্ট হৈছে আৰু ৰেল বিভাগেও এটা restaurant খুলিছে আৰু কেন্দ্ৰীয় চৰকাৰেও তাত এটা জাহাজঘাট নিৰ্মাণ কৰিবৰ কাৰণে আধাৰশিলা স্থাপন কৰিছে। গতিকে এতিয়া মন্ত্ৰী ডাঙৰীয়াই ৫০ বিঘা মাটি লোৱাৰ কথা কৈছে কিন্তু তাত কি আঁচনি বিকাশ কৰিব সেই কথাটো কোৱা নাই। তেখেতে মোক ৫ খন আঁচনিৰ কথা উল্লেখ কৰি ক'লে কিন্তু বগীবিলত কোনখন আঁচনি লোৱা হ'ব সেই কথাখিনি জনাব লাগে।

দ্বিতীয়তে, এই যিটো আঁচনি লৈছে সেইটো মই স্থানীয় বিধায়ক হিচাপে অৱগত নহয়। কাৰণ যোৱা তিনি চাৰি বছৰে যিহেতু মই সদনৰ মজিয়াত বিষয়টো অৱগত কৰিছো এই কথাটো মই জানিব লাগে। তেতিয়াহে মই স্থানীয় ৰাইজক এই কথাটো অৱগত কৰিব পাৰিম। গতিকে এই সম্পৰ্কত মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰ বিচাৰিছো।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বগীবিল সম্পৰ্কে মই যেতিয়া পৰ্য্যটন বিভাগৰ অধ্যক্ষ আছিলো তেতিয়া মই সেই জিলাৰ উপায়ুক্ত ডাঙৰীয়াৰ পৰা মাটি বিচাৰিছিলো আৰু সেই অনুসৰি ৫০ বিঘা মাটি অসম পৰ্য্যটন উন্নয়ণ নিগমক আবন্টন দিছিলে। এতিয়া মই মন্ত্ৰী হোৱাৰ পাছত তাত আমি ৮০ লাখ টকা দিছো যাতে boundary wall ৰ কামটো আমি আৰম্ভ কৰিব পাৰো। বগীবিলত পৰ্য্যটনৰ সম্ভাৱনা যথেষ্ট বৃদ্ধি হৈছে। এতিয়া আমাৰ চৰকাৰে তাত পৰিকল্পনা কৰিম আৰু এতিয়া যিহেতু tourism industry হিচাপে গঢ় লৈ উঠিছে, যিসকলে তাত investment কৰিবৰ কাৰণে অগবাঢ়ি আহে আমি তেওঁলোকক সকলো ধৰণৰ সা-সুবিধা tourism policy ৰ মতে দিবলৈ সাজু আছো।

দ্বিতীয় কথা, আমি যিকেইটা আঁচনিৰ কথা কৈছিলো সেইকেইটা হৈছে অসম চৰকাৰৰ বৰ্তমান চলি থকা আঁচনি। আমি উজনি অসম বা য'ত চাহ আছে তাত আমি চাহ পৰ্য্যটনটোক যথেষ্ট পৰিমাণে আগবঢ়াই নিবৰ কাৰণে ২২ খন চাহ বাগিছাক আমি ২ কোটি টকাকৈ চাহ বাগিছাৰ বাংলো বা অন্যান্য infrastructure development ৰ কাৰণে চাবচিডি বা ৰাজ

সাহায্য দিয়াৰ কথা ঘোষণা কৰিছো আৰু সেইমতে আমি ২২ খন চাহ বাগিছাত ইতিমধ্যে দিলো। সেইধৰণে চাহ উদ্যোগটো আগবঢ়োৱা হৈছে। তাৰ লগে লগে যিবিলাক আঁচনি আমাৰ আগৰে পৰাই আমাৰ আলহী, উত্তৰণ, ননোৱাণ, ফ্ৰাইড চলোৱা আদি আঁচনিবিলাক আমাৰ চলি আছে। আপুনি সুধিছে বগীবিলত কি কি আঁচনি চলি আছে? এই আঁচনি কেইখন চলি আছে আৰু আপোনালোকক জনাবলৈ পাই আমি সুখী যে ডিব্ৰুগড়ৰ পৰা শিলচৰলৈকে ননোৱাণ চেক্টৰৰ ফ্লাইড চলাইছিলো আৰু এই মাহৰ ভিতৰতে পৰিকল্পনা কৰিছো যোৰহাটলৈ চলাবৰ কাৰণে আৰু যোৰহাটৰ ফ্লাইড অহা যোৱা আৰম্ভ হ'লে কাজিৰঙাৰ tour পৰ্যটনটো আৰু উন্নত হ'ব বুলি আশা ৰাখিছো। পয্যটন বিভাগে যিমান পাৰে সদায় নতুন নতুন পৰিকল্পনা লৈ আগবাঢ়ি গৈ আছে।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** চাৰ, মোৰ আৰু এটা বিষয় আছে, পৰ্যটন উদ্যোগটো তাত যদি বিকাশ হয়, তাত স্থানীয় যিবিলাক নিৱনুৱা আছে সেইবলাকক কেনেধৰণে অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰিব জনাই দিলে ভাল পাম।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ হিচাপে ঘোষণা কৰাৰ পাছত তাত স্থানীয় বহিৰাগত বুলি কোনো কথা নাই। যিকোনো ভাৰতীয় মানুহে কাম কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া পদ্ম হাজৰিকা।

**শ্ৰী পদ্ম হাজৰিকা, (চতীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰ্যটনৰ ক্ষেত্ৰত বিভিন্ন আঁচনি ঘোষণা কৰাৰ কথা মন্ত্ৰী ডাঙৰীয়াই কৈছে কিন্তু মই তেখেতক দৃষ্টিগোচৰ কৰি আহিছিলো চৰকাৰৰ বিভিন্ন সময়ত যে sixth addition north bank of Kajiranga তাত মূল কাজিৰঙাতকৈ মাটিকালিও বেছি। জীৱ জন্তুও যথেষ্ট বাঢ়িছে তাত কিবা আঁচনি গ্ৰহণ কৰিছে নেকি আৰু লগতে এটা দৃষ্টিগোচৰ কৰি থওঁ যে তাত ঐতিহ্যমণ্ডিত তানপুৰ ঘাট আৰু বিশ্বনাথ ঘাটৰ মাজত------

**শ্ৰীজয়ন্তমল্ল বৰুৱা, মন্ত্ৰী, পৰ্য্যটন ইত্যাদি ঃ** ইয়াত বহি থকা ১২৬ জন বিধায়কে ক'ব যে তেওঁৰ সমষ্টিতো টুৰিষ্ট ডেষ্টিনেশ্যন হ'ব পাৰে, অসম তেনেকুৱা । কিন্তু অসমৰ ট্যুৰিজিমৰ বাজেট বহু ক'ম। আজিৰ তাৰিখত যদি ৫০০০ কোটি টকা দিয়ে তথাপিও ট্যুৰিজিমৰ কাম শেষ কৰিব নোৱাৰি। আমাৰ ইয়াত বহুখিনি ট্যুৰিজিমৰ সম্ভাৱনা এটা আমাৰ সকলোৱে দেখি আছে । গতিকে আমাৰ কথাটো হ'ল যে আমি এটা ট্যুৰিজিমৰ পৰিবেশ কৰিব বিচাৰিছো যাতে টুৰিষ্ট ফ্ৰেণ্ডলী এনভায়ৰনমেন্ট, পীচফুল এনভাইৰনমেন্ট এটা হয় । ট্যুৰিষ্ট অহা আৰম্ভ হয় আৰু এটা বিনিয়োগৰ পৰিবেশ হয় । সেইটো হ'ল আমাৰ লক্ষ্য । আজিৰ তাৰিখত অসমৰ ট্যুৰিজিমৰ পাব্লিচিটি বাজেট ৫ৰ পৰা ৮ কোটি টকা ইমানেই হয়। য'ত নেকি ৰাজস্থানৰ ট্যুৰিজিম পাব্লিচিটি বাজেট ৫০০ কোটি টকা। গুজৰাটৰ ট্যুৰিজিম বাজেট ৪০০ কোটি টকা গতিকে আমি এই পৰ্য্যায়ত আছো । তথাপিতো অসমে যোৱা বছৰৰ তুলনাতএই বছৰ ৫৭৬ পাৰ্চেন্ট ডমেষ্টিক ট্যুৰিজিমৰ গ্ৰ'থ কৰিছে । ৭৬৩ পাৰ্চেন্ট ইন্টাৰনেশ্যনেল ট্যুৰিজিমৰ ওপৰত গ্ৰোথ কৰিছে । ইয়াতকৈ আৰু ভাল ট্যুৰিজিমৰ গ্ৰ'থ কেনেকৈ হ'ব পাৰে ? আজি অসমৰ গুৱাহাটী এয়াৰপোৰ্ট ভাৰত ভিতৰত ১০ নম্বৰ বিজিয়েষ্ট এয়াৰপোৰ্ট । এইয়া হ'ল অসমৰ ট্যুৰিষ্ট ফ্ৰেণ্ডলী এটা ব্যৱহাৰ বা পৰিবেশ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে । এতিয়া কোৱেশ্চন নং -২৬ শ্ৰীআব্দুচ চোৱাহান আলী চৰকাৰ ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** অধ্যক্ষ মহোদয, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰীআব্দুচ চোৱাহান আলী চৰকাৰ, (গোলকগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনত মই যি প্ৰশ্ন ৰাখিছিলো তাৰ যি উত্তৰ আহিছে , এই উত্তৰ লৈ মই সন্তুষ্ট নহয় । মই মন্ত্ৰী

মহোদয়ক অনুৰোধ কৰিম যে এই পি এম ৰাই ঘৰৰ ক্ষেত্ৰত আমাৰ সাধাৰণ জনতাই গৰীব-দুখীয়া ৰাইজে বহুধৰণৰ অসুবিধাৰ সন্মুখীন হৈছে । কোনোবাই বাহিৰৰ পৰা কাম কৰি আহি নিজৰ ঘৰ, বয় - বস্তু চোৰৰ পৰা বছাবৰ বাবে ঘৰটো হাফ ৱাল কৰিছে। কোনোবাই কমদামী টিনপাত ঘৰৰ বেৰত লগাইছে। এতিয়া এই গৰীব মানুহখিনি যদি সৰু সুৰা বিভাগৰ নিয়মৰ বাবে যদি পি এম এ ৰাই ঘৰ নাপায় মই ভাবো নিশ্চিতভাবে আমিয়ে দুখীয়া মানুহক বঞ্চিত কৰাত আগভাগ ল'ম। লগতে মোৰ আৰু এটা প্ৰশ্ন আছে- আমাৰ পঞ্চায়তত যেতিয়া জিপিচি সকলে প্ৰথম অৱস্থাত জিঅ'টেকিঙৰ বাবে ঘৰৰ ফটো ল'বলৈ যায় তেতিয়া কেতবোৰ এনেধৰণৰ সমস্যাৰ সন্মুখীন হয় যে, এটা পৰিয়ালতে তিনিটা বা চাৰিটা পৰিয়াল থাকে- ডাঙৰ ভাই আছে ,মাজু ভাই আছে ,সৰু ভাই আছে , কিন্তু সকলোৱে বৈ গৈছে । তাৰে কোনোবা এটা ভাইয়ে হয়তো স্বচ্ছল, কিবা এটা কৰ্ম কৰি এটা ভাল ঘৰ বনাইছে । কিন্তু সেই পৰিয়ালৰ বাকী দুইজনে পি এম এ ৰাই ঘৰ পালে , সেই চৌহদত জিঅ' টেকিং কৰিবলৈ আহিলে জিপিচিজন অসুবিধাৰ সন্মুখীন হয় । দুখীয়া ৰাইজৰ এইবোৰ সমস্যা আমাৰ মন্ত্ৰী মহোদয়ে সমাধান কৰিব নেকি মই ৰাইজৰ হৈ অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক ডাঙৰীয়াই যিটো কথা ক'লে ঠিকে আছে সেইটো তেখেতৰ মনৰ অনুভৱ। বাস্তৱ ক্ষেত্ৰত যদি আমি চাওঁ - আমাৰ যি ছ'চিঅ'- ইক'নৌমিক চাৰ্ভে হৈছিল- ২০১১ চনত । ২০১১ চনত যিটো লোক পিয়ল হৈছিল , যিবোৰ মানুহৰ ঘৰৰ বেৰ বাঁহ, খেৰ, ঘাঁহ , প্লাষ্টিক, পলিথিন , নুপুৰা ইটা বা কাঠেৰে ঘৰ নিৰ্মাণ কৰা হৈছিলে , ২০১১ চনত , তেওঁলোকক একেবাৰে দুখীয়া মানুহ বুলি তালিকাভুক্ত কৰিছিলে । সেই তালিকা হোৱাৰ পিছত আমি বা চৰকাৰে যি পি এম এ ৰাই ঘৰৰ তালিকা বনালে তাত কেইবালাখো নাম বাদ পৰিছিলে । আমি জানো অসমত সাধাৰণতে ঘৰত টিনপাত লগায়, আগতে ডি আৰ ডি এ জৰিয়তে বা ডি আৰ জি এফৰ জৰিয়তে টিনপাত দিছিলে কিন্তু সেই টিনপাত থকা বাবে লাখ লাখ মানুহৰ নাম পি এম এ ৰাই ঘৰৰ তালিকাৰ পৰা নাম কৰ্ত্তন হৈছিল। তেওঁলোকে ঘৰ পোৱাৰ পৰা বঞ্চিত হৈছিল। কিন্তু আমাৰ যেতিয়া চৰকাৰ আহিলে আমাৰ চৰকাৰ অহাৰ পিচত ২০২০ চনত , তেতিয়া নব কুমাৰ দলে ডাঙৰীয়া মন্ত্ৰী আছিলে, এই বিষয়টো কেন্দ্ৰক অৱগত কৰাৰ পিচত চৰকাৰে ২০২০ চনতে এটা নোটিফিকেশ্যন উলিয়ালে যে অসম আৰু ত্ৰিপুৰাত যদিও ঘৰত টিনপাত থাকে প্ৰধান মন্ত্ৰীৰ আৱাস যোজনা গ্ৰাহ্য কৰিব লাগিব। এই বুলি ভাৰত চৰকাৰে এটা নোটিফিকেশ্যন উলিয়ালে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই । যাৰ ফলস্বৰূপে আমি এতিয়া পুনৰ ঘৰ পাবলৈ সক্ষম হৈছো । ২০১১ চনৰ নিয়মমতে যদি চাও আমি আজি পি এম ৰাইৰ ঘৰ নাপালোহেতেঁন । কিন্তু অধ্যক্ষ ডাঙৰীয়া, ভাৰত চৰকাৰে কৈছে যে- টিনপাতটো আমি একচেপ্ট কৰিম কিন্তু চাৰিওফালে যদি পকী ৱাল আছে, ফ্ল'ৰখন যদি পকী আছে তেন্তে এইটো কাচ্ছা ঘৰ বুলি গ্ৰাহ্য কৰা নহ'ব। অসমত বহু দুখীয়া মানুহে বেংকৰ পৰা লোন লৈ হওক বা আনধৰণেৰে ঘৰৰ বেৰ পকী কৰিছে বা ফ্ল'ৰ পকী কৰিছে যাৰ ফলত জি পি চি জন ঘৰটোৰ জিওটেক কৰিলে ফটোখনত পকী ৱাল স্পষ্ট হৈ পৰে যাৰ বাবে জি আৰ এচ- জি পি চি জনে জিওটেগ কৰিব নোৱাৰে । সেই কাৰণে প্ৰকৃততে দুখীয়া কিন্তু থকা ঘৰটোৰ বাবে বহু মানুহ বাদ পৰি গৈছে । আচলতে এইটো আমাৰ দোষ নহয় । ভাৰত চৰকাৰেতো আমাক যথেষ্ট সহায় কৰিছে। বৰ্ত্তমান টিনপাত থকা ঘৰ অসম আৰু ত্ৰিপুৰাৰ বাদে ভাৰতৰ আন ক'তোৱে নাই। তথাপি আমি আগন্তুক দিনত চেষ্টা কৰি যাম যিসকলৰ পকী ঘৰ আছে তেওঁলোকক

যাতে আমি কনচিডাৰ কৰিব পাৰো, কিন্তু ভাৰত চৰকাৰে যে সেইটো যে কৰিব তাৰ আশা খুব কম। আমাৰ মুঠ ১৯ লাখ কাচ্চা ঘৰ আছিল। ইতিমধ্যে, আমি ১৪ লাখ ঘৰ কমপ্লিট কৰিলো । এতিয়াও ৫ লাখ ঘৰ আমাৰ বাকী আছে । আৰু এটা কথা মই জনাব খুজিছো । ইতিমধ্যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিহেতু নতুনকৈ মুখ্যমন্ত্ৰী আৱাস যোজনা স্কীম হাতত লৈছে , ১ লাখ ২৬ হাজাৰ ঘৰ দিয়াৰ ব্যৱস্থা অসম চৰকাৰে কৰিছে, তাত আমি তেনেকুৱাকৈ ৰৈ যোৱা ঘৰ আমি দিয়াৰ ব্যৱস্থা কৰিম ।

**শ্ৰীআব্দুচ চোৱাহান আলী চৰকাৰ, (গোলকগঞ্জ) ঃ** ছাৰ, মোৰ এটা চাপ্লিমেন্টৰী আছে - এটা বিষয় মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, ২০২১ চনত নতুনকৈ প্ৰতিটো গাঁও পঞ্চায়তত জিওটেকিং কৰা হৈছিল। কিন্তু সেই সময়ত এশ শতাংশ জিও টেকিং হোৱা নাছিল। বহু এৰিয়া বাদ পৰি গৈছিল। মই অনুৰোধ কৰো নতুনকৈ যিবিলাক মানুহৰ ঘৰত জিও টেকিং হোৱা নাই, সেই বিলাক কিমান দিনৰ ভিতৰত কৰিব এইটো সদনত জনাবনেকি ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ .....অনাৰেবল মিনিষ্টাৰ ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক ডাঙৰীয়াই যিটো কৈছে- ইতিমধ্যে যিসকলৰ জিও টেগিং হৈ গ'ল সেইখিনি প্ৰথমে কৰিবলৈ আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে পৰামৰ্শ দিছে। মই স্বীকাৰ কৰো যে এতিয়াও বহু ঘৰ জিও টেগিং কৰিবলৈ বাকী আছে । যোৱা লোকসভা নিৰ্বাচনৰ - **কোড** অব কনডাক্ট - লাগি যোৱা বাবে এনেকুৱা বহু ঘৰ ৰৈ গ'ল। ইতিমধ্যে যিসকলৰ জিও টেকিং হৈ গ'ল সেইখিনি প্ৰথমে কৰি লৈ ৰৈ যোৱা খিনি আগন্তুক দিনত জিওটেক কৰা হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া অখিল গগৈ ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰক মোৰ প্ৰশ্নটো হ'ল- অসমত বৰ্ত্তমান আজিৰ দিনটোত কিমান কেঁচা ঘৰ আছে ? যিহেতু প্ৰধান মন্ত্ৰীয়ে কৈছে যে সকলোবিলাক কেঁচা ঘৰেই পকী কৰা হ'ব, এই কেঁচাঘৰবিলাক কেতিয়া সম্পূৰ্ণকৈ পকীকৰণ কৰা শেষ হ'ব ? আমি যেতিয়া গাঁৱলৈ যাওঁ তেতিয়া গাঁৱৰ দুখীয়া মানুহখিনিয়ে আমাক ঘেৰাও কৰি সোধে যে আমি কিয় পি এম এ ৱাই ঘৰ পোৱা নাই ? আমি বিডিঅ- চিইও লৈ লিখি থাকো যে, জিও টেক কৰাৰ ব্যৱস্থা ল'ব লাগে । গতিকে মই অনুৰোধ কৰিব পাৰো নেকি যে, অসমৰ প্ৰতিটো কেঁচাঘৰ যাতে পকীকৰণ হয়। যিবোৰ জিওটেক নহ'ল সেইবোৰ যাতে সোনকালে জিওটেক কৰাৰ ব্যৱস্থা লয় আৰু এই ব্যৱস্থা কেতিয়া লোৱা হ'ব ?

**মাননীয় অধ্যক্ষ ঃ অনাৰেবল্ মিনিষ্টাৰ।**

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰেই হওক বা অসম চৰকাৰেই হওঁক আমাৰ প্ৰতিজনৰ মনৰ কথা কৈছে যে ভাৰতবৰ্ষত কোনো গৃহহীন মানুহ থাকিব নালাগে, কোনো বস্ত্ৰহীন মানুহ থাকিব নালাগে, কোনো অন্নহীন মানুহ থাকিব নালাগে। এই কনচেপ্ট লৈয়ে ভাৰত বা অসম চৰকাৰে দুখীয়াৰ কল্যাণৰ বাবে কাম কৰে। আপুনি কৈছে কেঁচা ঘৰৰ কথা- এতিয়া ধৰক মোৰেই ৫ টা ভাই আছে। দেউতাৰ আগতে ডাঙৰ এটা ঘৰ আছিল। আমি ৫ জন ভাইয়ে কাম নকৰো আৰু প্ৰ জনেই বেলেগে বেলেগে কেঁচা ঘৰ বান্ধি থাকো গতিকে চৰকাৰে সেই তেনেকুৱা ধৰণৰ কেঁচা ঘৰবিলাকৰ দায়িত্ব কেনেকৈ নল'ব ? চৰকাৰৰ দায়িত্ব হৈছে। ধৰক দেউতাৰ আগতে ঘৰ আছিল আমি ৫ টা ভাই হলো, ৫ টা ভায়ে নিস্কৰ্মা হলো কাম নকৰো, ৫ টা ভায়ে বেলেগ বেলেগকৈ কেচাঁ ঘৰ বান্ধি আছো। চৰকাৰে সেই কেচাঁ ঘৰ বিলাকৰ দায়িত্ব

কেনেকৈ ল'ব। চৰকাৰৰ দায়িত্ব হৈছে যে গৃহহীন মানুহে যাতে আৱাস বিহীন নহয়, আবাস দিব পৰা যায়, খাদ্যহীন নহয় যাতে অন্য সুৰক্ষাৰ যোগেদি চাউল দিব পাৰো।

**শ্ৰীঅখিল গগৈ**, (শিৱসাগৰ) ঃ পৰিয়ালটো ভাগ হ'বয়ে। আজিকালিতো একক পৰিয়াল, পৰিয়াল বাঢ়িবই, পৰিয়াল বাঢ়িলে নিশ্চয় কেচাঁ ঘৰ বোৰ পকা কৰিব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, debate নহয়।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** আমাৰ উদ্দেশ্য সেইটো নহয়, আমাৰ উদ্দেশ্য হৈছে যে গৃহহীনক আবাস দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী আপুনি ইতিমধ্যে কলেই মুখ্যমন্ত্ৰীৰ আৱাস যোঁজনা হ'ব। গতিকে সকলোকে জনাই দিলে হ'ল। এতিয়া প্ৰশ্ন নং ২৭, নুৰুল হুদা ডাঙৰীয়া। মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো মই পাইছো, কিন্তু উত্তৰটো বিসংগতিপূৰ্ণ। Commissioner Food & Civil Supply য়ে গোটেই অসমত ৪১২৯৯ কুইন্টল আটা, ঘেহু সুলভ মূল্যত দিছে আৰু ১০৬৩৫ কুইন্টল মৰাণ চাকিমিলত দিছে। নগাওঁ জিলাত দেখা যায় ঘেহু সুলভ মূলত দিছে ২৪০০ কুইন্টল আৰু চাকিমিলত দিছে ৭২২ কুইন্টল। মুঠ হ'ল ৩১২২ কুইন্টল। নগাঁও জিলাত যিটো আৱন্টন দেখুৱাইছে, নগাঁও জিলাৰ যিটো উত্তৰ দিছে তাত লিখিছে ৬০২৬ কুইন্টল আটা আৱন্টন দিয়া হৈছে। চৰকাৰে দিলে ৩১২২ কুইন্টল আৰু জিলাই আৱন্টন দিলে ৬০২৬ কুইন্টল। এই ব্যৱধানটো কেনেকৈ আহিলে? এই যিখিনি খাদ্য সুৰক্ষাৰ চাউল, আটা আৰু কেৰ'চিন যোগান বিভাগৰ ফালৰ পৰা সুলভমূল্যৰ দোকানত দিয়া হয় বুলি কৈছে। অধ্যক্ষ মহোদয়, খাদ্য সুৰক্ষাৰ চাউলৰ বাহিৰে উপভোক্তাই বাকী আটা আৰু কেৰ'চিন তেল নাপায়। ক'তো নাপায়। আটাৰ এটা ডাঙৰ বৃহৎ চিণ্ডিকেট চলি আছে। যাৰ ফলত চৰকাৰী ঘেহুৰ মূল্য হ'ল ৬০১০ টকা আৰু বজাৰত মূল্য ২৮০০ টকা কুইন্টল। এই যি আৱন্টন দেখুৱাইছে ফ্লোৰমিলে হওঁক বা চাকিমিলে হওঁক আটা কিন্তু সুলভ মূল্যত দোকানীয়ে নাপায়, কাগজত মাত্ৰ দেখুৱাইছে কিন্তু উপভোক্তা সকলে কোনো ধৰণৰ আটা আৰু কেৰ'চিন নাপায়। এইটো বৃহৎ এটা চিণ্ডিকেট চলি আছে। গতিকে এইটোৰ কাৰণে সদনত মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে সদন কমিটী এটা গঠন কৰিব লাগে আৰু এই সদন কমিটীৰ দ্বাৰা তদন্ত কৰিব লাগে আৰু তদন্ত কৰি উপযোক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কাৰণ চৰকাৰী ধন উপভোক্তাৰ কাৰণে দিব জনসাধাৰণৰ কাৰণে দিব আৰু সেই চৰকাৰী ধন কোনোবাই আত্মসাৎ কৰিব এইটো হ'ব নোৱাৰে। গতিকে এইটোৰ বৃহৎ কেলেংকাৰী হৈ আছে এইটোৰ কাৰণে সদন কমিটী গঠন হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** অধ্যক্ষ মহোদয়, আমাৰ যি সমূহ ঘেহু আৱন্টন দিয়া হয় আৰু সেই ঘেহু আৱন্টন আমাৰ যি ২০১৫ চনৰ পৰা অসমৰ বাবে ৮,২৭২ মেট্ৰিকটন ঘেহু আৱন্টন দিয়া হৈ আহিছে। এই ঘেহু আমি যি priority কাৰ্ড হোল্ডাৰ আছে, সেই প্ৰায়'ৰিটী কাৰ্ড হোল্ডাৰ সমূহকে আমি প্ৰদান কৰি আহিছোঁ আৰু এনেকুৱাকৈ ঘেহু প্ৰদান কৰা যি সমূহ জিলা কৰ্তৃপক্ষৰ অনুৰোধ মৰ্মে আমি ডিব্ৰুগড় জিলা, তিনিচুকীয়া জিলা, গোলাঘাট, নগাওঁ, ডিমাহাচাও, শিলচৰ, কৰিমগঞ্জ হাইলাকান্দি, নলবাৰী, বৰপেটা, বজালী, বঙাইগাওঁ, ধুবুৰী,

দক্ষিণ শালমাৰা, কোক্ৰাঝাৰ, বাক্সা, ওডালগুৰি, চিৰাং, শোণিতপুৰ, লক্ষিমপুৰ, ধেমাজী আৰু মহকুমা কেইখনত আৰু মাৰ্ঘেৰিটা, মাইবং, লক্ষিপুৰ, অভয়পুৰী, বিলাসীপাৰা, কলিয়াবৰ। আনহাতে জিলা বা মহকুমা সমূহৰ অনুৰোধত আৱন্টন দিয়া জিলা হৈছে বিশ্বনাথ, হোজাই, গোৱালপাৰা, দৰং, শিৱসাগৰ, কামৰূপ মহানগৰ, কামৰূপ, মাজুলী, যোৰহাট, মৰিগাওঁ, কাৰ্বি আংলং, চৰাইদেউ, গহপুৰ, হামৰেং, বোকাজান, ঢকুৱাখানা, জোনাই, বোকাখাট, তিতাবৰ। এইকেইখন জিলা বা মহুকুমাত এই ঘেহুটো আৱন্টন দিব নালাগে বুলি তাৰ যি সকল কনচাৰ্ণ ডি চি বা কনচাৰ্ণ যি সকল এচ ডি অ' সেই সকলে আমাক কৈছে যে এইবোৰ আমাক আটা দিব নালাগে। কাৰণ কিয় আটাৰ কোৱালিটিটো তাত ভাল নহয়। আমাৰ যিটো ব্ৰেণ্ডেড আটা যিটো সেইটো আটাৰ তুলনাত এইটো আটা তুলনা কি হৈছে অলপ বাৰ্নিছ কালাৰ, ভুচিটো বেছিকৈ থাকে। কাৰণ তেওঁলোকে ভুচিতো ওলাই ল'ব নোৱাৰে, যাৰ কাৰণে এইবোৰ মহকুমাই নালাগে বুলি কৈছে। ঠিক আছে এতিয়া আমাৰ নগাওঁ জিলাৰ আমি ইতিমধ্যে তাত আমাৰ ৰেচন কাৰ্ড হোল্ডাৰ আছে ৩ লাখ ৭ হাজাৰ। এই ৰেচন কাৰ্ড হোল্ডাৰৰ ভিতৰত আমাৰ যি অন্ত্যোদয়া অন্য যোজনাৰ যি কাৰ্ডৰ সংখ্যাধাৰী আছে ৩৮,১৬০। অধ্যক্ষ মহোদয়, চাউলটো বিনামূলীয়া, ভাৰতচৰকাৰে চাউলটো বিনামূলীয়া কৰিছে কিন্তু ঘেহুটো যি সকলে লব তেওঁলোকে ৬ টকা ১০ পইচা প্ৰতি কেজি ঘেহুৰ দাম আৰু milling charge মিলি হয়তো ৮ বা ১০ টকা হ'ব পাৰে। তাৰমানে ১০ টকাকৈ যি সকল আমাৰ পৰিয়াল আছে অন্নসুৰক্ষাৰ কাৰ্ড থকা বিনামূলীয়াকৈ চাউল পোৱা মানুহ আছে সেই সকল মানুহে এই ঘেহুটো কিনি ল'ব লাগিব। গতিকে এই কিনি ল'বলগীয়া কথাটো যিহেতুকে আছে তাৰ পিছতো আমি জিলা বোৰে যেনেকৈ আৱন্টন বিচাৰে, আপোনাৰ জিলা খনত আমি আৱন্টন দি আহিছো ৬ লাখ ৫ হাজাৰ কেজি প্ৰতি মাহে। গতিকে তেওঁলোকক মই আমাৰ বিভাগৰ লগত প্ৰতিমাহে ৰিভিউ কৰোঁ। যে তেওঁলোকে এফ চি আই ৰ পৰা লৈ মিলাৰত যায় মিলাৰৰ পৰা সমবায়ত যায়, সমবায়ৰ পৰা সুলভ মূল্যৰ দোকানত যায়। এতিয়া সুলভ মূল্যৰ দোকানী সকলে কিন্তু যিহেতু ইয়াতে square system থাকে। চাউলত এতিয়া machine system হৈ গ'ল, আগতে চাউলতো সেইটো আছিল। কিন্তু এইটোত তেওঁলোকে আমাক কৈছে কি এইটো আমি বিতৰণ কৰিছো অমুক অমুকত। আৰু সেই তালিকাখন যিখন আহে আমাৰ Commissioner অফিচলৈ সেইটো যদি ওলাই চাই তাত দেখা পোৱা যায় যে প্ৰতিমাহে বিতৰণটো হৈ আছে। তাত যদি আপোনালোকৰ যদি নুৰুল হুদা ডাঙৰীয়াকে ধৰি আমাৰ সন্মানীয় সদস্য সকল, তেওঁলোকৰ ঠাইতো যদি তেনেকুৱা কিবা বিষয় আছে, যিহেতু বিধান সভা ভিত্তিত সমিতিৰ খনৰ আপোনালোক একোগৰাকী চেয়াৰমেন্ট। গতিকে আপোনালোক চেয়াৰমেন্ট যিহেতু আপোনালোকক অতি শীঘ্ৰে বিনম্ৰভাৱে আহ্বান জনাম যে ডি চি সকলক বা মহকুমাধিপতি সকলক বা উপজিলাধিপতি সকলক লগ ধৰি এখন এখন মিটিং কৰি এই ব্যৱস্থাটো কৰক কৰবাত যদি কেৰণ আছে আপোনালোকে জনাওক আৰু তাত যদি কাৰণ থাকে নিশ্চিতৰূপত আমাৰ যি বিহীত ব্যৱস্থা লব লগীয়া আছে সদন সমিতিয়ে হওঁক, তদন্তয়ে হওঁক, চি বি আই য়ে হওঁক যিমান যি আছে আমি গোটেইখিনি কৰাৰ কাৰণে আমি খাজু আছোঁ। কিন্তু মই আপোনালোকক আহ্বান জনাইছোঁ যে জিলা সমূহত এবাৰ এবাৰ যাতে যায়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট) ঃ** অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিলে ইয়াত

কিছুমান জিলাই আটা নলাও বুলি কৈছে নলাও বুলি কোৱাখিনিৰ বেলেগ কথা যিখিনিয়ে লয় যিখিনিক আৱন্টন দিলে এই আৱন্টন দিয়া ঘেহু খিনি যিখিনি মিলৰ নামত আৱন্টন দিছে ১১১ টা ফ্লোৰমিল দেখুৱাইছে, এই কিছুমানৰ অস্বিত্বই নাই।

**মাননীয় অধ্যক্ষ ঃ** সময় নাই, প্ৰশ্নটোত আহক।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট) ঃ** এইটো এটা গোটেই অসমত বৃহৎ এটা কেলেংকাৰী হৈ আছে, গতিকে এইটোৰ এটা তদন্ত হ'ব লাগে। তদন্ত হলে জোলোঙাৰ মেকুৰী ওলাই পৰিব। জনসাধৰণে কিন্তু আটা আৰু কেৰ'চিন তোটেলি নাপায়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ছাৰ, কথাটো হ'ল বহুত জিলাতে আৱন্টন বোৰ দিয়া হয় বুলি কোৱা হৈছে আৰু মিলৰ নামো দেখুওৱা হয় কিন্তু আমাৰ জিলাতো বোধকৰো দিয়া হয় কিন্তু তেনেকুৱা কোনোৱে নিয়া ৰেচন কাৰ্ড খন চালে ফুড চিকিউৰীটি কাৰ্ডত তেনেকুৱা উল্লেখ নাথাকে। সেই গতিকে কলৈ গৈছে জনাতো প্ৰয়োজন, গতিকে মই ভাৱো আপুনি সদন সমিতিৰ পৰামৰ্শ এটা গ্ৰহণ কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যিহেতু আমাৰ দুগৰাকী সন্মানীয় বিধায়কে কৈছে যি সমূহ আৱন্টন দিয়া হয় সেই সকলৰ কাৰোবাৰ অস্তিত্ব নোহোৱা বুলি কৈছে বা জিলাত নাহা বুলি কৈছে। মই সন্মানীয় বিধায়ক সকলক আহ্বান জনাইছো যে আপোনালোকৰ জিলা সমূহত তেনেকুৱা যদি মিল আছে অনুগ্ৰহ কৰি মোক লিখিত ভাৱে জনাব। মই যি ব্যৱস্থা ল'ব লাগে সকলো ব্যৱস্থা ল'ম। এইবাৰ আপোনালোকে মোক জনাওঁক।

............(হুলস্থূল) ........

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ আমাৰ জিলাতো দিয়া হয়, কিন্তু তেনেদৰে লৈ যোৱাটো আমি ৰেচন কাৰ্ড বা ফুড চিকিউৰিটি কাৰ্ডত চালে** কাৰো কথা **উল্লেখ নাথাকে। সেই হেতুকে এই ঘেহুখিনি কলৈ গৈছে জনাটো প্ৰয়োজন। সেই গতিকে মই ভাৱো আপুনি সদন সমিতিৰ গঠনৰ পৰামৰ্শটো গ্ৰহণ কৰিলে ভাল হয়।**

**মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী**

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন) ঃ** অধ্যক্ষ ডাঙৰীয়া **যিহেতু আমাৰ দুগৰাকী সন্মানীয় বিধায়কে কৈছে যে, যিসমূহ আৱণ্টন দিয়া হয় সেইসকলৰ কাৰোবাৰ অস্তিত্ব নাই বুলি কৈছে বা ডিষ্ট্ৰিবিউশ্যন নহয় বুলি কৈছে। মই সন্মানীয় বিধায়ক সকলক আহ্বান জনাইছো যে আপোনালোকৰ জিলাসমূহত তেনেকুৱা যদি মিল আছে অনুগ্ৰহ কৰি মোক লিখিত ভাৱে দিয়ক। মই যি ব্যৱস্থা ল'ব লাগে সম্পূৰ্ণকৈ লম। এইবাৰ আপোনালোকে মোক জনাওক।**

**কমলাক্ষ দে পুৰকায়স্থ ঃ ছাৰ,** as a whole **দিব লাগে।**

**.........................সদনত হুলস্থুল ........................ এইবিলাক বাদ দিয়ক, এচ এ হ'ল তদন্ত দিয়ক।**

**........................সদনত হুলস্থুল ....................... এনকুৱাৰী এচ এ হ'ল দিব** লাগে চাৰ। আমি indivisual application নিদিও চাৰ। as a whole অসমৰ কাৰণে চাৰ এইটোৰ en-quiry ৰ ব্যৱস্থা কৰক।

**...........সদনত হুলস্থুল.........**

**উই ওৱাণ্ট হাউচ কমিটি,** চাৰ.........................চাৰ, সদন কমিটি দিয়ক। **এই মিথ্যাচাৰ নচলিব।**

**বিধান সভাত** আমি চৰকাৰক অনুৰোধ কৰিছো, আপোনালোকে সদন কমিটি দিয়ক।

**............... সদনত হুলস্থুল...............**

**অসম গভমেণ্ট মুৰ্দাবাদ, অসম গভমেণ্ট মুৰ্দাবাদ।**

**(কংগ্ৰেছ দলৰ সদন ত্যাগ )**

**মাননীয় অধ্যক্ষ ঃ** অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ সভাই দাবীমঞ্জুৰীৰ কৰ্ত্তন প্ৰস্তাৱৰ শিতান সম্পৰ্কত বিশদভাবে আলোচনা কৰি সৰ্ব্বসন্মতিক্ৰমে পৰি পূৰক দাবী মঞ্জুৰী নং-২৬ শিক্ষা (উচ্চ) আৰু মঞ্জুৰী ১৪ নং আৰক্ষী দাবী মঞ্জুৰী দুটা অগ্ৰাধিকাৰ ভিত্তিত ১৩ ছেপ্তেম্বৰ ২০২৩ তাৰিখে সদনত আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনেধৰণৰ-- ভাৰতীয় জনতা পাৰ্টি ১০৫ মিনিট, ভাৰতীয় জাতীয় কংগ্ৰেছ ৪৫ মিনিট, অসম গন পৰিষদ ১৫ মিনিট, এ আই ইউ ডি এফ ২৫ মিনিট ইউ পি পি এল ১২ মিনিট, বি পি এফ ৫ মিনিট, চি পি আই এম ২.৬৭ মিনিট নিৰ্দলীয় ১.৬৭ মিনিট। অসম চৰকাৰৰ পৰা কোনো নতুন বিধেয়ক উত্থাপনৰ বাবে জাননী পোৱা হয় তেনেহলে তেনে বিধেয়ক উত্থাপনৰ সুবিধা দিবলৈ সভাই সৰ্ব্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ উপৰিও সভাই আজি সদন দুয়োবেলা অনুস্থিত কৰি The Assam State Commission for Safai Karamachari Bill, 2023 বিধেয়কখন বিবেচনা আৰু পাৰিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। আশা কৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমোদন আছে। এতিয়া আইটেম নং -৩ Members Hour .

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এগৰাকী সদস্যই অসম গভৰ্নমেন্ট মুৰ্দাবাদ দি গ'ল। চাৰ, মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থই অসম গভৰ্নমেন্ট মুৰ্দাবাদ কৈ গ'ল। অসম গভৰ্নমেন্ট মুৰ্দাবাদ ক'ব পাৰে নেকি চাৰ? political party ক কৰে আমি দেখিছো। এজন সদস্য, তেওঁ চৰকাৰৰ সদস্য নহয় নেকি? চাৰ, এইটো expunge কৰিব নে? তেওঁ ক্ষমা খুজিব লাগে। নিয়ম মতে তেওঁ ক্ষমা খুজিব লাগে।

**...........সদনত হুলস্থুল.........**

ভাৰত চৰকাৰক মই মুৰ্দাবাদ ক'ব পাৰো নেকি? তেওঁ এন্টি অসম গভৰ্নমেন্ট। অসম গভৰ্নমেন্ট মুৰ্দাবাদ কেনেকৈ ক'ব?

**...........সদনত হুলস্থুল.........**

**মাননীয় অধ্যক্ষ** ঃ প্ৰচিডিংচটো চাই ইয়াৰ ওপৰত ব্যৱস্থা লোৱা হ'ব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিলবোৰ দিছে, কিন্তু আমাৰ এখন বিলো অপেন নহয়।

**মাননীয় অধ্যক্ষ** ঃ আমাৰ এচিষ্টেন্ট আছে, তেওঁলোকে কৰিব। সন্মানীয় সদস্যসকল, আপোনালোক বহক, মই অফিচাৰ সকলক কৈছো এচিষ্ট কৰক, তেখেত সকলক। আপোনালোক বহক। আপুনি বহক। মোৰ লগত কিয় তৰ্ক কৰে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘৰব)** ঃ মাননীয় অধ্যক্ষ মহোদয়,তৰ্ক কৰা নাই চাৰ। বিলবোৰ পালেহে আমি সংশোধনী দিব পাৰিম।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো অসম গভৰ্নমেন্ট মুৰ্দাবাদটো নচলিব। চাৰ এইটো ক্ষমা খুজিব লাগিব।

**.........সদনত হুলস্থুল.........**

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় মন্ত্ৰী,...........

..........সদনত হুলস্থূল.........

The house adjourned for 15 minutes.

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন অলপ আগত আমাৰ হুParliamentary Affairs Minister ডাঙৰীয়াই এটা কথা উত্থাপন কৰিছিল যে আজি সদন চলি থকা সময়ত আমাৰ সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই ইয়াত এটা unparlimentary word use কৰিছে। গতিকে ইয়াৰ ওপৰত এটা ব্যৱস্থা ল'ব লাগে। মই প্ৰচিডিং চালো আৰু প্ৰচিডিঙত উল্লেখ কৰা হৈছিল সন্মানীয় সদস্যই as per rule এইটো কৰিব নাপায়। এইটো parlimentary word ত নপৰে বা আমি এনেকুৱা শব্দ সদনত ক'ব নাপায়। মই সন্মানীয় সদস্য গৰাকীক এই শব্দটো উঠাই ল'বৰ বাবে অনুৰোধ জনাইছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় এইটো ভাল কথা যে সদন খন Rules মতে চলিব লাগে আৰু যিটো rule আছে এই Rules ৰ বাহিৰত আমি যাব নালাগে। আজি এইটো ভাল কথা হৈছে। আগন্তুক দিনত সদন খন Rules মতে চলিব। মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হৈছে যে আমি সঁচাক সঁচা আৰু মিছাক মিছা বুলি ক'ব লাগিব। যদি কিবা ভুল হয় এই ভুলটো স্বীকাৰ কৰিবৰ বাবে আমি সাজু আছো। যোৱা কেইদিনমান আগতে আমি দেখিছো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ......................................

**মাননীয় অধ্যক্ষ ঃ** সেইটোৰ ওপৰত আপুনি এতিয়া argument নকৰিব। আপুনি ব্যৱহাৰ কৰা unparlimentary word টো উঠাই ল'বৰ বাবে মই আপোনাক কৈছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় Supply Minister ডাঙৰীয়াই যাতে এইটোৰ ওপৰত enquiry দিয়ে তাৰ বাবে মই অনুৰোধ জনাইছো। মোৰ ভুল হৈছে, মই এইটো উঠাই লৈছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰকীয়ে এইটো উঠাই লৈছে।

**মাননীয় অধ্যক্ষ ঃ** এনেকুৱা কৰিব নাপায়। আপোনাৰ মুখৰ পৰা এটা unparlimentary word ওলাইছে যিটো as per rule আপুনি সদনত ব্যৱহাৰ কৰিব নোৱাৰে, সেই শব্দটো উঠাই ল'ব লাগে। সদনৰ সকলোৰে এইটো দায়িত্ব।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে যে তেখেতে কৈছে যে মোৰ ভুল হৈছে মই শব্দটো উঠাই লৈছো। গতিকে মই ভাবো যে এতিয়া এই কথাটো গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সকলো সদস্যকে মই আহ্বান জনাইছো ভৱিষ্যতে যাতে আমি সকলোৱে সদন ৰ মৰ্য্যদা বজাই ৰাখিবলৈ আৰু as per rule যাবলৈ চেষ্টা কৰো। ধন্যবাদ।

এতিয়া Members Hour. সন্মানীয় সদস্য শ্ৰী ভূৱন গাম। তেখেত অনুপস্থিত। এতিয়া সন্মানীয় সদস্য শ্ৰী আব্দুচ চোবাহন আলী সৰকাৰ।

(Hon'ble Deputy Speaker on the Chair)

**শ্ৰী আব্দুচ চোৱাহন আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মোক সমষ্টিৰ বিষয়ে দু-আষাৰ ক'ব দিয়া বাবে মোৰ সমষ্টিবাসীৰ হৈ আপোনাক ধন্যবাদৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ একেবাৰে পশ্চিম প্ৰান্তত থকা পশ্চিমবংগ আৰু বাংলাদেশৰ লগত লাগি থকা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ উপস্থিতিত নিজা ভটিজী আই

ভুৱনেশ্বৰী আৰু কোঁচ বিহাৰৰ ৰজা নৰনাৰায়ণৰ ভাই তথা প্ৰধান সেনাপতি বীৰ চিলাৰায়ৰ বিয়া দিয়া পবিত্ৰ ভূমি ৰামৰায় কুটিৰ সত্ৰ অৱস্থান প্ৰাপ্ত গোলকগঞ্জ সমষ্টি, য'ত কমেও চাৰি হাজাৰ বছৰ পুৰণি ধৰ্মীয় স্থান - মঠ-মন্দিৰ ধাম, দেৱ-দেৱতাৰ স্থলী, আলোকঝাৰী মা-মহামায়া ধাম উল্লেখযোগ্য। গোলকগঞ্জ সমষ্টিখন অসমৰ একেবাৰে পশ্চিমৰ শেষ প্ৰান্তত আৰু এইটো সমষ্টিৰ পৰা দীৰ্ঘ সময়ধৰি অসম চৰকাৰৰ কোনো মন্ত্ৰী নোহোৱাৰ বাবে অঞ্চলটো প্ৰতিটো দিশৰ পৰা অনগ্ৰসৰ হৈ আছে। এইটো সমষ্টিৰ অভাৱ-অভিযোগৰ কথা বিস্তৃত ভাৱে ক'বলৈ গ'লে হয়তো ২-৩ ঘণ্টাটো সমাপ্ত নহ'ব। ইয়াৰ মাজেৰে মই সমষ্টিৰ কেইটামান মূল সমস্যাৰ বিষয়ে সদনৰ মজিয়াত তুলি ধৰাৰ প্ৰয়াস কৰিলো।

প্ৰথম হ'ল লোক নিৰ্মাণ। মাননীয় অধ্যক্ষ মহোদয়, এখন সমাজ আগুৱাই যাবলৈ হ'লে প্ৰথমতে যিকেইটা সুবিধাৰ প্ৰয়োজন তাৰ ভিতৰত সকলোতকৈ আগত থকা দপ্তৰ হ'ল লোক নিৰ্মাণ বিভাগ। সাধাৰণ ৰাইজৰ যোগাযোগ ব্যৱস্থাৰ উন্নতি নহ'লে কৃষি, বাণিজ্য, শিক্ষা, স্বাস্থ্যকে ধৰি কোনো এটা দিশতেই আগুৱাই যাব নোৱাৰে। এইটো দিশত গোলকগঞ্জ সমষ্টি বহুত পিছপৰি আছে। এইটো সমষ্টিত PMGSY আৰু CMGSY আঁচনিৰ অধীনত অতি কমেও তিনিশ কিলোমিটাৰ নতুন ৰাস্তাৰ কাম কৰিব লগাৰ প্ৰয়োজন আছে। লগতে বহু প্ৰত্যাশিত গংগাধৰ নৈৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিয়া মতে কাঠালতলি, তামাৰহাট দলঙৰ লগতে হাজিৰহাট, গোদাৰঘাট, লক্ষীমাৰী,তোৰ্যাৰ লগতে পোকালাগি কুটিবাৰী নতুন দলং অতি সোনাকলে ৰাইজৰ স্বাৰ্থত নিৰ্মাণ কৰাৰ বাবে এই সদনৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ অনুৰোধ জনালো আৰু লগতে MMPPNA আঁচনিৰ জৰিয়তে তলত উল্লেখ কৰা ৰাস্তাবোৰ অতি সোনকালে নিৰ্মাণ কৰি দি গোলকগঞ্জ বাসীৰ যাতায়াতৰ বাবে সুচল কৰি দিয়াৰ বাবে অনুৰোধ জনালো। এইখিনিতে আৰু এটা কথা ক'ব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গোসাইগাওঁৰ উপ-নিৰ্বাচনৰ সময়ত হাতীদুৰাত্ব মিটিঙত হাজাৰ হাজাৰ জন মানসৰ সন্মুখত তামাৰহাট আৰু কাঠালতলিত গংগাধৰ নৈৰ ওপৰত আৰু এখন নতুন দলঙৰ যি প্ৰতিশ্ৰুতি দিছিল সেইখিনি মন্ত্ৰী মহোদয়ে কাৰ্য্যকৰী কৰিব বুলি মই আজিৰ সদনৰ জৰিয়তে বিনম্ৰভাৱে অনুৰোধ কৰিলো আৰু এইকেইটা ৰাস্তা মই MMPPNA ৰ অধীনত দিয়াৰ কথা কৈছিলো। সেইকেইটা হ'ল -

1. Construction of Road from Howrarghat to 342 No. Rajarhat L.P. School.

2. Ronsturction of Road from Ananada Bazar(Kherbari) to Khebari PWD Road.

3. Construction of Road form G.K. PWD Road near Kli Mandir to Hazrihat Bazar with a RCC culvart.

4. Construction of Road from Halakura Boterhat PWD Road near Babu Paul House to Choto Bottala-Baterhat PMGSY Road near Kali Mandir L.P. School.

5. Reconstruction of Road from NH-31(17) to Kaldoba Pt III.

6. Construction of Road from PMGSY Road near Lal Mohan Sankar house to Kadamtoli Bazar via Godarghat Kali Mandir.

7. Construction of a Road from Silghagri Bazar to Polalagi-Pt I(New

Bazar).

8. Consturction of a Road from Sonahat Bazar to Kacharhana G.P. office.

9. Construction of Road from Ananda Bazar to pushnikura.

10. Construction of Road from Halakura Kathaltali PWD Road near Nirmal Roy House to Kacharighat LP School.

11. Construction of a Road from Bot-tola to Bausherkuti Health Sub-centre via 1267 No. Bausherkuti L.P. School.

12. Construction of a Road from Bou Bazar to Gararhat Bazar.

দ্বিতীয়টো হ'ল জলসম্পদ। গোলকগঞ্জ সমষ্টিৰ ভূ তৰ ওপৰত দানৱ পৰাৰ লিখিয়াকৈ সমস্যাৰ সৃষ্টি কৰিছে গৰাখহনীয়াই। এইটো সমষ্টিৰ একেবাৰে মাজেৰে বৈ অহা গংগাধৰ নৈ খনে ১৫ খন গাওঁ পঞ্চায়ত গৰাখহনীয়াৰ কৱলত পৰে আৰু হাজাৰ হাজাৰ বিঘা মাটি গৰাখহনীয়াৰ কৱলত জাঁহ যায়, ঘৰ-বাৰী উটুৱাই নিয়ে, মানুহ সৰ্বহাৰা হৈ গছৰ তলত বসবাস কৰিব লগীয়া হয়। ফলত কৈ মাৰী বটেৰহাট, উত্তৰ মৰাগধাধৰ, আগমনি, সিন্দুৰাই, বিষখোৰা, লক্ষীমাৰী, কুমাৰগঞ্জ, পাগলাহাট, হৰিৰহাট, বিচনদৈ. বৰুণদাঙা, ভামনডাঙা,ৰনপাগলি, গোলকগঞ্জ গাওঁ পঞ্চায়তত বহুল ভাৱে প্ৰতিবছৰেই ক্ষতিগ্ৰস্ত হৈ আছে। ইয়াৰ আজিৰ দিনত মৰা গদাধৰ শিঙিমাৰী, ভোলাৰমাছ, কৈমাৰী, লোহাজানি, উত্তৰ টোকৰাৰছৰা অঞ্চলত এখন এখনকৈ গাওঁ নোহোৰা হৈছে আৰু বাঁহনি পানীৰ কৱলত পৰি কেইবাটাও PWD Road with culvart নোহোৰা হৈছে, যদি চৰকাৰী ভাৱে অতি জৰুৰীকালীন তৎপৰতাৰে আমি মোকাবিলা নকৰো তেনেহ'লে গৰাখহনীয়াৰ ফলত গোলকগঞ্জ সমষ্টি খন মানচিত্ৰৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হ'ব। ইফালে ৰায়ডাক নৈ দুয়োফালৰ পৰা Boulder pitching বান্ধেৰে West Bengal Government Control কৰাৰ ফলত মাজ অংশত থকা অসমৰ গাওঁ বেছিকৈ গৰাখহনীয়াৰ কৱলত পৰা শস্য-শ্যামলা খেতি পথাৰ PWD Road with culvart উটি গৈ অসমৰ গাওঁ সমূহ ৰায়ডাক নদীত বিলীন হৈছে। সেয়েহে মই গৰাখহনীয়া প্ৰতিৰোধ কৰি আমাৰ অঞ্চল বিলাক সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত প্ৰয়োজনীয় পুঁজি মোকলাই দিয়াৰ বাবে বিভাগীয় মন্ত্ৰীৰ লগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো আৰু দীৰ্ঘকালীন ভাৱে গংগাধৰ নৈ খনক নিয়ন্ত্ৰণ কৰি ৰখাৰ বাবে গোৱালপাৰা, দক্ষিণ শালমাৰা মানকাছাৰ জিলাত ADB Fund ৰ জৰিয়তে যেনেকৈ আঁচনি লৈছে ঠিক তেনেকৈ গংগাধৰ নৈৰ দুয়োটা পাৰে গৰাখহনীয়া ৰোধৰ বাবে ADB Fund ৰ জৰিয়তে অতি কমেও ১০০ কোটি টকাৰে গংগাধৰ নে খনৰ গৰাখহনীয়া সমস্যা প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি সমষ্টিটোক সুৰক্ষিত কৰাৰ বাবে টানি অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰতিটো বিষয়েই আপুনি address কৰক। কাৰণ সময় নাই। ইতিমধ্যে আধা ঘণ্টা সময় লোকচান হৈছে। যদিও Members Hour ৰ সময় ১৫ মিনিট আছিল, এতিয়া ৫ মিনিটকৈ দিয়া হৈছে। গতিকে আপুনি ১ মিনিটৰ ভিতৰত আপোনাৰ বক্তব্য শেষ কৰক।

**শ্ৰী আব্দুচ চোৱাহন আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** কৃষি, গোলকগঞ্জ সমষ্টিখন এখন কৃষি প্ৰধান সমষ্টি। য'ত ৯৫ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। আমাৰ এই সমষ্টিখনত কোনোধৰণৰ উদ্যোগ নাই, কোনোধৰণৰ ব্যৱসায়-বাণিজ্যৰ সুযোগ নাই। প্ৰতিজন গাওঁবাসী সম্পূৰ্ণভাৱে কৃষিৰ ওপৰত নিৰ্ভৰশীল। কিন্তু আজিৰ এই একবিংশ শতিকাত উন্নত কৃষিকৰ্মৰ

পৰ্য্যাপ্ত সুযোগ-সুবিধা আমাৰ কৃষকসকলে এই চৰকাৰ খনৰ পৰা পোৱা নাই। আজিৰ এই সময়ত ভাৰতবৰ্ষৰ পঞ্জাৱ, গুজৰাট, তামিলনাডুত যেনেকৈ খেতিয়কসকলক আধুনিক কৃষিকৰ্মৰ প্ৰশিক্ষণ দিয়া অত্যাধুনিক কৃষি সঁজুলি খেতি কৰাৰ বাবে প্ৰস্তুত কৰা হৈছে আৰু বিনামূলীয়াকৈ বা ৮০ ৰ পৰা ৮৫ শতাংশ ৰাজসাহায্যৰে অত্যাধুনিক কৃষি সঁজুলি যোগান ধৰিছে, সেই অনুপাতে আমাৰ এই কৃষি প্ৰধান অৰ্থনীতি গঢ়াৰ বাবে এই অঞ্চলবিলাকত পৰ্য্যাপ্ত সুযোগ সৃষ্টি কৰি সেউজ বিপ্লৱ গঢ়ি তোলাৰ অভিপ্ৰায় দেখা নাই বুলি মনে ধৰিছে।

যিখিনি সুযোগ সৃষ্টি কৰিব বিচাৰিছে সেইখিনিও কোনোধৰণৰ কৃষকৰ হাতত গৈ পৰা নাই বিষয়া আৰু মধ্যভোগীৰ হাতত গুচি গৈছে।

আমাৰ এই কৃষিপ্ৰধান অঞ্চলবিলাকত যদি চৰকাৰে সৃষ্টিশীল মনোবৃত্তিৰে আগুৱাই লৈ যাব বিচাৰে তেনেহলে কৃষি বিষয়াৰ জৰিয়তে মাটিৰ উৰ্বৰতা আৰু প্ৰকাৰৰ ওপৰত জৰীপ কৰি প্ৰতিখন গাঁৱতে খেতিত পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰে অঞ্চল বিভাগে ক'ৰবাত Solar Pump, ক'ৰবাত Electric Pump , ক'ৰবাত নদীৰ পৰা নলাৰে পানী যোগান, ক'ৰবাতShallow Pumpset যোগান পৰ্যাপ্ত পৰিমানে কৃষিকৰ হাতত যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগিব। লগতে বিশ্বদৰবাৰত ফেৰ মাৰিব পৰাকৈ উন্নতমানৰ মাটি চহ কৰিব পাৰ সঁজুলি, যেনে -Heavy Tractor, Hand Tractor, ধান কটা, ধান চপোৱা, ধান ৰুৱা, মাকৈ চপোৱাৰ লগতে আন আন খেতিত ব্যৱহাৰযোগ্য অতি উন্নতমানৰ যন্ত্ৰ-পাতি, আহিলা খেতিয়কসকলক যোগান ধৰিব লাগিব।

আজিৰ এই সময়ত উন্নত ফচল পাবলৈ হ'লে জৈৱিক সাৰৰ লগতে ৰাসায়নিক সাৰৰ প্ৰয়োগৰ প্ৰয়োজন আছে। লগতে কীটনাশকৰ ব্যৱহাৰৰ প্ৰয়োজন আছে, সেই হেতুকে জৈৱিক সাৰ চৰকাৰীভাৱে যোগান ধৰাৰ ব্যৱস্থা কৰাৰ লগতে বিভাগীয়ভাৱে ৰাসায়নিক সাৰ যোগান ধৰিব লাগে আৰু সুলভ মুল্যৰ দোকানতো যাতে অতি সহজে প্ৰয়োজনীয় সাৰ আৰু কীটনাশক দ্ৰব্য লাভ কৰিব পাৰে তাকো নিশ্চিত কৰিব লাগিব। লগতে প্ৰাকৃতিক দুৰ্যোগৰ ফলত যদি কৃষকে লোকচানৰ সন্মুখীন হয় তেতিয়া কৃষকে সৰল প্ৰক্ৰিয়াৰে চৰকাৰীভাৱে ক্ষতিপূৰণ লাভ কৰিব তাকো নিশ্চিত কৰিব লাগে।

উপৰোক্ত গোটেইবিলাক বিষয় বৈজ্ঞানিকভাৱে প্ৰয়োগৰ ক্ষেত্ৰত প্ৰশিক্ষণৰ ব্যৱস্থা কৰি কৃষি বিপ্লৱৰ জৰিয়তে কৃষকক স্বাৱলম্বী কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়কে ধৰি মুখ্যমন্ত্ৰীক টানি অনুৰোধ জনালোঁ।

**শ্ৰী ছামছুল হুডা, (পূৱ বিলাসীপাৰা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Member's Hour ৰ কাৰণে মই বহু দিনৰ পৰা অপেক্ষা কৰি আছিলো। মোক সময় দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। কথাটো হৈছে আমি চৰকাৰক আবেদন - নিবেদন কৰাৰ পিছত যদি চৰকাৰ বা বিভাগীয় মন্ত্ৰীয়ে কাৰ্য্যকৰী কৰে কথা বিলাক, তেতিয়া হ'লে আমাৰ কাম হ'ব। আৰু যদি নকৰে তেনেহ'লে কাম নহ'ব। আমাৰ পূৱ বিলাসীপাৰা সমষ্টিত তিনিখন নদী আছে, সেই নদীৰ কথা মই বহুত বাৰ উল্লেখ কৰিছোঁ। এখন হ'ল ব্ৰহ্মাপুত্ৰ নদী, গৌৰাঙ্গ নদী আৰু চম্পাৱতী নদী। এই নদী তিনিখনে আমাৰ ফুতকীবাৰী গাওঁ পঞ্চায়ত, লক্ষীগঞ্জ গাওঁ পঞ্চায়ত, উদ্‌মাৰী গাওঁ পঞ্চায়ত, হকমা গাওঁ পঞ্চায়ত, বাহিৰচকতা গাওঁ পঞ্চায়ত, মাচলগা গাওঁ পঞ্চায়ত, হাতীপোতা গাওঁ পঞ্চায়ত, ৰাঙামাটি গাওঁ পঞ্চায়ত, বহলপুৰ গাওঁ পঞ্চায়ত, ধীৰেশ্বৰ তাৰাকপুৰ গাওঁ পঞ্চায়ত, পুথিমাৰী গাওঁ পঞ্চায়ত, এই বিলাক গাওঁ পঞ্চায়তৰ ঘৰ-দুৱাৰ কৃষিভুমি, খেতিয়কৰ মাটি ইত্যাদি

ভাঙি সৰ্বশ্ৰান্ত কৰি পেলাইছে। মই মাননীয় মন্ত্ৰীক বহুত বাৰ আমাৰ ধুবুৰী জিলাৰ water resource ৰ বহুতো আঁচনি তেখেতৰ হাতত দিছিলো আৰু তেখেতক অনুৰোধ জনাইছিলো, আৰু তেখেতে এই পবিত্ৰ বিধান সভাতো কৈছিল যে আপোনাৰ সমষ্টিত কিছু আঁচনি ধৰা হ'ব। মই ব্যক্তিগতভাৱে scheme দিছিলো আৰু বিভাগৰ ফালৰ পৰা বহুতো scheme পঠিয়াই দিয়া হৈছিল। কিন্তু আজিলৈকে আমাৰ তাত গৰাখহনীয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা কৰা নহ'ল। ২০২২ চনতো কিছু আঁচনি চৰকাৰী ভাৱে পঠিয়াই দিয়া হৈছিল, তেতিয়া মন্ত্ৰী মহোদয়ে কৈছিল যে কাম কৰি দিয়া হ'ব। ২০২৩ চনতো আমাক দুখন আঁচনি দিছে, এটা ফুতকীবাৰী আৰু এটা চপতা part - II, Kajaigath Part-I, Part-II, বাহীচপতা Part -I,II, III,V এই বিলাক scheme দিয়া হৈছে। মই মাননীয় মন্ত্ৰীক ব্যক্তিগতভাৱেও লিখিছো আৰু বিভাগৰ ফালৰ পৰাও লিখি দিছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাম যে তেখেতে যদি আঁচিন কেইখন কৰি দিয়ে, আমাৰ এই বহলপুৰৰ জালিকোৰা, তাত বহুত ধৰ্ণা প্ৰগ্ৰেম হয়, প্ৰতিদিনে ধৰ্ণা দিয়ে, সেই ধৰ্ণা বিলাকত বিধায়ক, সাংসদ আৰু চৰকাৰকো মুৰ্দাবাদ দিয়ে। মই এটা কথা কম যে চৰকাৰেও কামখিনি কৰিব লাগে, বিধায়ক আৰু সাংসদ গৰাকীক বচাব লাগে। আপোনালোকে কাম কৰাৰ মালিক, আপোনালোকে যদি কাম নকৰে, তেতিয়া হ'লে আমাৰ উপায় নাথাকিব। গতিকে এই আঁচনি বিলাক যাতে মাননীয় মন্ত্ৰীয়ে দিয়ে।

শিক্ষা বিভাগৰ এটা কথা কৈছো যে আমাৰ সমষ্টিৰ প্ৰতিখন স্কুলত এতিয়ালৈকে পৰ্যাপ্ত পৰিমানে শিক্ষকৰ ব্যৱস্থা নাই। এখন এম ই স্কুলত কম পক্ষেও পাচঁজন শিক্ষক লাগে। আমাৰ তাত বহুত কেইখন স্কুল আছে, য'ত এজন বা দুইজনকৈ শিক্ষক আছে। সেই কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাম যে আমাৰ তাত তেখেতে নিজাববীয়াকৈ তদন্ত কৰি IS, DO আদিসমূহক ক'ব লাগে যে তাত যিখিনি শিক্ষক লাগে, দিব লাগে। শিক্ষক নহ'লে আমাৰ তাত পঢ়াশুনা কেনেকৈ হ'ব। আপোনালোকে জানে যে ধুবুৰী জিলাৰ বিলাসীপাৰাত জনসংখ্যা বিস্ফোৰণ হৈ আছে, তাত বাল্য বিবাহ, বহু বিবাহ হৈ আছে। এই বিলাকৰ প্ৰতিৰোধৰ এটাই ব্যৱস্থা আছে, সেইটো হ'ল শিক্ষাৰ প্ৰচাৰ। কিন্তু এতিয়ালৈকে শিক্ষাৰ প্ৰচাৰ আমাৰ ধুবুৰী জিলাত হোৱা নাই। পূৰ বিলাসীপাৰা সমষ্টিতো হোৱা নাই। প্ৰতিটো শিক্ষানুষ্ঠানে পৰ্য্যাপ্ত পৰিমানে শিক্ষক দিয়া হয়, যাতে আন্তঃগাথনি মজবুত কৰা হয়, তাৰ কাৰণে মই শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছোঁ।

আৰু এটা কথা, মই আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো যে আমাৰ চৰ অঞ্চলৰ শিক্ষাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই নাইল'গা মডেল কলেজ নামৰ এখন কলেজ দিছে। সেই মডেল কলেজৰ কাৰণে প্ৰায় ৪০ বিঘা ৬ কথা মাটিৰ ইতিমধ্যে আমি ব্যৱস্থা কৰিছোঁ। তাত মাটি earth filling ৰ কাৰণে চৰকাৰীভাৱে অনুদান দিয়াৰ কাৰণে MP ডাঙৰীয়াই ২০ লাখ টকা দিছে, সন্মানীয় বিধায়ক হাফিছ বছিৰ আহমেদও ১০ লাখ টকা দিছে। গতিকে এই নাইল'গা মডেল কলেজখন যাতে অতি সোনকালে দিয়ে, তাৰ কাৰণে শিক্ষা মন্ত্ৰী ডাঙৰীয়া, মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

মাননীয় উপাধ্যক্ষ ডাঙৰীয়াক মই এটা কথা অনুৰোধ জনাম যে আমাৰ তাত ৰাস্তা - ঘাটৰ বহুতো সমস্যা আছে। আমাৰ তাত তিনিখন দলং দিয়া হৈছে, কিন্তু চৰকাৰে আৰম্ভণিৰ পৰা কৈছে, এতিয়ালৈকে এখন দলঙো দিয়া হোৱা নাই। গতিকে বহুত দলঙৰ প্ৰয়োজন আছে, বহুত ৰাস্তা-ঘাটৰ প্ৰয়োজন আছে, এই বিলাক ৰাস্তা-ঘাট যাতে ভালদৰে কৰি দিয়া হয়। অসমৰ লগতে

নামনি অসমৰ ধুবুৰী জিলাৰ বিলাসীপাৰাতো যাতে উন্নয়নৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰে, তাৰ কাৰণে মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী সকলৰ লগতে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ আৰু কামখিনি যাতে হয়, তাকে আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য ড০ আছিফ মহম্মদ নজৰ।

**ড° আছিফ মহম্মদ নজৰ, (লাহৰীঘাট)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, লাহৰিঘাট সমষ্টিৰ বিষয়ে দুষাৰ কব দিয়াৰ বাবে মই প্ৰথমে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ সমষ্টি লাহৰিঘাট, মৰিগাওঁ জিলাৰ এটা বানবিধ্বস্ত অঞ্চল। এই অঞ্চলৰ পূৱফালে আছে নগাওঁ সংযোগী পথ, পশ্চিম আৰু উত্তৰ ফালে ব্ৰহ্মপুত্ৰ নদী আৰু দক্ষিণ ফালে মৰিগাওঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭০ চনৰ পৰা গৰাখহনীয়াৰ কবলত এতিয়ালৈকে ৰাজহগাওঁ ক্ষতিগ্ৰস্ত হৈছে। সমষ্টিটোৰ ৰাইজে মোৰ জনপ্ৰতিনিধি হিচাপে পঠোৱাৰ বাবে মই পবিত্ৰ সদনৰ মজিয়াত জনপ্ৰতিনিধি সকলৰ যিবোৰ অসুবিধা আছে, সেইসমূহ সদনৰ মজিয়াত আগবঢ়াব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে স্বাস্থ্যৰ ওপৰত কবলৈ খুজিছোঁ. মাননীয় উপাধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ অধীনত অসমত ২০২১ চনৰ পৰাই আৰম্ভ হৈছিল সমাহাৰ আঁচনি এই আঁচনিৰ জৰিয়তে চৰকাৰী চিকিৎসালয়ত প্ৰসুতি হোৱা মাতৃক একোটাকৈ সমাহাৰ কিট যোগান ধৰা হয় । কিন্তু যোৱা ১৩ জুলাই তাৰিখে অগ্ৰদূত বাতৰি কাকতত আৰু অসমৰ আগশাৰীৰ ছেটেলাইট চেনেল প্ৰাগনিউজতো এটা বাতৰি ওলাইছিল যে মৰিগাওঁ জিলাত সমাহাৰ আঁচনিৰ নামত বিয়াগোম কেলেংকাৰী নিবিদা অবিহনে চন্দন প্ৰসাদৰ অস্তিত্বহীন চি পি এন্টাৰপ্ৰাইজে লুণ্ঠন কৰিলে বহু লক্ষাধিক টকা। ২০২১ চনত ভয়ংকৰ দুৰ্নীতিৰ কথা জানিও আকৌ সেই একোটা এন্টাৰপ্ৰাইজক ডি পি এম জুফিনা চুলতানাই নিবিদা অবিহনে সমাহাৰ কিটৰ ঠিকা দিয়ে আকৌ ২০২৩ চনত সেই একেটা প্ৰতিষ্ঠানেই ঠিকা লাভ কৰিছে। এতিয়া উপাধ্যক্ষ মহোদয়, এই বাতৰিটো লাভ কৰাৰ পিছত মই নিজেই মোৰ সমষ্টিত থকা চিকিৎসালয় কেইবাখনতো গৈ সমাহাৰ কিট খিনি মই নিজেই চালো আৰু তাত গৈ মই নিজে দেখা পালো এটা সমাহাৰ কিটত থাকিব লাগে মুৰি ৫০০ গ্ৰাম তাৰ বিপৰীতে আছে ৪০০ গ্ৰাম, মিঠৈ ২৫০ গ্ৰামৰ বিপৰীতে ১৫০ গ্ৰাম আছে, চিৰা ৫০০ গ্ৰামৰ বিপৰীতে ৩০০ গ্ৰাম আছে, মগু ৫০০ গ্ৰামৰ বিপৰীতে ৩০০ গ্ৰাম আছে। ইমানখিনি দুৰ্নীতি চলি থকাৰ পিছতো কিয় আজিলৈকে তদন্ত হোৱা নাই ? মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে এই বিষয়টোৰ ওপৰত এটা তদন্ত দিয়ক আৰু ডি এম পি এম জুফিনা চুলতানাকো তদন্তৰ আওঁতালৈ আনিবলৈ অনুৰোধ জনালো।

মাননীয় উপাধ্যক্ষ মহোদয়, লাহৰীঘাট সমষ্টিত মুঠ ছয় খনকৈ চিকিৎসালয় আছে তাৰে এখন মডেল চিকিৎসালয় আছে কিন্তু সেই মডেল চিকিৎসালয় খনত চিকিৎসক, নাৰ্চ, ৱাৰ্ড বয়, চুইপাৰ পৰ্য্যাপ্ত পৰিমাণৰ নাই আৰু এখন মডেল চিকিৎসালয়ত যি পৰিমাণৰ সা-সঁজুলিৰ ব্যৱস্থা থাকিব লাগিছিল সেই পৰিমাণৰ নাই আৰু বাকী পাঁচ খন এছ. এইচ. চি, ডিচপেনচাৰী ত চিকিৎসক নাৰ্চৰ অভাৱতো আছেই কিন্তু ঔষধ পৰ্যাপ্ত পৰিমাণৰ নাই ।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত কিছু চাব-চেন্টাৰ আছিল যদিও তাৰে বহু কেইখন গৰাখহনীয়াত জাহ গৈছে আৰু তাত কিছু বানপানীৰ কৱলত পৰি অক্ষত অৱস্থাত আছে । সেয়েহে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক এই অক্ষত অৱস্থাত থকা চাব-চেন্টাৰ সমূহ পুনঃনিৰ্মাণ কৰিবলৈ অনুৰোধ জনালো ।

মাননীয় উপাধ্যক্ষ মহোদয়, মই সমাজ কল্যাণ বিভাগৰ ওপৰত দু-আষাৰ ক'ব বিচাৰিছো । লাহৰিঘাট সমষ্টিৰ অন্তৰ্গত যিখন চি ডি পি অ'ৰ ব্লক কাৰ্য্যালয় আছে এই কাৰ্য্যালয়টো চৰকাৰী মাটিত বনাই দিয়াৰ পিছত চৰকাৰৰ নিজাববীয়া কাৰ্য্যালয়টো থকাৰ পিছত যুগ যুগ ধৰি সেই একেটা স্থানতে চলি আহিছিল । কেতিয়াও কোনো ধৰণৰ সমস্যা হোৱা নাছিল । কিন্তু আজি কিছু দিন ধৰি কেৱল চি ডি পি অ' গৰাকীৰ ময়মতালিত মোৰ সমষ্টিৰ একেবাৰে এটা চুকত স্থানান্তৰ কৰা হ'ল আৰু এতিয়া য'ত কাৰ্য্যালয়টো আছে এইটো মাহে ভাড়া দি চলাই আছে কাৰোবাৰ ব্যক্তিগত সম্পত্তিত । আগতে য'ত কাৰ্য্যালয়খন আছিল তাৰ চাৰিসীমাটো হ'ল এনেধৰণৰ ঃ চি ডি পি অ' কাৰ্য্যালয়টোৰ একেবাৰে গাতে লাগি আছে লাহৰীঘাট উন্নয়ন খণ্ডৰ কাৰ্য্যালয়, তাৰে দুশ মিটাৰ দূৰত লাহৰীঘাট থানাখন, তিনিশ মিটাৰ দূৰত আছে মডেল চিকিৎসালয় খন । গতিকে বাকী কাৰ্য্যালয় তাত চলাত কোনো ধৰণৰ অসুবিধা নাই । কেৱল চি ডি পি অ' বাইদেউ গৰাকীৰে অসুবিধা হ'লনে? এই সন্দৰ্ভত জিলা উপায়ুক্ত গৰাকীক মই কেইবাবাৰো অৱগত কৰিছিলো । উপায়ুক্ত ডাঙৰীয়াক লগত লৈ মই নিজেই ফিল্ডত গৈ যিখিনি লেট্ৰিন, বাথৰুম, গেট নথকাৰ অভিযোগ দিছিল সেই খিনিও ঠিক কৰি দিলো কিন্তু তাৰ পিছতো সেই ভাড়াঘৰ লৈ চলাই আছে । সেয়েহে উপাধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে ইয়াৰ ওপৰত তদন্ত কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰে ।

মাননীয় উপাধ্যক্ষ মহোদয়, মই শিক্ষাৰ ওপৰত দু-আষাৰ ক'ব বিচাৰিছো যে শিক্ষা অবিহনে এখন ৰাজ্যৰ উন্নয়ন কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। বৃহত্তৰ লাহৰীঘাট সমষ্টিত মাত্ৰ কলা শা খাৰ এখন চৰকাৰী মহাবিদ্যালয়হে আছে কিন্তু তাত চাইক'ল'জি, চ'চিয়োলোজি, ফিলোচফি আদি বিষয় সমূহ নাই । যাৰ কাৰণে বহু শিক্ষাৰ্থীয়ে নিজৰ পচন্দ বিষয় সমূহ পঢ়াৰ পৰা বঞ্চিত হ'ব লগীয়া হৈছে ।

আজিৰ দিনতো বৰ আচৰিত হ'বলগীয়া কথা যে যি সময়ত বিজ্ঞানৰ এই চমকপদ উত্থান সেই সময়ত মোৰ সমষ্টিৰ কোনো এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য শাখা উপলদ্ধ নহয় । মই নিজে এগৰাকী চিকিৎসক হিচাবে কওঁ যে এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে চিকিৎসক বা ইঞ্জিনিয়াৰ হোৱাৰ সপোন দেখিলে পোন প্ৰথমে বিজ্ঞান শাখাত অধ্যয়ন কৰিব লাগিব । কিন্তু কলেজত বিজ্ঞান বা বাণিজ্য শাখাৰ অবিহনে বহু প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান আৰু বাণিজ্য শাখাৰ শিক্ষা লাভৰ পৰা বঞ্চিত হৈ তেওঁলোকৰ সপোনবোৰ পূৰণ কৰিব নোৱাৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে হৈ যোৱা উচ্ছেদত লাহৰীঘাট সমষ্টিত কেইবাটাও চৰ চাপৰি উচ্ছেদ কৰা হৈছে আৰু সেই উচ্ছেদিত লোক সকলক সমষ্টিৰ অন্তৰ্গত বেলেগ বেলেগ চৰ চাপৰিত স্থানান্তৰ কৰা হৈছে কিন্তু সেই চৰ চাপৰি অঞ্চলত কোনো ধৰণৰ বিদ্যালয়ৰ ব্যৱস্থা নোহোৱাৰ ফলত তাত থকা সৰু সৰু ল'ৰা-ছোৱালী বিলাকে শিক্ষা লাভৰ পৰা বঞ্চিত হৈ এক অন্ধকাৰ পৰিৱেশত জীয়াই থাকিব লগীয়া হৈছে।

তাৰোপৰি লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত প্ৰায় বহু কেইখন প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ত আজিও ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক নাই । ইয়াৰ একমাত্ৰ কাৰণ হ'ল তাত থকা বি. ই. অ'. গৰাকীয়ে শিক্ষকৰ পৰা টকা লৈ তেখেতৰ ইচ্ছা অনুসৰি অন্য বিদ্যালয় সমূহত ট্ৰেঞ্চফাৰ দি আছে । এই গৰাকী বি. ই. অ'. ৰ নেতৃত্বত ভেণ্ডৰ সকলৰ লগত মিলি বাৰে বাৰে একেটা ভেণ্ডৰক মোটা অংকৰ বিনিময়ত তেখেতে নিজে সৃষ্টি কৰা ভেণ্ডৰ সমূহক ঠিকা প্ৰদান কৰি আহিছে । আগতেও এই বিষয়া গৰাকীৰ ওপৰত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৈ টকা আত্মসাৎ

কৰাৰ অভিযোগ আছে। কিন্তু আজিলৈকে সেই বিষয়াগৰাকীৰ ওপৰত কোনো ধৰণৰ কোনো তদন্ত হোৱা নাই । গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাওঁ যে এখন তদাৰক কমিটি গঠন কৰি যাতে বিহীত ব্যৱস্থা গ্ৰহণ কৰে ।

মাননীয় উপাধ্যক্ষ মহোদয়, লাহৰীঘাট শিক্ষাখণ্ডৰ অন্তৰ্গত বহু কেইখন বিদ্যালয় আজিও জৰাজীৰ্ণ অৱস্থা আছে । কিছুমান বিদ্যালয়ত শ্ৰেণীকোঠাৰ অভাৱৰ ফলত দুটা শ্ৰেণী অৰ্থাৎ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক আজিও একেটা শ্ৰেণীতেই পাঠদান কৰিব লগীয়া হৈছে । গতিকে ইয়াৰ ওপৰত বিহীত ব্যৱস্থা ল'বৰ বাবে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য আব্দুচ চোৱাহন আলী সৰকাৰ ডাঙৰীয়াই জলসম্পদ বিভাগ কেন্দ্ৰিক কেইবাটাও বিষয় উপস্থাপন কৰিছে । মই তেখেতৰ উত্তৰ লিখিতভাবে দিব বিচাৰিছো । গোলকগঞ্জ সমষ্টিৰ মাজেৰে বৈ যোৱা গঙ্গাধৰ নদীৰ সোপাৰৰ আগমনিৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ভোলাৰকাষ, কৈমাৰী, লোহাজানী, উত্তৰমৰাগাঘৰ, সিচিমাৰী, লক্ষিমাৰী, বিশখোৱাকে আদি কৰি কেইবাখনো গাওঁ নদীৰ প্ৰবল গৰাখহনীয়াৰ কবলত পৰা পৰিলক্ষিত হৈছে । ঠিক তেনেদৰে গঙ্গাধৰ নদীৰ বাওঁপাৰত অৱস্থিত তামাৰহাট, কুমাৰগঞ্জ, পুনিৰটোকবেৰ, দুৰা ইত্যাদি অঞ্চল যোৱা কেইবা বছৰ ধৰি যথেষ্ট গৰাখহনীয়া ৰ কবলক পৰা পৰিলক্ষিত হৈছে । এই খিনিতে বিশেষভাবে উল্লেখ কৰিব পাৰি যে বিগত বৰ্ষৰ বানপানীত খোলমাৰী, ডি আৰ ডি এ বানপানীৰ কবলত পৰি খহি যায় আৰু উক্ত ভঙা অংশৰ মাজেৰে পানী সোমাই গৈ উক্ত বিস্তাৰিত এলেকা প্লাৱিত কৰে । ইয়াৰ ফলত ৰাস্তা, কালভাৰ্ট আদিকে ধৰি যথেষ্ট পৰিমাণৰ খেতিবাতি, ঘৰ-দুৱাৰ ক্ষতিগ্ৰস্ত হয় । পৰিস্থিতি অনুধাৱন কৰি গোলকগঞ্জ সমষ্টিত অতি স্পৰ্শকাতৰ এলেকা হিচাপে চিহ্নিত উত্তৰমৰাধাগৰ, শিঙিমাৰী অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে পাঁচ কোটি টকাৰ এন্টি ইৰোজন আঁচনি এখনৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে । মাননীয় উপাধ্যক্ষ মহোদয়, ভোলাখাচ, কইমাৰী, লোহাজানি, উত্তৰমৰাগাঘৰ, শিচিমাৰী, লক্ষিমাৰী, বিচখোৱাকে আদি কৰি কেইবাখনো গাওঁ নদীৰ প্ৰবল গড়াখহনীয়াৰ কবলত পৰাতো পৰিলক্ষিত হৈছে। ঠিক তেনেধৰণে গংগাধৰ নদীৰ বাওপাৰত অৱস্থিত তামাৰহাট, কুমাৰগঞ্জ, পুনিতুকবেৰ, দুৰা ইত্যাদি অঞ্চলত কেইবা বছৰো ধৰি যথেষ্ট গড়াখহনীয়াৰ কবলত পৰাটো পৰিলক্ষিত হৈছে. এইখিনিতে বিশেষভাৱে উল্লেখ কৰিব পাৰি যে, বিগত বৰ্ষৰ বানপানীত ভোলাৰাশ , কইমাৰীৰ DRDA ৰ বান্ধটো খহনীয়াৰ ফলত চিঙি যায় আৰু উক্ত ভঙা অংশৰ মাজেৰে পানী সোমাই আগমণি ৰাজহ চক্ৰৰ বিস্তাৰিত এলেকা প্লাবিত কৰে। ইয়াৰ ফলত PWD ৰাস্তা, কালভাৰ্ট দলং আদিকে ধৰি যথেষ্ট পৰিমাণৰ খেতি-বাতি ঘৰ-দুৱাৰ ক্ষতিগ্ৰস্ত হয়। পৰিস্থিতি অনুধাৱন কৰি গোলকগঞ্জ সমষ্টিৰ অতি স্পৰ্শকাতৰ এলেকা হিচাপে চিহ্নিত উত্তৰমৰাধাগৰ শিঙিমাৰী অঞ্চলৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে ৫ কোটি টকাৰ anty erosion measures to protect উত্তৰমৰাধাগৰ শিঙিমাৰী area and its adjoining areas from the erosion of River Gangadhar on its rights time নামৰ আঁচনি এখনৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে। সেইদৰে ভাঙন দালাপ part 3 অঞ্চলটো ৰাইদাক নদীৰ বাওপাৰত অৱস্থিত এটি অসম বেংগল সীমান্তত থকা আগমণি ৰাজহচক্ৰৰ এখনি খহনীয়াগ্ৰস্ত এলকাত য'ত up-

stream এলেকাত পশ্চিমবংগ আৰু downstream এলেকাত  পশ্চিমবংগ আৰু মাজৰ এইচোৰাত ভাঙ্গননাংগা গাঁৱৰ ১৫ শ মিটাৰ আমাৰ ৰাজ্যৰ অন্তৰ্ভুক্ত আৰু খহনীয়াৰ কৰালগ্ৰাসত আক্ৰান্ত। উক্ত এলেকাৰ খহনীয়া ৰোধৰ বাবে anti erosion measures to protect বামুনদংগা part 3 and adjoining areas from the erosion of river Raidak on its labbank শীৰ্ষক আঁচনি এখনৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, গংগানদীৰ খহনীয়াৰ প্ৰকোপ বাঢ়ি যোৱাৰ বাবে বিশেষকৈ বহু অঞ্চল আক্ৰান্ত কৰাব বাবে restoration of damages at differenent of reaches including rising and standaning of existing embankment in Golokganj Birmordoi area from prading of river of Ganga in Dhubri District  নামৰ ৪০ কোটি টকাৰ project concept paper খন প্ৰস্তুত কৰা হৈছিল। উক্ত আঁচনিসমূহৰ বিত্তীয় আৱণ্টন সাপেক্ষে আৰু কাৰ্য্যকৰী হ'লে গোলকগঞ্জ সমষ্টিৰ অতি স্পৰ্শকাতৰ এলেকাৰ খহনীয়া বহুলাংশে হ্ৰাস পাব বুলি নিশ্চিতভাৱে ধাৰণা কৰা হৈছে। ADB Sponsored fund ৰ জৰিয়তে জলসম্পদ বিভাগৰ কেৱল ব্ৰহ্মপুত্ৰ নদীয়ে সৃষ্টি কৰা বান তথা খহনীয়া প্ৰতিৰোধৰ  বাবে প্ৰথম পৰ্য্যায়ত ডিব্ৰুগড়, তিনিচুকীয়া, মৰিগাওঁ, কামৰূপ আৰু গোৱালপাৰা এই পাঁচখন জিলা আঁচনিৰ অন্তৰ্ভুক্ত হৈছে। পৰৱৰ্তী পৰ্য্যায়ত ধুবুৰীতো আৰম্ভ হ'ব। সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, আজিৰ পৰা প্ৰায় ৪ মাহমান আগতে সন্মানীয় বিধায়ক গৰাকীৰ সমষ্টিলৈ গৈছিলো। যোৱাবছৰ আমি প্ৰায় ১০ কোটিৰ কাম তেখেতৰ সমষ্টিত কৰিছিলো। আমাৰ একেবাৰে ভাৰত বাংলাদেশ বোৰ্ডাৰত। তামাৰহাট অঞ্চলৰ গড়াখহনীয়াৰ বিষয়ে মই অৱগত। মই তেখেতক আশ্বস্ত কৰিব খোজো যে মই যিমান সোনকালে পাৰো সেই অঞ্চলটো নিজে ভ্ৰমণ কৰিম আৰু যিমানখিনি কাম কৰিব পাৰি সিমানখিনিলৈকে যত্ন কৰিম। লোকনিৰ্মাণ বিভাগৰ বিষয় তেখেতে উপস্থাপন কৰিছে তাৰো উত্তৰ মই দিবলৈকে ওলাইছো সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ। এখন সমাজ আগুৱাই যাবলৈ হ'লে প্ৰথম যিকেইটাৰ সুবিধাৰ প্ৰয়োজন তাৰ ভিতৰত সকলোতকৈ আগত থকা দপ্তৰ হ'ল লোকনিৰ্মাণ বিভাগ। সাধাৰণ ৰাইজৰ যোগাযোগ ব্যৱস্থা উন্নতি নহ'লে কৃষি বাণিজ্য, শিক্ষা, স্বাস্থ্যকে ধৰি কোনো দিশতে আগুৱাই যাব নোৱাৰি। এইটো দিশত গোলকগঞ্জ সমষ্টি পিছপৰি থকাতো সত্য। এই সমষ্টিত PMGSY ৰ অধীনত কমেও তিনিশ কিলোমিটাৰ নতুন ৰাস্তাৰ কাম কৰাৰ প্ৰয়োজন আছে। লগতে বহুত প্ৰত্যাশিত গংগাধৰ নৈৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰতিশ্ৰুতি দিয়া মতে কঠালতুলি, তামাৰহাট দলঙৰ লগতে হাজিৰহাট, গোডাৰহাট, লক্ষিমাৰী, তুৰখাৰ লগতে পুকালাগি, কুটিবাৰী নতুন দলং অতি সোনকালে ৰাইজৰ স্বাৰ্থত নিৰ্মাণ কৰাৰ বাবে এই সদনৰ জৰিয়তে তেখেতে যি অনুৰোধ জনাইছে সেইখিনি আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিম। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, তেখেতে যি দুটা উল্লেখ কৰিছে, উল্লেখিত ১২ টা ৰাস্তাৰ মাত্ৰ দুটা ৰাস্তা এটা Reconstruction of road from NH-31, 17 to Kaldopha-3 ২ নম্বৰ ৰোডটো জোনাহাট বজাৰৰ পৰা কলচোখানা, GP Office লোকনিৰ্মাণ বিভাগৰ অন্তৰ্গত। বাকী ১০ টা ৰাস্তা লোকনিৰ্মাণ বিভাগৰ অন্তৰ্গত নহয়। PMGSY ৰ অধীনত ৫২ কিলোমিটাৰ পথ সন্মানীয় সদস্য গৰাকীৰ সমষ্টি বৰ্তমান নিৰ্মীয়মান অৱস্থাত আছে। বৰ্তমান ২৫ নং গোলকগঞ্জ সমষ্টিত তেখেতে কোৱাৰ দৰে ৩ শ কিলোমিটাৰ নহয় আমাৰ হাতত থকা ৰিপোৰ্টমতে ৬৪.২৩ কিলোমিটাৰ গড়কাপ্তানী পথ নিৰ্মাণ কৰিবলৈ বাকী আছে। বাকী থকা ৰাস্তাসমূহ  পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে পকীকৰণ কৰা হ'ব। গংগাধৰ নদীৰ ওপৰত প্ৰস্তাবিত দলংখনৰ দৈঘ্য ১.২০ কিলোমিটাৰ হ'ব। ইয়াৰ সংযোগী পথৰ

মুঠ দৈৰ্ঘ্য হ'ব ১.৫০ কিলোমিটাৰ। এই পথটো হলাগড়াৰ পৰা ধুবুৰী কচুগাঁৱৰ পথৰ কুমাৰগঞ্জলৈকে । উল্লেখযোগ্য যে মাননীয় বিধায়ক গৰাকীয়ে উল্লেখ কৰা দলং কেইখনৰ ভিতৰত লক্ষিমাৰী দলংখন গড়কাপ্তানী পথৰ ওপৰত অৱস্থিত আৰু বাকীকেইখন দলং সহ গড়কাপ্তানী পথ হিচাপে লোৱা প্ৰয়োজনীতাৰ অগ্ৰাধিকাৰৰ ওপৰত নিৰ্ভৰ কৰিব। উল্লেখযোগ্য যে গংগাধৰ নদীৰ ওপৰত প্ৰস্তাবিত দলঙৰ স্থানৰ পৰা মাত্ৰ ৯-১০ কিলোমিটাৰ নামনিত ৰাষ্ট্ৰীয় ঘাই পথত ইতিমধ্যে এখন দলং আছে। মাননীয় সদস্য শ্ৰীচামচুল হুদা ডাঙৰীয়াইয়ো দুটা বিষয়ৰ ওপৰত জলসম্পদ আৰু গড়কাপ্তানী বিভাগৰ ওপৰত প্ৰস্তাৱ উত্থান কৰিছে। মই উত্তৰ দুটা একেলগে দি দিব খুজিছো। সন্মানীয় সদস্য শ্ৰীচামচুল হুদা ডাঙৰীয়াই ২৭ নং বিলাসীপাৰা সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ দ্বাৰা গড়াখহনীয়া আক্ৰান্ত অঞ্চল যেনে ধীৰেশ্বৰ আৰু চম্পাৱতী নদীৰ দ্বাৰা খহনীয়াৰ কৱলত পৰা অঞ্চলসমূহ যেনে ৰঙামাটি, বহলপুৰ, পুঠিমাৰী, জালিকোৰা আৰু তাৰাংগাপুৰ। আনহাতে গৌৰাংগনদীৰ দ্বাৰা সংহাৰী ৰূপ লোৱা খহনীয়াগ্ৰস্ত এলেকা সমূহ যেনে হাতীপুতা, ফুটুকীবাৰী, মাচেনেৰআলগা, বাহীৰচুৰাপতা, লক্ষিগঞ্জ, ভদ মাৰী, হাকামা, শিৰকুটা, আজায়কাটা, জমদুৱাৰ ইত্যাদি অঞ্চলসমূহত বিগত কেইবাবছৰ ধৰি খহনীয়াৰ তাণ্ডৱ চলি আছে। উক্ত খহনীয়াগ্ৰস্ত এলেকা সমূহত প্ৰায় অঞ্চল সামৰি খহনীয়াৰ প্ৰকোপ নাশ কৰাৰ নিমিত্তে তলত উল্লেখ কৰা প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে। আঁচনিসমূহ হ'ল Anti erosion measures to protect Jalikuda, Tarangapur and its adjoining areas from the erosion of River Champavati and Brahmaputra on its right bank estimated amount 7.52 crores. Anti erosion measures to protect Suwapatta Part-2,3,4, 5 Kojaikotta Part 3 village and its adjoining areas from the erosion of river Gourang estimated amount 10 crores 92 lakh. Anti erosion measures to protect Phukibadi village and its adjoining areas from the erosion of river Gourang on its right time. Estimated amount 3.95 crores. ২৭ নং বিলাসীপাৰা বাকী থকা খহনীয়াগ্ৰস্ত এলেকাসমূহ যেনে- ৰঙামাটি, ধীৰেশ্বৰ, লক্ষিগঞ্জ, উদমাৰী, হাকামা, চিৰাকটা, বামুণপাৰা, নয়াপাৰা, কঠালনদী, হাতীপুটা, জমদুৱাৰ আদি অঞ্চলসমূহত খহনীয়াৰ মোকাবিলা কৰাৰ বাবে প্ৰাককলন প্ৰস্তুত কৰা হৈছে. এই গোটেই কথাখি নি পুঁজি সাপেক্ষে নিশ্চয়কৈ কৰিবলৈ first priority দিয়া হ'ব বুলি মই সদনত আশ্বস্ত কৰিছো। সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, শ্ৰীচামচুল হুদা ডাঙৰীয়াই লোকনিৰ্মাণ বিভাগৰ ওপৰত যি প্ৰশ্ন উত্থাপন কৰিছে তাৰ উত্তৰ মই দিবলৈকে ওলাইছো। ২৭ নং বিলাসীপাৰা সমষ্টিত লোকনিৰ্মাণ পথ বিভাগৰ অধীনস্থ গড়কাপ্তানী পথৰ ভিতৰত মুঠ ৩৩.২৩১ কিলোমিটাৰ পকীকৰণ এতিয়াও বাকী আছে. অৱশ্যে গড়কাপ্তানী পথৰ উপৰিও নতুন নতুন পথৰ প্ৰয়োজনীয়তা যোগ হোৱাতো এটা ধাৰাবাহিক প্ৰক্ৰিয়া আৰু সেই কাৰণে গড়কাপ্তানী পথৰ তালিকাত সময়ে সময়ে নতুন পথ সংযোজন কৰি লোৱা হয়। ২০২২-২৩ বিত্তীয় বৰ্ষত ইতিমধ্যে MMPP NA আঁচনিৰ অধীনত ১৪ টা ৰাস্তা মুঠ দৈঘ্য ২৮.২২৩ কিলোমিটাৰ বাবদ ১৭কোটি ৮৫ লাখ টকা আৱণ্টন কৰা হৈছে। বৰ্তমান এই ৰাস্তাসমূহৰ নিৰ্মাণকাৰ্য্য পূৰ্ণ গতিত চলি আছে। বিলাসীপাৰা পূব বিধান সভা সমষ্টিত MMPPNA আঁচনিৰ অধীনত ২০২২-২৩ বিত্তীয় বৰ্ষত মুঠ ৭ টা ৰাস্তাৰ ১৬.০৭৯ কিলোমিটাৰ নিৰ্মাণৰ বাবদ ৩৩.৩৮ কোটি টকা আৱণ্টন দিয়া হৈছে। ইতিমধ্যে ৰাস্তা নিৰ্মাণৰ কাম ৫৫ শতাংশ সম্পূৰ্ণ হৈছে। ২০২২-২৩ বিত্তীয় বৰ্ষত MMUPPNA আঁচনিৰ এটা ৰাস্তাৰ দৈঘ্য প্ৰায় চাৰে দহ কিলোমিটাৰ নিৰ্মাণৰ

বাবদ প্ৰায় চাৰে ১২ কোটি টকা আৱণ্টন কৰা হৈছে। এই ৰাস্তাটোৰ নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে. বাকী থকা ৰাস্তাসমূহ পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে নিৰ্মাণ কৰা হ'ব। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া তেখেতৰ সমষ্টিত ১৭ কোটি, ৩৩ কোটি আৰু ১২ কোটি প্ৰায় ৬৪ কোটি টকাৰ কাম ইতিমধ্যে পূৰ্ণ গতিত চলি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া বিত্ত, মহিলা আৰু শিশুকল্যাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীয়ে ক'ব।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত, মহিলা আৰু শিশুকল্যাণ ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, লাহৰীঘাট সমষ্টিৰ মাননীয় বিধায়ক ডাঃ আচিফ মঃ ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে, সেইটো হৈছে- লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত CDPO অফিচটো স্থানান্তকৰণ। এইটো কিহৰ কাৰণে স্থানান্তকৰণ কৰা হৈছে সেইটোৰ এটা ষ্টেটাচ ৰিপোৰ্ট মোক বিভাগে দিছে। তথাপিও মই মাননীয় বিধায়ক ডাঙৰীয়াৰ মুখৰ পৰা গোটেই কথাখিনি শুনিছো আৰু মই তেখেতক কৈছো যে মই পুনৰ নিজাববীয়াকৈ অনুসন্ধান কৰি নিজে এটা ৰিপোৰ্ট লম। এই প্ৰতিবেদনখন পোৱাৰ পিছত মই নিশ্চিতভাৱে সিদ্ধান্ত গ্ৰহণ কৰিম।

**ডাঃ আচিফ মঃ নজৰ, (লাহৰীঘাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় মই নিজে এম এল এ ফাণ্ডৰ পৰা তেখেতসকলৰ যিখিনি অত্যাৰশ্যকীয় কাম আছিল সেইখিনি কৰি দিছিলো। তেওঁলোকক টয়লেটৰ পৰা আদি কৰি গেটৰ সকলোখিনি কৰি দিছিলো। তথাপিও তেখেতসকল অহা নাই। ইয়াৰ ওপৰত আপুনি যদি কিবা ব্যৱস্থা লয় অতি ভাল হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি মাননীয় মন্ত্ৰী মহোদয়াৰ চেম্বাৰত বহি গোটেই কথাখিনি এবাৰ আলোচনা কৰি ল'ব।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী, বিত্ত, মহিলা আৰু শিশুকল্যাণ ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে তেখেতসকলে এটা ৰিপোৰ্ট জাষ্টিফাই কৰি দিছে। কিন্তু যিহেতু মই আপোনাৰ মুখৰ পৰা কথাখিনি শুনিছো। মই তেওঁলোকক পুনৰ এটা প্ৰতিবেদন দিবলৈ কম আৰু তাৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰিম মই আপোনালোকক জনাম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কৃষিমন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি আৰু পশুপালন ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য আব্দুচ সুভান আলী চৰকাৰ ডাঙৰীয়াই তেখেতৰ নিজৰ সমষ্টি গোলকগঞ্জৰ বিষয়ে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ লগতে আমাৰ বিভাগৰ কিছু গুৰুত্বপূৰ্ণ বিষয় আমাৰ দৃষ্টিগোচৰ কৰিছে আৰু ইয়াৰ ওপৰত ব্যৱস্থা ল'বৰ বাবে আমাক অনুৰোধ জনাইছে। ইয়াৰ বাবে তেখেতক ধন্যবাদ জনাইছো। আমাৰ ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক ৰাইজেই কৃষক আৰু সমগ্ৰ ৰাজ্যখনেই কৃষিপ্ৰধান ৰাজ্য। গোলকগঞ্জ সমষ্টিতো এখন কৃষি প্ৰধান সমষ্টি য'ত তুলনামূলকভাৱে অসমৰ অন্য স্থানৰ তুলনাত কৃষকৰ সংখ্যা বেছি প্ৰায় ৯৫ শতাংশ। আমি এই কথাটো জানো যে তাত অন্য কোনো ডাঙৰ উদ্যোগ নাই আৰু তাৰ সুযোগো নাই। তাত অন্যান্য ব্যৱসায়-বাণিজ্যৰ সুযোগ নাই। সেইখন অসম-বাংলাদেশ সীমান্তত এখন স্থান আৰু কৃষিৰ ওপৰতেই যিহেতু কৃষকসকল নিৰ্ভৰ কৰে সেয়েহে কৃষকৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি আমি যোৱা বছৰ তাত যথেষ্ট বীজ যোগান ধৰিছো। এনেধৰণে আমি তাত প্ৰায় ১২,৫৫৪ জন ব্যক্তিক আমি প্ৰধানমন্ত্ৰী কিষাণ নিধিৰ জৰিয়তে উপকৃত কৰিছো। Pradhan Mantri Krishi Sinchayee Yojana জৰিয়তে ২৯৬ জন হিতাধিকাৰীক অন্তৰ্ভূক্ত কৰিছো। **মুঠ FPC & FPO তিনিটা খুব সক্ৰিয় হৈ আছে।** আমি যোৱা সময়ছোৱাত

RIDF ৰ জৰিয়েত তাত চ'লাৰ পাম্প, বৈদ্যুতিক পাম্প আৰু ডিজেল পাম্প দিছো। ৰাজসাহার্য্য যুক্ত যিসমূহ পাম্প চৰকাৰে খেতিয়কসকলৰ বাবে লৈছে দেখিবলৈ পোৱা গৈছে যে বহু ঠাইত নিজৰ শ্বেয়াৰটো হিতাধিকাৰীসকলে নিদিয়াৰ বাবে সেয়া সম্ভৱ হৈ নুঠে। গতিকে মই আশা ৰাখিছো সন্মানীয় সদস্যগৰাকীয়ে আমাৰ বিভাগীয় বিষয়াসকলৰ লগত যোগাযোগ কৰে আৰু কিবা যদি থাকে সেই ক্ষেত্ৰত মোকো যাতে অৱগত কৰে। অধিক চ'লাৰ পাম্প, বৈদ্যুতিক পাম্প আৰু ডিজেল পাম্পৰ যদি দৰকাৰ হয় আমাক যোগাযোগ কৰিলে আমি তেখেতক সহায় কৰি দিম। ইয়াৰোপৰিও মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য যোজনাৰ জৰিয়তে যোৱা সময়ছোৱাত আমি তাত ট্ৰেক্টৰ, পাৱাৰ টিলাৰ যথেষ্ট পৰিমাণে দিছো। আমি কৃষি অভিযান্ত্ৰিক শাখাৰ পৰা যি তথ্য পাইছো তাত আমি দুটা VLFMB আমি ৰেহাই মূল্যত দিছো। ইয়াৰোপৰি আমি কৃষকসকলক Soil enricher দিছো। প্ৰায় কেচু সাৰ ৭৯৫ কুইণ্টল আৰু জৈৱ সাৰ ৮৫৯ কুইণ্টল দিয়া হৈছে। কীটনাশক আৰু বীজ বিক্ৰেতা যিসকল ব্যৱসায়ী আছে, সেইসকলৰ কথাও কৈছে, তাত ৭৯ জন আছে। তাত পৰিচয় পত্ৰ থকা ইউৰিয়া সাৰ বিক্ৰেতা ৫৮ জন আছে। আমি যিমান পাৰো ৰাজ্যখনত কৃষি ক্ষেত্ৰত পৰিৱৰ্তন আনিবৰ বাবে যেনেদৰে চেষ্টা কৰিছো মই ভাৱো ইয়াৰ প্ৰাভাৱ নিশ্চিতভাৱে গোলকগোঞ্জতো পৰিছে। ভৱিষ্যতে আৰু কিবা যদি সহায়ৰ প্ৰয়োজন আছে সেই বিষয়ে আমাক অবগত কৰিলে আমি নিশ্চয় সহায় কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শিক্ষামন্ত্ৰী ডাঙৰীয়াই কওঁক।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমে পূব বিলাসীপাৰাৰ বিধায়ক ছামছুল হুদা ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেতে শিক্ষাৰ সমস্যাখিনি উত্থাপন কৰাৰ লগতে অসম চৰকাৰৰ ধুবুৰী জিলাৰ শিক্ষাৰ উন্নয়ণৰ ক্ষেত্ৰত যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে তাৰ আভাস তেখেতৰ বক্তব্যত দাঙি ধৰিছে। আমি সামগ্ৰিকভাৱে বিদ্যালয় শিক্ষা আৰু উচ্চ শিক্ষাৰ উন্নয়ণৰ বাবে নিৰন্তৰ কাম কৰিছো। তাৰ কাৰণে প্ৰত্যেকখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক দিব পৰা যায় তাৰো ব্যৱস্থা আমি গ্ৰহণ কৰিছো। এতিয়া যিহেতু নতুন শিক্ষা নীতিৰ অধীনত বিদ্যালয় শিক্ষা দ্বাদশ শ্ৰেণীলৈ হ'ল আৰু প্ৰত্যেক শ্ৰেণীতে যাতে পৰ্য্যাপ্ত পৰিমাণে ছাত্ৰ-ছাত্ৰীসকলে আসন পায় তাৰ কাৰণে আমি যাতে শিক্ষক নিযুক্তি দিব পাৰো সেইখিনি ব্যৱস্থা আমি গ্ৰহণ কৰিছো। বিলাসীপাৰা সমষ্টিত আদৰ্শ বিদ্যালয় নাই। কিন্তু ৮ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে আৰু ৮ খনৰ ভিতৰত ৩ খনত ৰোকাকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয় , চাপৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু লক্ষীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আমাৰ বিজ্ঞান শাখা আছে। এই বিদ্যালয়কেইখনত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী আছে। ইয়াৰ ভিতৰত ১৫৯০ জন ছাত্ৰ বিলাসীপাৰা পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আছে আৰু তাতকৈ কম দুশ-তিনিশ ছাত্ৰ-ছাত্ৰী অন্য বিদ্যালয় সমূহত আছে। আমাৰ দ্বিতীয় পৰ্য্যায়ৰ গ্ৰেজুৱেট আৰু পোষ্ট গ্ৰেজুৱেট শিক্ষকৰ নিযুক্তিৰ বিজ্ঞাপন সোনকালে প্ৰকাশ পাব। এই বিজ্ঞাপন প্ৰকাশ পালে আমাৰ শিক্ষকৰ যি নাটনি আছে সেই শিক্ষকৰ নাটনি দূৰ কৰাৰ কাৰণে ব্যৱস্থা কৰিম। আমি অন লাইন শিক্ষকৰ বদলিকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে এখন আইনৰ অধীনত যিসকলে কোনো এখন জিলাত ১০ বছৰ সম্পূৰ্ণ কৰিছে তেওঁলোকৰ বদলিকৰণ কৰাৰ ব্যৱস্থা কৰি আছো। এইটো কৰিবলৈ যাওঁতে ধুবুৰী জিলাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ অনুপাত সকলোতকৈ বেছি। অৰ্থাৎ সৰ্বাধিক ছাত্ৰৰ বিপৰীতে তাত একোজনকৈ শিক্ষক আছে। এতেকে আমি এই বিষয়টো এতিয়া অধ্যয়ণ কৰিছো যে কি কাৰণত ধুবুৰী জিলাত শিক্ষকৰ নাটনি আছে। ইয়াৰ কাৰণে পদ কম আছে নে পদসমূহ খালী আছে, যদি খালী আছে

পদসমূহ পূৰণ কৰাৰ বাবে আমি এটাৰ পিছত এটা নিযুক্তি প্ৰক্ৰিয়া কৰি আছো। কিন্তু যদি পদৰে অভাৱ আছে তেন্তে তাত পোষ্ট ক্ৰিয়েট কৰা বা অন্য জিলাৰ পৰা পদ স্থানান্তৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছো। আগন্তুক কেইটামান মাহৰ ভিতৰতে আমি ইয়াত ফলাফল লাভ কৰিবলৈ সক্ষম হ'ম। বিদ্যালয় সমূহৰ আন্তঃগাঁথনি উন্নতকৰাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। আমি সকলোৱে জানো য়ে ২০১৭ চনৰ যি গুণোৎসৱ আছিল সেই গুণোৎসৱৰ পিছত আমি প্ৰায় ৯ শ কোটি টকাৰ এটা প্ৰজেক্ট লৈ RIDF ৰ অধীনত বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ণৰ কাম কৰিছিলো। ইয়াৰ ভিতৰত আৰু কিছুকাম কৰিবলৈ আমাৰ বাকী আছে যিখিনি অন্তিম পৰ্য্যায়ত আছে। পূৰ বিলাসীপাৰা সমষ্টিত প্ৰায় ৭ কোটি টকা ব্যয় কৰি আমি বিদ্যালয় অন্তঃগাঁথনি উন্নয়ণৰ বাবে বিশেষকৈ অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ কৰাৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। এইবাৰো আমি ২৬ টা অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ কৰাৰ বাবে পূৰ বিলাসীপাৰা সমষ্টিত আমাৰ বিভাগে নিবিদা আহ্বান কৰিছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ইতিমধ্যে মহিলা মহাবিদ্যালয় স্থাপন কৰাৰ এই বছৰৰ পৰা পদক্ষেপ লোৱা হৈছে। তাৰ লগে লগে আজি বিধায়কগৰাকীয়ে নিজে উল্লেখ কৰিলে আৰু অসম চৰকাৰক ধন্যবাদ জনালে যে এইবাৰো আমি ২৬ টা অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ কৰাৰ বাবে পূৰ বিলাসীপাৰা সমষ্টিত ইতিমধ্যে বিভাগে নিবিদা আহ্বান কৰিছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ইতিমধ্যে এখন মহিলা মহাবিদ্যালয় বিলাসীপাৰাত আৰম্ভ কৰাৰ পদক্ষেপ অতিৰিক্ত এই বছৰৰ পৰা লোৱা হৈছে। বিধায়ক গৰাকীয়ে আজি নিজেই উল্লেখ কৰিলে আৰু অসম চৰকাৰক ধন্যবাদ জনাইছে যে এইবাৰো অসম চৰকাৰে অসমৰ বিভিন্ন স্থানত যি দহখন নতুন মহাবিদ্যালয় স্থাপনৰ বাবে স্থান নিৰ্বাচন কৰিছে, এই স্থানৰ ভিতৰত বিলাসীপাৰাৰ নায়েৰ আলগা চৰত মহাবিদ্যালয় প্ৰতিস্থা কৰাৰ কাৰণে প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই প্ৰস্তাৱটোৱে এইটো কথা প্ৰমাণ কৰিছে যে অসম চৰকাৰে এই শিক্ষানুষ্ঠানৰ প্ৰকল্পবোৰ গ্ৰহণ কৰোতে অন্য কোনো ধৰণৰ পক্ষপাতিত্বমূলক বা কাৰোবাৰ অনুৰোধ মূলক বা ৰাজনৈতিক দৃষ্টিকোণেৰে এই স্থানবোৰ নিৰ্বাচন কৰা নাই। 'সবকা সাথ, সবকা বিকাশ, সবকা প্ৰয়াস' নীতিৰ অধীনত আৰু য'ত প্ৰয়োজন আছে, প্ৰয়োজনৰো ভিতৰত য'ত বেছিকৈ প্ৰয়োজন আছে, সেই অগ্ৰাধিকাৰৰ ভিত্তিতেই স্থান নিৰ্বাচন কৰিছে। মোৰ কাষতে বিমল বড়া ডাঙৰীয়া বহে, তেওঁ সদায় কৈ থাকে যে ডিব্ৰুগড়ৰ লেঙেৰী অঞ্চলত এখন মহাবিদ্যালয় লাগে। কিন্তু, লেঙেৰীকো চেৰ পেলাই প্ৰয়োজনীয়তাৰ ভিত্তিত ধুবুৰী জিলাৰ মাননীয় বিধায়কগৰাকীৰ বিলাসীপাৰা সমষ্টিৰ নায়েৰ আলগাত আমি এখন মহাবিদ্যালয় দিছো। মাটিৰ কিছু সমস্যা আছিল, সেইটো চৰকাৰৰ গাত দোষ নাই। জিলা প্ৰশাসন, বিধায়ক সকলোৱে মিলি স্থানীয় ভাৱে মাটিৰ সমস্যাটো সমাধান কৰিব লাগিব। নায়েৰ আলগাত নিবিদা প্ৰক্ৰিয়া হৈ গৈছে। মাটিৰ সমস্যাটো যদি সমাধান কৰি দিয়ে তেন্তে খুব সোনকালে এই মহাবিদ্যালয়খনৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব। মহাবিদ্যালয়খন হ'লে এটা বৃহৎ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে পঢ়াৰ সুযোগ-সুবিধা পাব অৰ্থাৎ এটা দশকৰ ভিতৰতে এটা সমষ্টিত এখন মহিলা মহাবিদ্যালয় আৰু এখন আদৰ্শ মহাবিদ্যালয় স্থাপন কৰাৰ পদক্ষেপ আমাৰ চৰকাৰখনে গ্ৰহণ কৰিছে। বিৰোধী দলৰ সমষ্টি বুলি আমি কাকো ক'তো উপেক্ষা কৰা নাই। বিৰোধী দলৰ সমষ্টিত যে আঁচনি, কলেজ, বিদ্যালয় ইত্যাদি নাপাব এনে নীতি আমাৰ চৰকাৰখনৰ নাই। এইবাৰো আমি RIDF ৰ অধীনত ১২৬ খন আৰু SOPD ৰ অধীনত ১২৬ খন মাধ্যমিক পৰ্যায়ৰ বিদ্যালয় নিৰ্মাণ কৰাৰ পদক্ষেপ লৈছো। শাসক বিৰোধী সকলোৰে সমষ্টিত দুখনকৈ বিদ্যালয় হ'ব। ইতিমধ্যে মই আপোনালোকৰ মোবাইলত নিৰ্বাচিত বিদ্যালয়ৰ তালিকা প্ৰেৰণ কৰিছো। যদি তাত কাৰোবাৰ কিবা সংশোধন বা আপত্তি আছে, তেন্তে সোনকালে

মোক whatsapp যোগে আপোনালোকৰ প্ৰতিক্ৰিয়া বা মতামত জনাব। গতিকে, শাসক দলে বেছিকৈ লৈছো আৰু বিৰোধীক কমকৈ দিছো এনে ধৰণৰ নীতি এই চৰকাৰখনে পালন কৰা নাই। বিৰোধীৰ সমষ্টিত অসমৰ মাত্ৰ ১০ খন মহাবিদ্যালয়ৰ বাচনি হৈছে আৰু সেই ১০ খন মহাবিদ্যালয়ৰ ভিতৰত বিলাসীপাৰাৰ নায়েৰ আলগাত এখন মহাবিদ্যালয় স্থাপন কৰিবলৈ এইখন চৰকাৰে বাচনি কৰিছে আৰু সকলো সমষ্টিত দুখনকৈ মাধ্যমিক বিদ্যালয় ৫ কোটি টকা ব্যয় সাপেক্ষে পুনৰ নিৰ্মাণ কৰাৰ বাবে সিদ্ধান্ত হৈছে। দুই- এদিনতে ইয়াৰ নিবিদা প্ৰক্ৰিয়া আৰম্ভ হ'ব। গতিকে ইয়াৰ দ্বাৰাও আমি বিদ্যালয় শিক্ষাৰ সমস্যা সমাধান কৰাত সফলতা লাভ কৰিম। দ্বিতীয়তে, আছিফ মহম্মদ নাজাৰ ডাঙৰীয়াই যিখিনি কথা ইয়াত উল্লেখ কৰিছে সেইখিনি কথা যোৱাবাৰ বিধান সভাৰ অধিবেশনতো কিছু কথা উত্থাপন কৰা হৈছিল। তেখেতৰ চৰাঞ্চলত হোৱা সমস্যা, লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত মুঠ ২৭ খন প্ৰাথমিক বিদ্যালয় উচ্ছেদিত হয়। ইয়াৰ ভিতৰত ১৩ খন বিদ্যালয়, বিদ্যালয় নথকা ঠাইত পুনৰ সংস্থাপন কৰা হৈছে আৰু ১৪ খন বিদ্যালয় অন্যান্য প্ৰাথমিক বিদ্যালয়ৰ লগত সংলগ্ন কৰি দিয়া হৈছে। ২৭ খন বিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ১৫০৭ গৰাকী। তাৰ ভিতৰত অন্য বিদ্যালয়ত ৮৩১ গৰাকী ভৰ্ত্তি হৈছে আৰু ওচৰৰ জিলালৈ ৩১০ গৰাকী স্থানান্তৰিত হৈছে। ৩৬৪ গৰাকী ছাত্ৰ-ছাত্ৰী trace কৰিব পৰা হোৱা নাই যে তেওঁলোকক ক'ত স্থানান্তৰ হৈছে। আমাৰ সমগ্ৰ শিক্ষা ৰ অধীনত এক বিশেষ শিক্ষাৰ আঁচনি আছে। যিসকল ছাত্ৰ-ছাত্ৰী drop out হয় বা out of school থাকে সেই ছাত্ৰ-ছাত্ৰীসকলক both residential and non-residential special training centre কৰি তাত তেওঁলোকক শিক্ষা প্ৰদান কৰি main streaming কৰা হয়। সুবিধা হোৱা বিদ্যালয় এখনত তেওঁলোকক নামভৰ্ত্তি কৰাই দি শিক্ষা দিয়া যায়। মই মাননীয় বিধায়ক গৰাকীক অনুৰোধ জনাওঁ যে তেখেতৰো যিহেতু এটা বিশাল নেটৱৰ্ক থাকে, এই ৩৬৪ গৰাকী ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰি দিলে আমাৰ সমগ্ৰ শিক্ষা বিভাগে বিদ্যালয়ত নামভৰ্ত্তি কৰাই দিয়া আৰু তেওঁলোকৰ শিক্ষাৰ দায়িত্ব লোৱাৰ গোটেইখিনি কাম সুকলমে কৰিব পাৰিব। তেওঁলোক যদি অন্য বিদ্যালয়লৈ বা নগাওঁ জিলাৰ লাহৰীঘাট সমষ্টিৰ বাহিৰলৈ গুছি গৈছে তেন্তে বেলেগ কথা। RIDF ৰ অধীনত আমি যিখিনি আন্তঃগাঁথনি উন্নয়নৰ কাম লৈছিলো, সেই কাম আমি যিদৰে বিলাসীপাৰাত কৰিছো, তেনেদৰে লাহৰীঘাটতো কৰিছো। বিশেষকৈ, প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আমি externally aided project ৰ জৰিয়তে প্ৰায় ২ হাজাৰ প্ৰাথমিক বিদ্যালয় সম্পূৰ্ণৰূপে নৱ নিৰ্মাণ কৰাৰ প্ৰকল্প আমি হাতত লৈছো আৰু এই প্ৰকল্প গৃহীত হ'লে প্ৰয়োজনীয়তাৰ ভিত্তিত আমি সকলো স্থানত বিদ্যালয় নিৰ্বাচন কৰিম, তাত শাসক বিৰোধী বুলি কোনো কথা নাই। মাননীয় বিধায়কগৰাকীয়ে এই ক্ষেত্ৰত আমাক সহযোগিতা আগবঢ়াব। ইয়াৰোপৰি, PM SHRI আঁচনিৰ অধীনত ২৬৪ খন বিদ্যালয় নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। লাহৰীঘাট সমষ্টিত দুখন মহাবিদ্যালয় আছেই। ইয়াৰে এখন মহাবিদ্যালয় চৰকাৰে মডেল ডিগ্ৰী কলেজ হিচাপে প্ৰতিস্থা কৰিছে। দুয়োখন মহাবিদ্যালয়ত কলা শাখা আছে। এতিয়া দাবী আহিছে তাত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰিব লাগে। মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত আমি অলপ পৰিকল্পিত ভাৱে আগবাঢ়িব বিচাৰিছো। মই এই সদনত আগতেও ঘোষণা কৰিছো যে আমাৰ বহু কেইখন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত যিসমূহ আসন আছে, ছাত্ৰ-ছাত্ৰীৰ অভাৱত সেই আসন সমূহৰ বৃহৎ অংশ খালী থাকি যায়। ইয়াৰ কাৰণটো হ'ল যে বিজ্ঞান শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকল আগ্ৰহী নহয় বা তেওঁলোকৰ বিজ্ঞান শিক্ষাৰ যিটো বুনিয়াদ সেইটো বিদ্যালয় পৰ্যায়ত সবল ভাৱে গঢ় দিয়া নহয়। এতেকে, হাইস্কুল বা হায়াৰ ছেকেণ্ডাৰী পৰ্যায়ত আমি যদি

বিজ্ঞান শিক্ষা শক্তিশালী কৰিব নোৱাৰো তেন্তে মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত পৰ্যাপ্ত ছাত্ৰ-ছাত্ৰী পাবলৈ সক্ষম নহ'ম। মই এই পৱিত্ৰ সদনক আজি জনাব বিচাৰো যে আমাৰ যিখিনি চৰকাৰী মহাবিদ্যালয় আৰু প্ৰাদেশীকৃত মহাবিদ্যালয় আছে, এই মহাবিদ্যালয়সমূহত আজিৰ তাৰিখলৈকে সৰ্বমুঠ ১ লাখ ৭০ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তি হৈছে ...interruptions....

**ড° আছিফ মহম্মদ নজৰ ( লাহৰীঘাট)ঃ** উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰত বিজ্ঞান আৰু কলা শাখা হ'ব লাগে....interruptions....

**माननीয় উপাধ্যক্ষঃ** Please sit down.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** ১ লাখ ৭০ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তি হৈছে আৰু এই ১ লাখ ৭০ হাজাৰৰ ভিতৰত বিজ্ঞান শাখাত নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২২ হাজাৰ জন। এতেকে আমি ঘপককৈ ২০-৩০ খন মহাবিদ্যালয়ত বিজ্ঞান শাখা খুলি দিয়াৰ সলনি আমি পৰ্যায় ক্ৰমে আমাৰ নতুন নতুন মহাবিদ্যালয়সমূহত বিজ্ঞান শাখা আৰম্ভ কৰি আছো। যোৱা বছৰ আমি ৮ খন মহাবিদ্যালয়ত আৰম্ভ কৰিছিলো, তাত পাঠদান আৰম্ভ হৈছে। এই বছৰ আমি ৪ খন মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰিছো। অহা বছৰো তেনেধৰণৰ এক নিৰ্বাচিত ৫ ৰ পৰা ১০ খন মহাবিদ্যালয়ত আমি বিজ্ঞান শাখা আৰম্ভ কৰিম। একেদৰে বাণিজ্য শাখাও আৰম্ভ কৰিম। হাইস্কুল বা হায়াৰ ছেকেণ্ডাৰী স্কুলৰ যি কথা উল্লেখ কৰিছে, তাত আমি school cluster গঠন কৰিব বিচাৰিছো। সেই school cluster ৰ ভিতৰত এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখাৰ শিক্ষা আমি দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম। মাননীয় বিধায়ক গৰাকীক মই অনুৰোধ জনাম যে লাহৰীঘাট সমষ্টিৰ ভিতৰত কোনখন উচ্চতৰ মাধ্যমিকত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰিব লাগে সেইটো আমাক জনালে আমাৰ বিভাগে তাৰ কাৰণে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ছামছুল হুদা (পূৰ বিলাসীপাৰা)ঃ** চাৰ, আমাৰ নায়েৰ আলগা মডেল কলেজৰ মাটিৰ সমস্যাটোৰ সম্পৰ্কত মাটিৰ কাগজৰ প্ৰতিলিপিটো আপোনাক দি আছো ....interruptions...

**মাননীয় উপাধ্যক্ষঃ** Members Hour ত supplementary নাথাকে। Please sit down.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কালি আমাক নায়েৰ আলগাত ১৯ বিঘা মাটি পোৱা বুলি প্ৰতিনিধিৰ দল এটাই মোক জনাইছে। গতিকে, মই আজি ইঞ্জিনীয়াৰক নায়েৰ আলগাত যাব দিম। এইবাৰ দেখুওৱা মাটিটো যদি ঠিকে আছে, তেতিয়া হ'লে ধুবুৰীৰ মডেল কলেজখন আমি নায়েৰ আলগাতে পাতিম। মাটিটো ভাল হ'ব লাগিব, আপোনালোকে খাল বিল দেখুৱাই থাকিলে নহ'ব । অহাকালি আপোনালোকৰ তাত Ingineer যাবই। যদি কিবা কাৰণে ৫০ লাখ টকাৰ মাটি পেলাব লাগে সেয়া আমি পেলাই দিম। কিন্তু মাটি পেলাওঁতে যাতে তাতকৈ বেছি টকা হ'ব নালাগে। আমাৰ ইচ্ছা নায়েৰ আলগাতে কলেজখন পতাৰ। কিন্তু উপায় নাপাইহে মই কলেজখন বেলেগ ঠাইত দিছিলো এই কথাটো মই কাছিমি চাহাবকো কৈছিলো।

**শ্ৰী ছামচুল হুদা, (বিলাসীপাৰা) ঃ** ধন্যবাদ চাৰ।

**মাননীয় উপাধ্যক্ষ ঃ** তাৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে শিক্ষা মন্ত্ৰী ডাঙৰীয়াও ধন্যবাদৰ পাত্ৰ। এতিয়া স্বাস্থ্য আৰু পৰিয়াল ক্যাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক নাজাৰ ডাঙৰীয়াই লাহৰীঘাট সমষ্টিৰ স্বাস্থ্যখণ্ডৰ কেইটামান কথা Members' hours ত উল্লেখ কৰিছে। এই বিষয়ে প্ৰথমে যিটো অভিযোগৰ কথা আহিল মই সেইটো প্ৰথমতে জনাই ল'ব বিচাৰিছো। লাহৰীঘাট

সমষ্টিৰ সমাহাৰ আঁচনি আৰু চিকিৎসা সেৱা সন্দৰ্ভত বহুত খিনি কথা তেওঁ কৈছে। সমাহাৰ আঁচনি District Health Society থাকে তেওঁলোকে আমাৰ ইয়াৰ পৰা পইচাটো দিয়ে আৰু গোটেই কামখিনি তেওঁলোকে পৰিচালনা কৰে। গোটেইখিনি কাম জিলাখনতে হয়। সেই কামখিনি আমাৰ ইয়াৰ পৰা বা NHM বা Director level ৰ পৰা নহয়। এতিয়া তাৰ অভিযোগটো আছিলে আগতে যিজনে তাৰ tender কৰিছিলে তেওঁক tender শেষ হোৱাৰ পাছতো পিছৰখন tender নোহোৱা কাৰণে সেই একেজনকে extension দি কামটো কৰিবলৈ দি আছিল যেতিয়ালৈকে এইখন tender নহয় তেতিয়ালৈকে। নিয়মিতভাৱে তেওঁলোকে কামটো কৰা বুলি নথি পত্ৰ দিছে যে তাত ৭ জনে অংশগ্ৰহণ কৰিছিলে , ৪ জন হ'ল তাৰ পাছত L1 হ'ল ইত্যাদি। কিন্তু যিটো প্ৰতিষ্ঠানে পাইছে, সেইটো ইমান sound নহয়। এই কথাখিনি দৃষ্টিগোচৰ হোৱাৰ লগে লগে আমি এইটো enquiry কৰিবলৈ দিছো। এটা preliminary inquiry হৈছে আৰু আন এটা enquiry দিয়া হৈছে। আমি আমাৰ বাতৰিকাকতখনতো এটা বাতৰি দেখিলো যে এই আঁচনিখনৰ ক্ষেত্ৰত কিবা কাম allot কৰাই হওক বা তাত যিখিনি বস্তুৰ কথাই কৈছে, মই সেইখিনি ভাষণত শুনিছো যে সেই বস্তুখিনি ওজনত কম দিছে। তেখেতে ইমানখিনি কথা কৈছে যেতিয়া ইয়াত নিশ্চয় কিবা খেলিমেলি আছে। এই enquiry ত যিখিনি কথা ওলাব তাৰ ওপৰত ভাল action লোৱা হ'ব। গতিকে এই ক্ষেত্ৰত আমি যি ব্যৱস্থা ল'ব লাগে সেয়া লম। সেয়েহে আপোনালোকে নিশ্চিত থাকক।

দ্বিতীয়তে, তেওঁ স্বাস্থ্যখণ্ডৰ কথা কৈছে যে লাহৰীঘাটত বৰ্তমান PHE level ৰ hospital ৮ খন আছে। Sub-centre আৰু Health Welness Centre ২৪ খন আছে, Boat Clinic এখন আছে। তাৰ পিছত আমি ডাক্তৰ, নাৰ্চ, field technician, medical officer এই গোটেইবিলাক যদি চাওঁ তাত মুঠ ৬৪ গৰাকী লোক আছে।

**শ্ৰী আছিফ মহম্মদ নজৰ, (লাহৰীঘাট) ঃ** চাৰ, এইয়া কাগজে কলমেহে আছে।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কিন্তু ৰেকৰ্ড মতে মই যিখিনি পাইছো সেইখিনিহে কৈছো আৰু আমাৰ যিখন model hospital সেইখন FRU কৰিবলৈ আমি proposal দিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইবাৰ ১০০ খন FRU কৰিবলৈ দিছে। তাৰ ভিতৰত আমি এই model hospital খনকো প্ৰস্তাৱ দিছো। আমাৰ মাননীয় বিধায়ক গৰাকীয়ে যদি বেয়া নাপায় তেতিয়াহ'লে আমাৰ অফিচাৰো থাকিব, তেখেতেও থাকিব, আমি ভালকৈ বহি যিমানখিনি সম্ভৱপৰ সকলো হ'ব। গোটেই ৰাজ্যত যিমান ডাক্তৰ আছে সকলো ঠাইতে অলপ অলপ কমিব। তেনেধৰণে অন্যান্য যিখিনি সুবিধা উপলব্ধ কৰিব পৰা যায় সেইখিনি আমি লগে লগে কৰি দিম।

**শ্ৰী আছিফ মহম্মদ নজৰ, (লাহৰীঘাট) ঃ** ধন্যবাদ চাৰ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ মন্ত্ৰী ডাঙৰীয়া। আপোনালোকৰ আন কিবা অসুবিধা থাকিলে মন্ত্ৰী ডাঙৰীয়াৰ কক্ষত আলোচনা কৰি ল'ব। এতিয়া কাৰ্য্যসূচী নং -৪, The Assam Mob Lynching Prevention Bill, 2023.মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)ডাঙৰীয়াই বিধায়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে The Assam Mob Lynching Prevention Bill, 2023 বিধেয়কখন সদনত উত্থাপন কৰিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ? যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওক নহয়। মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে বিধেয়কখন উত্থাপন হ'ল।

এতিয়া মই মাননীয় সদস্য গৰাকীক বিধেয়ক খনৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই The Assam Mob Lynching Prevention Bill, 2023 এই বিলখন মই সদনৰ বিবেচনাৰ বাবে উত্থাপন কৰিছো। এই বিলখন এইকাৰণেই অনা হৈছে যে আমি দেখা পাইছো যে বিগত দিনত অসমত বহু কেইটা ঘটনা সংঘটিত হৈ গ'ল Mob Lynching দৰে আৰু Mob Lynching ৰ আৰু general murder যিবিলাক হয় তাতে আনৰ এটা সুৰুঙাৰ কাৰণে যিটো দলবদ্ধভাৱে আক্ৰমণ কৰি কাৰোবাক যদি হত্যা কৰা হয়। এই দলবদ্ধ আক্ৰমণৰ যিসকল দোষী, অপৰাধী তেওঁলোক আইনৰ সুৰুঙাত বাচি যায়, আইনৰ ধাৰাত যিসকল intensionally murder কৰে তেওঁলোকৰ কাৰণে যিটো শাস্তি বিহা হয় Mob Lynching বা দলবদ্ধ আক্ৰমণত মৃত্যু হ'লে সেই শাস্তিটো তেওঁলোকে কিবা নহয় কিবা প্ৰকাৰে শাস্তিটো লাঘৱ হয়, তেওঁলোক বাচি যায়। এই পবিত্ৰ সদনত যোৱাকালিৰ মোৰ এটা প্ৰশ্নৰ উত্তৰত চৰকাৰে যিটো তথ্য দিলে যে যোৱা ১০ বছৰত অসমত এনেকুৱা ৫২ টা Mob Lynching ৰ ঘটনা সংঘটিত হৈছে আৰু এই Mob Lynching ৰ ঘটনাত কেইটামান কথাই ৰাজ্যখন জোকাৰি গৈছিল, যেনেকৈ ২০১৯ চনত ড০ দেবেন দত্ত টিয়গ থানাৰ অন্তৰ্গত। তেখেত retirement ৰ পিছতো বাগানৰ মানুহখিনিৰ কাৰণে বিনা পইচাত service দিছিল। প্ৰয়োজন সাপেক্ষে নিজৰ পকেটৰ টকা দি ঔষধ কিনিবলৈ দিছিল। সেই মানুহজনৰ যেতিয়া Mob Lynching ত মৃত্যু হ'ল গোটেই অসমৰ মানুহে কান্দিছিল। তাৰ পিছত অনিমেশ ভূএগ্ৰা, Mob Lynching ত মৃত্যু হ'ল ২০১৯ চনত, ঝংকাৰ শইকীয়া ২০১৩ চন তাৰ পিছত ২০১৮ চনত অভিজিৎ নাথ আৰু নিলোৎপল দাস, ডকমকা থানাৰ অন্তৰ্গত কাৰ্বি আংলং জিলাত। তেওঁলোকৰ হত্যাকাণ্ডত আজিও ৰাজ্যবাসী **কান্দে বা এনে ঘটনাৰ বাবে অসমবাসীৰ অন্তৰত আঘাত লাগিছে। গতিকে, এই অপকৰ্ম বিলাক অসমত ক্ৰমাৎ বৃদ্ধি পাব ধৰিছে । individually কাৰোবাক হত্যা কৰিলে সেইটো আইনৰ ধাৰাত তেওঁৰ যিটো শাস্তি বিধান হয়, তাৰ বিপৰীতে mob lynching বা দলবদ্ধভাবে কাৰোবাক আক্ৰমণ কৰি হত্যা কৰিলে আইনৰ ফালৰ পৰা বাচি যাম এনে এটা ধাৰণা মানুহৰ হৈছে বা থাকে । তাতকৈ ডাঙৰ এটা কথা হ'ল যে এই ম'ব লিনচিং যেতিয়া কৰা হয় তেতিয়া মানুহবিলাক আবেগিক হৈ কৰে । কেতিয়াবা ধৰ্মীয় উন্মাদনা, কেতিয়াবা ভুল তথ্য, কেতিয়াবা সোপাধৰা বুলি যেতিয়া ধৰা হয় তেতিয়া কিন্তু অধিকাংশ নিৰ্দোষী লোকহে ইয়াৰ বলি হয় । যেতিয়া মানুহজন হত্যাৰ বলি হয় পিছত মানুহজন নিৰ্দোষী বা innocent আছিল বুলি তেওঁলোকে গ'ম পালেও মানুহজন কিন্তু ঘূৰি নাহে । গতিকে এই ক্ষেত্ৰত যেতিয়া অভি-নীল হত্যাকাণ্ড হ'ল তাৰ পিচত কিন্তু আমি দেখিছো অসমৰ বহু সংগঠনে আৰু বহু সচেতন লোকে তেতিয়াৰ পৰাই এটা দাবী কৰি আহিছিল । বিশেষকৈ ডাঃ দেবেন দত্ত আৰু আছু নেতা অনিমেষ ভূএঁাৰ ম 'ব লিনচিঙৰ দ্বাৰা হত্যাকাণ্ড হোৱাৰ পিচত কিন্তু অসমত প্ৰতিবাদৰ লগতে এটা সৰৱ চৰ্চা চলিছিল এই ম'ব লিনচিঙৰ বিৰুদ্ধে। গতিকে ইয়াৰ প্ৰতিহত**

কৰিবলৈ অসম চৰকাৰে এখন কঠোৰ আইন আনিব লাগে । এই ম'ব লিংচিঙৰ হত্যাবিলাক আৰু ডাইনী হত্যাসমূহ যোগ কৰিলে কিন্তু এনেধৰণৰ বহু ঘটনা হ'ব । এই ডাইনী হত্যাবিলাকো ম'ব লিনচিঙে হয় । অন্ধবিশ্বাসৰ বলি হৈ কৰে বা কোনোবা এজন তান্ত্রিকে কৈ দিলে যে তাই বা অকলশৰীয়া বৃদ্ধা বা বৃদ্ধজনৰ কাৰণে গাওঁত বেমাৰ আজাৰ হৈ আছে, মানুহবিলাকে আহি ধৰি বান্ধি নি হত্যা কৰি পেলাই দিয়ে । তেওঁলোকে জানে যে, গোটেই গাওঁৰ মানুহে যেতিয়া এটা হত্যাকাণ্ড কৰিম তেতিয়া ইয়াৰ শাস্তিটো ইণ্ডিভিজুৱেলী হত্যা কৰাৰ দৰে আইনে হয়তো আজীৱন কাৰাদণ্ড বা ফাঁচীৰ ৰায় নিদিব। ডাইনী হত্যা ৰোধ , ম'ব লিনচিং ইত্যাদি ৰোধ কৰাৰ বাবে mob lynching prevantion Billখন আনিব লাগে যাতে ডাইনীৰ নামত , ধৰ্মীয় উন্মাদনাৰ নামত বা সোপাধৰাৰ নামতে হওঁক বা চোৰৰ নামতেই হওক কোনো হত্যাকাণ্ড সংঘটিত নহয় অসমত। ইণ্ডিভিজুৱেলি হত্যা কৰিলে আইনৰ পৰা যি শাস্তি পাব, ম'ব লিংচিঙ কৰি - ডাইনী হত্যা কৰিলেও সমানে শাস্তি পাব এনেকুৱা কঠোৰ আইনী বিধান থাকিলে নিশ্চয় অসমত এনেধৰণৰ হত্যাকাণ্ড সংঘটিত নহ'ব। এই কথাটো উপাধ্যক্ষ মহোদয়, objects and reasons for the bill মই তাত উল্লেখ কৰিছো যে এইটো হ'ল আমাৰ টাৰ্গেট আৰু তাত আচলতে - to keep unity brotherhood social peace and harmony uninterupted among the people of various cast- creet, community and religion in the state of Assam. এইটো হ'ল আমাৰ object এই বিলখনৰ । ইয়াত আমি বিলখনৰ যিটো preamble দিছো । মাননীয় উপাধ্যক্ষ মহোদয় preamble টো আছিল whereas it has become a serious social crime now a days that an angry crowd of people want to kill someone without a trial. because they believe that persons belongs to a community which is their common enemy and even they considered the killing as an act of vertue having religion value to sake the surplus amunition purchase from the attacked of angry mob as special act is a cry demand in the present situation it is hereby innected in the 74 year of the Republic of India as follows.মাননীয় অধ্যক্ষ মহোদয় মই ইয়াত ইণ্ডিয়া বুলিয়েই লিখিছো । কাৰোবাৰ আপত্তি থাকিলে ক'বলগীয়া নাই এইটোত ৰিপাব্লিক অৱ ভাৰত বুলি সংশোধন কৰিব ল'ব পাৰে ।It is going to be innected in 74 year of the republic of India as follows মই ইণ্ডিয়া বুলি লিখিছো , কোনোৰে যাতে বেয়া নাপায়। যিয়েই নহওক তাৰ পিচত মই ইয়াত ডেফিনেশ্যন বিলাক লিখিছো । ইয়াত আমাৰ জুডিচিয়েল কোৰ্ট, হাই কোৰ্ট hate speech- কি হ'ব religious Slogan মানে কি, কেম্প মানে , ট্ৰেইনিঙ মানে কি গোটেই defination -খিনি আপোনালোকে চাই ল'ব। এই বিলখনৰ যিটো মূল theme part- I আছে এইটো হ'ল যে,

(1) It shall be punishable under this act if a group of people attacked somebody with an intention to kill him or her collectively.

(2) As an angry crowd attacked a person for religious intolerance or shunt in a religious slogan during physical torture to kill the person .

(3) A mob to attacked a person and tried to kill him for communal

hatered or kill a woman by the name of witch.
(4) A group of people attacked a person to kill him - her following a reemark or baseless aspect. A person delivers hate speech to instigate a religious or communal group to attack and kill an innocent person or other religious or communal group.
(5) A person or group of persons organised a meeting, camp, training programme to trade hatered against other religious or communal group.
(6) The persons have donate, cooperate, circulate for such kind of meeting , camp , training programme as described in 3 (VI) of this act. এই সাতটা আমি
identify কৰিছো , যদি এই সাতটা crime- যদি কোনোবাই কৰে, তেনেহ'লে এই act ৰ জৰিয়তে তেওঁলোকে punishable হ'ব। Punishment-ৰ কথাটো আমি বিলত এনেদৰে আনিছো-
If a person or a group of persons commit and offence under clause (3) A of this act the person or each of the group of people shall be sentenced to deed or imprision not less than 20 years. ইয়াত মই life long বুলি লিখা নাই উপাধ্যক্ষ মহোদয় । লাইফ লং হ'লে - ১৪ বছৰ বা ১৬ বছৰত ওলায় যায়, সেই কাৰণে কৈছো যে sentenced to deed- হ'ব লাগিব নহ'লে more than 20 years imprisionment হ'ব লাগিব, যদি এই সাতটা ক্ৰাইম কোনোবাই কৰে । তাৰ পিচত উপাধ্যক্ষ মহোদয় every person in a mob shall be punished as respect in clause (4) at this act. যদি mob- টোত 40 জন থাকে বা 200-জনো থাকে সকলোৰে equal punishment হ'ব । like an indivisual murder-এইটো আমি আইনখনত আনিব বিচাৰিছো । last-ত আছে part-2, তাত আনিছো যদি কোনোবা ডকাইতে বা উগ্ৰপন্থীয়ে কোনোবা মানুহক আক্ৰমণ কৰিছে আৰু এই মানুহজনক বচাবলৈ গৈ যদি উগ্ৰপন্থীজন বা ডকাইতজন মানুহৰ হাতত নিহত- আহত হয় তেনেহ'লে, এই আইনৰ অধীনত সেই মানুহবিলাক দোষী স্যাবস্ত নহ'ব । ডকাইত বা উগ্ৰপন্থীজনক ভেটা দিবলৈ যাওতে যদি মানুহৰ হাতত নিহত হয় তেন্তে এইটো ম'ব লিনচিং নহ'ব । তাৰ পিচত ----
A person wants to rape or molestrate a girl or women and any other person or group of persons are attacked by the cultprit is killed following a counter attacked.--কোনোবা ছোৱালী বা মহিলাক যদি কোনোবাই ধৰ্ষণ কৰে বা- molestration কৰে, তেতিয়া যদি এটা group য়ে বচাব গৈছে মহিলা বা ছোৱালী গৰাকীক, তাৰ পিছত যদি সেই গ্ৰুপটোক এটেক কৰে কালপ্ৰিটজনে আৰু counter attack ত যদি কালপ্ৰিটটো নিহত হয় তেনেহ'লে এইটো mob lynching বুলি ধৰা নহ'ব । তাৰ পিচত নম্বৰ (c) A person dies accidantally when a crowd tried to rescue him or her in out of situation. যদি accidantally নিহত হ'লে mob lynching- নহ'ব। আৰু clause (6)..ত মই আনিছো - A district judicial court shall

be competent enough to issue judgement under this act. A district Judicial Court shall be competent enough to issue judgement under this Act and a person can appeal in the competent High Court challenging the judgement pass by the District Court. এই খিনিয়ে আছিল আমাৰ মূলৰ এই বিলৰ মূল প্ৰতিপদ্য। গতিকে মই ভাৰো এই মাৰাত্মক যিটো সামাজিক ব্যাধি, ডাইনিৰ নামতে হওঁক বা কোনোবা বেলেগতে হওঁক, ধৰ্মীয় উন্মাদনাৰ নামতে হওঁক যাতে এইখন অসমত নিৰপৰাধ নিৰ্দোষী কোনো হত্যাকাণ্ডৰ বলী হ'ব লগীয়া নহয়, আৰু কোনোবা angry mob বা crowd বা group of people তেওঁলোকে যাতে কোনোবাই তেওঁলোকক প্ৰৰোচিত কৰিব আৰু যদি কোনোবাই training camp বা এনেকুৱা কিবা পাতে যে সেই ট্ৰেইনিং কেম্প বিলাকত এই গ্ৰুপবিলাকক প্ৰৰোচনা কৰে instigate কৰে বা কোনোবা ধৰ্মগোষ্ঠী বা জনগোষ্ঠীৰ বিৰুদ্ধে তেওঁলোকৰ মনত বিষাক্ত ভাৱ সোমাই দিয়ে তাৰ পিছত যদি mob lynching হয় সেই ট্ৰেইনিং কেম্প অনুষ্ঠিত কৰিছিল বা যি সকলে hate speech টো create কৰিছিল তেওঁলোককো এই আইনৰ আওঁতাত আনিব লাগে আৰু একেধৰণে দোষী সাবস্ত কৰিব লাগে। এই বিলটো আমি এই কাৰণে আনিছো যে আমি এই শংকৰ আজানৰ পবিত্ৰ মিলন ভূমি অসম খনত আমি শান্তিৰ আলয় কৰিব বিচাৰিছোঁ এই খন অসমত আমি এটা স্বৰ্গাদপী গৰিয়সী জীৱনী জন্মভূমি স্বৰ্গাদপী গৰিয়সী হিচাপে অসমত খনত আমি শান্তিৰ এখন ৰাজ্য কৰিব বিচাৰিছোঁ। ইয়াত যাতে কোনো নিৰ্দোষী লোক কোনো কাৰণত ডাইনী নামত বা অন্য কোনো কাৰণত যাতে হত্যা নহয়, মই ভাৰো যে এই বিল খনৰ যিটো উদ্দেশ্য আৰু মহত্ব এই কথাটোৰ উপলব্ধি কৰি আমি সকলোৱে এই পবিত্ৰ সদনত যাতে এইটো সৰ্বসন্মতিক্ৰমে এই বিলখন যাতে গ্ৰহণ কৰি লয়। অসমৰ নিৰপৰাধ মানুহৰ যাতে হত্যাকাণ্ড বন্ধ হয়, এইটোৱে মই অনুৰোধ জনাইছোঁ। আৰু শাসকীয় পক্ষৰ বিধায়ক সকলকো মই বিশেষভাৱে অনুৰোধ জনাইছো যে আপোনালোকে গণ হত্যা বা দলবদ্ধ আক্ৰমণ বা ডাইনী হত্যা বা নিৰ্দোষী মানুহৰ হত্যাৰ যে বিৰোধী আপোনালোকেও যে বিচাৰে এই কথাটো আপোনালোকে প্ৰমাণ কৰি দিব। আপোনালোকে যাতে এই বিল খনৰ বিৰোধ কৰি আপোনালোকে আকৌ এনেকুৱা হত্যাকাণ্ডৰ সপক্ষে থকা বুলি যাতে আপোনালোকে প্ৰমাণ নকৰে এইটো অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** কোনো নিৰ্দোষী হত্যাৰ favour ত নাথাকে। আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ ছাৰ, সন্মানীয় সদস্য গৰাকীয়ে খুব গুৰুত্বপূৰ্ণ এটা প্ৰশ্ন বা গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰিছে। আমি কোনোৱে কোনো সভ্য মানুহে mob lynching ঘটনাক কেতিয়াও চাপোৰ্ট কৰিব নোৱাৰোঁ। এইটো অত্যন্ত দুখজনক কথা। তেখেতে বাৰে বাৰে কালিও কৈছে, আজিও কৈছে, মোৰ গাঁৱৰ মানুহে কৈছে, মইও তাক গৰিহণা দিওঁ। আৰু সেই যি ব্যক্তি এগৰাকী নিহত হ'ল তাৰ বিৰুদ্ধে প্ৰায় ২৫ জনকৈ মানুহ পুলিছে এৰেষ্ট কৰিছে। গোটেইকেইজনক জেললৈ চালান দিছে। It means Police has taken action against the culprits, Alleged culprits, culprits বুলি আমি কব নোৱাৰো এল এচ বুলি কৈছো। IPC,CRPC, আছে গতিকে আমি য'ত য'ত এনেকুৱা অনাকাঙ্খিত ঘটনা হৈছে তাৰ বিৰুদ্ধে আমি চৰকাৰে খুব দৃঢ় ব্যৱস্থা লৈছোঁ। কিন্তু মাননীয় সদস্য গৰাকীয়ে যি কেইটা example দিলে সেই example কেইটা মোৰ মনত প্ৰক্ষপাত দুষ্ট। তেখেতে যিকেইটা উদাহৰণ দিলে particular কেইটামান

example দিলে এই গোটেইকেইটা politically motivated আৰু পক্ষপাতদুষ্ট। তেখেতে যি কেইটা কথা কলে অভি-নীলৰ কথা কলে, দেবেন দত্তৰ কথা কলে মোৰ গাঁও আঁহতগুৰিৰ কথা কলে, তেখেতে কিন্তু লখিমপুৰৰ প্ৰনৱ জ্যোতি শইকীয়াৰ কথা নকলে। কেইদিন মান আগত mob lynch হৈছে।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ অধ্যক্ষ মহোদয়।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** ঃ Let me finish. আপুনি কৈ থাকোতে মই একো কোৱা নাই।

**মাননীয় উপাধ্যক্ষ** ঃ Please.

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** ঃ প্ৰনৱ জ্যোতি শইকীয়াক তিনিজন ব্যক্তিয়ে দলবদ্ধ ভাৱে মাৰিলে। তিনিওজনক arrest কৰা হৈছে। সেই কেইজনৰ নামকেইটা কৈ দিওঁ, Should I say? সেই কেইজন আচিফ আলী, আজিজুৰ ৰহমান আৰু চফিক আলী all were arrested and sent to jail.

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ অধ্যক্ষ মহোদয়।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** ঃ Please. মই উত্তৰ কৈ আছোঁ। মই তেখেতৰটো চাপোৰ্ট কৰিছোঁ। তেখেতে যিটো কৈছে মই চাপোৰ্ট কৰিছোঁ।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ অধ্যক্ষ মহোদয়।

**মাননীয় উপধ্যক্ষ** ঃ Please.

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** ঃ তেখেতে এটা উদাহৰণ কিয় নিদিলে কেইদিনমানৰ আগত যেতিয়া আমাৰ বিদ্যুৎ বিভাগৰ কৰ্মচাৰীক গুৰুলা গুৰুলকৈ পিটি মৃত্যুমুখলৈ যে ঠেলি দিছিল সেইটোও mob lynching, almost mob lynching.

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ অধ্যক্ষ মহোদয়।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ)** ঃ অধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ** ঃ Please. উত্তৰ দিব দিয়ক। বহক আপোনালোক।

............(সদনত হুলস্থূল).............

**শ্ৰীদিগন্ত কলিতা, (কমলপুৰ)** ঃ ধৈৰ্য্য ধৰক।

**মাননীয় উপধ্যক্ষ** ঃ Please.

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ উপাধ্যক্ষ মহোদয়, দিগন্ত কলিতাক উপাধ্যক্ষ বা অধ্যক্ষ কৰি দিব লাগে।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** ঃ আপুনি অধ্যক্ষৰো ওপৰত। Head Constable of Delhi Police Ratan Lal lost his life on 24th February, 2020 accuseৰ নাম কৈ দিও নেকি? কলে তেওঁলোকে বেয়া পায়।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ গোটেই ৫২ টা কৈ দিয়ক, সময় নাই কাৰণে মই ৫২ টা কৈ দিয়া নাই। গোটেই কেইটা কবলৈ ২ ঘন্টা সময় লাগিব।

(হুলস্থুল)

**মাননীয় উপাধ্যক্ষ** ঃ গুৰুত্ব পূৰ্ণ বিষয় আলোচনা হৈ আছে, আপোনালোকে বহক। গুৰুত্বপূৰ্ণ বিষয় এটা আলোচনা হৈছে, আপুনি এখন বিল আনিছে সম্পূৰ্ণ সময় দিয়া হৈছে আপুনি কৈ থাকোতে

মই কাকো হুলস্থূলীয়া পৰিৱেশ কৰিব দিয়া নাই, গতিকে এতিয়া সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে উত্তৰ দি আছে সম্পূৰ্ণ ৰূপে শুনক তাৰ পিছত যদি কিবা ক'বলগীয়া থাকে কব। মাজত নহয়।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ তেখেতে কৈ থাকোতে আমি অসুবিধা কৰা নাই।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ দিগন্ত কলিতা ডাঙৰীয়াৰ ব্যৱহাৰটো বেয়া হৈছে।

**শ্ৰীদিগন্ত কলিতা, (কমলপুৰ)** ঃ মই একো কোৱা নাই, আপোনাৰ গাত কিয় লাগিছে।

**মাননীয় উপাধ্যক্ষ** ঃ Please. আপোনালোকে বাৰে বাৰে উঠি আছে কিয়? সদন হৈছে সভ্য সমাজৰ এটা representative, public য়ে আপোনালোকক ভোট দি পঠাইছে ভালকৈ কথা কবৰ কাৰণে। কথা কৈ থকাত বাধা দি থাকিলে জনসাধাৰণে কি ভাৱিব ইমান সময় আমিনুল ইছলাম ডাঙৰীয়াই (জ্যেষ্ঠ) কৈছে, ইমান সময় দিয়া হৈছে। শেষ কৰাৰ পিছতহে উত্তৰ দিব কৈছোঁ। তাৰ পিছতো কিয় অসুবিধা কৰে? প্ৰশ্নটো কৰিলে উত্তৰ শুনাৰো ধৈৰ্য্য থাকিব লাগে।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ তেখেতে কওঁতে আমি এটা শব্দও কোৱা নাই। তেখেতে দেবেন দত্তৰ কথা কলে, মোৰ গাঁৱৰ কথা কলে, তাৰ পিছত অভি-নীলৰ কথা কলে আৰু কেইবাটাও ক'লে আমিতো একো কোৱা নাই। এতিয়া মই কৈ আছো, মোৰ কোৱাৰ সময়ত উত্তৰ শুনাৰ ধৈৰ্য্য কিয় নাই? মই কৈছো যে আপুনি যিটো কথা কৈছে সেইটো গুৰুত্বপূৰ্ণ। কিন্তু আপোনাৰ উদাহৰণ কেইটা প্ৰক্ষপাত দুষ্ট। মই আকৌ কৈছোঁ the brutally inflicted on Intelligence Bureau Staff of Ankit Sharma by rioty, মই বাকীখিনি নকওঁ।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ মাননীয় উপাধ্যক্ষ, mob lynchingৰ কেইজনৰ নাম কৈছোঁ।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ** ঃ Please. অনুগ্ৰহ কৰি বহক। উত্তৰটো শুনক। উত্তৰটো আপোনাৰ মতে হওঁক বা নহওঁক উত্তৰ দিছে শুনক।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ উপাধ্যক্ষ ডাঙৰীয়া, তেখেতে কালিও কৈছে আজিও কৈছে বাৰে বাৰে আহতগুৰিত মোৰ ঘৰ, য'ত হৈছে। যেতিয়া হৈছিল তেতিয়া মই গুৱাহাটীত আছো, গাঁৱত নাছিলোঁ। মোৰ ঘৰৰ পৰা ২ কি.মিটাৰ দূৰত, আৰু মোৰ গাঁৱৰ প্ৰায় ২৫ জন, সঠিক নম্বৰটো মই নাজানো ২০/২৫ জন হ'ব। ২০ জনতকৈ বেছি মানুহক পুলিছে এৰেষ্ট কৰিছে মইতো কেতিয়াও কোৱা নাই এৰেষ্ট নকৰিব মোৰ গাঁৱৰ মানুহ বুলি। আমি কাকো বাধা দিয়া নাই, আপুনি সোধক। গতিকে আমি যি কৰিছো নিৰপেক্ষ ভাৱে কৰিছোঁ। আমিটো কোৱা নাই, আমি কাকো বাধা দিয়া নাই। গৈ সোধক, আপুনি মৰিগাঁৱৰ বিধায়ক। আমি যি কৰিছো নিৰপেক্ষতাৰে কৰিছো। আপোনালোকে উদাহৰণকেইটা দিয়ে। বেলেগৰ উদাহৰণ দিয়ে কিন্তু কিছুমান উদাহৰণ নিদিয়ে। মই উদাহৰণ কেইটাহে দিলো। এইটো সকলোৱে কৰে। এইবিলাক বেয়া মানুহে কৰে। বেয়া মানুহ আপোনালোকৰ ফালেও আছে। বেয়া মানুহ আমাৰ ফালেও আছে। গতিকে মই কি ক'ব খুজিছো যিহেতু CRPCত আমি এই mob-lynching কৰা ব্যক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লৈছো। গতিকে এইখন বিলৰ কোনো প্ৰয়োজন নাই বুলি মই উপলব্ধি কৰো। ধন্যবাদ।

**ড° নোমল মমিন , (উপাধ্যক্ষ)** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য আপুনি যিখন বিল উত্থাপন কৰিলে, তাক আপুনি প্ৰত্যাহাৰ কৰিব নেকি? আপুনি প্ৰত্যাহাৰ কৰিব নেকি? এতিয়া প্ৰশ্নটো হ'ল যি সকল মাননীয় সদস্য- সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে , নহয়ৰ সপক্ষে প্ৰস্তাৱটো নাকচ হ'ল, বিধেয়কখন নাকচ হৈছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ চাৰ, চাৰিখন ৰাজ্যই ইতিমধ্যে mob-lynching ৰ বিৰুদ্ধে বিল পাছ কৰিছে। ঝাৰখণ্ডে পাছ কৰিছে, হাৰিয়ানাই পাছ কৰিছে, মনিপুৰে পাছ কৰিছে, ওৱেষ্ট বেংগলে পাছ কৰিছে । অসম ৰাজ্যই আজি এখন mob-lynching ৰ বিৰুদ্ধে বিল আহিছে, সেই বিলখনক নানান ধৰণৰ অজুহাত দেখুৱাই সেইখন পাছ কৰিব নোৱাৰি বুলি যি এটা ধাৰণা সকলোকে দিব বিচাৰিছে তেনেকুৱা ধাৰণাৰ সঠিক নহয়।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)ঃ** আশ্ৰাফুলৰ মুখত এইবোৰ শোভা নাপায়। আমি বহুত কথা জানো বাকী বিধায়কে কওঁক কিন্তু আশ্ৰফুলে কলে শোভা নাপায়।

--সদনত হুলস্থুল---

**ডº নোমল মমিন, (উপাধ্যক্ষ)** ঃ please sit down, please sit down এতিয়া কাৰ্য্যসূচী নং -৫ সংকল্প প্ৰস্তাৱ প্ৰথমতে দেৱব্ৰত শইকীয়া আছিল,তেখেতে অলপ দেৰিকে কম বুলি কলে, গতিকে দ্বিতীয় সংকল্প প্ৰস্তাৱ শ্ৰী ভাষ্কৰজ্যোতি বৰুৱা।

--সদনত হুলস্থুল---

এতিয়া মই ৰুল ১১৫ ৰ অধীনত দ্বিতীয় সংকল্প প্ৰস্তাৱ শ্ৰী ভাষ্কৰজ্যোতি বৰুৱা।

--সদনত হুলস্থুল---

please sit down, please sit down, unparliamentary word একো নাথাকে।Everything will be expunge.

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া এই শব্দটো expunge কৰি দিব

**মাননীয় উপাধ্যক্ষ** ঃunparliamentary word একো নাথাকে। গোটেইখিনি expungeহৈ যাব। এতিয়া বৰুৱা ডাঙৰীয়া.

**শ্ৰী ভাষ্কৰজ্যোতি বৰুৱা, (তিতাবৰ)** ঃমাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১১৫ ৰ অধীনত মই এক সংকল্প প্ৰস্তাৱ আগবঢ়াইছো এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা ল'বৰ বাবে মই অনুৰোধ জনাইছো। আমি সকলোৱে জানো যে ভূমি বা মাটি এয়া এনেকুৱা এক সম্পদ যিটো মানৱ জাতিয়ে কেতিয়াওঁ সৃষ্টি কৰিব নোৱাৰে। আজি আমাৰ অসম ভূমিৰ সংকটত ভোগিছে। কিয়নো বিগত সময়ছোৱাত আমি সকলোৱে দেখিছো যে অসমত যি প্ৰাকৃতিক দুৰ্য্যোগ, গড়াখহনীয়া, বানপানী জন বিস্ফোৰন এইবোৰৰ কাৰণে দিনে দিনে মাটি সংকুচিত হৈ আহিছে। এতিয়া দেখা গৈছে যেনেকৈ আমাৰ দেশখন আধুনিকতাৰ ফালে আগবাঢ়িছে, ঠিক তেনেধৰণে আমি যেতিয়া ঘৰৰ পৰা ওলাই আহো নতুন নতুন ৰাস্তা নিৰ্মাণ হৈছিল। ৰাজপথ বিলাক হৈছে, তাৰ দুয়োকাষে কোনো প্লেন প্ৰগ্ৰেম নোহোৱাকৈ আমাৰ কৃষিভূমি বিলাক বিভিন্ন মানুহে আহি মাটিবিলাক মানুহ বিলাকৰ পৰা কিনিছে আৰু তাত তেওঁলোকে বিভিন্ন ধৰণৰ নিজৰ কৰ্ম কৰিছে। এই কৰ্ম বিলাকৰ ভিতৰত আমাৰ যিবিলাক উদ্যোগ গঢ়ি উঠিছে, আমাৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত মোৰ ১০০ শতাংশ সমৰ্থন আছে, আৰু সদায় মই কৈছো যে আমি স্বাৱলম্বী হ'বলৈ হ'লে আমাৰ উদ্যোগ আমাক লাগিব। কিন্তু মই এইটো ক'বলৈ বিচাৰিছো যে আমাৰ এই উদ্যোগসমূহ য'তে ত'তে পাতিবলৈ নিদি আমি আজি যিবোৰ কৃষিভূমি ব্যৱহাৰ কৰিবলৈ দিছো তেনেকুৱা কৃষিভূমি ব্যৱহাৰ কৰিবলৈ নিদি আমি য'ত কৃষিৰ অনুপযোগী মাটি বহুত আছে আমাৰ, তেনেকুৱা ধৰণৰ কৃষিৰ অনুপযোগী ঠাইত যদি আমি উদ্যোগবিলাক স্থানান্তৰ কৰিব পাৰো তেতিয়া হ'লে আমাৰ এই সুন্দৰ অসমখনৰ যি প্ৰাকৃতিক পৰিবেশ পাৰিপাৰ্শ্বিকতাৰ লগতে আমাৰ যি প্ৰদূষণমুক্ত অসম সদায় হৈ থাকিব। সেই ক্ষেত্ৰত মই এটা সংকল্প ল'বৰ বাবে আহ্বান জনাইছো।

দ্বিতীয়তে যধে মধে মাটিবোৰ লোৰাৰ ফলত আমাৰ কেইটামান পুৰুষৰ পিছত আমাৰ নবপ্ৰজন্মই কিন্তু কাম বন কৰিবলৈ মাটি আমাৰ নাইকীয়া হ'ব। এই ক্ষেত্ৰত আমি বিস্তাৰিত ভাবে এটা আলোচনা কৰি কি ব্যৱস্থা ল'ব পৰা যায়, সেই ব্যৱস্থা ল'বৰ বাবে মই আপোনাৰ যোগেদি চৰকাৰক আহ্বান জনাইছো। আমি সকলোৱে দেখিছো আমাৰ মিচন ভূমি পুত্ৰ -১, মিচন ভূমি পুত্ৰ -১ ত কি হ'ল, আমাৰ যিবিলাক চৰকাৰী মাটি বা আমাৰ যিবিলাক একচনীয়া মাটি আছিল, সেই মাটিবিলাক মিচন ভূমি পুত্ৰৰ যোগেদি ম্যাদীকৰণ কৰা হ'ল। ম্যাদীকৰণ কৰাৰ পাছত এইখিনিৰ কিছুমান শ্ৰেণী পৰিবৰ্তন কৰা হ'ল। শ্ৰেণী পৰিবৰ্তন কৰাৰ পাছত কিছুমান পট্টাত ১০০ ৰো অধিক মানুহৰ নাম আছে। এতিয়া ১০০ ৰো অধিক মানুহৰ নাম থকাৰ ফলত আমাৰ কি হৈছে- চৰকাৰৰ যিটো data digitalization কৰিব খুজিছে এইটোত যথেষ্ট অসুবিধা আহি পৰিছে। আমি যদি এক ব্যক্তি এক পট্টা কৰিব পাৰো তেতিয়া ভৱিষ্যতে আমাৰ যিটো মিচন ভূমিপুত্ৰৰ উদ্দেশ্য আছিল বহু পৰিমানে এইটো সফল হ'ব । এজন মানুহ এখন পট্টা। গতিকে ১০০ জন মানুহ, ৫০ জন মানুহ বা ১০ জন মানুহৰ এজমালি পট্টাবিলাক single, single হৈ যাব। আৰু data digitalization কৰাৰ ক্ষেত্ৰত আমাৰ সহায়ক হ'ব। মিচন ভূমিপুত্ৰ-২ আহিলে, মিচন ভূমিপুত্ৰ-২ ত আমাৰ কি হৈছে, যে আমাৰ বহুত মানুহে , বিশেষকৈ আমাৰ বড়ো, ৰাভা, মিচিং, হাজং, দেউৰী এই ব্যক্তি সকলে আজি শ শ বছৰ ধৰি তেওঁলোকে ভূমিত আছে। সুখে শান্তিৰে তেওঁলোকে নিজৰ সহজ সৰল জীৱন যাপন কৰি আছে। এতিয়া আমাৰ চৰকাৰে ব্যৱস্থা কৰিছে যে ৭৫ বছৰৰ ওপৰৰ মাটিবিলাক তেওঁলোকক মাটিৰ পট্টা কৰি দিব লাগে। খুব ভাল কথা কিন্তু যেতিয়া আমাৰ মণ্ডল বা কানানগুসকলক পঠিয়াইছে, তেতিয়া তাত গৈ তেওঁলোকৰ ওচৰত কোনো নথি পত্ৰ নাই। সহজ সৰল মানুহ তেওঁলোক, তেওঁলোকে এইবোৰ নাজানে। এতিয়া চৰকাৰে এটা ব্যৱস্থা কৰিব লাগে সঠিকভাবে তেওঁলোকক চিনাক্তকৰণ কৰি তেওঁলোকক নথিপত্ৰ দি মাটিখিনি তেওঁলোকক থিক থাক কৰি দিব লাগে। এইখিনিতে মই এটা কথা ক'বলৈ খোজো আমাৰ যিটো ৬ নং দফা এই ৬ নং দফাটোত আমাৰ কেন্দ্ৰীয় চৰকাৰে আমাৰ বিপ্লৱ শৰ্ম্মা আয়োগ, তেওঁলোকে ঠিক কৰা আয়োগৰ যোগেদি যি প্ৰতিবেদন আজি আহিল, সেই প্ৰতিবেদনটো আজি পৰ্যন্ত হোৱা নাই। গতিকে আমাৰ ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত হেঁচা প্ৰয়োগ কৰি আমাৰ ৬ নং দফাটোৰ প্ৰতিবেদন প্ৰকাশ কৰাব লাগে আৰু দ্বিতীয়তে গড়াখহনীয়াৰ এটা সমস্যা, সেই সমস্যাটো, আমি শৰাইঘাটৰ যুদ্ধৰ কথা উল্লেখ কৰো সেইটো শৰাইঘাটৰ যুদ্ধৰ নিচিনাকৈ তাক গুৰুত্ব দি গড়াখহনীয়াটো যিকোনো উপায়েৰে কেন্দ্ৰীয় চৰকাৰৰ আমি সহায় লৈ সেই সমস্যা সমাধান কৰি অসমৰ ভূমি সংৰক্ষণ কৰিব লাগে।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে “থলুৱা ভূমিপুত্ৰ সকলৰ ৰক্ষণা-বেক্ষণৰ কাৰণে এখন স্পষ্ট ভূমিনীতি গ্ৰহণ কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক”। আমি সকলোৱে জানো যে আমাৰ সম চৰকাৰৰ 2019 Land Policy এখন আছে। এই Land Policy খনতেই স্পষ্ট ভাৱে ভূমিপুত্ৰ সকলক কেনেকৈ ৰক্ষণা-বেক্ষণ হ'ব, তেওঁলোকৰ ভূমি যিহেতু কেৱল সম্পদেই নহয়, ই সম্পদ আৰু গৌৰৱৰ প্ৰতীক। গতিকে এই ভূমি দীৰ্ঘ দিন ধৰি আমাৰ ৰাইজে যি সমস্যাত ভূগি আছিল এই সমস্যাখিনি সমাধান কৰিবৰ কাৰণে আমি যেনেধৰণে মিশ্যন বসুন্ধৰাৰ যোগেদি এনেকুৱা দীৰ্ঘদিনীয়া সমস্যা সমূহ সমাধান কৰিবলৈ গৈ আছো, এই কথাটো আমাৰ প্ৰতিজন সন্মানীয় বিধায়কে নিশ্চয় জানে। আজিৰ তাৰিখত ১৩ লাখ ৩৯ হাজাৰ মানুহে আবেদন কৰিছে। তাৰ সৰহ সংখ্যক প্ৰায় ১০ লাখৰ ওপৰত খাচ লেণ্ডত থকা মানুহে আবেদন জনাইছে আৰু ইতিমধ্যে আমাৰ

প্ৰায় ৫০ শতাংশ dispose হৈ গৈছে। প্ৰতিজন সন্মানীয় বিধায়কে নিশ্চয় তেখেত সকলৰ নিজৰ SD LAC ত বহিয়েই এই গোটেই বিষয়খিনি আলোচনা কৰিছে। কাৰণ প্ৰতিজন সন্মানীয় বিধায়কেই সেই SD LAC ৰ এজন সন্মানীয় সদস্য। তেখেত সকলৰ D.C, Circle Officer ৰ লগত বহি সকলোখিনি লেণ্ড পলিচি আৰু তেওঁলোকৰ কি কি সমস্যা আছে, কেনেধৰণে Industry ৰ কাৰণে মাটি ৰাখিব লাগে , কেনেধৰণে ভূমি সংৰক্ষণ হ'ব লাগে, আজি পাৰিপাশ্বিক অৱস্থাটো কিয় নষ্ট হৈ গৈছে, VGR, PGR মাটি কেনেধৰণে ৰক্ষণা-বেক্ষণ দিব লাগে আৰু যিখিনি ভূমি আজিৰ তাৰিখত আমি ৰক্ষণা-বেক্ষণ দিব লাগে এই কথাখিনিও আমি SD LAC তেই আলোচনা কৰিব পাৰো। ৰাজ্য খনত বৰ্তমান ২০১৯ চনৰ ভূমিনীতি বলবৎ হৈ আছে। এই ভূমি নীতিৰ ভূমি পট্টন, ভূমি ব্যৱহাৰ, কৃষি ভূমি হস্তান্তৰ আৰু সংৰক্ষণ, সত্ৰ আৰু বুৰঞ্জী প্ৰসিদ্ধ স্থান সমূহৰ সংৰক্ষণ, একচনীয়া মাটিৰ ম্যাদী কৰণ, জৰীপ নোহোৱা অঞ্চলত জৰীপ হোৱা, বেদখল উচ্ছেদ আদিৰ লগতে সংৰক্ষিত বেল্ট ব্লক যিসকল আছে সৰহ ভাগ ভূমি সংৰক্ষণ ইত্যাদি বিষয়ে বিশদভাৱে এই পলিচীতে বৰ্ণনা কৰা আছে। চৰকাৰী ভূমি পট্টনৰ ক্ষেত্ৰত বানপানী, গৰাখহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত হোৱা খিলঞ্জীয়া ভূমি হীন লোক সকলক অগ্ৰাধিকাৰ ভিত্তিত ভূমি পট্টনৰ ব্যৱস্থা অসমৰ ভূমি নীতিত উল্লেখ আছে আৰু আজি এই ভূমি নীতিৰ ১.৩ দফা অনুযায়ী খিলঞ্জীয়া লোকক গাওঁ অঞ্চলত মাটি-বাৰী, ঘৰ-বাৰীৰ কাৰণে আমি এবিঘা আৰু খেতিৰ কাৰণে সাত বিঘা দিয়াৰ ব্যৱস্থা আছে। দফা নং ১.৭ অনুসৰি বানপানী, গৰাখহনীয়া, ভূমিকম্প, প্ৰাকৃতিক দুৰ্যোগ আদিত ক্ষতিগ্ৰস্ত হোৱা ব্যক্তিক মাটি দিয়াৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ প্ৰস্তাৱ কৰা হৈছে। আপুনি জানে যে এই লেণ্ড পলিচিত ৫.১ অনুসৰি চৰকাৰী আৰু চিৰিং চৰকাৰী মাটি খিলঞ্জীয়া যুৱক সকলক বিশেষ কৃষি ফাৰ্মৰ বাবে মাটি পট্টন দিয়াৰো ব্যৱস্থা হৈছে। ইয়াৰ উপৰিও দফা নং ১৪.৪ অনুসৰি খিলঞ্জীয়া ভূমিহীন লোকক যোগ্যতাৰ ভিত্তিত কামৰূপ মহানগৰত ১ কঠা ৫ লেচা আৰু অন্য চহৰত আমি ১ কঠা ১০ লেচা লৈকে মাটি ঘৰ-বাৰীৰ উদ্দেশ্যে আবেদন ভিত্তিত পট্টন দিয়াৰ ব্যৱস্থা আছে। পূৰ্বতে ইয়াৰ Zonel Value ৰ ওপৰত যিটো payment দিব লাগিছিল, গুৱাহাটীৰ বাহিৰে অন্যান্য চহৰ বিলাকত ডেৰশ শতাংশ। সেইটো উঠাই আমি গুৱাহাটীত যিটো আছে RCC ঘৰ হ'লে ১০০, Assam type ঘৰ হ'লে ৩০ শতাংশ আৰু বাঁহৰ বা জুপুৰী ঘৰ হ'লে ১০ শতাংশ প্ৰিমিয়াম দিব লাগে, সেইটো আমি সকলো চহৰলৈকে এই আইন খন expand কৰি দিয়া হ'ল। গতিকে এতিয়া অন্যান্য চহৰ বিলাকতো এই সুবিধা ৰাইজে ল'ব পাৰে। এনেধৰণে মিশ্যন বসুন্ধৰাৰ যোগেদি আমি খিলঞ্জীয়া মানুহৰে হওঁক, ভাৰতীয় মানুহৰ এই ভূমিৰ অধিকাৰ যাতে তেওঁলোকে পায়, দীৰ্ঘদিনীয়া ভূমি সমস্যাবোৰ সমাধান হয় তাৰ কাৰণে আমি এই মিশ্যন বসুন্ধৰাত কৰি আছো। ১৪ নৱেম্বৰত আমি এই ১৩ লাখ ৩৯ হাজাৰ আবেদন কৰা খিনি dispose হ'ব। কিছুমান কাম আমি এতিয়া নোৱাৰো। VGR-PGR ত মাত্ৰ দুটা কেটেগৰী মানুহকে আমি চেটেলমেণ্ট দিব পৰা অৱস্থাত আছো। কাৰণ কৰ'বাত যদি চৰকাৰে আগতে MNP পট্টা দি থৈছিল আৰু গৰাখহনীয়াত বা আন কৰ'বাত effect হ'লে চৰকাৰী ভাৱে যদি কৰ'বাত সংস্থাপন দি থোৱা আছে তেওঁলোকক আমি এই মিশ্যন বসুন্ধৰাত VGR-PGR মাটিও চেটেলমেণ্ট দিবৰ কাৰণে সুবিধা কৰি দিয়া হৈছে। এতিয়াও বহু মানুহে কাগজ-পত্ৰ দেখুৱাব পৰা নাই। সেইখিনি থাকি গৈছে। সেয়েহে সেইখিনি মানুহক আমি পৰৱৰ্ত্তী পৰ্য্যায়ৰ বসুন্ধৰাৰ ৩.০ ত সেই সমস্যাখিনি সমাধানৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এই সপোনৰ আঁচনিখনৰ জৰিয়তে ৰাজহ বিভাগক এটা নিৰ্দ্দেশ দিয়া হৈছে। মই ভাৱো আজি

আমাৰ ভূমিও ৰাজহ বিভাগৰ অধীনত ১৮৮৬ ৰ অধীনত দশম অধ্যায়ত Tribel Belt ৰ কথা উল্লেখ আছে।সেইবোৰ সংৰক্ষণ কৰি আৰু শ্ৰেণীৰ ভূমিৰ অধিকাৰৰ খিলঞ্জীয়াৰ হাতত ৰখাৰ ব্যৱস্থা আছে। গতিকে এনেধৰণে এই পলিচিখনত সুন্দৰকৈ ভূমি সংৰক্ষণৰ সুবিধা ৰাখি থৈছে। মই ভাবো এই পলিচখন থাকোতেই আকৌ এখন নতুন পলিচি অনাতো আমাৰ বিভাগে বিচৰা নাই। যিহেতু আমাৰ এখন স্পষ্ট ভূমি নীতি ২০১৯ চনৰ পৰা বলবৎ হৈ আছে। য'ত খিলঞ্জীয়া সকলৰ ভূমি পট্টা, ভূমি ব্যৱহাৰ, কৃষি ভূমি হস্তান্তৰ, সংৰক্ষণ, সত্ৰ আৰু বুৰঞ্জী প্ৰসিদ্ধ স্থান সমূহৰ সংৰক্ষণ, একচনীয়া মাটি ম্যাদী কৰণ, জৰীপ নোহোৱা অঞ্চল সমূহ জৰীপ কৰোৱা, বেদখল উচ্ছেদ আদিৰ লগতে সংৰক্ষিত বেল্ট-ব্লক সমূহত ভূমি সংৰক্ষণ ইত্যাদি বিষয় বিতং ভাৱে বৰ্ণনা কৰা আছে। গতিকে এখন নতুন ভূমিনীতি প্ৰস্তাৱ কৰাৰ বৰ্তমান মই প্ৰয়োজনবোধ নকৰো। গতিকে এইখন ভূমিনীতিতেই আৰু ১৮৮৬ ৰ Land Ravenue ৰ যিখন আইন আছে তাতো সুন্দৰভাৱে এই কথাবোৰ উল্লেখ আছে। গতিকে আমি যদি গোটেই কথাবোৰ ভালদৰে অধ্যয়ণ কৰো আৰু সেই নীতিখিনিকেই যদি ব্যৱহাৰ কৰো তেতিয়াহ'লে আমাৰ থলুৱা ভূমি আৰু খিলঞ্জীয়া লোক সকলৰ ভূমি সংৰক্ষিত হ'ব। আমি আমাৰ ভূমি সমূহ যেনেধৰণে ব্যৱহাৰ কৰিবলৈ গৈ আছো সেইটো উদ্যোগিকৰণৰ ক্ষেত্ৰতেই হওঁক বা অন্য কাৰণতেই হওঁক আমাৰ এই কথাবোৰ এই ভূমি নীতিখনত আছে।

**মাননীয় উপাধ্যক্ষ ঃ** তেখেতে digitalization ৰ কাৰণে এটা অসুবিধাৰ কথা কৈছিল। সেইটো কৈ আপুনি শেষ কৰক।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিকালি সকলো digitalization হৈ গৈছে। ইয়াৰ বাবে আমি খাজানা দিয়াৰ ক্ষেত্ৰত ই-খাজানাৰ ব্যৱস্থা কৰা হৈছে। গতিকে আপোনালোকে জানে যে আমাৰ অসমৰ বাহিৰত থাকিও online ৰ জৰিয়তে খাজানা দিব পাৰি। আপোনালোকে মাটিৰ registration কৰাৰ পিছত আৰু deed কৰাৰ পিছত চাৰ্কোল অফিচৰ জৰিয়তে লগে লগে মাটি নামজাৰী হৈ যাব। গতিকে এনেধৰণে এই digitalization ৰ ব্যৱস্থাটো বহুত উন্নত কৰি দিয়া হৈছে। এইবোৰ কথা এতিয়া অসমৰ জনসাধাৰণৰ জ্ঞাত। আমাৰ ১০৭০ খন non cadastral ঠাই আছে। সেইবিলাকৰ পৰা আমি ৫০ শতাংশ চাৰ্ভে কৰা হৈ গ'ল। সেই ঠাইবোৰেও এতিয়া ভূমি পট্টা পাব। যিসমূহ NC village আছে, মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা চিন্তা কৰি আছে, ভূমি সংৰক্ষণ বা উদ্যোগিকৰণৰ ক্ষেত্ৰত আমাৰ এই ২০১৯ চনৰ যিখিন পলিচি আছে সেইখন যদি আমি ভালদৰে ব্যৱহাৰ কৰো আৰু আমি সকলোৱে যদি SD LAC নিজৰ নিজৰ জিলাত এই কথাখিনি গভীৰ ভাৱে অধ্যয়ণ কৰো তেতিয়া হ'লে নিশ্চয় আমাৰ ভূমিৰ সমস্যা সমূহ সমাধান হ'ব। গতিকে মই মাননীয় বিধায়ক জনক এইকেইটা কথা কৈ নতুন এখন পলিচি অনাৰ প্ৰয়োজনবোধ নাই বুলি ভাবি মোৰ বক্তব্য ইয়াতেই সামৰনি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা ডাঙৰীয়া আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,এক ব্যক্তি এক পট্টা এই বিষয়টোত জোৰ দিছিলো। এইটো যদি কৰিব পাৰে তেতিয়াহ'লে আমাৰ সকলোৰে সুবিধা হ'ব। মই যিটো মাটি এক ঠাইত গৈ উদ্যোগ কৰাৰ কথা কৈছিলো সেইটো হ'লে আমাৰ সকলোৱে নিশ্চয় এগ্ৰি কৰিব। গতিকে ভালদৰে চাই-চিতি কামখিনি কৰিলে ভাল হ'ব। মই প্ৰস্তাৱটো প্ৰত্যাহাৰ

কৰিছো। মোৰ কথা কেইটা মাননীয় মন্ত্ৰী মহোদয় আৰু চৰকাৰক গুৰুত্ব সহকাৰে ল'বলৈ অনুৰোধ জনাইছো আৰু মই মাটিৰ যিটো ঠাইত গৈ উদ্যোগ কৰাৰ কথা কৈছিলো, সেইটো কৰিলে সকলোৱে নিশ্চয় agree কৰিব, অকনমান চাই চিতি কামখিনি কৰিলে ঠিক হ'ব। বাকী মোৰ কবলগীয়া একো নাই।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে নাই ?

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ)** ঃ কৰি দিছো, কিন্তু মোৰ কথা বিলাক গুৰুত্ব দিবলৈ অনুৰোধ জনাইছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

এতিয়া Rule 115 ৰ অধীনত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Rule 115 ৰ অধীনত অসমৰ নৱোদয় বিদ্যালয় সমূহত ভাৰত চৰকাৰৰ নৱোদয় ভাষানীতি অনুসৰি ইংৰাজী, হিন্দী আৰু আঞ্চলিক ভাষা পাঠদানৰ যি সুবিধা আছে, এই ক্ষেত্ৰত অসমত যি ৩৪ খন মান নৱোদয় বিদ্যালয় আছে, এই সমুহৰ ২০ খনকৈ অধিক বিদ্যালয়ত অসমীয়া ভাষাৰ Post Graduate teacher ৰ post খালী আছে বুলি আজি কেইদিনমান পূৰ্বে অসমীয়া প্ৰতিদিন কাকতত বাতৰি এটা প্ৰকাশ পাইছিল।

এই সম্পৰ্কে অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যিহেতু ত্ৰিভাষা সুত্ৰ কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰিছে, অসমৰ নৱোদয় বিদ্যালয় সমূহত দুখীয়া পৰিয়ালৰ মেধাবী ছাত্ৰ-ছাত্ৰীসকলে entrance পৰিক্ষা অনুসৰি ক্লাছ ৬, ৯ বা ১১ ত নামভৰ্তি কৰাৰ এটা ব্যৱস্থা আছে আৰু অতি নিম্ন মাচুলৰ বিনিময়ত তেখেতসকলে বোৰ্ডিং স্কুলৰ এই সুবিধাটো পাই। আৰু অন্যান্য ৰাজ্যৰ লৰা-ছোৱালী সকলো আছে। তেতিয়া আমাৰ National integration ৰো ভাল কামখিনি হয়। কিন্তু অসমত বেছি ভাগ অসমৰ লৰা-ছোৱালী হয় আৰু অসমীয়া মাধ্যমৰ বা মাতৃভাষা বা আঞ্চলিক ভাষাৰ যিসকল হয়। সেইসকলক যদিহে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা যিখিনি PGT পদ পুৰণ কৰিবলগীয়া আছিল, এই অসমীয়া PGT খিনি যদি ফিলাপ নকৰে, তেতিয়া নিবনুৱা ২০ জনো বঞ্চিত হৈছে আৰু যিসকল উচ্চ শ্ৰেণীতো অসমীয়া শিকিব বিচাৰে, তেওঁলোকে বঞ্চিত হৈ আছে। সেই গতিকে অসমৰ চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মানৱ সম্পদ মন্ত্ৰালয়লৈ এটা প্ৰস্তাৱ পঠাবলৈ মই অনুৰোধ কৰিছো যাতে যিসমূহ PGT পদ খালী হৈ আছে, সেই সমূহ পূৰণ কৰাৰ ব্যৱস্থা লয়।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, নৱোদয় বিদ্যালয় সমূহ সংগঠনৰ দ্বাৰা পৰিচালিত হয় আৰু নৱোদয় বিদ্যালয় ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ অধীন। ইয়াত আমাৰ ৰাজ্য চৰকাৰৰ কোনো ভুমিকা নাথাকে। তেখেতে অনুৰোধ জনাইছে যে অসম চৰকাৰে নৱোদয় বিদ্যালয়ৰ সংগঠনৰ লগত এইটো take up কৰিব লাগে। যাতে তাত অসমীয়া ভাষাৰ শিক্ষকৰ যি পদ আছে, সেই পদখিনি পুৰণ হয়। তাত ইংৰাজী মাধ্যমেই হওঁক যি মাধ্যমতে নহওঁক, ছাত্ৰ-ছাত্ৰী সকলে শিক্ষা লাভ কৰাৰ লগতে অসমীয়া ভাষাটো শিকাৰ কাৰণে, সেইটো এটা বিষয় ভাষা হিচাপে শিকাৰ কাৰণে তেওঁলোকে সুবিধা যাতে লাভ কৰে, তাৰ কাৰণে অসমীয়া শিক্ষক নিযুক্তি দিব লাগে, এই ক্ষেত্ৰত নিশ্চিতভাৱে মই কেন্দ্ৰীয় মন্ত্ৰালয়ক চিঠি লিখি জনাম আৰু নৱোদয় বিদ্যালয়ৰ সংগঠনকো কথাখিনি অৱগত কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আশ্বাস দিছে, বিষয়টোৰ সমস্যাটো সমাধান হ'ব, সেই গতিকে মই সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ গতিকে সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

এতিয়া Rule 115 ৰ অধীনত মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Rule 115 ৰ অধীনত মই এই প্ৰস্তাৱটো উত্থাপন কৰিছোঁ। আমাৰ ৭০ শতাংশ গ্ৰাম্য জীৱনৰ জীৱিকাৰ মুল উৎস কৃষি খণ্ড। ২০২১-২২ বৰ্ষত অসমৰ সৰ্বমুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন GSDP ২১.৯৪ শতাংশ অৱদান আগবঢ়াইছে। কিন্তু অসমৰ কৃষি খণ্ডত ভয়াৱহ সমস্যাৰে ভাৰাক্ৰান্ত। আমাৰ কৃষি ব্যৱস্থা পুৰণিকলীয়া। একবিংশ শতিকাতো প্ৰাকৃতিক বৰষুণৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া পৰিস্থিতি অসমৰ কৃষক সকলৰ । বনপানী তাণ্ডৱ চলোৱাৰ লগতে খৰাঙৰ পৰা মুক্তি পাবলৈ বৰষুণ বিচাৰি ভেকুলিৰ বিয়া পাতিব লগীয়া অৱস্থা বিৰাজমান হৈ আছে অসমত। অসমত অৱশ্যে বাৰমাহে খেতি কৰা নহয়। অসমৰ কৃষি কাৰ্য ঘনত্ব ২০২১-২২ বৰ্ষত ১৪২.৭৮ শতাংশ, যিটো উন্নত কৃষি কৰা ৰাজ্যতকৈ বহুত কম। আৰু এইটো ২০২৭-১৮ বৰ্ষৰ পৰা ক্ৰমশ হ্ৰাস পোৱা দেখা গৈছে। গতিকে অসমৰ কৃষি সমূহৰ সমস্যাখিনি দূৰ কৰি অসমত বছৰৰ বাৰ মাহে খেতি কৰাৰ ৰাজ্যত পৰিণত কৰাৰ প্ৰস্তাৱ অসম বিধান সভাত গ্ৰহণ কৰা হওঁক।

মই ইয়াত যি বক্তব্য দাঙি ধৰিম, তিনিটা document ৰ ওপৰত ভিত্তি কৰি দাঙি ধৰিম। Agricultureal Survey of Assam, 2022-23 ভাৰত চৰকাৰৰ agricultural statistics at a glance 2022, Ministry of Agriculture and Farmer Welfare আৰু তৃতীয়টো হ'ল আমৰা Reserve Bank of India ৰ যিটো document সেই document ৰ ওপৰত ভিত্তি কৰি দাঙি ধৰিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, মই ভাৱো যে অসমৰ চৰকাৰে বা অসমৰ জনগণে কৰিবলগীয়া আটাইতকৈ গুৰুত্বপূৰ্ণ কামটো হ'ল অসমত বছৰি বাৰ মাহে খেতি কৰা ৰাজ্যত পৰিণত কৰাটো। এই দায়িত্ব যেতিয়ালৈকে পুৰণ কৰা নহ'ব, তেতিয়ালৈকে অসম কেতিয়াও এখন ধনী ৰাজ্যত পৰিণত হোৱাটো সম্ভৱ নহয়। বাহিৰৰ পৰা Industry আনি, তেওঁ আদানি, আম্বানী, বা ৰামদেৱ অন্য কোনোবা এনেকৈ বাহিৰৰ পৰা পুজি বিনিয়োগ কৰিলে, অসম ৰাজ্য কেতিয়াও ভাৰতৰ ভিতৰত ধনী ৰাজ্যত পৰিণত নহ'ব। গতিকে প্ৰধান সিদ্ধান্ত যিটো আজি গ্ৰহণ কৰিব লাগে যে বছৰত সকলো সময়তে খেতি কৰিব পৰা ৰাজ্যলৈ পৰিণত কৰা। এইটো কৰিবৰ কাৰণে প্ৰথম যিটো কাম কৰিব লাগিব, সেইটো হ'ল জলসিঞ্চন। জলসিঞ্চনৰ ব্যৱস্থাটো যদি আমি কৰিব নোৱাৰো, তেতিয়াহলে কোনো পধ্যে এইখন ৰাজ্যত বছৰত বাৰ মাহে খেতি কৰা ৰাজ্যলৈ পৰিণত নহয়। আমি যদি Reserve bank of India ৰ document টো চাওঁ, তেনেহলে জলসিঞ্চনৰ ক্ষেত্ৰত আমি দেখো যে net irrigation ৰ ক্ষেত্ৰত দেখা যায় যে আমাৰ অসম ১৭ নম্বৰত আছে। অতি কম পৰিমানৰ মাটিৰে জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। gross irrigation ৰ ক্ষেত্ৰত অসমত ভাৰতবৰ্ষৰ ১৯ নম্বৰ ৰাজ্য হৈ আছে। তাৰমাণে irrigation আমাৰ একেবাৰে কম। গতিকে প্ৰথম কামটো হ'ল যে অসমৰ প্ৰতিটো খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনালোকক জনাব খুজিছো যে আজি পাঞ্জাৱৰ যিমান মাটি আছে, সেই মাটি কালিৰ বেছি ভাগ মাটিত gross agriculture কৰা হয় আৰু gross agriculture ৰ যিমান মাটি তাৰে বেছিভাগত জলসিঞ্চন কৰা হয়। অসমৰ মুঠ মাটি কালি ১৭ ৰ পৰা ১৮ শতাংশহে চৰকাৰী তথ্য হিচাপে আজিৰ দিনটো জলসিঞ্চনৰ ব্যৱস্থা আছে। গতিকে প্ৰধান কথাটো হ'ল যে অসমৰ প্ৰথম জলসিঞ্চনত আগবঢ়া ৰাজ্যত পৰিণত কৰাৰ ব্যৱস্থা কৰিব লাগে। লগতে অসম বানপানী আৰু গৰাখহনীয়াৰ পৰা মুক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বানপানী আৰু গৰাখহনীয়াৰ পৰা মুক্ত কৰি বাৰ মাহে খেতি কৰিব পৰা ৰাজ্য আৰু যাতে অসমৰ মানুহে কেতিয়াও বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি থাকিব লগীয়া নহয়। অসমৰ মানুহে যাতে ভেকুলীৰ বিয়া পাতিব লগীয়া নহয়। অসমৰ মানুহে যাতে যেতিয়া প্ৰয়োজন খেতি কৰিব পৰা পৰিবেশ সৃষ্টি কৰিব পাৰে। মই ভাৱো ৰাজ্য চৰকাৰৰ প্ৰধান দায়িত্ব হ'ব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে ভাৰতবৰ্ষত ২০ খন ৰাজ্যত বেছিকৈ খেতি কৰা হয়। এই ২০ খন ৰাজ্যৰ ভিতৰত অসমৰ fruit gain production সেই production ৰ ক্ষেত্ৰত ১৩ নম্বৰ আছো। কিন্তু ধানৰ ক্ষেত্ৰত ১০ খন ৰাজ্যৰ ভিতৰত ৯ নম্বৰ আছো। গতিকে আমাৰ উৎপাদনটো সাংঘাটিক কম। আমি এতিয়ালৈকে professional হ'ব পৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, সেই কাৰণে মই তিনিটা ক'ব খুজিছো, বছৰত সকলো সময়ত খেতি, খেতি কৰিবৰ বাবে জলসিঞ্চন আৰু খেতি কৰিবৰ কাৰণে বানপানী আৰু গৰাখহনীয়াৰ পৰা অসমক মুক্ত কৰা, এইটো হ'ল প্ৰধান কথা।

দ্বিতীয়তে, আমি উৎপাদিত বস্তুৰ বজাৰ লোৱা। উৎপাদিত বস্তুৰ যাতে বজাৰ ল'ব পাৰো, তাৰ কাৰণে আমি একেলগে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

ইতিমধ্যে অসম চৰকাৰে এটা ভাল কাম কৰিছে, সেইটো হ'ল FCI ধান লোৱা। এইটো আপোনালোকে সকলোৰে জানে যে এই প্ৰস্তাৱটো মই অসম চৰকাৰক দিছিলো আৰু সেইটো ইতিমধ্যে চৰকাৰে মানিও লৈছে। আজিৰ দিনতো আমাৰ ফালৰ পৰা এটা প্ৰস্তাৱ দিব খোজে যে অসমৰ সকলো খাদ্য শস্য যাতে অসম চৰকাৰে ক্ৰয় কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। তাৰ কাৰণে এটা নীতি ল'ব লাগে। তাৰ পিছত অসমৰ প্ৰত্যেকজন খেতিকক professional কৰি তোলা। অসমত হিতাধিকাৰী সৃষ্টি কৰাৰ ক্ষেত্ৰত আগভাগ লোৱা দেখা গৈছে কিন্তু অসমৰ মানুহৰ প্ৰত্যেকটো ক্ষেত্ৰতহে প্ৰফেচনেল কৰি তোলা হৈছে। এই সময়ৰ অসমৰ সময়ৰ দাবী কিন্তু এই কামটো কৰা হোৱা নাই। যেতিয়া মানুহে ধান আৰু বিলাহী উৎপাদন কৰি বজাৰলৈ প্ৰেৰণ কৰে তেতিয়া সকলো সময়তে দাম নাপায় তাৰ বাবে ক'ল্ড ষ্টোৰেজ কৰাৰ উপৰিও মূল্যবৃদ্ধিৰ বাবে বিলাহীৰ পৰা অন্যান্য সামগ্ৰী তৈয়াৰ কৰিব লাগিব আৰু সৰ্বশেষত অসমত উৎপাদিত হোৱা সামগ্ৰী বিলাকৰ পৰা উদ্যোগীকৰণ কৰিব লাগিব। এই চাৰিটা প্ৰক্ৰিয়াৰ যোগেদি অসমখন প্ৰকৃত অৰ্থত ধনী হ'ব পাৰিব । মই এজন বিধায়ক, ৰাইজৰ দলৰ সভাপতি হিচাপে নহয়, ইমান দিনে কৃষক আন্দোলন কৰি অহা মানুহ হিচাপে জীৱনৰ আটাইতকৈ ডাঙৰ লক্ষ্যটো হ'ল ভৱিষ্যতে কেতিয়াবা সুযোগ লাভ কৰিলে প্ৰথম কৰিবলৈ চেষ্টা কৰা কামটো হ'ব অসমক বছৰৰ প্ৰত্যেক সময়তে খেতি কৰা ৰাজ্যত পৰিণত কৰা, অসমক এখন প্ৰফেচনেল ৰাজ্যত পৰিণত কৰা, লগতে অসমত উদ্যোগিকৰণৰ ব্যৱস্থা কৰা আৰু এই পদ্ধতিৰে অসমক ধনী ৰাজ্য কৰিবলৈ আগবাঢ়ি যাব লাগে এই প্ৰস্তাৱ আদিও মই সদনৰ জৰিয়তে অসম চৰকাৰৰ ওচৰত উত্থাপন কৰিলো । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰী মহোদয় ।

**শ্ৰী অতুল বৰা, ( কৃষি মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াই সংকল্প প্ৰস্তাৱ উত্থাপন কৰিছে আৰু এই সম্পৰ্কত তেখেতে কেতবোৰ বক্তব্য ৰাখিছে। মই ভাবিছিলো যে কৃষক মুক্তিৰ প্ৰতিনিধিত্ব কৰা অখিল গগৈ ডাঙৰীয়াই প্ৰতিখন বিধান সভাত অন্তত কৃষকৰ কাৰণে, কৃষি ক্ষেত্ৰ খনলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিবৰ কাৰণে নিশ্চয় ভাল ভাল কথা ক'ব । কিন্তু আপোনালোক সকলোৱে জানে যে প্ৰত্যেক সদনতে তেওঁ বেলেগ বেলেগ বিষয়ত যেতিয়া কথা কয় যিয়েই নহওঁক আজি মই তেখেতক ধন্যবাদ জনাইছো আমাৰ ৰাজ্য খনৰ গৰিষ্ঠ সংখ্যক ৰাইজেই হৈছে কৃষক। এই কৃষি ক্ষেত্ৰখনলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিবৰ কাৰণে আমি দায়িত্ব লোৱাৰ পৰাই চেষ্টা অব্যাহত ৰাখিছো। দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৃষি আৰু আনুসাংগিক ক্ষেত্ৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মাননীয় প্ৰধানমন্ত্ৰীৰ পদাঙ্ক অনুকৰণ কৰি যিদৰে প্ৰধানমন্ত্ৰী ডাঙৰীয়াই আত্মনিৰ্ভৰশীল অসম গঢ়িবৰ বাবে কৃষি বিভাগৰ জৰিয়তে নতুন প্ৰজন্মৰ উৎসাহ জনাবলৈ কেতবোৰ সংস্কাৰধৰ্মী পদক্ষেপ ল'বৰ বাবে গাইড কৰি আহিছে । কাজিৰঙাত আমাৰ যিখন সভা হৈছিল সেই সভাত এটা কথাৰ ওপৰত বিশেষভাবে গুৰুত্ব দিয়া হৈছিল । আমাৰ বহু কৃষকে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই খেতি কৰে। দেশৰ আয় যাতে বৃদ্ধি কৰিব পৰা যায় তাৰ বাবে আমাৰ ৰাজ্যৰ কৃষক সকলে যাতে এটুকুৰা মাটিতেই কেইবা বিঘা খেতি কৰিব পাৰে আৰু চন পৰি থকা মাটিত কি কি খেতি কৰিব পাৰি সেইখিনি চিনাক্ত কৰি উলিয়াই আৰু তেনেধৰণৰ খেতি কৰিলে খেতিয়ক সকল উৎসাহ জগাবলৈ সদায় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক কৈ আহিছে । আপোনালোকে জানে যে আমাৰ ৰাজ্যৰ বেছিভাগ কৃষকেই ধানখেতি কৰে। আজি কেইবছৰ মান আগত ধানৰ মূল্য কৃষকে একেবাৰেই নাপাইছিল যাৰ বাবে মাননীয় মুখ্যমন্ত্ৰীৰ তৎপৰতাত এফ চি আই, এগ্ৰিকালচাৰ মাৰ্কেটিং বৰ্ডৰ সহায়ত আমি যৌঠভাবে ধান ক্ৰয় কৰাৰ ব্যৱস্থা কৰিছিলো। এই বছৰত চৰকাৰে কৃষক সকলক আৰু অধিক সহযোগ কৰিছো । প্ৰথম অৱস্থাতে বিক্ৰী চাৰি লাখ মেট্ৰিক ট'ন হৈ পিছত কম হোৱাতো মাননীয় মন্ত্ৰী মহোদয়ে ক'বলৈ কোৱাত থালৈবাৰীত কৃষক সকলে কলে যোৱা বছৰত যিহেতু চৰকাৰে এম এছ পি ত ক্ৰয় কৰাৰ ব্যৱস্থা কৰিলে সেই কাৰণে এইবাৰ খেতিয়ক সকলে নিজৰ পথাৰৰ পৰাই এইবাৰ বিক্ৰীৰ সুবিধা পাইছে আৰু এইবাৰ এম এছ পি তকৈ বেছি দাম পাইছে। যোৱাবাৰ এম এছ পি ৰ বাবে কৃষক সকলে আজি উপকৃত হৈছে। সৰিয়হৰ খেতি কৰা কৃষক সকলক কিদৰে উপকৃত কৰিব পৰা যায় নেকি তাৰ বাবে বিশ্ববিদ্যালয়ৰ জৰিয়তে পৰীক্ষা নিৰীক্ষা কৰি ক'বলৈ কৈছে । ইয়াৰোপৰি ভাৰত চৰকাৰৰ norms অনুসৰি যি সমূহত এম এছ পি দিয়াৰ ব্যৱস্থা আছে যেনেঃ- তেলজাতীয়, মাহজাতীয় আৰু যি সমূহত দিব পৰা যায় সেইখিনি চিনাক্তকৰণ কৰি ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক নিৰ্দেশ দিছে । সেয়েহে আমি দেখিছো যে বৰ্তমান ৰাজ্যখনত এটা নিৰৱ কৃষি বিপ্লৱৰ সূচনা হৈছে যাৰ প্ৰতিচ্ছবি অসমৰ পথাৰ, বজাৰ আদি সকলোতে প্ৰতিফলিত হৈছে। নতুন প্ৰজন্মৰ যুৱক-যুৱতী সকলে কৃষক আৰু আনুসাংগিক খণ্ডৰ মাজেৰে নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ চেষ্টা কৰিছে । ২০২১-২২ চনত মাত্ৰ এটা খেতি কৰা কৃষিভূমিৰ পৰিমান আছিল ১৬ লাখ ২৬ হাজাৰ হেক্টৰ ইয়াৰ বিপৰীতে উক্ত বৰ্ষত দুটা বা তাতোধিক খেতি কৰা পৰিমান আছিল ১১ লাখ ২২ হাজাৰ হেক্টৰ। আমাৰ প্ৰায় দহ লাখ হেক্টৰ কৃষিভূমি চন পৰি থাকে । ইয়াৰ ভিতৰত ছয় লাখ হেক্টৰ ধানৰ অধিকাংশতেই কিন্তু জলসিঞ্চনৰ ব্যৱস্থা আছে আৰু বাকী থকা কিছু পৰিমানৰ ভূমি প্ৰাকৃতিক ভাবে আদ্ৰ ভূমি । মই উল্লেখ কৰিছিলো যে কাজিৰঙাত চিন্তন শিবিৰত ৰাজ্যখনত এনেদৰে

চন পৰি থকা বৃহৎ পৰিমানৰ ভূমি কৃষকৰ বাবে উপাৰ্জনৰ নিশ্চিত উৎস হিচাপে গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছিল আৰু সেই কাৰণে ২০২৬-২৭ বৰ্ষৰ ভিতৰত এই ছয় লাখ হেক্টৰ কৃষিভূমিৰ ভিতৰত দুই লাখ হেক্টৰ কৃষি ভূমিক অইল পাল্মৰ খেতি, চাৰি লাখ হেক্টৰ কৃষিভূমিত মাহজাতীয় শস্যৰ খেতি, চৈধ্য হাজাৰ হেক্টৰ কৃষি ভূমিত মিলেট, পচিশ হাজাৰ হেক্টৰ ভূমিত আলু আদিৰ খেতি সামৰি লোৱাৰ বাবে লক্ষ্যস্থিৰ কৰিছে। ইয়াৰোপৰি এক লাখ কৃষিভূমিত অতিৰিক্ত ভাৱে মাকৈ খেতি কৰাৰ লগতে বিশ হাজাৰ হেক্টৰ কৃষিভূমিত প্ৰাকৃতিক কৃষিৰ জৰিয়তে সামৰি লোৱাৰ বাবে আঁচনি লোৱা হৈছে । এনেদৰে চন পৰি থকা কৃষিভূমিৰ সাৰ্থক ব্যৱহাৰৰ ফলত নিশ্চিতভাবে ৰাজ্যখনৰ ক্ৰপিং ইনটেনচিভ হাৰ বৃদ্ধি হ'ব বুলি আমি আশা কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, বছৰত দুটা বা তাতোধিক খেতি কৰাৰ বাবে কৃষি আৰু জলসিঞ্চন ব্যৱস্থাত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে । আমি সদনক জনাবলৈ পালে ভাল পাম যে যোৱা সাত বছৰত প্ৰায় এক লাখ সত্তৰ হাজাৰ ফাৰ্ম মেচিনেৰী আমি কৃষকৰ বাবে দিছো, য'ত ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, মিনি ট্ৰাক, ৰটাভেটৰ, স্পেয়াৰ, ৰাইচমিল, ইউডৰ, মিনি অইল মিল, প্ৰচেচিং ইউনিট, পাম্পচেট আৰু চোলাৰ দিয়া হৈছে। গতিকে কৃষি যান্ত্ৰিকিকৰণৰ ক্ষেত্ৰত যোৱা সময়চোৱাত চৰকাৰখনে বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে। জলসিঞ্চনৰ ব্যৱস্থা কৰিছে আৰু জলসিঞ্চন বিভাগৰ লগত. সংযোগৰ মাধ্যমেৰে closed corporation ৰ জৰিয়তে কৃষি ক্ষেত্ৰখনলৈ এটা পৰিবৰ্তন আনিবৰ কাৰণে যাতে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে, তাৰ কাৰণে ইতিমধ্যে বিভাগৰ তৰফৰ পৰা আমি ব্যৱস্থা গ্ৰহণ কৰিছো। উদ্যোগ শস্য বিভাগৰ জৰিয়তেও প্ৰধান মন্ত্ৰী কৃষি ঘিঞ্চাই যোজনাৰ অধীনত ২০১৬-১৭ চনৰ পৰা ৰেহাই মূল্যত শুদ্ধ জলসিঞ্চনৰ ব্যৱস্থা সুবিধা প্ৰদান কৰি অহা হৈছে আৰু ২০১৬-১৭ চনৰ পৰা এতিয়ালৈকে মুঠ **৩৯** হাজাৰ ৬ শ ২৪ জন কৃষকক সামৰি ৩৯ হাজাৰ ৬ **শ** ১৩ হেক্টৰতকৈ অধিক পৰিমাণৰ কৃষিভূমিত ক্ষুদ্ৰ জলসিঞ্চনৰ ব্যৱস্থা কৰিছে। সামগ্ৰীকভাৱে এনেবোৰ ব্যৱস্থাৰ জৰিয়তে আমাৰ ৰাজ্যখনৰ কৃষকক বছৰটোৰ ১২ মাহে খেতি কৰিবলৈ উদগনি যোগোৱা হৈছে আৰু আমি নিশ্চিত যে আহি থকা সময়ত অসমত বছৰটোত দুটা বা ততোধিক খেতি কৰা কৃষিভূমিৰ পৰিমাণ নিশ্চিভাৱে বৃদ্ধি পাব আৰু ইয়াৰ লগে লগে ৰাজ্যখনত croping intensify সাৰ বৃদ্ধি পাব। মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াই পাঞ্জাৰৰ কথা কৈছে, GSDP ৰ কথা কৈছে। পাঞ্জাৰ এখন কৃষি প্ৰধান ৰাজ্য। পাঞ্জাৰৰ কৃষক সকলৰ মাটিৰ পৰিমাণ বেছি। আমাৰ ৰাজ্যখনৰ কৃষক সকলৰ মাটিৰ পৰিমাণ কম। প্ৰায়ভাগেই উপান্ত খেতিয়ক কিন্তু যিটো সময়ত দেশত জনবিস্ফোৰণৰ জোৰা মাৰিবলৈ পাঞ্জাৱ হাৰিয়ানাৰ দৰে ৰাজ্যই তেওঁলোকে অত্যাধিক মাত্ৰাত ৰাসায়নিক সাৰ দিছিল, কীটনাশক ঔষধ দিছিল আৰু যাৰ ফলত মাটিৰ উৰ্বৰা শক্তি কমিছিল। কিন্তু এতিয়াও আমাৰ মাটিৰ উৰ্বৰা শক্তি যথেষ্ট ভাল। আপোনালোকক জনাবলৈ পাই মই সুখী হ'ম যে এইবাৰ পাঞ্জাৱত GSDP হৈছে projected 5.65 crore আৰু ইয়াৰ বিপৰীতে projected 2023-24 ৰ অসমৰ 5 lakh 40 crore গতিকে আমাৰ ৰাজ্যখনে যাতে সকলো ক্ষেত্ৰতে আগবাঢ়ি যাব পাৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি সপোন, দেশৰ অগ্ৰণী ৫ খন ৰাজ্যৰ তালিকাত অন্তৰ্ভূক্ত কৰিবলৈ কাম কৰিব পাৰে তাৰ কাৰণে কৃষি আৰু আনুসংগিক খণ্ডত যথেষ্টখি নি পৰিবৰ্তন অনাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। কৃষকক সন্মান জনোৱা হৈছে। কৃষকে যাতে নিজকে কৃষক বুলি কৈ সন্তুষ্টি লভিব পাৰে, কৃষকৰ গৌৰৱ যাতে বৃদ্ধি হয় তাৰ কাৰণে অসম গৌৰৱৰ দৰে উপাধিও প্ৰদান কৰা হৈছে। বৰ্তমান আপোনালোকে গম পাইছে যে

rice ত MSP হৈছে। ২ হাজাৰ ১ শ ৮৩ per quintal এইটো অলপতে মাননীয় প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিছে পূৰ্বতকৈয়ো আৰু অধিক বৃদ্ধি পাইছে। কিন্তু খেতিয়কে যোৱাবাৰ অধিক দামক ক্ৰয় কৰা হ'ল। MSP পালে তাৰ কাৰণে কৃষকে এইবাৰ ধানত খেতিপথাৰতে দাম পাবলৈ সক্ষম হৈছে. গতিকে ইমানখিনি পদক্ষেপ আমাৰ চৰকাৰৰ তৰফৰ পৰা যিহেতু লোৱা হৈছে আৰু প্ৰতি বছৰে বানপানী হয়, খৰাঙত কি অৱস্থা হয়, শিলাবৃষ্টি হয়, climate change হয় এইয়া আমাৰ ৰাজ্যখনৰ ডাঙৰ এটা প্ৰত্যাহ্বান। এই বছৰতো বানপানী হৈছে, খৰাঙো হৈছে তাৰ কাৰণে LLP pump ক্ৰয় কৰাৰ ব্যৱস্থাও কৰিছো যাতে খৰাং পৰিস্থিতিৰ সন্মুখীন কৰিব পৰা যায়। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিশেষ উদ্যোগত ২০২১-২২ বৰ্ষত খাৰিচ শস্য বতৰ, ২০২১-২২ বৰ্ষৰ ৰবি শস্যৰ বতৰত প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত মুঠ ২৩৬.৬৩ কোটি টকা কৃষকক ক্ষতিপূৰণৰ ধন হিচাপে আদায় দিয়া হৈছে আৰু ২০২০ বৰ্ষৰ পৰা শস্য বীমা insurance unit ৰাজহ চক্ৰৰ পৰা গাওঁ পঞ্চায়ত পৰ্য্যায়লৈ অনা হৈছে। ইয়াৰ ফলত কৃষকৰ ক্ষতিপূৰণৰ প্ৰকৃত হিচাপ কৰাত আমাৰ সুবিধা হৈছে। গতিকে এনে ধৰণে চৰকাৰখনে যথেষ্টখিনি ব্যৱস্থা গ্ৰহণ কৰিছে। Millet mission লৈছে podar mission লৈছে floriculture mission লৈছে। গতিকে এনেধৰণৰ বহুত mission ৰ জৰিয়তে কৃষি ক্ষেত্ৰখনলৈ এটা পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰা হৈছে। সময়মতে seed distribute কৰা হৈছে কৃষকৰ মাজত। Link component বিতৰণ কৰা হৈছে। ইয়াৰ উপৰিও apart ৰ জৰিয়তে বহুখিনি কাম কৰা হৈছে আৰু export কৰা হৈছে। আপোনালোকে জানি সুখী হ'ব আমাৰ ৰাজ্যখনৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ তথ্যমতে যোৱাবছৰ ৪ হাজাৰ কোটি টকাৰ আমাৰ উৎপাদিত ফচল, ইয়াত অৱশ্যে চাহো আছে। কিন্তু কেৱল অন্য শস্য বা অন্য বুলিলে প্ৰায় ১৮ শ কোটি টকাৰ আমাৰ উৎপাদিত ফচল আজি export কৰিবলৈ আমাৰ ৰাজ্যখন সক্ষম হৈছে আৰু APC ৰ APO বিলাকেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। মই আশা কৰো আমাৰ সন্মানীয় সকলো সদস্যই কৃষি ক্ষেত্ৰলৈ এক যুগান্তকাৰী পৰিৱৰ্তন অনাত আমাৰ চৰকাৰখনত সহযোগ আগবঢ়াব। শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ পৰা বহুতেই আশা কৰে যে কৃষি ক্ষেত্ৰখনত ভালকৈ মনোনিবেশ কৰিলে মই ভাৱো যিমান দিনৰ পৰা তেখেতে কৃষক মুক্তি সংগ্ৰাম কৰিছে আৰু ইয়াত যোৱা আঢ়ৈ টা বছৰত ভাল ভাল কথা ক'লে, ভাল পৰামৰ্শ দিলে আমি আৰু অলপ শক্তি পালোহেঁতেন আৰু এই ক্ষেত্ৰখনলৈ এটা পৰিৱৰ্তন অনাত আমাৰ সহায় হ'লহেঁতেন। মই তেখেতক ধন্যবাদ জনাইছো। কিন্তু মই ভাৱো, আজি সদনে এইক্ষেত্ৰত নতুনকৈ সংকল্প লোৱাৰ প্ৰয়োজন নাই। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয়, যিটো মাকৈ খেতি কৰাৰ কাৰণে 1.3 লাখ হেক্টৰ লৈছে। চয়াবিনৰ কাৰণে কিবা ব্যৱস্থা লৈছে নেকি ?

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি চয়াবিনৰ কাৰণেও লৈছো।

**মাননীয় উপাধ্যক্ষ** ঃ চয়াবিন আৰু মাকৈ mix কৰি যিটো হৈছে সেইটো soyabeanal food. সেইটো market ত খুব demand.

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী)** ঃ হয়। ইয়াৰ পৰা তেলো ওলায়। গতিকে সৰিয়হ আৰু চয়াবিনৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া, আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে ?

**শ্ৰীঅখিল গগৈ, (শিৰসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই হয়তো বুজাব নোৱাৰিলো যে মই

আচলতে প্ৰস্তাৱটোত কি কৈছিলো। মই এইটো সংকল্প প্ৰস্তাৱৰ কথা কৈছিলো আৰু চৰকাৰে কি কি কাম কৰিছে তাৰ বাখ্যা definetly মই বিচৰা নাছিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া debate নাই।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাক কথাখিনি শেষ কৰিব দিয়ক। মই দুটা বাক্য ক'লে আপোনালোকে মাতি দিয়ে। মই ক'বলৈকে নাপাও। ইমান important কথা।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি ৩০ চেকেণ্ডত দুটা বাক্য কওঁক। তাতকৈ বেছি সময় নিদিওঁ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়,কওঁক। এইটো বিষয়ৰ ওপৰত ৩০ দিন আচলতে বিতৰ্ক হ'ব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** সেইটো বেলেগ device ত আনক। হৈ যাব।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মোক অলপ ক'বলৈ দিয়ক।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি ক'লে আৰু reply ও দিলে। ইয়াত ৫ মিনিট সময় নিৰ্ধাৰিত কৰা আছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মোৰ ক'বলগীয়া কথা এইটোৱে আছিল যে চৰকাৰে mission বা vision আকাৰে আচলতে অসমক বছৰৰ সকলো সময়তে খেতি কৰা ৰাজ্যত পৰিণত কৰিবলৈ কিবা এটা ব্যৱস্থা ল'ব লাগে। এইটো হ'ল এখন চৰকাৰৰ vision বা mission হোৱা দৰকাৰ। কিন্তু মোৰ বিষয়টো ভিতৰলৈ নোসোমায়। কিছুমান যান্ত্ৰিক তথ্য দি মোৰ গোটেই বিষয়টো বুজি নোলোৱাৰ কাৰণে মই দুখ প্ৰকাশ কৰিছো আৰু এই যিটো প্ৰস্তাৱ দিছো এই প্ৰস্তাৱটো উঠাই নলও। এই প্ৰস্তাৱটো মই সদনত ৰাখিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৱটো সদনত গৃহীত কৰা সন্মতি আছে নেকি? যিসকল সদস্য- সদস্যাই সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়। মই ভাৱো, নহয় সপক্ষে, নহয় সপক্ষে, নহয় সপক্ষে সংকল্প প্ৰস্তাৱটো নাকচ কৰা হ'ল। আপোনাৰ প্ৰস্তাৱটো নাকচ কৰা হ'ল।

(সদনত গণ্ডগোল)

**মাননীয় উপাধ্যক্ষ ঃ** Please sitdown.

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ আপোনালোকে কি মোক গালি পাৰি আছে। এজন মন্ত্ৰীয়ে মোক গালি পাৰি আছে চাওঁক। যিজনৰ পঢ়া-শুনা নাই এতিয়া মোৰ গালি পাৰিলে হ'ব নেকি? ইমান serious কথা এটা কৈছিলো এই কথাটোৰ ওপৰত বিতৰ্ক কৰিব নোৱাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** Please sitdown.এতিয়া মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াৰ নামত আছে।

(সদনত গণ্ডগোল)

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ এনেকৈ অপমান কৰি নাথাকিব। মইও এজন সদস্য। ***

**মাননীয় উপাধ্যক্ষ ঃ** Please. sitdown.

(সদনত গণ্ডগোল)

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)**ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া তেখেতে কৈছে যে, *** It should be expunged from the proceeding

**মাননীয় উপাধ্যক্ষ ঃ** Expunged.

**শ্ৰীঅশোক সিংহাল, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই কথাবিলাক কোৱাতো বন্ধ হ'ব

লাগে। তেনেকুৱাকৈ কথাবিলাক কোৱাত সদনৰ গৰিমা নষ্ট হৈছে।

.........(সদনত হুলস্থুল).........

**মাননীয় উপাধ্যক্ষ ঃ** ক'বলৈ তেনেকৈ নাপায় নহয়। এতিয়া point of order ত নাহে। Please. I will adjourn the house. Public ৰ পইচাৰ tax ৰে এইটো house চলে। তেনেকৈ নকৰিব। এদিন চলাওক MLA সকলৰ দৰমহাৰে। তেতিয়া গম পাব house কেনেকৈ চলে। Please Please.

..........Interruption.........

**মাননীয় উপাধ্যক্ষ ঃ** including Minister সকলোকে কোৱা হৈছে যে সদনৰ মৰ্য্যদা ৰক্ষা কৰিব লাগে।

..........Interruption.........

আপুনি ইমান পুৰণি সদস্য, আপুনি সদনৰ নিয়মখিনি জানিব লাগে। আপুনি অনুগ্ৰহ কৰি বহক। মই থিয় হৈছো। মই থিয় হৈ থকা সময়ত আপুনি উঠিব নোৱাৰে। জাকিৰ হুছেইন শিকাদাৰ ডাঙৰীয়াই তেখেতৰ অনুপস্থিতিত তেখেতৰ সহযোগী আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়াক তেখেতৰ সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিব দিছে। মই এটা কথা অনুৰোধ কৰিছো যে মাননীয় অধ্যক্ষ মহোদয় ইয়াত ৫ মিনিট সময় স্থিৰ কৰিছে আৰু মাননীয় মন্ত্ৰী সকলৰ কাৰণেও ৫ মিনিট সময় স্থিৰ কৰিছে। মাননীয় মন্ত্ৰীসকলক সোনকালে শেষ কৰক বুলি ক'বলৈ অসুবিধা হয়। সেয়েহে আপোনালোকে বুজিব লাগে। আপোনালোক সদনৰ অতি দায়িত্বশীল সদস্য। সেয়েহে আপোনালোকেও ৫ মিনিট ল'ব আৰু সদস্যসকলেও ৫ মিনিট সময় ল'ব।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (অভয়াপুৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াৰ অনুপস্থিতিত আমাৰ সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়াৰ অনুমতি সাপেক্ষে তেখেতৰ সংকল্প প্ৰস্তাৱটো আজিৰ সদনত উত্থাপন কৰিছো-অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে ভূটান ৰাষ্ট্ৰৰ লগত আলোচনা কৰি পানী এৰাৰ ক্ষেত্ৰত বিজ্ঞানসন্মত পদ্ধতি গ্ৰহণ কৰাৰ লগতে ভয়াবহ বানপানীৰ ফলত ক্ষতিগ্ৰস্ত সকলৰ সহায় আৰু বছৰি এক হাজাৰ কোটি টকা বিশেষ পুঁজি ঘোষণা কৰা হওঁক। এইটো প্ৰস্তাৱ আৰু এই প্ৰস্তাৱৰ সমৰ্থনত মই দু-আষাৰ কথা উপস্থাপন কৰিব বিচাৰিছো। ভূটান আমাৰ প্ৰতিৱেশী বন্ধু ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ স্বাৰ্থত আমি ভূটানৰ লগত মধুৰ সম্পৰ্ক বজাই ৰখাটো অতিকৈ গুৰুত্বপূৰ্ণ আৰু আমাৰ দেশে ভূটানৰ লগত মধুৰ সম্পৰ্ক বজাই ৰাখি আছে। ভূটানৰ যিটো ভৌগলিক অৱস্থান আৰু পৰিৱেশ তাৰ সপক্ষে তাত জলবিদ্যুৎ উৎপাদন কৰাৰ বাবে খুব উপযোগী ঠাই। ভাৰত চৰকাৰে সেই তথ্য অনুধাৱন কৰি ইতিমধ্যে চাৰিটা জলবিদ্যুৎ প্ৰকল্প ভূটানত স্থাপন কৰিছে। এই ঠাইসমূহ হৈছে কুৰিচো, তালা, চুখা আৰু মাংদেচু প্ৰকল্প। এইকেইটা প্ৰকল্প ভূটান চৰকাৰে ভাৰত চৰকাৰৰ আৰ্থিক সাহাৰ্য্যত নিৰ্মাণ কৰি উলিয়াইছে আৰু ভাৰতবৰ্ষত ইয়াৰ পৰা প্ৰায় ১৪০০ মেগাৱট বিদ্যুৎ পাই আছো। গতিকে ভূটানৰ লগত আমাৰ সম্পৰ্ক মধুৰ আৰু এই সম্পৰ্কক আমি আৰু শক্তিশালী কৰিব লাগিব। এই জলবিদ্যুৎ প্ৰকল্পসমূহৰ পৰা প্ৰকল্প সমূহৰ পৰা পানী এৰি দিয়া হয়, আমাৰ বিশেষকৈ নামনি অসমৰ বজালী, বৰপেটা, বঙাইগাওঁ আদি জিলাত যিবিলাক নদী আছে, সেইসমূহত ভয়ংকৰ বানপানীৰ সৃষ্টি হয়। আমাৰ ৰাজ্যখন স্বাভাৱিকভাৱেই বানপানী আৰু গৰাখহনীয়া গ্ৰস্ত। ইয়াৰোপৰিও ভূটানে পানী এৰি দিয়াৰ ফলত এই নদীসমূহৰ তীব্ৰতা আৰু বহুগুণে বৃদ্ধি পাইছে। তাৰ ফলত নামনি অসমত বানপানী আৰু গৰাখহনীয়াৰ বাবে ক্ষয়-ক্ষতিৰ পৰিমাণ অধিক বৃদ্ধি পাইছে। এই ক্ষয়-ক্ষতিৰ বাবে আমাৰ এটা বিশেষ পেকেজ আৰু আলাপ-আলোচনাৰ প্ৰয়োজন

হ'ব। কুৰিশ্বু নদীৰ বান্ধৰ পৰা আমাৰ আই, মানাহ, বেকী, পাগলাদিয়া, কালদিয়া, পহুমাৰা আদি নদীৰে অতিৰিক্ত পানী আহি ইয়াৰ তীব্ৰতা আৰু প্ৰকোপ বৃদ্ধি কৰি বহু অঞ্চল বুৰাই পেলায়। গতিকে আমাৰ অসম চৰকাৰে এটা প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে যে ভাৰত চৰকাৰে বন্ধুত্বপূৰ্ণ আলাপ-আলোচনাৰ মাধ্যমত ভূটান চৰকাৰৰ লগত আলোচনা কৰি হঠাৎ পানী এৰি নিদিয়াকৈ যদি বিজ্ঞানসন্মতভাৱে অলপ চেগা-চোৰোগাকৈ পানী এৰে তেতিয়াহ'লে আমাৰ ক্ষয়-ক্ষতিৰ পৰিমাণ অলপ কমিব। গতিকে অসম চৰকাৰে এটা প্ৰস্তাৱ ল'বৰ বাবে অনুৰোধ জনাইছো। ইতিমধ্যে বানপানী আৰু গৰাখহনীয়াৰ বাবে যিসমূহ অঞ্চলত ক্ষয়-ক্ষতি হৈছে, তাত আমি দুই-তিনি ধৰণে কাম কৰিব লাগিব, প্ৰতিৰোধ কাৰ্য্যসূচী হাতত ল'ব লাগে আৰু ইতিমধ্যে যিখিনি ক্ষয়-ক্ষতি হৈছে, তাত পুনৰ নিৰ্মাণৰ ব্যৱস্থা হাতত ল'ব লাগে। যিসকল ব্যক্তি বা পৰিয়াল ক্ষয়-ক্ষতিৰ সন্মুখীন হৈছে তেওঁলোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। মোৰ উঃ অভয়াপুৰী ২১ টা গাওঁ পঞ্চায়তৰ ১৯ টা সমষ্টিৰ খহনীয়াগ্ৰস্ত হয় আৰু বৰ্তমান তাত হাঁহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। দুই নং বাসবাৰী, চাৰিপেটী, ধলাগাছা আদি অঞ্চল আৰু মানাহ নদী আৰু আই নদীৰ কিছু অঞ্চল ভয়ংকৰভাৱে ক্ষতিগ্ৰস্ত হৈছে। যিখিনি নিম্ন অঞ্চল সেইখিনি বিশেষভাৱে ক্ষতিগ্ৰস্ত হৈছে আৰু তাত মথাউৰিৰ ব্যৱস্থা কৰিব লাগে। এই সকলোখিনি ব্যৱস্থা কৰিবৰ বাবে প্ৰত্যেক বছৰে ১ হাজাৰ কোটি টকাৰ এটা পেকেজ ঘোষণা কৰা হওঁক।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰীমহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী, ৰাজহ ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, জাকিৰ হুছেইন শিকাদাৰ ডাঙৰীয়াৰ সংকল্প প্ৰস্তাৱটো তেখেতৰ অনুপস্থিতিত তেখেতৰ সহযোগী আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়াই ইয়াত উত্থাপন কৰিছে। এই সন্দৰ্ভত মই ক'ব বিচাৰিছো যে ভূটানৰ কুৰিচো বান্ধে পানী এৰি দিয়াৰ ফলতে অসমৰ বঙাইগাওঁ, বাগ্‌চা, বজালী আদি জিলাত বানপানীয়ে প্ৰভাৱ বিস্তাৰ কৰে বুলি ধাৰণা কৰা হয়। কিন্তু এই কথাটো উল্লেখনীয় যে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নদী যেনে-মানাহ, আই, পাগ্‌লাদিয়া, বেকী আদিৰ জলপৃষ্ঠৰ উচ্চতা যেতিয়া বৃদ্ধি হয় আৰু ভূটানত প্ৰৱল বৃষ্টিপাত হোৱাৰ ফলতহে অসমত ভয়াৱহ বানপানীৰ সৃষ্টি হয়। সাধাৰণতে এই বানপানীৰ ফলত বিশেষকৈ নামনি অঞ্চলসমূহত নদীসমূহৰ জলপৃষ্ঠ যেতিয়া ওপৰলৈ উঠি যায় আৰু তেতিয়াই প্ৰৱল বৃষ্টিপাতো হয় আৰু ভূটানৰ কুৰিচো বান্ধৰ লগত বিশেষ সম্পৰ্ক নাথাকে। যিহেতু ভূটান চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ লগত আমাৰ অসমৰ সঘন সম্পৰ্ক আছে সেয়েহে এই প্ৰৱল বৃষ্টিপাতৰ আগজাননী দি আমাৰ জনসাধাৰণক সতৰ্ক কৰি দিয়াৰ ব্যৱস্থাও আছে। আমি যোৱাবাৰ বিশেষকৈ ১৯ জুন, ১২জুলাই আৰু ১২ আগষ্ট ২০২৩ চনত এনেধৰণৰ সতৰ্ক বাণী আমি আস্থাৰ জৰিয়তে জনসাধাৰণলৈ প্ৰেৰণ কৰিছো। এই technology টো উন্নত কৰিবৰ বাবে আমাৰ NESA ৰ লগত এটা যোগসূত্ৰ চলি আছে আৰু তেওঁলোকৰ লগত এই প্ৰক্ৰিয়াটো কেনেদৰে আগবাঢ়ি যাব ইয়াৰ বিষয়ে এটা বিশেষ পদক্ষেপ লোৱা হৈছে আৰু তেওঁলোকে প্ৰথম পৰ্য্যায়ত এখন প্ৰতিবেদনো আমাক দাখিল কৰিছে। কিন্তু ফাইনেল প্ৰতিবেদনখন আমাক এতিয়ালৈকে দিয়া নাই। তেওঁলোকে গোটেই প্ৰক্ৰিয়াটো ৰিচাৰ্চ কৰি আছে। নামনি অঞ্চলত বানপানী হ'লে কি হ'ব বা ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বাঢ়ি যোৱাৰ লগে লগে বানপানীৰ সৃষ্টি হৈ মানুহৰ যি ক্ষয়-ক্ষতি হয়, সেইটো কেনেকৈ ৰোধ কৰিব পাৰি, এনেধৰণৰ technology develop কৰাৰ বাবে NESAC ৰ লগত আলোচনা চলি আছে, MoU হৈ আছে। এতিয়া ASDMA ৰ যোগেৰে অসমৰ ৰাইজলৈ আমি ভূমিকম্প, গৰাখহনীয়া, প্ৰৱল বৃষ্টিপাতৰ আগজাননী দিয়াৰ কিছু technology develop হৈছে। এই প্ৰযুক্তিটো পূৰ্বতকৈ যথেষ্ট উন্নত হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত এই সম্পৰ্কত আলোচনা

কৰি থকা হৈছে। মই ভাৰো, খুৱ সোনকালে ইয়াৰ এটা সিদ্ধান্ত আমাৰ হাতলৈ আহিব। বানপানী, গৰাখহনীয়া - এই প্ৰাকৃতিক দুৰ্যোগসমূহৰ লগত সঠিক ভাৱে মোকাবিলা কৰিবলৈ চৰকাৰে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি আছে আৰু তাৰ বাবে আমাৰ হাতত যথেষ্ট পুঁজি আছে। আমি আপোনালোকক জনাব বিচাৰিছো যে ২০২১-২২ আৰু ২০২২-২৩ এই দুয়োটা বৰ্ষতে আমাৰ SDRF শিতানত মুঠ ১৭৮৫.৬০ কোটি টকা আৰু NDRF শিতানত ২৯৪.৩৭কোটি টকা ধাৰ্য কৰা হৈছে। মুঠ ২০৭৯.৯৭ কোটি টকা আমাৰ হাতত অনুমোদন হৈছে। আপুনি এহাজাৰৰ কথা কৈছে কিন্তু বানপানী, গৰাখহনীয়া এনেধৰণৰ দুৰ্যোগৰ লগত মোকাবিলা কৰাৰ বাবে SDRF আৰু NDRF ত যথেষ্ট পুঁজি আছে। আমাৰ rehabilitation policy ও আছে য'ত আধা বিঘালৈ আমি মাটি দিব পাৰো। প্ৰতি বিঘা মাটিত ৫ লাখ টকা হ'ব লাগিব। বিঘা ৫ লাখ টকা হ'লে আধা বিঘা মাটি ঘৰ বনাবলৈ দিওঁ। যদি তেওঁৰ ঘৰ-মাটি বা খেতি-মাটি উটুৱাই লৈ যায় তাতো আমি এক লাখ টকাকৈ দিব পৰা পলিচি আমাৰ আছে। এই সন্দৰ্ভত আমি কেইবাটাও ঠাইত ইয়াক কাৰ্যকৰী কৰিছো। এইখিনি কথা পৰৱৰ্তী সময়ত আমি তথ্য সহকাৰে দিব পাৰিম। ভূটানৰ কুৰিশ্চু বান্ধৰ ওপৰত যিটো প্ৰশ্ন আনিছে আৰু নামনি অঞ্চলত এই কুৰিশ্চু বান্ধৰ পানী এৰি দিয়াৰ ফলত বানপানীয়ে যেনেধৰণে মানুহৰ মাজত আতংকৰ সৃষ্টি কৰে সেইটো সম্পূৰ্ণ সত্য নহয়। ব্ৰহ্মপুত্ৰৰ উপনৈ সমূহৰ পানী যেতিয়া বৃদ্ধি হয় তেতিয়াহে বানপানীৰ সৃষ্টি হয়। তাৰ বাবে আমাৰ SDRF, NDRF ৰ সকলো সাজু থাকে। যোৱাবাৰ অসমৰ প্ৰায় ৩৪ খন জিলাতে বানপানী হৈছিল কিন্তু কোনো ৰাইজৰ অসুবিধা নোহোৱাকৈ আমাৰ ইয়াৰ লগত মোকাবিলা হ'ল। এইবাৰো আমাৰ যিখিনি ঠাইত সৰুকৈ বানপানী আহি গৈছে তাত ৰাইজে অসুবিধা নোপোৱাকৈ আমাৰ বিভাগে relief য়েই হওক বা অন্যান্য সকলোখিনি ব্যৱস্থা কৰিছে। গতিকে, early warning ৰ ক্ষেত্ৰত আৰু কুৰিশ্চু বান্ধৰ প্ৰতি মানুহৰ যি সন্দেহ আছে, সেইখিনি আমি সকলোৱে দূৰ কৰিব লাগিব। ইয়াৰ পৰা আমি পৰিত্ৰাণ পাবলৈ NESAC, Central Government ৰ লগত আলোচনা কৰি আছো আৰু পৰৱৰ্তী সময়ত আপোনালোকৰ কিবা পৰামৰ্শ থাকিলে আগবঢ়াব। প্ৰতিখন জিলাতে ASDMA ৰ কমিটি আছে, DDMA বুলি কয়। আপোনালোকেও তাৰ সদস্য। আপোনালোকে তাতেও এনেধৰণৰ প্ৰাকৃতিক দুৰ্যোগ সমূহ মোকাবিলা কৰিব পৰাকৈ আমি কি প্ৰযুক্তি গ্ৰহণ কৰিব পাৰো সেই বিষয়ে আলোচনা কৰিব পাৰো। Awareness টো main। আমি প্ৰাকৃতিক দুৰ্যোগ ৰোধ কৰিব নোৱাৰো কিন্তু ৰাইজক সজাগ কৰিব পাৰো। সজাগতা আনি আমি জনসাধাৰণক বচাব লাগিব। জীৱন আৰু সম্পত্তি ৰক্ষাৰ ক্ষেত্ৰত আমি সকলো বিভাগে সজাগতাৰ সৃষ্টি কৰি গাঁৱে-ভূঞে যাব লাগিব। Rehabilitation ৰ বাবে SDRF ৰ ১০% পুঁজি আমি বিশেষভাৱে ৰাখো, এনেধৰণৰ পলিচি অসম চৰকাৰৰ হাতত আছে। বঙাইগাঁৱৰ ২৫ টা পৰিয়ালৰ মানুহক আমি পুনৰ সংস্থাপন দিছো। আমি এতিয়ালৈকে ক'ত Rehabilitation ৰ policy ত কিমানখিনি দিলো তাৰ সম্পূৰ্ণ তথ্য মই আপোনালোকক দিম। আমি জনসাধাৰণক ASDMA ৰ জৰিয়তে Whatsapp message ৰ যোগেৰে সতৰ্ক কৰি দিয়া, ভূটান ৰাষ্ট্ৰৰ লগত আলোচনা আৰু ভূটান ৰাষ্ট্ৰৰ ওপৰত দিয়া তথ্য অনুসৰি early warning ৰ পৰা অসমৰ ৰাইজে যথেষ্ট সতৰ্কতাৰে মোকাবিলা কৰিবলৈ সক্ষম হৈছে। তেওঁলোকে যেতিয়া আগতীয়াকৈ গম পাব, তেতিয়া তেওঁলোকে নিজৰ সম্পত্তি বা জীৱন ৰক্ষা কৰিবলৈ সক্ষম হ'ব। উপাধ্যক্ষ মহোদয়, ভূটান ৰাষ্ট্ৰৰ কুৰিশ্চু বান্ধৰ সম্পৰ্কত সন্মানীয় বিধায়কজনে কৰা প্ৰশ্নৰ উত্তৰত মই এইখিনিকে স্পষ্ট কৰি দিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়, NESAC বৰাপানীত আছে। আমি তাত এটা টিম যাব লাগে। তাত agro base and environment ৰ ওপৰত খুব ধুনীয়া research হৈছে। ইয়াৰ পৰা বহুতখিনি শিকিব পাৰিম আৰু খেতিয়কসকলৰো লাভ হ'ব।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** ভূটান চৰকাৰে আমাক এমাহৰ আগত যাতে initimation দিয়ে নহ'লে প্ৰতি বছৰে এই মানুহখিনিক শেষ কৰি দিয়ে ....interruption.......

**মাননীয় উপাধ্যক্ষঃ** Please sit down. শেষ হোৱা নাই এইটো।

মাননীয় সদস্য আব্দুল বতিন খন্দকাৰ ডাঙৰীয়া, আমাৰ মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াৰ হৈ আপুনি সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী আব্দুল বাতিন খন্দকাৰ (উত্তৰ অভয়াপুৰী)ঃ** চাৰ, আমাৰ সেই অঞ্চলটোত স্বাভাৱিকতে বানপানী হয় কিন্তু কুৰিশ্বুৰ পৰা পানী এৰাৰ বাবে বানপানীৰ ভয়াৱহতা খুব বৃদ্ধি পায়। সেই সাপেক্ষে ক্ষয়-ক্ষতিৰ পৰিমাণ বহুত বেছি হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে SDRF ৰ শিতানত ১ হাজাৰৰ ওপৰত পুঁজি থকাৰ কথা কৈছে কিন্তু যোৱা দুবছৰত এই শিতানৰ পৰা এটকাও পোৱা নাই বুলি ক'লে ভুল নহ'ব। বৰপেটা বা বঙাইগাঁও জিলাত এটা বা দুটা আঁচনিহে ৰাস্তা-ঘাটৰ ক্ষেত্ৰত আৱন্টন পাইছে। বঙাইগাঁও জিলাৰ সকলো বানপানী মোৰ সমষ্টিতে হয় কিন্তু জল সম্পদ বিভাগৰ ৪ কোটি টকাৰ মাত্ৰ এটা আঁচনিহে আৱন্টন পাইছে। তেখেতৰ তাত পুঁজি আছে আৰু ASDMA ৰ পৰা আঁচনি পাছ হোৱাৰ পিছতো তেখেতে কিয় মঞ্জুৰী নিদিয়ে? গতিকে, মই তেওঁক লগ ধৰি হ'লেও অনুৰোধ কৰিম যাতে তেখেতে আঁচনিসমূহ মঞ্জুৰ কৰে। প্ৰস্তাৱ উঠাই লোৱাৰ ক্ষেত্ৰত মোৰ কোনো আপত্তি নাই। যদি পুঁজিৰ অভাৱ নাই তেন্তে SDRF শিতানৰ আঁচনিবোৰ যাতে মঞ্জুৰ কৰা হয়।

মই প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য আপোনাৰ জ্ঞাতাৰ্থে মই এটা কথা কওঁ যে পৰ ৰাষ্ট্ৰ যিহেতু মিত্ৰ ৰাষ্ট্ৰ, সেয়েহে এনেবোৰ বিষয় আনিব নাপায়। এই বিষয়ে Rules of Procedure and Conduct of Business ত আছে। আপোনাৰ জ্ঞাতাৰ্থে মই কথাটো বুজাইছো, আপুনি আকৌ এবাৰ চাই ল'ব।

সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

এতিয়া Under Rule 115 , আব্দুল বতিন খন্দকাৰ ডাঙৰীয়াৰ নিজৰ সংকল্প প্ৰস্তাৱটো ৰাখিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী আব্দুল বতিন খন্দকাৰ (উত্তৰ অভয়াপুৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। বৰ্তমান ৰাজ্যখনৰ জ্বলন্ত সমস্যা এটাক লৈ প্ৰস্তাৱ আনিব বিচাৰিছো। এই জ্বলন্ত সমস্যাটো সমাধান কৰোতে যাতে মানৱীয় দৃষ্টিকোণ ৰক্ষা কৰা হয় আৰু সেই স্বাৰ্থ আগত ৰাখি মই প্ৰস্তাৱটো উপস্থাপন কৰিব বিচাৰিছো। প্ৰস্তাৱটো হ'ল- ' উচ্ছেদ কাৰ্য সম্পাদন কৰোতে মানৱ অধিকাৰ উলংঘন লাঘৱ কৰা, নাগৰিকৰ সংবিধান প্ৰদত্ত আশ্ৰয়ৰ অধিকাৰ ৰক্ষা কৰা আৰু শিশু সকলৰ শিক্ষাৰ অধিকাৰ ৰক্ষা কৰাৰ স্বাৰ্থত ৰাজ্যখনত পৰ্যায়ক্ৰমে চলি থকা উচ্ছেদ কাৰ্য সম্পাদন কৰাৰ বাবে যথোপযুক্ত কৰ্ম পদ্ধতি Standard Operating Procedure উদ্ভাৱন আৰু প্ৰয়োগেৰে উচ্ছেদ কৰিবলগীয়া নাগৰিকক আগতীয়া সংস্থাপনৰ ব্যৱস্থা কৰা হওক।' সদনৰ বিবেচনাৰ বাবে মই প্ৰস্তাৱটো উপস্থাপন কৰিলো। হয়তো সকলোৱে ইয়াত একমত হ'ব। মই ইয়াৰ সমৰ্থনত দু-আষাৰ ক'ব বিচাৰিছো। অসম চৰকাৰে

ৰাজ্যখনৰ এঠাইৰ পিছত আন এঠাইত পৰ্যায়ক্ৰমে উচ্ছেদ কাৰ্য চলাই আছে। উচ্ছেদ কাৰ্য সম্পাদন কৰি উচ্ছেদিত সকলক মুকলি আকাশৰ তললৈ ঠেলি দিয়া পৰিলক্ষিত হয়। ই এক মানৱ অধিকাৰ উলংঘনৰ কাম। এনেধৰণৰ উচ্ছেদ কাৰ্য্যই সংবিধান প্ৰদত্ত অধিকাৰ খৰ্ব কৰে। অনহাতে উচ্ছেদিতৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়াশুনাৰ পৰিৱেশ সমূলি নষ্ট হয় যিটো শিক্ষাৰ অধিকাৰ আইনৰ সম্পূৰ্ণ পৰিপন্থী। বিশুদ্ধ খোৱাপানী আৰু নূন্যতম স্বাস্থ্যসেৱাৰ পৰাও তেখেতসকলক বঞ্চিত কৰা হয়। এনেধৰণৰ উচ্ছেদ কাৰ্য্যই আমাৰ ৰাজ্যখনৰ নাম ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত অলপ হ'লেও বদনাম কৰে বুলি আমাৰ অনুভৱ হয়। শিলসাকো আৰু গৰুখুটিৰ দৰে অবাঞ্চিত ঘটনাৰ আমি সাক্ষী হৈ ৰৈছো। এনেধৰণৰ অবাঞ্চিত ঘটনা যাতে আমাৰ ৰাজ্যখনত পুনৰ নহয়। তাৰবাবে আমি যাতে প্ৰতিকাৰমূলক ব্যৱস্থা ল'ব পাৰো। এই প্ৰতিকাৰমূলক ব্যৱস্থা কেনে হ'ব পাৰে তাৰ ওপৰত আমি এই প্ৰস্তাৱ আনিছো। উচ্ছেদ কিয় কৰিবলগা হৈছে? বেদখল হৈছে বুলি উচ্ছেদ কৰিবলগা হৈছে। কিন্তু বেদখল কিয় হ'ল, তাৰো এটা পৰ্য্যালোচনা হোৱা দৰকাৰ। অসমৰ ৮ শতাংশ ভূমি স্বাধীনোত্তৰ অসমত ইতিমধ্যে গৰাখহনীয়াত গুছি গৈছে আৰু পৰিমাণ হিচাপত ৪.২৭ লাখ হেক্টৰ। প্ৰতি বছৰে ৮ হাজাৰ হেক্টৰকৈ ভূমি গৰাখহনীত গৈ আছে। ইয়াৰ ফলত প্ৰায় তিনি হাজাৰ গাওঁ সম্পূৰ্ণৰূপে আৰু প্ৰায় ৫০০ গাওঁ আংশিকভাৱে নিশেষ হৈ গৈছে। এই সম্পৰ্কে নিশ্চিত তথ্য চৰকাৰৰ হাতত নাই কিন্তু আমি ভূমি সম্পদৰ percentage লৈ বা গাওঁ হিচাপত জনসংখ্যা consider কৰো তেনেহ'লে প্ৰায় ৩০-৩২ লাখ মানুহ ইতিমধ্যে স্বাধীনোত্তৰ অসমত আশ্ৰয়হীন হ'বলগা হৈছে গৰাখহনীয়াৰ কাৰণে। কিন্তু আমাৰ চৰকাৰৰ এই সম্পৰ্কে কোনো স্পষ্ট নীতি নাই মানুহ খিনিক পুনৰ সংস্থাপন কৰাৰ কাৰণে। কিন্তু একাংশ লোক এনেকুৱাও আছে যিসকলৰ নিজৰ মাটি বাৰী আছে কিন্তু তাৰ পিছতো চৰকাৰী ভূমি বেদখল কৰিছে। সেইটো এটা বেলেগ consideration আৰু যিসকলে বাধ্যত পৰি চৰকাৰী ভূমি বেদখল কৰিছে তেওঁলোকৰ বাবে আন এটা consideration ত আমি চিন্তা কৰিব লাগিব। কিন্তু তাৰ পিছতো চৰকাৰে এটাৰ পিছত আন এটা উচ্ছেদ কাৰ্য্য চলাই আছে। আমি উচ্ছেদ কাৰ্য্যৰ বিৰোধী নহয় কিন্তু এই কাৰ্য্য সম্পাদন কৰাৰ সময়ত যদি মানৱ অধিকাৰ উলংঘন কৰা ঘটনা নহয়, যদি আশ্ৰয়ৰ অধিকাৰ, শিশুসকলৰ শিক্ষাৰ অধিকাৰ ভঙ্গ নহয় তেতিয়াহ'লে আমি উচ্ছেদ কাৰ্য্যৰ সমৰ্থনেই কৰিম। বিৰোধ কৰাৰ কোনো যুক্তি নাই। কিন্তু যেতিয়া উচ্ছেদ কাৰ্য্য সম্পাদন কৰি মানুহখিনিক মুকলি আকাশৰ তলত ঠেলি দিয়া হয়, তেতিয়াহে বিৰোধ কৰা হয়। সেইদিনা শিলশাকোঁত হোৱা বিৰোধৰ বিষয়ে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে তেকেতে সেই মূনুহ সকলক flat দিব। সেইবাবে কামটো যদি আগতীয়াকৈ কৰি তেওঁলোকক পুনসংস্থাপন কৰাৰ পিছত উচ্ছেদ কৰিলেহেঁতেন তেতিয়া আমি এই অবাঞ্চিত পৰিৱেশৰ মুখ্যমুখি হ'বলগা নহ'লহেঁতেন।

গতিকে আজি যিটো প্ৰস্তাৱ উত্থাপন কৰা হৈছে সেইটো অতিকৈ প্ৰয়োজনীয়। উচ্ছেদ কাৰ্য্য সম্পাদন কৰাৰ আগত এটা Standard Operating Procedure Develop কৰা হওক। উচ্ছেদ কৰিবলগা অঞ্চলৰ জৰীপ জৰীপ আগতেই কৰা হওক। সেই মানুহখিনিক ক'ত পুনৰসংস্থাপন কৰা হ'ব, কেনেধৰণে সংস্থাপন কৰা হ'ব, এই কাৰ্য্য প্ৰণালীটো আগতেই নিৰ্দ্ধাৰিণ কৰিহে উচ্ছেদ কাৰ্য্য সম্পাদন কৰক। লগতে যিসকলে বাধ্যত পৰি বেদখল কৰি লৈছে , তেখেতসকলক যাতে আগতীয়াকৈ পুনৰসংস্থাপন কৰিহে ৰাজ্যচৰকাৰে উচ্ছেদ কাৰ্য্য হাতত লয়। কিন্তু যিসকলে ইচ্ছাকৃতভাৱে বেদখল কৰিছে, আমি তাৰ পক্ষপাতি নহয়। সেই SOP develop নকৰাকৈ যাতে কোনো ধৰণৰ উচ্ছেদ কাৰ্য্য ৰাজ্যখনত সংঘটিত নহয়। এই

কথাটো মই সদনত ৰাখিলো। মই জানো যে শিলসাঁকো বা গৰুখুটিৰ উচ্ছেদৰ সমৰ্থণত এজনো বিধায়ক নাই, সেয়েহে মই ভাৱো সকলো বিধায়কে এই সংকল্প প্ৰস্তাৱটো অনুমোদন জনাব আৰু আজিৰ সভাত গৃহীত হ'ব।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ডাঙৰীয়াই যিটো প্ৰস্তাৱ অনিছে এই প্ৰস্তাৱটোৰ সমৰ্থণত মই ক'ব বিচাৰিছো যে মাটি প্ৰকৃতিৰ এক অমূল্য সম্পদ। কিন্তু ই সীমিত আৰু দূৰ্লভ। বৰ্তমানৰ জলবায়ুৰ পৰিবৰ্তনৰ ফলত সৃষ্টি হোৱা বিভিন্ন পৰিৱেশ সম্পৰ্কীয় সমস্যা সমূহৰ মূলতে হৈছে এই প্ৰাকৃতিক সম্পদবোৰৰ আমাৰ অবহনক্ষম ব্যৱহাৰ। বতৰ পৰিৱৰ্তনে হওক বা প্ৰদূষণে হওক ইয়াৰ কাৰণসমূহ আমি নিশ্চয় সকলোৱে জানো। সাধাৰণতে যিসমূহ notified জলাশয় বা পিতনি, পাহাৰ, প্ৰৱেশ সংবেদনশীল অঞ্চল, ভূ-স্খলন প্ৰবন অঞ্চল বা গৰাখহনীয়াপ্ৰবন অঞ্চল সমূহত আমি ভূমি settlement দিব নোৱাৰো। এই কথা আইনত স্পষ্টভাৱে উল্লেখ আছে। ১৮৮৬ আইন, ২০১৯ ৰ policy আছে। আমাৰ সংবিধানত থকা এই আইনবিলাক যাতে মানি চলে তাৰবাবে জিলা কৰ্তৃপক্ষৰ হাতত ক্ষমতা দিয়া আছে। তেওঁলোকে এনেধৰণৰ সংৰক্ষিত এলেকা বা VGR বা PGR আদিত অবৈধভাৱে যদি বেদখল হয় সেইখিনিত আইন সংহতভাৱে উচ্ছেদ হয়। আজিৰ তাৰিখত কোনো ধৰণৰ আগতীয়াকৈ জাননী নিদিয়াকৈ উচ্ছেদ কৰিব লাগে। কিন্তু আমাৰ চৰকাৰে আগতীয়াকৈ announce কৰে,জাননী জাৰি কৰে আৰু বহুল সুবিধা কৰি দিছে। যদি তেওঁলোক সঁচাকৈ ভূমিহীন আমাৰ চৰকাৰে তেখেতসকলৰ বাবে বসুন্ধৰা আঁচনি কৰিছে। বহুত লোকক আমি এতিয়ালৈকে চৰকাৰী ভূমি আবন্টন দিছো, মাটিৰ পট্টা দিছো। আমাৰ erosion affected policy এখন আছে। তাতো অমি তেওঁলোকক পলিচিমতে সংস্থাপন দিব পাৰো। গোৱালপাৰা জিলাৰ লক্ষিপুৰ ৰাজহ চক্ৰত erosion affected পৰিয়াল আছিল ৪০৮ টা। বালিজান ৰাজহ চক্ৰত আছিল ১,০৪১ টা আৰু এই বালিজান ৰাজহ চক্ৰৰ ৩১৫ বিঘা মাটি ব্ৰহ্মপুত্ৰ নদীত জাহ যায়। লক্ষিপুৰ ৰাজহ চক্ৰৰ ২ নং খণ্ড গাঁৱত ২৫ টা পৰিয়ালক আমি সংস্থাপন দিছো। বালিজান ৰাজহ চক্ৰৰ ৩১৪ টা পৰিয়ালক সংস্থাপন দিছো। এনেধৰণে formaly যিখিনিৰ নাম জিলা আয়ুক্তৰ পৰাSDLAC ত pass হৈ আমাৰ ওচৰলৈ আহে তাৰে যিখিনি considerable তেওঁলোকক আমি ঘৰ বনাবালৈ মাটি দিছো আৰু ঘৰৰ কাৰণেও পইচা দিছো। এই কথা সমূহ পলিচিত আছে। যদি আমি ভালদৰে পলিচিখন implement কৰো আমাক নতুনকৈ পলিচিৰ প্ৰয়োজনেই নাই। লগতে আমি এই পলিচি সমূহৰ ammendment য়ো কৰি আছো। Land Policy ৰ ক্ষেত্ৰত আমাৰ এখন sub-committee আছে। তাত আমাৰ ৰণোজ পেগু ডাঙৰীয়া,কেশৱ মহন্ত ডাঙৰীয়া আছে। কৰবাত যদি পলিচিখনে কিবা দিকদাৰ দিছে আপোনালোকে পৰামৰ্শ দিয়ক, আমি পলিচি সংশোধন কৰিব পাৰো। এনেধৰণে আমি positively যদি কথাখিনি আলোচনা কৰো তেতিয় নিশ্চয় সমস্যাখিনি সমাধা হ'ব। আমাৰ পলিচি ঠিকেই আছে, আমাৰ SOP য়ো আছে। গতিকে এনেকুৱা ধৰণ ৰ সংশোধনৰ প্ৰয়োজন নাই বুলি মই এইকাৰণেই ভাৰিছো যে কোনো ধৰণৰ অমানৱীয়ভাৱে কতো উচ্ছেদ হোৱা নাই।

(Hon'ble MLA Shri Aminul Islam on the chair)

**শ্ৰী মতী নন্দিতা দাস, (বকো) ঃ** माननीय উপাধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই SOP ৰ কথা কৈ আছে কিন্তু মহিলা সকলে যে তাত উলঙ্গ হৈ প্ৰতিবাদ কৰাৰ পৰিৱেশ আহিলে, এইটো যদি প্ৰকৃত আছে তেনেহ'লে মহিলাই কিয় তেনেদৰে প্ৰতিবাদ কৰিবলগা হ'ল?

**শ্ৰী আমিনুল ইছলাম, (সভাপতি) ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াক তেখেতৰ কথাখিনি শেষ কৰিবলৈ দিয়ক।

---হুলস্থুল------

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** চৰকাৰে শিলসাঁকোত উচ্ছেদ বন্ধ কৰিব লাগে । তাত মহিলাই উলংগ হৈ প্ৰতিবাদ কৰিছে । তেওলোকৰ ঘৰ ভাঙি দিছে , ক'ত যাব তেওঁলোকে , ক'ত থাকিব ?

---সদনত হুলস্থূল--- বিৰোধী দলসমূহৰ একত্ৰিত প্ৰতিবাদ--

**শ্ৰীকৰিমউদ্দিন বৰভূইঞা, ( ঃ** সভাপতি মহোদয় আজি অসমত এনে উলংগ প্ৰতিবাদ চাবলগীয় হৈছে। এনে চিনাৰী আগতে অসমত ইতিহাসত হোৱা নাই ছাৰ। সোনকালে এই উচ্চেদ বন্ধ কৰিব লাগে ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ শিলসাকোঁৰ উচ্ছেদ অতি শিঘ্ৰে বন্ধ কৰিব লাগে সভাপতি মহোদয় আৰু যিসকলক উচ্ছেদ কৰিলে তেওলোকেক চৰকাৰে ক্ষতিপুৰণ দিব লাগে । এই উচ্চেদ অবৈধ। আজি কলীয়াবৰত কৃষি ভূমি মুখ্যমন্ত্ৰী মহোদয়ৰ পত্নীয়ে দখল কৰিছে । ১৯৫৬ চনৰ চিলিং এক্টৰ ৰুল বাহিৰত গৈ মাটি দখল কৰিছে । এই মাটি কৃষকক ঘুৰাই দিব লাগে । থলুৱা মানুহক উচ্চেদ কৰি বাহিৰৰ মানুহক আজি মাটি দিয়া হৈছে । এই উচ্চেদ অবৈধ। সিঘ্ৰে বন্ধ কৰিব লাগে।

(শাসকীয় পক্ষৰ পৰা উফৰি অহা উক্তি - উচ্চেদ বন্ধ নহয়, উচ্চেদ চলিবই )

**শ্ৰী আমিনুল ইছলাম, (সভাপতি) ঃ** আপোনালোকে বহক ।... বহক । পিচত আপোনাক ক'বলৈ এক মিনিট সময় দিম । এতিয়া বহক । এতিয়া শিবামনি বৰা ।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** সভাপতি মহোদয়, অখিল গগৈ ডাঙৰীয়াই কাজিৰঙাত ১০০ বিঘা মাটি দখল কৰিছে । অৰ্কিড ফাৰ্মৰ নামত মাটি দখল কৰিছে । এই ১০০ বিঘা মাটি ঘুৰাই ল'ব লাগে । তাত উচ্চেদ চলাব লাগে। মাটি কৃষকক ঘুৰাই দিব লাগে। খিলঞ্জীয়া মানুহক ঘুৰাই দিব লাগে ।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, (হাজো) ঃ** সভাপতি মহোদয় অৰ্কিড গাৰ্ডেনৰ পৰা অৰ্কিড কিনি আনি অখিল গগৈয়ে তাত অৰ্কিড গাৰ্ডেন খুলিছে মোৰ হাতত প্ৰুফ আছে । মাটি দখল কৰা নাই ।

**শ্ৰী আমিনুল ইছলাম, (সভাপতি) ঃ** বহক.. বহক । মোক ক'বলৈ দিয়ক । মাননীয় সদস্য আব্দুল বাতিন খন্দকাৰে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

সদনত হুলস্থুল-- বাদ - বিবাদ

**শ্ৰীমতী শিবামনি বৰা,(বটদ্ৰবা) ঃ** মাননীয় সভাপতি মহোদয়, ভাৰতবৰ্ষৰ জনসংখ্যাৰ প্ৰায় ৫০ শতাংশ পুৰুষ আৰু ৫০ শতাংশ মহিলা। কিন্তু ভাৰতবৰ্ষৰ সংসদ আৰু বিধান সভা সমূহত মহিলা প্ৰতিনিধি অতি নগন্য হাৰত নিৰ্বাচিত হৈ আহিছে। নিৰ্বাচিত মহিলা প্ৰতিনিধিৰ সংখ্যা ক্ৰমান্বয়ে কমিহে আহিছে। মহিলা সবলীকৰণৰ বাবে মহিলাৰ হাতত ৰাজনৈতিক ক্ষমতা থাকিব লাগিব। পঞ্চায়ত নিকায়সমূহত যদিও পঞ্চাশ শতাংশ আসন মহিলাৰ কাৰণে সংৰক্ষণ কৰা হৈছে তথাপি প্ৰকৃত ৰাজনৈতিক ক্ষমতা মহিলাৰ হাতলৈ তেতিয়াহে আহিব যদি সংসদ আৰু বিধান সভাৰ আসন মহিলাৰ বাবে সংৰক্ষণ কৰা হয় । কাৰণ আইন প্ৰণয়নৰ ক্ষমতা সংসদ আৰু বিধান সভাৰ

হে আছে। ১২৬ জনীয়া অসম বিধান সভা এইবাৰ আমি মাত্ৰ ৬ গৰাকীহে মহিলা নিৰ্বাচিত হৈ আহিছো। সংখ্যা অনুপাতে হ'ব লাগিছিল ৬৩ গৰাকী মহিলা। মহিলা সংৰক্ষণ বিল গৃহীত হ'লে তেত্ৰিশ শতাংশত ৪২ গৰাকী মহিলা হ'ব । সভাপতি মহোদয়, আমাৰ ৰাজ্যখন মহিলা বিৰোধী কু সংস্কাৰৰ পৰা সদায় মুক্ত । আমাৰ ৰাজ্যখন সতীদাহ প্ৰথা,

**(উপাধ্যক্ষ মহোদয়ৰ সদনত প্ৰৱেশ)**

যৌতুক প্ৰথা আদিৰ পৰা যুগে যুগে মুক্ত হৈ আছে । **যুগে যুগে অসমীয়া সমাজত মহিলাক উচ্চ আসন দি থকা হৈছে । এনে সময়ত ১২৬ গৰাকী বিধায়কৰ মাজত মাত্ৰ মাত্ৰ ৬ গৰাকী মহিলা বিধায়িকা নিৰ্বাচিত হৈ অহাটো অতি চিন্তনীয় বিষয়। সভাপতি মহোদয় মহিলা সংৰক্ষণ বিল ৯ মাৰ্চ, ২০১০ তাৰিখে মাননীয়া ছোনিয়া গান্ধী আৰু মাননীয় ডঃমনমোহন সিং ডাঙৰীয়াৰ ঐকান্তিক প্ৰচেষ্টাত ৰাজ্যসভাত গৃহীত হৈছিল কিন্তু লোকসভাত সংবিধান সংশোধনৰ প্ৰয়োজনীয় সংখ্যাগৰিষ্ঠতা নথকা বাবে লোকসভাত এই আইনখন গৃহীত কৰিব পৰা নগ'ল। ২০১৪ চনত সাধাৰণ নিৰ্বাচনত বিজেপিয়ে ক্ষমতালৈ আহিলে মহিলাক সংৰক্ষণ লৈ ৰূপায়ণ কৰাৰ প্ৰতিশ্ৰুতি নিৰ্বাচনী ইস্তাহাৰত দিছিলে আৰু নিৰ্বাচনী প্ৰচাৰত ইয়াক অন্যতম মূল আধাৰ হিচাপে লৈছিলে। লোকসভাৰ দুই তৃতীয়াংশ আসন লাভ কৰাৰ পিচত সম্পূৰ্ণ ৫ টা বছৰে এই বিষয়ে মৌন হৈ থাকিল । ২০১৯ চনৰ সাধাৰণ নিৰ্বাচনত বিজেপি দলে আকৌ নিৰ্বাচিত হ'লে মহিলা সংৰক্ষণ বিল লোকসভাত অনুমোদিত কৰাৰ পুনৰ প্ৰতিশ্ৰুতি দি দুই শতাংশ আসন লাভ কৰিলে কিন্তু যোৱা চাৰে চাৰিটা বছৰে পুনৰ মৌন হৈ থাকিল । সদায় মহিলাসকলকে কিয় তেওলোকে আহিলা হিচাপে ধৰি লয়। যোৱা ১৬ জুলাই তাৰিখে মাননীয় ৰাহুল গান্ধী ডাঙৰীয়াই বৰ্ষাকালীন অধিবেশনত মহিলা সংৰক্ষণ বিল অনুমোদনৰ বাবে লোকসভাত দাখিল কৰিবলৈ এখন চিঠিৰ যোগেদি মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ক আহ্বান জনাইছিল আৰু কংগ্ৰেছ দলৰ হৈ এই ক্ষেত্ৰত unconditional support দিয়াৰ কথাও জনাইছিল । কিন্তু কোনো ব্যৱস্থা লোৱা নহ'ল । অধ্যক্ষ মহোদয় আজি অসম বিধান সভাই মহিলা সংৰক্ষণ বিল অনুমোদন কৰা হওঁক বুলি এটা প্ৰস্তাৱ গ্ৰহণ কৰাৰ বাবে অনুৰোধ জনালো । ইতিমধ্যে এনেধৰণৰ প্ৰস্তাৱ দেশৰ কেইবাখনো বিধান সভাই গ্ৰহণ কৰিছে । ধন্যবাদ**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই গোটেই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে এই প্ৰস্তাৱটোৰ ওপৰত সংসদৰ Attire আৰু সংসদে ইয়াৰ ওপৰত সিদ্ধান্ত ল'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই নাৰী শক্তি Women-led-Development model এটা সম্পূৰ্ণ দেশতে নিৰ্মাণ কৰিছে আৰু যোৱা কিছু দিনত আমি দেখিছোঁ যে চন্দ্ৰযানৰ পৰা আৰম্ভ কৰি বিভিন্ন উচ্চ গৱেষণা মূলক কামতো কেনেকৈ নাৰী শক্তিয়ে দেশৰ নেতৃত্ব লৈছে। মই নিবিচাৰো যে বিধান সভাই প্ৰস্তাৱ এটা পাছ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ ওপৰত হেচা প্ৰয়োগ কৰিব লাগে। তেনেকুৱা পৰিৱেশ নিৰ্মাণ কৰিব নালাগে আৰু যিবিলাক বিধান সভাই সেই বিলাক প্ৰস্তাৱ পাছ কৰিছে তেওঁলোকে জানে যে বিধান সভাৰ কোনো অধিকাৰ নাই এইটো লোকসভাৰ অধিকাৰ, আৰু মানসিক হেচা তাক প্ৰয়োগ কৰে যি নেতৃত্বত বিশ্বাস নাথাকে। আমাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বৰ ওপৰত অগাধ বিশ্বাস আছে। নাৰী শক্তিক আগুৱাই লৈ যাবৰ কাৰণে তেওঁ নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰিব আৰু এই ধৰণৰ বিধান সভাত প্ৰস্তাৱ পাছ কৰি তেখেতক হেচা প্ৰয়োগ কৰাৰ প্ৰয়োজন নাই। আগতে ড০ মনমোহন সিং ডাঙৰীয়া থাকোতেও তেখেতকো আমি হেচা প্ৰয়োগ কৰা নাছিলো আৰু ডি কে বৰুৱা বা আই কে গুজৰাল থাকোতেও তেখেতকো

আমি হেচো প্ৰয়োগ কৰা নাছিলোঁ। গতিকে মই ভাৱো যে প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ ওপৰত অকুণ্ঠ বিশ্বাস ৰাখি যে ভাৰতবৰ্ষৰ নাৰী শক্তিক তেখেতে বহুত দূৰ আগুৱাই লৈ যাব সেই কথা ৰাখি আৰু এই প্ৰস্তাৱটো আমি ভাৱো যে এটা খুব অপ্ৰয়োজনীয় প্ৰস্তাৱ যিহেতু বিধান সভাই ইয়াৰ কোনো Attire নাই আৰু বিশেষকৈ লোকসভাক হেচো প্ৰয়োগ কৰাৰ পৰম্পৰা এটা সৃষ্টি কৰিব নালাগে। কাৰণ তেখেত সকলৰ কাৰ্য্যক্ষেত্ৰত তেখেত সকল স্বাধীন, আমাৰ কাৰ্য্যক্ষেত্ৰত আমি স্বাধীন। নহ'লে অহাকালি লোকসভাও অসম বিধান সভাই অমুক গ্ৰহণ কৰিব লাগে বুলি প্ৰস্তাৱ পাছ কৰা আৰম্ভ কৰিব। গতিকে চন্দ্ৰই সূৰ্য্যৰ নিজৰ কক্ষ্যপথত যেনেকৈ ঘুৰি থাকে আমিও নিজৰ কক্ষ্যপথত থাকিব লাগে আৰু সেই কাৰণে মই ভাৱো এই প্ৰস্তাৱটো ইয়াত পাছ কৰাৰ কোনো প্ৰয়োজনীয়তা নাই। কিন্তু মই এটা কথা জানো যে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত যথেষ্ট এই দিশত আৰু অকল এই দিশতে নহয়, সকলো দিশতে মই G20 ত অংশ গ্ৰহণ কৰিবলৈ গৈছিলোঁ, মোডী ডাঙৰীয়াৰ সমস্ত বক্তব্যৰ মূল আধাৰটোৱে আছিল Women-led-Development. গতিকে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ভাৰতবৰ্ষৰ নাৰী শক্তিক বহুদূৰ আগুৱাই লৈ যাব বুলি বিশ্বাস আৰু আস্থা ৰাখি আমি এই প্ৰস্তাৱ আজিৰ সদনত পাছ কৰাৰ কোনো প্ৰয়োজন নাই বুলি আমি বিষয়টো ইমানতে সমাপ্ত কৰাৰ বাবে অনুৰোধ কৰিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্যা।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** উপাধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ, তেখেতৰ পৰিয়ালৰ ওপৰত যিটো অভিযোগ উঠিছে।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** চকী খনত কি আছে, তাত কাৰেন্ট কি লগোৱা আছে এই বস্তুটো চেক কৰিব লাগে। চকী খনত কি বেমাৰটো আছে, সেই চকী খনত কেনেকৈ উঠা বহা exercise কৰি থাকিব লাগে, অলপ শিকিব লাগিব।

**শ্ৰীঅখিল গগৈ ঃ** আপুনি বিবৃতি কৰি দিয়ে আপোনাৰ পৰিয়ালৰ।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি বহক। Please, please.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** গতিকে পাইলচ্ আৰু ফিচতোলা বেমাৰ আছে এইটোও চেক কৰিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, তেনেকৈ কব নালগে। Please, please. Rules of Procedure and Conduct of Business in Assam Legislative Assembly, the Rule No.22 the discussion of the Resolution shall be strictly limited to the subject of resolution. বেলতত সোমাব নোৱাৰে। সেই গতিকে সন্মানীয় সদস্যা শ্ৰীমতী শিবামণি বৰা ডাঙৰীয়ানী আপোনাৰ সংকল্প প্ৰস্তাৱটো Withdraw কৰিবনে ?

**শ্ৰীমতী শিবামনি বৰা, (বটদ্ৰবা) ঃ** উপাধ্যক্ষ মহোদয়, মই যিহেতু মহিলা, সমগ্ৰ ভাৰত বৰ্ষৰ মহিলাৰ কাৰণে এটা প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ আমাৰ মাননীয় বিধান সভাত মাত্ৰ বিল খন অনুমোদনৰ কাৰণে প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ দিছিলো, গতিকে মই এইটো উঠাই লোৱাৰ পৰা বিৰত আছোঁ।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই যিসকল প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে হয়, যি সকলে বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংকল্প প্ৰস্তাৱটো নাকচ কৰা হ'ল।

...........(হুলস্থুল)...........

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সংকল্প প্ৰস্তাৱ Under Rule-115 কাৰ্য্যসূচী নং ৫ ৰ অধীনত হাফিচ বছিৰ আহমেদ, তেখেত অনুপস্থিত, হাফিচ বছিৰৰহৈ আমিনুল ইছলাম (জ্যেষ্ঠ) ক উত্থাপন কৰিব।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি যিটো সংকল্প প্ৰস্তাৱ আনিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এক মিনিট, এতিয়া সময় দুটা বাজিছে, যোৱাকালি বি এ চিত আমাৰ সহসন্মতিক্ৰমে যে আজি দুটা বেলাই হ'ব আৰু continue হৈ থাকিব। যি সকল সদস্যৰ ভোখ লাগিছে খাদ্যৰ ব্যৱস্থা কৰা হৈছে কিন্তু সকলোৰে ওলাই যাব নালাগে দুই জন ৫ জনকৈ আপোনালোকে গৈ থাকক আৰু discussion ত participate কৰি থাকক।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ধন্যবাদ জনালো আপোনাক। আমাৰ যিটো সংকল্প প্ৰস্তাৱ আছিল এইটো অত্যাধিক ছাত্ৰ-ছাত্ৰী থকা বহু সংখ্যক বিদ্যালয় একত্ৰিকৰণ কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ পাঠদান আৰু শৈক্ষিক কাৰ্য্যকলাপত বাধা গ্ৰস্থ হৈ পৰিছে। গতিকে তেনেকুৱা বিদ্যালয় সমূহক চামিল কৰা amalgamation ৰ নিৰ্দেশ বাতিল কৰি পূৰ্বৰ দৰে পৃথকে পাঠদান কৰাৰ ব্যৱস্থা কৰা হওক আৰু বিদ্যালয় নথকা এলেকাত নতুনকৈ শিক্ষানুষ্ঠান স্থাপন কৰা হব। এইটো আমাৰ প্ৰস্তাৱ। এই ক্ষেত্ৰত amalgamation ৰ আমি বিৰোধীতা কৰা নাই কিন্তু কথা হ'ল amalgamation কৰিলে কিছুমান criteria আৰু scientific ভিত্তিত বাস্তৱ সন্মত দৃষ্টিভঙ্গীৰে কৰিব লাগে। কিন্তু আমি দেখিলো amalgamation কৰাৰ ক্ষেত্ৰত কিয় চৰকাৰে জিলা শিক্ষা বিষয়া সকলক এনেকুৱা pressure প্ৰয়োগ কৰিছে যে এই জিলাখনত মুঠতে এটা টাৰ্গেত ধৰি দিছে ইমান সংখ্যক বিদ্যালয় amalgamation কৰিবই লাগিব। সেই দৃষ্টিত অফিচাৰ সকলে বা District Officer সকলে বা Block Elementary Education Officer সকলে কি কৰিছে তেওঁলোকে মানে এটা চাপ পাই জধে মধে কিছুমান proposal দি দিছে। সেইদিনা মোৰ ওচৰত মানুহ আহিছে মোৰ সমষ্টিৰ বৰটল দলৈ গাঁও হায়াৰ চেকেণ্ডাৰী স্কুল, তাৰ লগতে এখন ছোৱালী বিদ্যালয় amalgamation কৰিছে। এই হায়াৰ চেকেণ্ডাৰী স্কুল খনত আগৰ পৰাই in between 700-800 তাত enrollment আছে। আৰু যিখন স্কুল তাৰ লগত amalgamation কৰা হৈছে তাতো almost 300 enrollment. এতিয়া হ'ল কি amalgamtionৰ এটা copy ওলাই দি আৰু District Officer ৰে pressure create কৰি আছে amalgamate school ত তোমালোকে সোনকালে তাত যোৱা , ছাত্ৰ-ছাত্ৰী সকলক লৈ গৈ সেইখন স্কুলত গৈ চামিল হোৱা। এতিয়া সেইখন বিদ্যালয়ে কৈ আছে আমাৰে আগৰ যিমান ল'ৰা-ছোৱালী আছে সেইখিনিৰ কাৰণে আমি accomodation দিব পৰা নাই, ল'ৰা-ছোৱালী বহুত ঘন ঘনকৈ বহিব লাগে বা classroomত desk bench সোমোৱাৰ ঠাই নাই বা ল'ৰা-ছোৱালী আগৰ খিনিয়ে বহিব পৰা নাই। নতুনকৈ যদি ২৫০/৩০০ নতুনকৈ আহে আমি ৰুমো দিব নোৱাৰো desk bench নাই একো facility নাই। তাৰ পিছত সেই যি খন স্কুলত amalgamate কৰা হ'ল সেই স্কুল খনে গৈ District Officer ক কৈছে তাত যিহেতু sufficient classroom নাই, desk bench নাই, একো নাই সেইগতিকে আমাক আমাৰ বিদ্যালয়তে পাঠদানটো কৰিব দিয়ক সেই বিদ্যালয়ৰ কতৃপক্ষৰ অধীনত। লাগিলে সেইজন Principal য়ে থাকক, তেওঁৰ underত, হয়তো আধা কি.মিটাৰৰ ভিতৰতে আছে

স্কুলখন। তেওঁৰ অধীনত থাকক আৰু আমাক এনেকৈ নিয়ন্ত্ৰণ কৰক। তেওঁৰ controlত থাকিম, কিন্তু ল'ৰা-ছোৱালীখিনি এইখন বিদ্যালয়ত থাকিব। তাৰ পিছত সেইটোও নামানে, কৈছে তাত যাবই লাগিব। এই খন স্কুলত নহ'ব। তাত ল'ৰা-ছোৱালী সময়ৰ ভিতৰত যদি নাযায় আপোনাক দৰমহা বন্ধ কৰা হ'ব, পিছত কৈছে disciplinary action কৰিব। তেতিয়া প্ৰধান শিক্ষকজনে তেওঁলোকৰ ল'ৰা -ছোৱালী ২৫০ নে ৩০০ যিমান আছিল এইখিনি লৈ সেই স্কুললৈ যাৰ লগত মিলাই দিয়া হৈছিল সেই স্কুললৈ গ'ল। গৈ পিছদিনা প্ৰচণ্ড ৰ'দত ঠিয় হৈ থাকিল। ল'ৰা-ছোৱালীবোৰ ভিতৰলৈ সোমাব ঠাই নাই। সেই স্কুলৰ প্ৰিঞ্চিপালজনক ল'গ ধৰি কলে যে আমি ল'ৰা -ছোৱালীখিনি লৈ আহিলো। এতিয়া ল'ৰা- ছোৱালীখিনি লৈ সোমাম কেনেকৈ? আগৰখিনি আমি যেনে তেনে একোমোডেট কৰিছো। আপোনালোকে যদি আৰু ৩০০ মান ল'ৰা -ছোৱালী লৈ আহিছে তেওঁলোকক আমি এতিয়া বহিবলৈ ঠাই ক'ত দিম? এই ল'ৰা -ছোৱালীখিনি গৰমত দুইঘন্টামান বাহিৰত ৰ'দত ঠিয় হৈ থাকিল। কাৰণ তেওঁলোকক বহিবলৈও ঠাই দিয়াৰ ব্যৱস্থা নাই। তেওঁলোকক তাতে কোনো ধৰণৰ ডেস্ক-বেঞ্চ বা অতিৰিক্ত শ্ৰেণী কোঠা তেতিয়ালৈকে বনোৱা নাই। দুইঘন্টামান ঠিয় হৈ থাকি ল'ৰা -ছোৱালীখিনিক লৈ তেওঁ আকৌ নিজৰ স্কুললৈ আহিল। আকৌ তেওঁ ডিষ্ট্ৰিক অফিচাৰক জনালে যে আমি এনেকৈ লৈ গৈছিলো। মোক প্ৰেচাৰ দি আছে, মোৰ দৰমহা কাটিব, মোৰ চাকৰি disciplinary action ল'ব। মোৰ উপাই নাই, আমি ল'ৰা -ছোৱালী লৈ গৈছিলো, কিন্তু তাত বহিবলৈ ঠাই নাই। ল'ৰা -ছোৱালী বাহিৰত ৰ'দত কিছু সময় ঠিয় কৰাই ৰাখি তাৰ পিছত লৈ আহিলো। কিন্তু district officer য়ে একো সমাধান দিব নোৱাৰে। কৈছে আমি একো নকওঁ। মোতামুটি amalgamation হ'ল, তেনেকৈয়ে থাকিব লাগিব। উপায় নাপাই মোৰ ওচৰত আহিল, সেই স্কুলৰ প্ৰধান শিক্ষক আহিল, কমিটিৰ মানুহ আহিল, মই নিজে গলো। গৈ যি পৰিবেশ দেখিলো যে কোনো পধ্যে সম্ভৱ নহয়। লগে লগে মই district officer ক ফোন কৰিলো। মই কথাটো কওঁতেও তেওঁ যি ফোনটো কাটিলে আজিলৈকে তেওঁ আৰু মোৰ ফোন ৰিচিভ নকৰিলে। প্ৰায় দুমাহ হ'ল ফোনেই ৰিচিভ নকৰে। কাৰণ তেওঁ উত্তৰ কি দিব? তেওঁৰ ওপৰত প্ৰেচাৰ যে amalgamation কৰিছে, স্কুলখন তাত নি চামিল কৰিব লাগে। কিন্তু তেওঁ নিজেও জানে তাত ঠাই নাই শ্ৰেণীকোঠা নাই, ডেস্ক-বেঞ্চ নাই এই ল'ৰা- ছোৱালীখিনিক তাত accommodate কৰাৰ কোনো সুবিধা নাই। সেই কাৰণে মোক উত্তৰ দিব নোৱাৰি ফোন কাটিলে, আজিলৈকে ফোনেই ৰিচিভ নকৰে। গতিকে তাৰ পিছত মই যিজন ADC education ৰ চাৰ্জত আছে, তেওঁক কলো, ADCয়েও যোগাযোগ কৰিছে, DC কো যোগাযোগ কৰিলো। এতিয়া কথা হ'ল মই এখন স্কুলৰ উদাহৰণ দিলো, এনেকুৱা আৰু কেইবাটাও আছে। জাৰামাৰিত মোৰ তাত আছে, মোক তাত নিজে মাতি লৈ গৈছে, আৰু কৈছে যে চাৰ আপুনি নিজে চাওঁক, ইয়াত যে amalgamation কৰিছে, কৈছে আগৰ কিমান ছাত্ৰ-ছাত্ৰী আৰু আমাৰখিনি চাওঁক। গতিকে মই দেখিলো যে ইয়াত কোনো যুক্তি নাই কোনো বাস্তৱসন্মত বিজ্ঞানসন্মত কাৰণ নাই স্কুল খালী কমাব লাগে। আমাৰ এনেকুৱা এটা ধাৰণা হ'ল যে চৰকাৰ আৰ্থিক দূৰবস্থাত আছে। তাৰমানে স্কুল যদি কমাই দিয়ে, খৰচটো কমি গ'ল। হয়তো দুখন স্কুলৰ শিক্ষক দি এখন স্কুল চলাব বা আন্তঃগাঠনি বা নতুন শ্ৰেণীকোঠা নিৰ্মাণ এই বিলাক খৰচ কমি গ'ল। খালি খৰচ কমাব লাগে বুলি স্কুল কমাব লাগে যেন কথাটো আমাৰ এনেকুৱা লাগিল। স্কুল amalgamation কৰক, কৰিব লাগে বুলি মইয়ো proposal দিছো।ক'ৰবাত এনেকুৱা হ'ল হাইস্কুল ৩০০ মিঃ ত ৪০০ মিঃ ত তিনিখনকৈ হৈ গ'ল মই নিজে আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ক proposal দিছিলো যে ইয়াত amalgamation কৰিব

লাগে। ইয়াত কিন্তু পৰ্য্যাপ্ত পৰিমানে ঠাই আছে, আৰু কম ল'ৰা-ছোৱালীক accommodate কৰিব পাৰি। ক'ৰবাত কৰিব লাগে, চাই চিতি যুক্তিসন্মত ভাবে কৰক। তাত আমাৰ আপত্তি নাই। কিন্তু ওপৰৰ পৰা প্ৰেচাৰ, district officer বাধ্য যেনে তেনে হওঁক য'তে ত'তে কেইটামান কৰি দেখুৱাব লাগিব নহ'লে তেওঁলোকৰ চাকৰিৰ অসুবিধা হ'ব। এই পৰিস্থিতি অহাতেই আমাৰ আপত্তি আছে সভাপতি মহোদয়। এই পৰিবেশটো এনেকুৱা কিয় আহিল, গতিকে আমি এই কথাটো শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, তেনেকুৱা কিছুমান য'ত এনেকুৱা বলপূৰ্বক amalgamation জাপি দিয়া হ'ল য'ত দুয়োখন বিদ্যালয়তে যথেষ্টসংখ্যক ছাত্ৰ-ছাত্ৰী আছে, আৰু লগতে ছাত্ৰ-ছাত্ৰীখিনিক একেলগে accommodate কৰাৰ সুবিধাই নাই এইখিনি কিয় কৰা হ'ল শিক্ষামন্ত্ৰী মহোদয়ে জিলা শিক্ষা বিষয়াৰ পৰা সেইটো তেখেতসকলৰ কাৰণ লওঁক যে তোমালোকে এনেকৈ জধে মধে কিয় কৰিছা। এইটো ল'ব লাগে আৰু সেই বিলাক amalgamation ৰ নিৰ্দ্দেশ বাতিল হ'ব লাগে। তেওঁলোকক স্বতন্ত্ৰভাবে আগৰ দৰে পাঠদান কৰাৰ সুবিধা দিব লাগে আৰু এটা কথা চাব লাগে কিছুমান ঠাইত এনেকুৱা হ'ল ভৌগলিক ভাবে ২-৩ কিঃ মিঃ দূৰৰ স্কুল amalgamate কৰি দিয়া হ'ল। হয়তো মাজত নদী আছে, এনেয়ে যদি নদীৰ মাজেদি যাব পৰা যায়, দূৰত্ব ১ কিঃ মিঃ হ'ব কিন্তু যিফালে ঘুৰি আহিব লাগে তাত ৩ কিঃ মিঃ ৰৰ ওপৰ হৈ যায়। গতিকে ১ কি- মিঃ ৰ বাহিৰত থকা কোনো বিদ্যালয় amalgamation কৰিব নালাগে বুলি criteria ত আছে। কিন্তু বাস্তৱত দেখা পাওঁ ২-৩ কিঃ মিঃ দূৰৰো স্কুল ল'গ লগাই দিলে। গতিকে তাৰ লগতে আৰু এটা কথা আমি দেখিছো, কিছুমান হেবিটেশ্যন য'ত দেখা গ'ল খুব নিৰক্ষৰ মানুহ পিছপৰা এলেকা তাত স্কুলখন কৰা হৈছিল, এই ল'ৰা-ছোৱালীখিনিক শিক্ষিত কৰাৰ কাৰণে। এই স্কুলখন amalgamation কৰি এক ডেৰ কিঃমিঃ দূৰত লৈ যোৱা হ'ল ইয়াৰ ল'ৰা-ছোৱালীখিনি বঞ্চিত হৈ থাকিব। এই ল'ৰা-ছোৱালীখিনি তাত নাযায়। গতিকে এনেকুৱা কেৱল বিদ্যালয়ৰ সংখ্যা কমোৱাটোত গুৰুত্ব নিদি এই কথাখিনি চালি জাৰি চাই কিছুমান ক্ষেত্ৰত আগৰ amalgamation ৰ অৰ্ডাৰটো কেঞ্চেল কৰি হলেওঁ য'ত ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰব্লেম হৈছে সেইটো ব্যৱস্থা কৰা হয়। কৰাৰ লগে লগে যদি কৰা হয় এই criteria বিলাক ভালকৈ চালি জাৰি চাই নতুনকৈ আৰোপ কৰা হওঁক আমাৰ আপত্তি নাই। কিন্তু যধে মধে কৰাখিনি বাতিল হ'ব লাগে, ইয়াৰ পৰ্য্যালোচনা হ'ব লাগে। শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন(মাননীয় সভাপতি) ঃ** এতিয়া মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰীক প্ৰস্তাৱটোৰ ওপৰত উত্তৰ প্ৰদান কৰিবলৈ অনুৰোধ কৰা হ'ল।

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় সভাপতি মহোদয় বিদ্যালয় একত্ৰীকৰণৰ সন্দৰ্ভত মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে, এই কথাখিনি বাস্তৱৰ ওপৰত আধাৰিত কথা নহয়। বিদ্যালয় শিক্ষা বিভাগে যেনেকৈ বিদ্যালয় amalgamation কৰিছে ঠিক একে ধৰণে De-amalgamation কৰিছে। সেই কথাটো সদনে জানিব লাগে। আমি amalgamation ও কৰিছো De- amalgamation ও কৰিছো। মাননীয় সভাপতি মহোদয়ে ২০২১ চনত যেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ল, সেই প্ৰাদেশীকৃত প্ৰত্যেকখন বিদ্যালয়কে একোখন একোখন based school ত দিয়া হৈছিল যাতে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰী সকল based school খনলৈ যাব। কিন্তু পৰৱৰ্তী পৰ্য্যায়ত আমি বহুত আবেদন পালো আৰু নিজেও দেখিলো যে বহু বিদ্যালয়ত যথেষ্টসংখ্যক ছাত্ৰ-ছাত্ৰী আছে আৰু আন্তঃগাঁথনিও ভাল। গতিকে তেওঁলোক অন্য

এখন বিদ্যালয়লৈ যোৱাৰ প্ৰয়োজন নাই। এতেকে আইনৰ আধাৰৰ ভিতৰতে যি self based school concept আছিল অৰ্থাৎ যদিও ২০২১ চনত প্ৰাদেশীকৃত হৈছে, সেই বিদ্যালয়খনৰ Udise টো remove নহয়। সেই একেটা Udise ত সেই বিদ্যালয়খনক self based school হিচাপে বাহাল ৰখাৰ সিদ্ধান্ত শিক্ষাবিভাগে কৰিছে। বিদ্যালয় একত্ৰীকৰণৰ ক্ষেত্ৰত দুটা কথাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। আৰু দুয়োটা ইটো সিটোৰ লগত সম্পৰ্কীত। এটা হ'ল দূৰত্ব আৰু আনটো হ'ল enrollment যদি প্ৰয়োজনীয় minimum sustainable enrollment বিদ্যালয়খনত আছে, তেনেহলে ১ কিঃ মিঃ দূৰত্বৰ ভিতৰত হওঁক বা ৰাস্তাৰ ইপাৰে সিপাৰেই হওঁক দুখন বা একাধিক বিদ্যালয় বৰ্ত্তি থাকিব পাৰে তাত কোনো আপত্তি নাই। কিন্তু যেতিয়া sustainable enrollment নাই তেতিয়াহে এই কথাটো চোৱা যায় যে বিদ্যালয়খনত কম ছাত্ৰ-ছাত্ৰী আছে। তেতিয়াহলে এই কথাটো চোৱা যায় যে ওচৰতে কিবা বিদ্যালয় আছে নেকি? আৰু এই ওচৰতে বুলি কওঁতে তাৰো এটা মাপকাঠি আছে। এল পি স্কুল হ'লে ১ কিঃ মি- এম ই স্কুল হ'লে ৩ কিঃ মিঃ আৰু হাই স্কুল হ'লে ৫ কিঃ মিঃ সেই দূৰত্বৰ ভিতৰত কোনোবা যদি বিদ্যালয় আছে, তাৰ লগত amalgamation কৰা হয়। এতিয়া মই পবিত্ৰ সদনক জনাব বিচাৰো, আজি মই প্ৰাথমিক খণ্ডৰ যদি উদাহৰণ দিওঁ তেনেহ'লে প্ৰাৰ্থমিক খণ্ডত ১১২৭২ খন বিদ্যালয় আছে। যি বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩০ ত কৈ কম। ইয়াত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১ৰ পৰা ৩০ লৈ থকা বিদ্যালয়ৰ সংখ্যা হ'ল ১১২৭২ খন। এতিয়া এই যিটো ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, এই ছাত্ৰ-ছাত্ৰীৰ সংখ্যাটো কৈছো এইটো sustainable নহয়। আৰু sustainable নহয় কাৰণে কাষৰ এখন বিদ্যালয়ৰ লগত আমি amalgamate কৰাৰ কথা কৈছো। কিন্তু যদি দূৰত্বটো ১ কিঃ মিঃ ৰ বেছি হয়, তেনেহ'লে এই কম ছাত্ৰ-ছাত্ৰী থাকিলেওঁ বিদ্যালয়খনক বৰ্তাই ৰখাৰ দায়িত্ব শিক্ষা বিভাগৰ আছে। যদি আনখন বিদ্যালয়ৰ লগত geographical barriers আছে, এখন নদী পাৰ হৈ যাব লাগে এখন পাহাৰ পাৰ হৈ যাব লাগে তেতিয়া হলেও ছাত্ৰ - ছাত্ৰী কম থকা স্বত্তেও সেই বিদ্যালয়খনক আমি বৰ্তাই ৰাখিব লাগে। এতিয়া যদি আমি হাই স্কুললৈ আহো সকলোৱে কয়, বিদ্যালয়ত শ্ৰেণী অনুযায়ী শিক্ষক হ'ব লাগে। অৰ্থাৎ যদি এল পি স্কুলত ৫ টা শ্ৰেণী থাকে ৫ জন শিক্ষক দিব লাগে। এতিয়া ৫ জন শিক্ষক দিব লাগে কিন্তু আমি তাৰ লগতে কৈছো সেই অনুপাতে ছাত্ৰ-ছাত্ৰীও থাকিব লাগিব। যদি প্ৰত্যেকটো শ্ৰেণীত কমকৈ হলেও ১০ জন ছাত্ৰ নাথাকে তেনেহ'লে ৫ জন শিক্ষক দিয়াটো সম্ভৱপৰ কথা নহয়। একেধৰণে যদি এখন হাইস্কুল বা উচ্চতৰ মাধ্যমিক হয়, তাত কেইটা ক্লাছ আছে, class ix, x নে class vi ৰ পৰা class x লৈকে আছে সেইটো নাচাইও আমি ক'ব পাৰো যে হাই স্কুলত class ix, x ত elective subject টো বাদ দিলেও তাত ৫ টা বিষয় থাকে। গতিকে ৫ টা বিষয়ৰ ৫ জন শিক্ষক দিবই লাগিব লগতে প্ৰধান শিক্ষক দিবই লাগিব। মুঠতে ৬ জন শিক্ষক দিবই লাগিব। PTR মই কিমান মেইনটেইন কৰিম। আটাইতকৈ যদি মই standard PTRত যাওঁ ৪০ঃ১ হাইস্কুলৰ কাৰণে। এইটো ভাৰত চৰকাৰে standard নিৰ্দ্ধাৰিণ কৰি দিছে। মই যদি minimum ত আহো তেতিয়াহ'লে 20ঃ1. 20ঃ1হ'ব লাগে তেনেহ'লে minimum মই পাঁচজন শিক্ষক দিব লাগিব আৰু তাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১২৫ হ'বই লাগিব। ১২৫ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা হাইস্কুল সমূহ sustainable High School নহয় আৰু সেইকাৰণে তাত amalgamation ৰ প্ৰপোজেল দিয়া হৈছে যাতে প্ৰতিটো ক্লাচৰ কাৰণে আৰু প্ৰতিটো বিষয়ৰ কাৰণে আমি যাতে শিক্ষক দিব পাৰো তাৰ কাৰণেহে amalgamation ৰ প্ৰস্তাৱ ৰখা হৈছে। কোনোবা জিলাত কোনোবাই যদি প্ৰস্তাৱ

দিছে যে অধিক সংখ্যক ছাত্ৰ-ছাত্ৰী আছে অৰ্থাৎ sustainable numbers of enrollment আছে, good infrastructure আছে, তাৰপিছতো যদি কোনোবাই উদ্দেশ্য প্ৰণোদিত ভাৱেই হওঁক, ভুল কৰিয়েই হওঁক কোনো প্ৰপোজেল দিছে মোলৈ এটা whatsapp msg মাননীয় বিধায়ক গৰকীয়ে পঠাই দিলে তৎ মূহুৰ্ত্তত তাক শুধৰণিৰ ব্যৱস্থা কৰিম। কোনো দৰ্খাস্ত নালাগে। কাৰণ আপুনি মেছেজটো দিয়াৰ লগে লগে সকলো বিলাক তথ্য আমি চেক কৰি ল'ম। কাৰণ আমি এতিয়া বিদ্যালয় শিক্ষা বিভাগটোক এটা technology ৰ সহায়ত মেনেজমেণ্টৰ ব্যৱস্থা গঢ়ি তুলিছো। আমাৰ শিক্ষা সেতু আছে, UDIS আছে য'ত আমাৰ enrollment আৰু শিক্ষক সম্পৰ্কীয় ডাটা আছে। আমি শেহতীয়াকৈ Assam State Space Application Centre ৰ লগত যোগাযোগ কৰিছো। তেওঁলোকে GPS location চাই কাষত আৰু বিদ্যালয় আছেনে নাই আৰু যদি আছে কোন বিদ্যালয় আছে সকলোখিনি তথ্য আমাক একেদিনাই দি দিয়ে। গতিকে আপুনি মোক বিদ্যালয়খনৰ নামটো দিয়াৰ লগে লগে তাৰ GPS location আমি গম পাম আৰু তাক locate কৰি সেই বিদ্যালয়ৰ কাষত আৰু কি বিদ্যালয় আছে, বিদ্যালয়ত কিমান ছাত্ৰ-ছাত্ৰী আছে, কিমান শিক্ষক আছে এই তথ্যখিনি উলিয়াই আমি সিদ্ধান্তটো খৰতকীয়াকৈ ল'ব পাৰো। মই পুনৰবাৰ মাননীয় বিধায়ক গৰাকীক অনুৰোধ জনাইছো তেখেতৰ সমষ্টিত যদি আছে নিৰ্দিষ্ট নাম ঠিকনা সহ বিদ্যালয়ৰ তালিকাখন মোলৈ whatsapp কৰি দিলে আমি ব্যৱস্থা গ্ৰহণ কৰিম। মই পুনৰ কৈছো amalgamation ও হৈছে, De-amalgamation ও হৈছে। Sustainable numbers of student যদি আছে, প্ৰয়োজনীয় আন্তঃগাথনি যদি আছে তেনেহ'লে ওচৰা-ওচৰিকৈ থকা দুখন বিদ্যালয় থাকিব পাৰে, দুয়োখনক একেলগ কৰিব লাগিব বুলি আমাৰ কোনো প্ৰয়াস নাই। ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন(মাননীয় সভাপতি) ঃ** এতিয়া মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ আৰু আমিনুল ইছলাম ডাঙৰীয়া, আপোনালোকৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে যিখিনি কথা ক'লে তেখেতে যথেষ্ঠ পজিটিভলি কথাখিনি লৈছে আৰু যিটো চীষ্টেমৰ কথা কৈছে আমি ভাবো এইটো চীষ্টেমত যদি আমি অভিযোগ পাওঁ সেই কথাখিনি আমি তেখেতক জনাম। তেখেতে পৰীক্ষা কৰি কথাখিনিৰ যথাৰ্থতা চাই সিদ্ধান্তটো সলনি কৰিব লগীয়া কৰিব বা amalgation কৰিছে De-amalgamation ও কৰিছে, হয়তো আগলৈও কৰিব। যিখিনি কথা কৈছে মই তেখেতৰ এই কথাখিনিত আশ্বস্ত হৈ আমি সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**শ্ৰী ৰকিবুল হুছেইন (মাননীয় সভাপতি) ঃ** এতিয়া সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া মূল প্ৰস্তাৱটোলৈ আহো। প্ৰস্তাৱটো হ'ল মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ আৰু আমিনুল ইছলাম ডাঙৰীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৱটো গৃহীত কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক 'হয়'

যিসকল সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'নহয়' সপক্ষে, 'নহয়' সপক্ষে, 'নহয়' সপক্ষে

সংকল্প প্ৰস্তাৱটো নাকচ কৰা হ'ল।

এতিয়া আছে Rule 130(A). কাৰ্য্যসূচী নং ৬।

যোৱা ইংৰাজী ১০ আগষ্ট, ২০২১ তাৰিখে বেচৰকাৰী সদস্য কাৰ্যসূচীত বিশেষ প্ৰস্তাৱ

এটা মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদৰ নামত আছিল। উক্ত বিশেষ প্ৰস্তাৱৰ প্ৰস্তাৱক শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই ইয়াৰ ওপৰত বক্তব্য আগবঢ়াইছিল আৰু উক্ত বক্তব্য সামৰণি মাৰিছিল। যোৱা হ্ইংৰাজী ১৩ আগষ্ট, ২০২১ তাৰিখে বিষয়টো পুনৰ সদনত উত্থাপিত হয় যদিও মাননীয় অধ্যক্ষ ডাঙৰীয়াই সদনৰ সন্মতি সাপেক্ষে বিষয়টো স্থগিত ৰাখে আৰু পৰৱৰ্ত্তী অধিবেশনত আলোচনাৰ বাবে ঘোষণা কৰে। কিন্তু যোৱা ইংৰাজী ১৯ নৱেম্বৰ, ২০২১ তাৰিখে অনুষ্ঠিত হোৱা সৰ্বদলীয় সভাত বিষয়টো পুনৰ পৰৱৰ্তী অধিবেশনত আলোচনাৰ বাবে সিদ্ধান্ত লোৱা হয়। যোৱা বাজেট অধিবেশন ২০২৩ চনত বিষয়টো লোৱা হৈছিল যদিও সময়ৰ অভাৱত আলোচনা হোৱা নাছিল। আজি বিষয়টো পুনৰ আলোচনাৰ বাবে লোৱা হয়। এতিয়া অইন কোনো মাননীয় সদস্যই উক্ত বিশেষ প্ৰস্তাৱটোৰ ওপৰত বক্তব্য ৰাখিব বিচাৰিলে তেওঁলোকে বক্তব্য ৰাখিব পাৰে।

যদি নাই তেতিয়াহ'লে এই প্ৰস্তাৱটো বাতিল হ'ল। প্ৰস্তাৱটো আৰু পুনৰাই আলোচনা নহয়।

এতিয়া under Rule 131 কাৰ্য্যসূচী নং ৭(ক)। প্ৰথমটো প্ৰস্তাৱ মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত আছে। তেখেতে প্ৰস্তাৱটো সদনত উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

(Hon'ble Deputy Speaker on the Chair)

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Rule 131ৰ অধীনত মই এই প্ৰস্তাৱটো উত্থাপন কৰিলো। অসমৰ ১৮ খন জিলাৰ ৩.৭ লাখ হেক্টৰ ভূমিত বিশ্বৰ বিভিন্ন দেশত নিষিদ্ধ কৰা oil palm ৰ খেতি কৰাৰ বাবে অসম চৰকাৰে উদ্যোগ গ্ৰহণ কৰিছে। বিষয়টোৰ সন্দৰ্ভত অসমৰ বাতৰি কাকত সমূহত আৰু অন্যান্য সংবাদ মাধ্যমবোৰত শেহতীয়াকৈ অনেক বাতৰি প্ৰকাশ পাইছে। বিভিন্ন দল-সংগঠনেও oil palm ৰ গছৰ খেতিৰ তীব্ৰ বিৰোধিতা কৰিছে। বিশেষজ্ঞ সকলৰ উদ্ধৃতিৰে সংবাদ মাধ্যম আৰু দল-সংগঠন সমূহৰ নেতৃ বৰ্গই দাবী কৰিছে যে oil palm ৰ খেতি কৰিলে পৰিবেশৰ বিস্তৰ ক্ষতি হয়। এজোপা oil palm গছে ভূগৰ্ভৰ পৰা অতিমাত্ৰা পানী আহৰণ কৰে যাৰ ফলত ভূগৰ্ভত পানীৰ স্তৰ নিম্নগামী হয়। বিস্তৃত অঞ্চলত oil palm ৰ খেতি কৰিলে অঞ্চলটোত মৰুভূমি সদৃশ পৰিবেশৰ সৃষ্টি হয়। সেইবাবে বিশ্বৰ বিভিন্ন অঞ্চলত oil palm ৰ খেতি নিষিদ্ধ কৰা হৈছে। তদুপৰি oil palm ৰ খেতি কৰা কৃষকৰ আৰ্জিত উপাৰ্জনো প্ৰচাৰ কৰাৰ দৰে ভাল নহয়। অসমৰ বিস্তীৰ্ণ অঞ্চল চাহ খেতিৰ কাৰণে কোম্পানীৰ হাতলৈ যোৱাৰ পিছত এতিয়া বহিৰাগত কোম্পানীক পুনৰ বৃহৎ ভূমি গোটাৰাটো অসমবাসীয়ে সহজভাৱে গ্ৰহণ কৰা নাই। ভূমিহীন কৃষকক ভূমি প্ৰদানৰ বাবে চৰকাৰৰ ভূমিৰ অভাৱ। অথচ কোম্পানীক দিবলৈ ভূমিৰ অভাৱ নহয়। এনেস্থলত বহিৰাগত কোম্পানীৰ উদ্যোগত অসমৰ বৃহৎ অঞ্চলত oil palm ৰ খেতি কৰি অসমৰ সামগ্ৰিক স্বাৰ্থৰ পৰিপন্থী। অসমত এনে পৰিবেশ বিনষ্টকাৰী আৰু অসমৰ কৃষকক আৰ্থিক স্বাৰ্থ পূৰণ নকৰা oil palm ৰ খেতিৰ বাবে বৃহৎ বৃহৎ বহিৰাগত প্ৰতিষ্ঠান বা কোম্পানীক অসমৰ ভূমি প্ৰদান কৰা প্ৰক্ৰিয়াটো বন্ধ কৰাৰ বাবে আৰু oil palm ৰ খেতি বন্ধ কৰাৰ বাবে অসম বিধান সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক। এই বিষয়টোৰ সন্দৰ্ভত মোৰ ক'বলগীয়া খিনি ক'বলৈ আৰম্ভ কৰিছো যে মাননীয় উপাধ্যক্ষ ডাঙৰীয়া মই ইয়াত বেছি দীঘলীয়াকৈ নকওঁ। কিন্তু দুটা বা তিনিটা গুৰুত্বপূৰ্ণ তথ্য মই আপোনালোকৰ আগত দাঙি ধৰিবলৈ বিচাৰিছো। এইটো হ'ল যে Cambridge University Press ৰ

এখন ৰিৰ্চাচ পেপাৰৰ synopsis টো মই  আপোনালোকক ক'ব খুজিছো। য'ত V.K. Kar নামৰ প্ৰফেচাৰ জনে কৈছিল যে আঁচলতে oil palm ৰ খেতি কৰিলে সাংঘাটিক ধৰণে পানীৰ শোষণ কৰে। তেখেতে দেখুৱাইছে যে এজোপা গছে এটা দিনত মাটিৰ পৰা ২৮০ ৰ পৰা ৩৫০ লিটাৰ পানী আহৰণ কৰে। আন এখন পেপাৰত দেখুওৱা হৈছে, সেই পেপাৰ খন হৈছে পৃথিবীৰ আটাইতকৈ বিখ্যাত বৈজ্ঞানিকৰ পেপাৰ নেচা, এই নেচা নামৰ পেপাৰ খনত oil palm cultivation can be expanded wel spearing bio diversity in India বুলি উনিছ শ্ৰীনিবাস এটঅল আৰু কেইবাজনো আছে, তেখেতসকলে দিয়া গৱেষণা পত্ৰ দেখুৱাইছে যে ধান খেতি কৰিবৰ বাবে বছৰত এবাৰ খেতি কৰিবৰ কাৰণে ৮.২৩ মেগা লিটাৰ প্ৰতি হেক্টৰ মাটিত প্ৰতি বছৰে পানীৰ প্ৰয়োজন হয়। সেই সময়ত palm খেতি কৰিবৰ কাৰণে ১৯.১৬ মেগা লিটাৰ প্ৰতি হেক্টৰ মাটিত প্ৰতি বছৰে  পানীৰ প্ৰয়োজন হয়। সেই কাৰণে বৰষুণে যিটো পানী দিয়ে, palm খেতিৰ বাবে পানীৰ ৩০ শতাংশহে আচলতে চাহিদা পুৰণ কৰে বাকী ৭০ শতাংশ irrigation কৰিব লগীয়া হয়। যাৰ ফলস্বৰূপে তাত Deep Tube well ও ব্যৱহাৰ কৰিবলগীয়া হয়। সেই কাৰণে বহুতেতে দেখা গৈছে, যিবিলাক ঠাইত palm খেতি কৰা হৈছে, মিজোৰাম palm খেতিৰ কাৰণে বিখ্যাত, এতিয়া সেই অঞ্চল বিলাকত এতিয়া পানীৰ অভাৱবিলাকে দেখা দিছে। আমাৰ গোৱালপাৰা জিলাৰ আগিয়াৰ ৰামপুৰৰ palm খেতি কৰা ৰাইজে ৫০০ জোপা পাণ গছ কাটি দিছে। তাৰ দুটা কাৰণ- এটা হ'ল যে palm খেতিৰ বাবে ইমান পানী লাগে, তাৰ তলত একো খেতি নহয়। palm গছ বাৰ ফুটৰ অন্তৰে অন্তৰে ৰোৱ লাগে। সেই অঞ্চল বিলাকত আগতে বোক আছিল, palm খেতিৰ ফলত এতিয়া বালি পৰি গৈছে। যাৰ ফলস্বৰূপে কৃষকৰ মাজত এটা panic situation ৰ সৃষ্টি হৈছে। আৰু সেই কৃষক বিলাকে তাৰে গুটি বিক্ৰী কৰি (মোৰ লগত থকা তথ্য মতে) পাৰ কেজিত ৬ টকাকৈহে পায়। যাৰ ফলস্বৰূপে তেওঁলোকৰ খেতিটোৰ পৰা কোনো ধৰণৰ লাভ হোৱা নাই। লাভ নোহোৱাৰ ফলত palm জোপা উঘালি দিয়াৰ বাবে তেওঁলোকক JCB ৰ প্ৰয়োজন হয়। এই sceintific পেপাৰ বিলাকত গোটেই কথা বিলাক লিখা আছে যে এইটোক এটা biological deserve বুলি কোৱা হয়। সেই কাৰণে palm খেতি পৃথিৱীৰ বিভিন্ন ঠাইত লাহে লাহে বন্ধ কৰি আনিছে। কিন্তু আমি সকলোৱে জানো যে পৃথিৱীৰ ভিতৰতে আটাইতকৈ বেছি palm খেতিৰ পৰা তৈয়াৰ কৰা যি তেল, সেইটো ভাৰততে বেছি ব্যৱহাৰ কৰে। ভাৰতে যিমান ব্যৱহাৰ কৰে, তাৰ কেৱল ২ শতাংশহে নিজে উৎপাদন কৰে বাকী ৯৮ শতাংশ বাহিৰৰ পৰা আমদানি কৰি আনিব লগীয়া হয়। গতিকে এতিয়া palm খেতিত গুৰুত্ব দিয়া হৈছে। palm খেতিত গুৰুত্ব দিবলৈ যাওঁতে অসমত চৰকাৰৰ পৰা দেখিছো যে Govt of India has identified 3.75 lakh hactor as potential area for oil palm cultivation in Assam। ইয়াৰ কাৰণে ৩.৭৫ লাখ হেক্টৰ মাটি চিনাক্ত কৰণ কৰি লৈছে। তাৰ কাৰণে TF company পতঞ্জলী ফুট নামৰ ৰামদেৱৰ এটা কোম্পানী আৰু KE Cultivation, Godraj Agrovate এই কোম্পানি বিলাকক এই মাটি বিলাক দিব খোজা হৈছে।

মই শেষত এটাই কথা কওঁ, এতিয়া কোৱা হৈছে যে west land ত palm খেতি কৰিম। আমি সকলোৱে জানে যে অসমৰ চাহ বাগিছা বিলাক কৰিম বুলি কৈ বৃটিছ চাহ কোম্পানী বিলাকক বিশেষ ভাৱে East India Company ক ১৮৩৮ চনত ১৩,৬২৩ হেক্টৰ মাটি west land grant rule ৰ অধীনত মাটি প্ৰদান কৰা হৈছিল, তাৰ পৰবৰ্তী সময়ত অসমৰ বেছি ভাগ

ওখ মাটি চাহ খেতিৰ বাবে প্ৰদান কৰা হ'ল। এতিয়া ওখ মাটিতহে এই palm খেতিটো হয়, আকৌ যদি ওখ মাটি বিলাক এনেকৈ west land দিব লগীয়া হয়, আকৌ এইটো এটা mono-culture কাৰণে দিয়া হয়, যিধৰণৰ culture য়ে আমাৰ under ground water নাইকিয়া কৰি পেলাব। যি মনোকাল'চাৰে আমাৰ bio-diversity য়ে বিপদত নেপেলাব তাৰ লগতে লোকেল total eco system টো ধ্বংস কৰিব, সেই মনোকালচাৰটোক আমি কেতিয়াও উৎসাহিত কৰা উচিত নহয় আৰু সেই খেতিৰ পৰা খেতিয়ক বিলাকে বৰ বেছি লাভৱানো নহয়, এইটোও এতিয়া প্ৰমানিত হৈছে। গতিকে মই আশা কৰো আজি বিধান সভাত এটা প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব, যে এনেকৈ আমাৰ অসমৰ ৩ লাখ ৭৫ হাজাৰ হেক্টৰ ওখ মাটিত যি palm খেতি কৰিব খোজা হৈছে, সেইটো বন্ধ কৰা হওঁক আৰু অসমৰ এই ভূমিত অসমৰ থলুৱা মানুহে যাতে বিভিন্ন ধৰণৰ খেতি কৰিব পাৰে, তাৰ বাবে এই মাটি সংৰক্ষণ কৰো আহক, ইয়াৰ অসমৰ সমৃদ্ধিৰ কাৰণে ব্যৱহাৰ কৰো আহক, এই প্ৰস্তাৱটো দাঙি ধৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি কংগ্ৰেছে সুকীয়াকৈ Rules & Procedure ৰ Rule 50 ৰ under ত এইটো আনিছিলো। আখিল গগৈ ডাঙৰীয়াই Rule 131 ত আনিছে। কিন্তু বিষয় বস্তু একেটা, সেই কাৰণে কবলৈ ওলাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মই জনা মতে ২০২১ চনৰ মে মাহত পতঞ্জলী আৰু অসমৰ চৰকাৰৰ মাজত এক চুক্তি পত্ৰ স্বাক্ষৰ কৰিছিল। যোৱা ২ আগষ্ট তাৰিখে পতঞ্জলীৰ ৰামদেৱৰ উপস্থিতিত মাননীয় মুখ্যমন্ত্ৰী আৰু কৃষি মন্ত্ৰীয়ে তিনিচুকীয়াত তৈল খেজুৰৰ খেতি ব্যাপক ভাৱে আৰম্ভ কৰিবৰ কাৰণে সভা কৰি ঘোষণা কৰে। সেই মিটিঙখনত মাননীয় মুখ্যমন্ত্ৰীয়ে যিবোৰ বক্তব্য ৰাখিলে আৰু কৃষি মন্ত্ৰীয়ে যিখিনি বক্তব্য ৰাখিছিলে, সেইটো গ্ৰহণযোগ্য নহয়। মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছিলে তাত তৈল খেজুৰৰ গছৰ কাৰণে ২৫০ লিটাৰ বা ৩০০ লিটাৰ পানী লাগে বুলি কোৱা কথাটো এটা ধাৰণাহে, ইয়াৰ কোনো scientific value নাই।

দ্বিতীয়তে, মাননীয় মুখ্যমন্ত্ৰীয়ে কলে যে তৈল খেজুৰৰ খেতিটো চাহ বাগিছাতকৈ বেছি লাভদায়ক।

মাননীয় কৃষি মন্ত্ৰীয়ে press conference ত কৈছে যে ৪০ বছৰ গৱেষণা কৰাৰ পিছতহে তৈল খেজুৰৰ খেতিটো অসমত কৰিবলৈ আৰম্ভ কৰিছো। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসমত আমি গম পোৱা মতে ১৮ খন জিলাত ৩ লাখ ৭৫ হাজাৰ হেক্টৰ মাটিত এই খেতি হ'ব। পতঞ্জলী ৰামদেৱে এই খেতিটো কৰিবলৈ আহিছে, তাৰ মূলত কাৰণ হ'ল, কেন্দ্ৰীয় চৰকাৰৰ centrally sponsor scheme ৰ ১১,০৪০ কোটি টকাৰ যিটো আঁচনি লৈছে, তৈল খেজুৰৰ খেতি কৰিব। তাৰ কাৰণে তেওঁলোকে ভাৰতবৰ্ষত দুটা ঠাই select কৰিছে, North Easter Region & Andaman & Nicobar দ্বীপপুঞ্জ। সেই আঁচনিটোৰ অধীনতে তেওঁলোকে এই খেতিটো ইয়াতে কৰিবলৈ আহিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় প্ৰধান মন্ত্ৰীক আমাৰ দেশৰ ১১৭ জন বৈজ্ঞানীকে চিঠি দিছে যে তৈল খেজুৰৰ খেতিটো আমাৰ ভাৰতবৰ্ষৰ কাৰণে উপযুক্ত নহয়। আমাৰ কংগ্ৰেছ দলৰো তিনিজন সাংসদ গৌৰৱ গগৈ, আব্দুল খালেক আৰু প্ৰদ্যুৎ বৰদলৈ, তেওঁলোকেও প্ৰধান মন্ত্ৰীক চিঠি দিছে যে তৈল খেজুৰৰ খেতিটো কৰিব নালাগে। কিন্তু ইয়াৰ আগতে আমাৰ অসমত

বিশেষকৈ গোৱালপাৰা, কামৰূপ আৰু বঙাইগাওত তৈল খেজুৰৰ খেতি অন্ধ্রপ্রদেশৰ এন জি অ'ৰ সহায়ত পৰীক্ষামূলক ভাবে কৰি আছিল । চৰকাৰে ব্যাপকভাৱে এই খেতি আৰম্ভ কৰাৰ আগতে বঙাইগাঁও, গোৱালপাৰা আৰু দক্ষিন কামৰূপত তৈল খেজুৰৰ ফলাফলটো পৰীক্ষা কৰি চাব লাগিছিল। ১১৭ জন বিজ্ঞানীয়ে এই খেতি অসমত উপযোগী নহয় বুলি যে লিখিছে তাৰ কাৰণ আছে । কাৰণটো হ'ল এই তৈল খেজুৰৰ খেতি বিষুৱ ৰেখাৰ দহ ডিগ্ৰী উত্তৰ আৰু দক্ষিনতহে উপযোগী হয় । উত্তৰ পূৰ্বাঞ্চল বিষুৱ ৰেখাৰ পৰা ২৩. ৯ ডিগ্ৰী আৰু ২৮.৮ ডিগ্ৰীত উত্তৰত আছে । এই খেতিক ইংৰাজীত ট্ৰপিকেল অৰ্থাৎ ক্ৰান্তীয় শস্য বুলি কোৱা হয় । এই ক্ৰান্তীয় শস্য উত্তৰ পূৰ্বাঞ্চলৰ বাবে প্ৰাকৃতিক খেতি নহয়, ই হৈছে আমদানিকৃত শস্য । আমাৰ অসমৰ পৰিৱেশত এই খেতি উপযোগী নহয় । ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ এটা তৈলপাম গৱেষণা কেন্দ্ৰৰ শাখা আছে । তেওঁলোকে গৱেষণা কৰি ভাৰত চৰকাৰক এটা সতৰ্ক বাণী দিছিল কিন্তু কেন্দ্ৰীয় চৰকাৰে এই সতৰ্কবাণী শুনা নাই । ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ তৈলপাম গৱেষণা কেন্দ্ৰৰ যিটো ৰিপোৰ্ট সেইটো ভাৰত চৰকাৰে কোনো গুৰুত্ব দিয়া নাই । আমাৰ ইয়াত নৰ্থ-ইষ্টাৰ্ণ স্পেচ এপ্লিকেশ্যন চেন্টাৰ তেওঁলোকেও সতৰ্কবাণী কৰিছে যে তৈল খেজুৰৰ খেতি কৰিলে জলস্তৰৰ পানী শুকাই যাব, মাটিৰ গুনাগুন নষ্ট হ'ব। অল মিজোৰাম ফাৰ্মাৰ্চ্ ইউনিয়নে দৈনিক এইটো মিজোৰামৰ মুখ্যমন্ত্ৰীক বিৰোধীতা কৰিছে যে এই খেতিটো মিজোৰামত কৰিব নালাগে । নৰ্থ-ইষ্টাৰ্ণ ফাৰ্মাৰ্চ্ ফেডাৰেচনেও এই খেতি সমৰ্থন কৰা নাই । তাৰমানে কৃষি বিশেষজ্ঞ আৰু বৈজ্ঞানিক সকলে তৈল খেজুৰৰ খেতি সমৰ্থন কৰা নাই । আমাৰ ইয়াত যদিও এতিয়া আহিছে, নব্বৈ দশকত নেশ্যনেল মিচন অন্ এডিজিব্ল অইলৰ অনুমোদন মতে অন্ধ্ৰপ্ৰদেশত এই খেতি আৰম্ভ হৈছিল । কিন্তু এতিয়া অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, কেৰেলা, চত্তিশগড়ৰ বহু কৃষকে তৈল খেজুৰৰ গছ উঠাই পেলাইছে । মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াইও এইটো খবৰ কৰিব পাৰে। শ্ৰীলংকা চৰকাৰে তৈল খেজুৰৰ ৰপ্তানীত নিষেধাজ্ঞা জাৰি কৰিছে । অকল এইটোৱে নহয় তৈল খেজুৰৰ খেতি পৃথিৱীৰ আটাইতকৈ য'ত বেছি হয় ইণ্ডোনেছিয়া আৰু মালয়েছিয়া, ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতিয়ে ২০১৮ চনত নতুনকৈ ইণ্ডোনেছিয়াত তৈল খেজুৰৰ খেতি কৰিবলৈ নিষেধাজ্ঞা জাৰি কৰিছে। এতিয়া আমাৰ সন্দেহ হয় যে চাৰিটা কোম্পানীক চৰকাৰে মাটি এলোটমেন্ট দিব ৩ লাখ ৭৫ হাজাৰ হেক্টৰ, বিঘা হিচাপে ২৮৭৫০ বিঘা মাটি। এইটো পিছত গৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ নিচিনা নহ'লেই ভাল। যিবিলাক কোম্পানীক মাটি এলোট কৰা হৈছে, তৈল খেজুৰৰ খেতি কৰিব তেওঁলোকৰ লোকচান নহয়। তেওঁলোকৰ লোকচান নহয় কিয়নো কেন্দ্ৰীয় চৰকাৰে তেওঁলোকক চাব-চিডি দিবৰ কাৰণে প্ৰায় এঘাৰ হাজাৰ চল্লিশ কোটি টকা ৰাখিছে আৰু ইয়াৰ বেনিফিটতো তেওঁলোকে ল'ব। ব্যক্তিগত ভাৱে তেওঁলোকে কোনো পইচা খৰচ নকৰে । পেৰিচ জলবায়ু চুক্তিয়ে মাজতে সদৰি কৰিছে যে আদানি গ্ৰুপে ভাৰতত দহকোটি তৈলখেজুৰৰ গছ ৰোপন কৰিবৰ বাবে সিদ্ধান্ত লৈছে । গতিকে এই দহ কোটি গছ ৰোপনৰ বাবে মাটি ক'ত পাবে কাৰণ ভাৰত চৰকাৰে এই গছ ৰোপন কৰিবৰ কাৰণে মাত্ৰ দুটা ঠাই বাচনি কৰিছে। নৰ্থ-ইষ্টাৰ্ণ ৰিজ'ন আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জ আৰু এই দুটা ঠাইৰ কাৰণে এই টকাখিনি এলোট কৰিছে । সেয়েহে মই চৰকাৰক মই এইটো বিবেচনাৰ কাৰণে অনুৰোধ জনাইছো কাৰণ এই তৈল খেজুৰৰ খেতিয়ে জলস্তৰৰ পানী শুকাই পেলাব, মাটিৰ গুনাগুন নষ্ট কৰিব, বনাঞ্চল তথা বণ্যপ্ৰানীৰ প্ৰতি ভাবুকি আহিব আৰু জৈৱ বৈচিত্ৰ্য ধ্বংস কৰিব । তৈল খেজুৰৰ গছ এজোপাত দুশ পঞ্চাচ ৰ পৰা তিনিশ লিটাৰ পানী লাগে বুলি কৈছে কিন্তু যেতিয়া গছৰ পৰা তেল নিষ্কাশন কৰা হ'ব আৰু নিষ্কাষনৰ বাবে ফেক্টৰী বহাব লাগিব আৰু নিষ্কাষণৰ বাবে বহুত পানীৰ প্ৰয়োজন হয় । তৈল পাম নিষ্কাশনৰ

পিছত ওলোৱা আবৰ্জনাই আশেপাশে থকা গোটেই জলাশয় প্ৰদূষিত কৰিব । এই তেল নিষ্কাশনৰ বাবে যিবিলাক কলঘৰ বহোৱা হ'ব তাত তেতিয়া পাম তেল নিষ্কাশনৰ পৰা ওলোনা আৱৰ্জনাৰ পৰা প্ৰচুৰ গ্ৰীনহাউচ গেছ উৎপন্ন হ'ব । ইয়াৰ পৰা কাৰ্বন-ডাই-অক্সাইড, জলীয়বাষ্প, নাইট্ৰাচ, মিথেন, অক্সাইড আৰু অজ'ন গেছ উৎপন্ন হ'ব যি গোলকীয় উষ্ণতা বৃদ্ধিৰ অন্যতম কাৰক । সেয়েহে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে আপুনি আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই আকৌ এবাৰ এই কথাটো কোম্পানীক মাটি এলোট কৰাৰ আগতে আসাম এগ্ৰিকালচাৰ ইউনিভাৰচিটিৰ লগত আলোচনা কৰক। কটন ইউনিভাৰচিটিৰ প্ৰফেচাৰ সকল, গোটেই খবৰ কাকত বিলাকেও এই খেতিৰ বিৰোধীতা কৰিছে । মাত্ৰ মুখ্যমন্ত্ৰী আৰু কৃষি মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ সপক্ষে কৈছে, বাকী সকলোৱে ইয়াৰ বিপক্ষে কৈছে । এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু এই বিষয়টো লৈ ৰাজনৈতিক দল, বিভিন্ন সংগঠনকে আদি কৰি বহুতো ঋণাত্মক প্ৰচাৰ চলিছে আৰু আজি সদনৰ মজিয়াত মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া আৰু ভৰত নৰহ ডাঙৰীয়াইও এই বিষয়ৰ ওপৰত কৈছে । গতিকে মই দুয়োজনৰে উত্তৰ দিবলৈ আগবাঢ়িছো। ভৰত নৰহ আৰু অখিল গগৈ ডাঙৰীয়াই যিখিনি কথা কৈছে এই কথাখিনি হৈছে যোৱা কেইবাদিনো সংবাদ মাধ্যমত একাংশ লোকে লিখা বা কোৱা কথা । আমিও সন্দেহ প্ৰকাশ কৰিছিলো যে এই কথা বিলাকৰ কিবা বিজ্ঞান সন্মত যুক্তি আছে নে নাই বা বিজ্ঞান ভিত্তিক হয় নে নহয় । যেতিয়া ব্যপক ভাৱে অইল পাম সম্পৰ্কে লিখামেলা আৰম্ভ হ'ল আৰু সংবাদ মাধ্যমত প্ৰকাশ পালে তেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে কলে যে এই বিষয়টো অলপ গভীৰভাৱে অধ্যয়ন কৰিব লাগে আৰু আই চি আৰ আৰু চৰকাৰৰ পৰাও ভালদৰে জানিব লাগে । সেইবাবে যোৱা দিনকেইটাত আমি বিভিন্ন তথ্যৰ আই চি আৰ আৰু বিভিন্নজন বিজ্ঞানীৰ পৰা লৈছো আৰু যিবিলাক বিজ্ঞান ভিত্তিক তথ্য আমাৰ হাতত আহি পৰিছে সেই খিনিকে মই আজি সদনৰ মজিয়াত এই কথাবিলাকৰ কিবা বিজ্ঞানসন্মত যুক্তি আছে নে নাই। ই বিজ্ঞানভিত্তিক হয় নে নহয়। যেতিয়া ব্যাপকভাৱে oil pump সম্পৰ্কত লিখা পঢ়া আৰম্ভ হ'ল সংবাদ মাধ্যমত প্ৰকাশ পালে মাননীয় মুখ্যমন্ত্ৰীয়ে ক'লে এই বিষয়টো গভীৰভাৱে অধ্যয়ণ কৰিব লাগে আৰু ICR ৰ পৰাও জানিব লাগে, চৰকাৰৰ পৰাও ভালকৈ জানিব লাগে। সেইবাবে যোৱা দিনকেইটাত আমি এই সম্পৰ্কে বহুত তথ্য বহুতকেইজন বিজানীৰ পৰা লৈছো, ICR ৰ পৰা লৈছো আৰু মই সেই কথাখিনি যিবিলাক বিজ্ঞানভিত্তিক তথ্য আমাৰ হাতত আহি পৰিছে, মই সেইখি নিকে সদনৰ মজিয়াত উত্তাপন কৰিবলৈ বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি জানে যে, দেশৰ জনসাধাৰণক সম্পূৰ্ণভাৱে স্বয়ংক্ৰিয় কৰি তুলিবলৈ দেশৰ মাননীয় প্ৰধান মন্ত্ৰীয়ে বহুবোৰ ব্যৱস্থাৰ কথা কৈছে এখন আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ কাৰণে সকলোকে কাম কৰি যাবলৈ আহ্বান জনাইছে। দেশৰ Economy, দেশৰ Infrastructiure,Technology base system, Demography আৰু demand ৰ ৫ টা স্তম্ভক ভিত্তি কৰি আমাৰ দেশখনক আত্মনিৰ্ভৰ কৰি তোলাৰ বাবে প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যি অহ্বান জনাইছে। মাননীয় মুখ্যমন্ত্ৰী ডo হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াইও একেধৰণেৰে অসমখনক আত্মনিৰ্ভৰ কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আমি কিছুমান তেল উৎপাদনত আমি আত্মনিৰ্ভৰশীল নহয়। কাৰণ আমাৰ অধিকাংশই বাহিৰৰ পৰা আহে। শতকৰা ৮০ ভাগ তেল বাহিৰৰ পৰাই আহে। আমাৰ দেশখনত প্ৰতি বছৰে ২৫ নিযুত টনতকৈয়ো অধিক পৰিমাণৰ তেল প্ৰয়োজন হয় আৰু এই পৰৰিমাণৰ তেল আমাৰ ইয়াত উৎপাদন নহয়। মাত্ৰ ৪৮

শতাংশহে আমাৰ দেশখনত উৎপাদন হয় আৰু প্ৰতি বছৰে ৩ লাখ মেট্ৰিটন আমাৰ ৰাজ্যখনত খোৱা তেলৰ প্ৰয়োজন। কিন্তু ইয়াৰ বিপৰীতে উৎপাদন হয় মাথো ৬০ হাজাৰ মেট্ৰিটন। আমাৰ rapeseed ৰ পৰা আহে, Masterd ৰ পৰা আহে। আৰু এইবাৰ musterd ত MSP দিয়া হৈছে আৰু ব্যাপক হাৰত Masterd খেতি কৰিবলৈ পৰিকল্পনা কৰা হৈছে আৰু চয়াবিন খেতি কৰিবলৈয়ো পৰিকল্পনা কৰা হৈছে। উল্লেখযোগ্য যে ভাৰতে আমদানি কৰা মুঠ খোৱা তেলৰ ভিতৰত ৫৬ শতাংশই হ'ল pump oil. আজি pump oil হৃদৰোগৰ কাৰণে ক্ষতিকাৰক। কিন্তু আমি যিবোৰ খাই আছো আমি বাহিৰৰ পৰা লৈ যি তেল ব্যৱহাৰ কৰি আছে ইয়াৰ ৫৬ শতাংশই হ'ল pump oil. যদিও এইখিনি কথা প্ৰসাৰ হৈ আছে। মাননীয় উপাধ্যক্ষ মহোদয়, কংগ্ৰেছ চৰকাৰ থাকোতেই আমাৰ ৰাজ্যৰ গোৱালপাৰা জিলাকে ধৰি কেইখনমান জিলাত oil pump cultivation আৰম্ভ হৈছিল। সেইখিনি এইতিয়াও আছে। এই সম্পৰ্কত শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ হাতত যিখিনি তথ্য আছে আৰু মোৰ হাততো তাৰ বিপৰীত কেতবোৰ কিন্তু তথ্য আহি পৰিছে। সেইখিনি মই আপোনাক মোৱাইলত দি দিম আপুনি চাব পাৰিব। খোৱা খোৱা তেলৰ ক্ষেত্ৰত দেশখনৰ এই পৰনিৰ্ভৰশীলতা দূৰ কৰিবৰ কাৰণে ভাৰত চৰকাৰে NNEOOP নামৰ এখন আঁচনি ৰূপায়ণৰ কাম আৰম্ভ কৰিছে আৰু এই আঁচনিখন ২০০১ চনৰ ৫ অক্টোবৰ তাৰিখে গুৱাহাটীত মাননীয় কেন্দ্ৰীয় মন্ত্ৰী নৰেন্দ্ৰ সিং তুমৰ ডাঙৰীয়া, ডোনাৰ মিনিষ্টাৰ শ্ৰী জি. কিষান ৰেড্ডি আৰু ৰাজ্যিক কৃষি মন্ত্ৰী কৈলাশ চৌধুৰী, অৰুণাচলৰ মুখ্যমন্ত্ৰী তমাল খাণ্ডুকে ধৰি বিভিন্ন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত আমাৰ কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যকে ধৰি বিজ্ঞানীসকল উপস্থিত আছিল। উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বিভাগৰ বিষয়া, বিজ্ঞানী সকল উপস্থিত আছিল। সেইটো ৰাইজৰ বাবে মুকলি কৰিছিল আৰু সম্প্ৰতি oil pump উৎপাদনৰ বাবে যিখন আঁচনি হাতত লৈছে এইখন মনিপুৰ, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰাৰ লগতে অন্ধ্ৰপদেশ, চট্টিগড়, গোৱা, গুজৰাট, কৰ্ণাটক, কেৰেলা, উৰিষ্যা, তামিলনাডু, টেলেংগানাত এতিয়াও ৰূপায়ণ হৈ আছে। মাননীয় উপাধ্যক্ষ মহোদয়, স্বাভাৱিকতে আমাৰ মনলৈ অহা প্ৰশ্ন হৈছে তেল উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বিতা অৰ্জনৰ বাবে অকল oil pump ক কিয় গুৰুত্ব দিয়া হৈছে ? ইয়াৰ উত্তৰ হিচাপে আমি জনাব খোজো যে, আমাৰ তেল জাতীয় যিবিলাক শস্য আছে তাৰ ভিতৰত oil pump হৈছে বহুবৰ্ষীয় শস্য। উদাহৰণস্বৰূপে oil pump oil productivity চয়াবিনত কৈ ১০ গুণে বেছি। এটা আকৰ্ষণীয় তথ্যউল্লেখ কৰিব বিচাৰিছো যে, বিশ্বত খোৱাতেল উৎপাদনৰ বাবে ব্যৱহিত কৃষিভূমিৰ ভিতৰত মাথো ৫ শতাংশতহে oil pump ৰ খেতি কৰা হয়। কিন্তু ইয়াৰ বিপৰীতে ইয়াৰ পৰিমাণৰ কৃষিভূমিৰ পৰা বিশ্বৰ মুঠ খোৱা তেলৰ ৩৮ শতাংশ উৎপাদন হয়। বিশ্বৰ ১৯ নিযুত হেক্টৰ কৃষিভূমিত কৰা oil pump খেতিৰ পৰা উৎপাদন হোৱা pump oil ৰ পৰিমাণ হ'ল ৮১ নিযুত টন। কিন্তু ইয়াৰ বিপৰীতে বিশ্বৰ ১৬৩ নিযুত হেক্টৰ কৃষিভূমিত কৰা চয়াবিন আৰু সৰিহয়ৰ খেতিৰ পৰা উৎপাদন হোৱা দুই বিধ তেলৰ মুঠ পৰিমাণ হ'ল ৮৪ নিযুতটন। ইয়ে প্ৰমাণ কৰে যে কিমান কমপৰিমাণৰ কৃষিভুমিৰ পৰা কিমান অধিক পৰিমাণৰ pump oil আমি উৎপাদন কৰিব পাৰো। ভাৰতীয় যি কৃষি গৱেষণা পৰিষদ আছে Indian Council of Agriculture Reachers নামৰ সংস্থাটো হ'ল আমাৰ দেশৰ কৃষি গৱেষণাৰ এটা সৰ্বোৰ্চ্চ সংস্থা। মাননীয় শ্ৰীঅখিল গগৈ ডাঙৰীয়াই কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ কোনো এজন বিজ্ঞানীৰ কথা কৈছে। নেচাৰ কথা তেখেতে কৈছে, reacher paper ত লিখাৰ কথা কৈছে। কিন্তু এই Indian Instutute of Oil Pump Research বা IIOPR এইটো হৈছে মই ইতিমধ্যে কৈ গৈছো Indian

Council of Agriculture Research নামৰ সংস্থাটো আমাৰ দেশৰ গৱেষণাৰ সৰ্বোচ্চ সংস্থা। এই ICR ৰ দিনতে এই ই এটা সংস্থা। Indian Instutute of Oil Pump Research আৰু এই সংস্থাটোৱে বিগত ৪০ বছৰ ধৰি এই সম্পৰ্কত গৱেষণা কৰি আছে আৰু এই সংস্থাটোৰ পৰামৰ্শ মতে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত oil pump ৰ বাবে land চিহ্নিত কৰিছে আৰু সেই হিচাপে অসমত ৩ লাখ ৭৫ হেক্টৰ land চিহ্নিত কৰি উলিয়াইছে। উপযুক্ত বুলি বিবেচনা কৰি আৰু এই পৰামৰ্শৰ ভিত্তিতেই ২০২৫-২৬ বৰ্ষৰ ভিতৰত ২ লাখ হেক্টৰ কৃষিভূমি এই খেতিৰ জড়িয়তে সামৰি লোৱাৰ বাবে অসম চৰকাৰক লক্ষ্য স্থিৰ কৰি দিছে। আমি সদনক জনাব খুজিছো যে অসমত কোনোধৰণৰ ধানখেতি কৰা কৃষিভূমি বা উদ্যান শস্যৰ খেতি কৰা কৃষিভূমিত oil pump কৰা খেতি নহয় আৰু এই খেতিৰ বাবে ৰাজ্যখনৰ cultivable weste land আৰু fallow land চিনাক্ত কৰি উলিওৱা হৈছিল। এই মাটি শ্ৰী নৰহ ডাঙৰীয়াই কৈছে যে ৩ লাখ ৭৫ হেক্টৰ মাটি বহিৰাগতক এনে ধৰণৰ ডাঙৰ ডাঙৰ পুঁজিপতিক ৰাজ্য চৰকাৰে গতাই দিবলৈ চেষ্টা কৰিছে। আমি এক বিন্দুও মাটিও দিয়া নাই। Land টো identify কৰি দিয়া হৈছে। আমি forest land দিয়া নাই। আজি যিবিলাক দেশত বা যিবিলাক ৰাজ্যত শেহতীয়াকৈ প্ৰতিক্ৰিয়া হৈছে, ক'ত হৈছে forest land ধ্বংস কৰি oil pump কৰি খেতি কৰাৰ কাৰণে সেইবিলাকত জৈৱিক দিশত কেতবোৰ প্ৰতিক্ৰিয়া হৈছে। সেইখিনি তথ্যও মই আপোনালোকৰ হাতত দিম। আমি অলপো আমি মাটি দিয়া নাই। কেৱল district বিলাক select কৰি দিছো। District বিলাক আমি idenfy কৰি দিছো আৰু গগৈ ডাঙৰীয়াই কৈছে যে oil pump গছে ভূ-গৰ্ভৰ পৰা,আৰু নৰহ ডাঙৰীয়াই একেই কথা কৈছে যে অতিমাত্ৰা পানী শোষণ কৰিব আৰু এই কথা পেপাৰতো লিখিছে। মইও চাইছিলো। পেপাৰবিলাক এইবিলাকে লিখি আছে। কিছুমান অবিজ্ঞানীয়ে বৈজ্ঞানীক মন্তব্য দিছে। আপুনি দেখিব যে মানুহজন না বিজ্ঞানীক, কিন্তু তেওঁ য'ৰ ত'ৰ পৰা আনি তথ্যভিত্তিত এওঁ এটা লিখিছে, তেওঁ এটা লিখিছে লিখি গোটাই এটা article বনাই তেওঁ অভিজ্ঞ হৈ পৰিছে আৰু এইখিনিকে কৰি আমাৰ উল্টা-চিধা কথা আমাৰ মনতো ক্ৰিয়া কৰিছে বা আমি ৰাইজক তেনেকুৱা কথা কৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, Indian Instutute of Oil Pump Research য়ে আমাক জনোৱা মতে আমি Research ৰ director ক সুধিছিলো যে এনেকুৱা ধৰণৰ প্ৰতিক্ৰিয়া হৈছে আপোনালোকে report টো দিয়ক। মই এইখন হাতে হাতে আপোনালোকক দি দিম। এই report ৰ তথ্য আৰু প্ৰতিটো প্ৰশ্নৰ উত্তৰ তেওঁলোকে research কৰে, গোটেই কথাখিনি জনাইছে। কৈছে যে ২০২৩ চনলৈকে প্ৰায় ৪.৬০ লাখ হেক্টৰ কৃষিভূমিত oil pump খেতি কৰা হৈছে আৰু এই খেতিৰ পৰা সংশ্লিষ্ট অঞ্চল সমূহত জলবায়ু ত কোনো ধৰণৰ নিতীবাচক প্ৰভাৱ নাই। বিগত সময়চোৱাত ক্ৰমবৰ্ধিত উদ্যোগীকৰণ তথা মানুহৰ আধুনিক জীৱন যাত্ৰা, বায়ুমণ্ডলত কাৰ্বনডাইঅক্সাইডৰ পৰিমাণ বৃদ্ধি কৰি মানৱ জীৱনৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছে। কিন্তু যিটো কথা নৰহ ডাঙৰীয়াই কৈ গ'ল যিটো কথা মই ভাবিছিলো হয় নেকি কিন্তু IIOPR ৰ পৰা জানিব পৰা মতে oil pump ৰ খেতি কৰা অঞ্চলত কমেও ২৫ বছৰৰ বাবে সৃষ্টি হোৱা কৃটিম অৰণ্যই আমাৰ বায়ু মণ্ডলৰ পৰা উচ্চ মাত্ৰাত কাৰ্বন শোষণ কৰি পৰিবেশৰ মান উন্নত কৰাত সহায় কৰিছে। এইখিনিতে আমি স্পষ্ট কৰি দিও যে MMEOOP আঁচনিৰ অধীনত কোনো ধৰণৰ বনাঞ্চল ধংশ কৰি oil pump খেতি কৰা ন'হব। এই আঁচনিখনৰ অধীনত অসমে ধৰি অনান্য ৰাজ্য সমূহত চন পৰি থকা কৃষি ভূমিত বা কম মূল্য বিশিষ্ট শস্যৰ কৃষি ভূমিতহে কৰা হ'ব. অসমত প্ৰায় ১০ লাখ হেক্টৰ চন পৰি থকা কৃষি ভূমি আছে। তিৰ বাবে ৰাজ্যখনৰ বনাঞ্চল ধ্বংস

কৰাৰ কোনো প্ৰশ্নই নুঠে আৰু যিহেতু বনাঞ্চল ধ্বংসৰ কোনো সম্ভাৱনা নাই, তেনেক্ষেত্ৰত এই খেতিৰ জৰিয়তে bio-diversity ধ্বংস হোৱাৰ কোনো কথা নাহে। আমি যিটো পদক্ষেপ গ্ৰহণ কৰিছো সেইটো Greater interest ৰ বাবেই লৈছো। কিন্তু মানুহে ভুল বুজিলে ভয় খাব আৰু খেতি নকৰিব। তেওঁলোকক ভয় খুৱাই দিয়া হৈছে। মালেয়েছিয়া আৰু ইণ্ডোনেছিয়াত Oil palm ৰ খেতিয়ে সেই দেশ দুখনৰ জলবায়ু বিৰূপ প্ৰভাৱ পেলাব বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। এই বিষয়ে IIOPI ৰ পৰা জানিব বিচৰাত তেওঁলোকে আমাক কৈছে যে দেশ দুখনত বনাঞ্চল ধ্বংস কৰি খেতি কৰা হৈছিল। উক্ত দেশ দুখনত বনাঞ্চল ধ্বংসইহে জলবায়ুত বিৰূপ প্ৰভাৱ পেলাইছে, Oil palm ৰ খেতিৰ বাবে নহয়। গগৈ ডাঙৰীয়াই তেখেতৰ আৰম্ভণিতেই যিখিনি কথা কৈছে আৰু Oil palm ৰ খেতি নিষিদ্ধ কৰা বুলি প্ৰকাশ কৰিছে সেই সম্পৰ্কে আমি ক'ব খুজো যে বিশ্বৰ কোনো দেশতে Oil palm ৰ খেতি নিষিদ্ধ কৰা নাই। কেৱল বনাঞ্চল ধ্বংস কৰি Oil palm ৰ খেতি কৰাটোহে বহু দেশত নিষিদ্ধ কৰা হৈছে। প্ৰত্যেকখন দেশৰ তথ্য আমি ইয়াত সন্নিবিষ্ট কৰি ৰাখিছো আৰু এটা কথা কৈছিল যে বিজ্ঞানীসকলে কৈছে যে ফচিল জাতীয় ইন্ধনৰ ব্যৱহাৰৰ ফলত সৃষ্টি হোৱাৰ ফলত Carbon emission এ যি Green House effect ৰ দৰে সমস্যাৰ সৃষ্টি কৰিছে, সেই ক্ষেত্ৰতো Oil palm ৰ খেতিয়ে মানব সমাজলৈ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। তথ্য অনুসৰি প্ৰতি হেক্টৰ ভূমিত কৰা Oil palm ৰ খেতিয়ে প্ৰতি বছৰে ১৫ টন পৰ্য্যন্ত কাৰ্বন-ডাই-অক্সাইড বায়ু মণ্ডলৰ পৰা শোষণ কৰিব পাৰে যিটো আমাৰ বাবে এটা অত্যন্ত ইতিবাচক খবৰ। Indian Institute of Oil Palm Research ৰ বিজ্ঞানীসকলে কৰা গৱেষণাত Oil palm এ প্ৰতি হেক্টৰ ভূমিৰ পৰা প্ৰতি বছৰত ১১.৬৩ টন কাৰ্বন-ডাই-অক্সাইড শোষণ কৰাৰ তথ্য লিপিবদ্ধ আছে। সেয়েহে আমি ক'ব পাৰো যে আমাৰ পৰিৱেশ উন্নত কৰাৰ ক্ষেত্ৰত Oil palm ৰ খেতিয়ে বৰঙণি যোগাইছে। প্ৰতি বছৰে প্ৰতি হেক্টৰ কৃষি ভূমিত প্ৰয়োজন হোৱা পানীৰ পৰিমাণ কল খেতিৰ ক্ষেত্ৰত লাগে ২০ লাখ লিটাৰ, কুঁহিয়াৰত লাগে ১৩৩ লাখ লিটাৰ, ধান খেতিত লাগে ৩ শ লাখ লিটাৰ আৰু Oil palm ত লাগে মাত্ৰ ৬৭.৩৫ লাখ লিটাৰ। এইয়া ৰিচাৰ্চ ইনষ্টিটিউটে দিয়া তথ্য। অকল সেইয়াই নহয় Oil palm ৰ কাৰ্য্যকৰী শিপা মাটিৰ পৰা ৬০ মিটাৰ গভীৰতাত থাকে। আমি সকলোৱে জানো ভূ-গৰ্ভৰ জলস্তৰ ইয়াৰ পৰা বহু গভীৰতাত থাকে। সেয়েহে Oil palm ৰ খেতিয়ে ভূ-গৰ্ভৰ জলস্তৰত কোনোধৰণৰ ঋণাত্মক প্ৰভাৱ পেলাব নোৱাৰে। অসমত Oil palm ৰ খেতিৰ ক্ষেত্ৰত এটা added advantage আছে। কাৰণ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত rain pad হিচাপে Oil palm ৰ খেতি কৰিব পাৰি। খৰালি মাত্ৰ দুই-তিনি মাহ মানৰ বাবেহে জলসিঞ্চনৰ দ্বাৰা ইয়াত পানী দিয়া হয়। অসমত Oil palm ৰ খেতিৰ আঁচনিখন ৰূপায়ণ কৰিব লোৱাৰ দিনৰে পৰা Oil palm ৰ খেতিয়ে বিৰূপ প্ৰভাৱ পেলাব বুলি প্ৰচাৰ চলাই আছে আৰু জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰিছে, ৰামদেৱ তথা কিছু ব্যক্তিৰ হাতত অসমখন তুলি দিয়াৰ দৰে অদ্ভুত মন্তব্য কৰিছে। অসমক প্ৰথম বাৰৰ বাবে Oil palm ৰ পৃষ্ঠ পোষকতা কৰা প্ৰথম ৰাজনৈতিক দল কংগ্ৰেছেই আছিল। তেখেত সকলে নিশ্চয় বেয়া কাম কৰিবৰ বাবে বা জৈৱ বৈচিত্ৰ ধ্বংস কৰিবৰ বাবে মাতি অনা নাছিল। গতিকে এই কথাখিনি নিশ্চিতভাৱে খেতিয়কৰ মাজলৈ লৈ যোৱাৰ বাবে চেষ্টা কৰিম আৰু যিবোৰ ভূমিত Oil palm ৰ খেতি কৰিবলৈ লোৱা হৈছে সেইয়া কিন্তু কৃষকৰ নিজৰ ভূমি। ইয়াত কোনো চৰকাৰে নিজৰ মাটি দিয়া নাই আৰু এই কথাখিনি মই আকৌ স্পষ্ট কৰি দিছো। পতাঞ্জলি ফুড লিমিটেডৰ কৰ্ণধাৰ হৈছে ৰামদেৱ। উদ্বোধনী অনুষ্ঠানত তেখেত আহিছিল, মই

আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয় আছিলো। আমি যিখিনি কথা কৈছিলো তাৰ ওপৰত বিভিন্ন জন ব্যক্তিয়ে লিখিছে। কিন্তু মই ভাৱো যিখিনিয়ে লিখিছে সেইখিনি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে লিখা নাই। মই এইটো কথা স্পষ্ট কৰি দিছো যে কৃষিবিভাগে ৰাজ্য খনৰ ১৮ খন জিলা Oil palm ৰ খেতিৰ বাবে চিহ্নিত কৰিছে। ৪ টা অভিজ্ঞ কোম্পানীয়ে E-tendering মতে নৰ্মচ হিচাপে পাইছে। তাত আমি কাকো পৃষ্ঠ-পোষকতা কৰাৰ কথা আহিব নোৱাৰে আৰু এটা কথা যে কৃষি আৰু উদ্যোগ এটা আনটোৰ পৰিপূৰক। অসমৰ নিচিনা এখন ৰাজ্যত কৃষি ভিত্তিত উদ্যোগ স্থাপনত বিশেষ গুৰুত্ব আছে। কৃষকৰ সক্ৰিয় অংশ গ্ৰহণ অবিহনে কেতিয়াও আমি সফল হ'ব নোৱাৰিম। ইতিমধ্যে মই আপোনালোকক জনাইছো যে Tree plantation কৰাৰ লগতে processing mill স্থাপন কৰাৰ কথাও আছে। য'ত নিয়োগৰ পথো নিশ্চয় মুকলি হ'ব। ইয়াত বিভিন্ন যিখিনি article আছে আৰু প্ৰতিজনে লিখা article ৰ বিপৰীতে এই কথাখিনি জানিবলৈ বিচাৰিছিলো আন্দামান নিকোবৰ দ্বীপপুঞ্জ Oil palm ৰ খেতিয়ে জৈৱ-বৈচিত্ৰৰ ভাবুকি অনাত উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশত বন্ধ কৰা হৈছে বুলি কৈছে, তাৰেও কথাখিনি আনিছো। মূলতঃ বনাঞ্চলত যিখিনি কৰিছে আৰু বনাঞ্চল কটাত বাধ আৰোপ কৰিছে। তাত অন্য তেনেধৰণৰ কোনো কথা নাই। ইয়াৰ লগতে সৰিয়হঁ আৰু ছয়াবিনৰ খেতিৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰিছো। আমি যাতে তেল উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বি হ'ব পাৰো আৰু বাণিজ্যিক মূল্যৰ ওপৰত চৰকাৰে যিহেতু গুৰুত্ব আৰোপ কৰিছে সেইকাৰণে এইখিনি কৰা হৈছে। ভাৰত চৰকাৰৰ যি নীতি সেই নীতিৰ ভিতৰত আমি এই কামখিনি কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই আপোনাৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি জানে মই প্ৰস্তাৱ প্ৰত্যাহাৰ নকৰো। এইটো মোৰ নিয়মতেই নাই। মই গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আনিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মোৰ প্ৰশ্নটো হ'ল মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ প্ৰস্তাৱটো গৃহীত কৰাৰ বাবে

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

(প্ৰস্তাৱটো সদনে নাকচ কৰে)।

মই ভাৱো 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে

প্ৰস্তাৱটো নাকচ কৰা হ'ল।

আমাৰ পিছৰ প্ৰস্তাৱটো মাননীয় সদস্য হাফিচ বচিৰ আহমেদ আৰু আমিনুল ইছলাম (জ্যেষ্ঠ) এই দুয়োগৰাকীয়ে আনিছে। আপোনালোকে যিমান সংক্ষেপত ক'ব পাৰে কওঁক।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰোল-১৩১ ৰ অধীনত যিটো বিষয় আনিছো-বিগত দিনত অসমত নিযুক্তিৰ ক্ষেত্ৰত যিমান কেলেংকাৰীৰ অভিযোগ উত্থাপিত হৈছে, বাতৰি প্ৰকাশ হৈছে, সেই অভিযোগখিনিৰ এটা তদন্ত কৰা হওঁক। আমিও নিবিচাৰো যে আমাৰ চৰকাৰৰ বিৰুদ্ধে বাৰে বাৰে এনেদৰে অভিযোগ উত্থাপিত হওঁক। আমি আমাৰ চৰকাৰক লৈ আশ্বস্ত যিহেতু আমাৰ চৰকাৰে আগৰ পৰাই কৈ আছে যে আমি স্বচ্ছ আৰু নিকা প্ৰশাসন আৰু দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা আমাৰ শ্লোগান। সেই মতে আমি কিছুমান নিযুক্তিৰ ক্ষেত্ৰত

ভাল দেখিছো আৰু ইয়াৰ কাৰণে আমি প্ৰশংসাও কৰিছো। কিন্তু তাৰ মাজতো কিছুমান বাতৰি আহে, সেই দিনাখন কোনোবা এজন ধৰা পৰিছে আৰু ধৰা পৰি কৈছে যে তেওঁ তিনি লাখ টকা লৈ আঢ়ৈ লাখ ওপৰত দিব লাগে আৰু পঞ্চাশ হাজাৰ তেওঁ ল'ব। কিছুমান বাতৰি এনেকুৱা ধৰণে ওলাইছে যে বাজপেয়ী ভৱনত বহি বহি এইবোৰ হৈ আছে। সঁচাকৈয়ে যদি আমাৰ চৰকাৰ স্বচ্ছ আৰু নিকা আৰু দুৰ্নীতিক একো প্ৰশ্ৰয় দিয়া নাই তেনেহ'লে আমি ভাৱো যে চৰকাৰে এইটো খুলা-খুলিকৈ ক'ব লাগে। কোনোবাই যদি চৰকাৰৰ নামত দুৰ্নীতি কৰিছিল এই কথাটো চৰকাৰে স্বীকাৰ কৰিব লাগে যে আমাৰ কোনোবা সদস্যই চৰকাৰৰ নাম বিক্ৰী কৰি এনেধৰণৰ কথা কৈছিল আৰু আমি তেওঁক ধৰিছো। আজিৰ পৰা আৰু এনেকুৱাধৰণৰ নিযুক্তিৰ ক্ষেত্ৰত কেলেংকাৰী নহয় আৰু আমি এনেকুৱাধৰণৰ প্ৰতিশ্ৰুতি চৰকাৰৰ ফালৰ পৰা যদি পাওঁ আমি আৰু আশ্বস্ত হ'ব পাৰিম। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, চাকৰি কেলেংকাৰীৰ ক্ষেত্ৰত বাজপেয়ী ভৱনৰ নামটো পোন-পটীয়াকৈ জড়িত হৈ গৈছে। কেইজনমান বি জে পি নেতাক ধৰা হৈছে। আমি ভাৱো যে ভালদৰে যদি অনুসন্ধান কৰা হয় আৰু বহু নেতাৰ নাম ওলাই পৰিব। কাৰণ তেওঁলোকে স্পষ্টকৈ কৈছে যে তেওঁলোকে টকা লৈছে আৰু দিব লগা হৈছে। কাক দিব লগা হৈছে, কিমান দিব লগা হৈছে গোটেই কথাখিনি স্পষ্ট হ'ব লাগে। কাৰণ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে এক লাখ চাকৰি নিকাকৈ হৈছে আৰু যদি নিকাকৈয়ে হৈছে তেন্তে এই কেলেংকাৰীটো কিয় ওলালে। দ্বিতীয়তে, আমি শিলচৰত দেখিছো যে কিষাণ মৰ্চাৰ চেক্ৰেটাৰীয়ে আত্মহত্যা কৰিছে। এই গোটেই বিষয়খিনিক লৈ ED বা CBI ৰ দ্বাৰা অনুসন্ধান কৰিবৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আমি ভাৱো যে এইক্ষেত্ৰত যদি ED বা CBI ৰ দ্বাৰা অনুসন্ধান কৰোৱা হয়, তেনেহ'লে অসমৰ ৰাইজৰ যিটো চিন্তাধাৰা যে আপোনালোকে নিকা স্বচ্ছতাৰ এটা পৰিৱেশ কৰিব বিচাৰিছে সেইটো ভালদৰে ওলাই আহিব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ যি ৮৭ হাজাৰ ল'ৰাৰ আমাৰ চৰকাৰৰ দিনত চাকৰি হৈছে, তেওঁলোকৰ নামখিনি লৈ ল'ব, তাৰ ভিতৰত যদি এজনো নাপাবলগীয়া ল'ৰাই ইয়াত চাকৰি পাইছে তেন্তে লগে লগে যি তদন্ত লাগে আমি দি দিম। ইয়াতকৈ আৰু মই একো ক'ব নোৱাৰো। দূৰ দূৰলৈকে যদি এজন ল'ৰাও ক'ৰবাত বিচাৰি পায়.......

Interruptions**...**

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** লিষ্টখন আমি ক'ত পাম?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপুনি RTI কৰক, কালিয়েই লিষ্টখন পাই যাব

....... Interruptions**...**

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আজি প্ৰশ্ন উত্থাপন কৰিছিলো, কিন্তু মোক লিষ্টখন নিদিলে

..... Interruptions**...**

**মাননীয় উপাধ্যক্ষঃ** Please sit down. মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দি আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** লিষ্টখনটো পেপাৰতে ওলাই গৈছে, প'ৰ্টেলতো আছে। আপোনালোকক যি লিষ্ট লাগে মই সেইখনো দি দিম। কি আপত্তি আছে? তাত কোনো আপত্তি নাই। ১ লাখ হোৱাৰ দিনাখন আমি ৮৭ হাজাৰ ল'ৰা-ছোৱালীৰ নামখিনি Booklet কৰি print কৰি উলিওৱাৰ বাবে ৰখি আছো। গতিকে এজন ল'ৰাও যদি ক'ৰবাৰ পৰা ধৰি বান্ধি আনি মোৰ

ওচৰত লৈ আহিব পাৰে যে এই ল'ৰাজনৰ চাকৰি হ'ব নালাগিছিল কিন্তু চাকৰি হ'ল, যি তদন্ত লাগে দি দিম। কেলেংকাৰী চাকৰি পোৱাত হোৱা নাই। চাকৰি নোপোৱাতহে কেলেংকাৰী হৈ আছে। কংগ্ৰেছৰ দিনত হওঁক বা অন্যৰ দিনত হওঁক বা আগৰ বিজেপি বা ৰাকেশ পালৰ দিনতেই হওঁক, চাকৰি পোৱাৰ কেলেংকাৰী অসমত আমি বহু কেইবাৰ দেখিছো। নোপোৱাৰ কেলেংকাৰীহে আমি এইবাৰ দেখিছো যে পইচা লৈ দিব নোৱাৰিলো, চুইচাইড কৰিলো। এইটোত আপোনালোকে মোক ধন্যবাদ দিব লাগে যে টকা লোৱাৰ প্ৰমাণ হৈ গ'ল। টকা লৈ ৰালত মূৰ মাৰিলে, চাকৰি নাপাই শেষত চুইচাইড কৰিলে। এয়া মোৰ ৰাজনৈতিক জীৱনৰ আটাইতকৈ ডাঙৰ ক্ষণ। ইয়াতকৈ আৰু কি প্ৰমাণ দিব পাৰো? যেতিয়া ৰামে সীতাক সতীত্বৰ প্ৰমাণ দিবলৈ কৈছিল তেতিয়া বহুতে কৈছিল যে সীতাই প্ৰমাণ দিব লাগে নেকি? তথাপি ৰামে কোৱাত সীতাই প্ৰমাণ দিছিল। গতিকে, এনেকৈয়ে আজি ইমান ধুনীয়া প্ৰমাণ অসমৰ ৰাইজে পাই গ'ল। ঠেলাৱালা, ৰিক্সাৱালাৰ ল'ৰাৰ নাম থকা এইখন লিষ্টত কোনোবাই যদি দুৰ্নীতি হোৱা বুলি কয়, তাতকৈ আৰু ভাল কোনে কৰিব? যদি কংগ্ৰেছে ভাল কৰিব বুলি কয় মানুহে ইয়াত হাঁহিব । আপোনালোকে যদি কয় যে এই ৮৭ হাজাৰ ল'ৰাৰ কাৰণে CBI মাতিব লাগে, তেন্তে মই মতাই দিম ।কওঁক.... Interruptions.... কাক লাগে? আপুনি মোক এখন লিখি দিয়ক যে এই ৮৭ হাজাৰ ল'ৰাই চাকৰি পোৱাটো ভুলে হৈছে ....... Interruptions...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** কেলেংকাৰীৰ তদন্ত লাগে

..... Interruptions....ওপৰৰ মহলত

.... Interruptions.......

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপুনি তেনেকৈ ক'লে নহ'ব নহয়। প্ৰথমে আপোনাৰ seat টো check কৰক, তাত কি আছে। দ্বিতীয়তে, চাকৰি পোৱা ল'ৰাৰ এজনেও যদি নাপাব লাগে, তেন্তে সেই এটা নাম দিয়াৰ কষ্টহে বিৰোধীয়ে কৰিব লাগিছিল যে অমুকে পাব নালাগিছিল। মোক দি দিয়ক। তাৰ পিছত ৮৭ হাজাৰ ল'ৰা-ছোৱালীক CBI য়ে মাতিব, তেতিয়া সিহঁতৰ গালি-গালাজ আপোনালোকে খাই থাকক, মোৰ কি আছে? ৮৭ হাজাৰৰ পৰিয়ালক মাতিব, কোনোবা চানা বিক্ৰী কৰা মানুহৰ ল'ৰা আহি হাজিৰ হ'ব আৰু অমুকক সদায় অভিশাপ দিব যে তেওঁ চাকৰি পোৱা বাবে অমুকৰ হিংসা লাগিছে। মোৰ কোনো আপত্তি নাই, কিন্তু ধুনীয়াকৈ লিখি দিয়ক ...... Interruptions.... মই তেনেকৈয়ে কওঁ ....... Interruptions....

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** উপাধ্যক্ষ মহোদয়, যিকেইজনক ধৰা হৈছে ....... Interruptions......

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মই ক'লোৱেই নহয়, কাৰোবাৰ যদি কিবা ক'বলৈ ইচ্ছা থাকে, আমিনুল ইছলাম ডাঙৰীয়াই যে কষ্ট কৰি এখন কাগজত লিখি আনিছে, তেওঁলোকে তেনেকৈ কিয় লিখি নানিলে যে আমাৰ ক'ব ইচ্ছা আছে। মই যিটো দেখি আছো ........ Interruptions...

**মাননীয় উপাধ্যক্ষঃ** (বিৰোধী পক্ষক উদ্দেশ্যি) এইবিলাক কিয় কৰি থাকে? উত্তৰ দি থকা সময়ত কিয় কৈ থাকে?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথম কথা দুয়োজনে বুজিব লাগে যে এইবিলাক বেলেগ হয়। আমাক এইবিলাক কৰি নোৱাৰে। মিছাকৈয়ে এইবিলাক চিন্তা নল'ব। কালি ৰাতিপুৱা কোনোবা চুঙাত নাম ওলোৱাৰ কাৰণে ক'লে ক'ব পাৰে। তাতকৈ একো লাভ নহয়। আমি আমাৰ ঠাইতে থাকিম ...... Interruptions....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** চুঙাটো কি বস্তু? ........... Interruptions**...**

**মাননীয় উপাধ্যক্ষঃ** .... Please sit down.... Interruptions**...**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** চুঙাটো এনে এটা বস্তু, চুঙাৰ ইমান আকৰ্ষণ আছে সেই চুঙাৰ কাৰণে ......... Interruptions**...**

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** চুঙা আপুনি ব্যৱহাৰ কৰিছে, চুঙাটো বুজাই দিয়ক....... Interruptions**...**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** চুঙাটো এনেকুৱা এটা বস্তু যিয়ে আপোনাক উঠায় আৰু বহায়। ইয়াৰ ডাঙৰ আকৰ্ষণ আছে। এতিয়া চাওঁক, আমিনুল ইছলাম ডাঙৰীয়াই প্ৰশ্ন উঠালে, তেওঁতো এনেদৰে পিং পং কৰি থকা নাই, যিয়ে প্ৰশ্ন উঠোৱা নাই সেই দুজনে পিং পং কৰি থাকে, গোটেইটো চুঙা...... Interruptions**...**

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** এইটো device ত এই প্ৰসংগটো আনিব পাৰি নেকি ....... Interruptions**....**

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** উপাধ্যক্ষ মহোদয়, আমি ধৰিব পৰা নাই মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি কৈছো তাত পিংপঙৰ কি কথা আছে আৰু? এইটো পিংপঙৰ কথা নহয়, অসমৰ ৰাইজৰ স্বাৰ্থজনিত কথা হয়। আমি আপোনাক প্ৰশ্ন কৰিছো, আপুনি উত্তৰ দিব, তাতে পিংপঙৰ কোনো কথা নাই।

**মাননীয় উপাধ্যক্ষঃ** উত্তৰটো নুশুনি বাৰে বাৰে উঠি থাকিলেতো তেনেকুৱাই হ'ব....... Interruptions**...**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** এইটোত স্প্ৰিং থাকিব লাগিব...... Interruptions**...**

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** আপুনি যদি সদায় আমাক এনেদৰে কৈ থাকে, তেনেহ'লে আমিও ক'ব লাগিব....... Interruptions**...**

**মাননীয় উপাধ্যক্ষঃ** এনেকৈ হ'লে মই আপোনাক আৰু ক'বলৈ সুযোগ নিদিওঁ। ক'ব দিছো, উত্তৰটো শুনক। আন কোনেও অসুবিধা কৰা নাই..... Interruptions**...**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** উপাধ্যক্ষ মহোদয়, ৮৪ জন বিধায়ক আমি জিকাই আনিছো, গতিকে ক'বলৈ মোৰ অপৰ্যাপ্ত সময় আছে। অহাবাৰ আপোনালোকে জিকাই আনক, আপোনালোকে পাব। বাহিৰত বহুত মানুহে সোধে যে মুখ্যমন্ত্ৰীয়ে কিয় ক'ব পাৰে? যাৰ বেছিকৈ বিধায়ক থাকে তেওঁলোকৰ দলপতিয়ে বেছিকৈ ক'ব পাৰে, এইটোৱেই গণতন্ত্ৰ। সেইকাৰণে নৰেন্দ্ৰ মোডীয়ে বেছি কথা ক'ব পাৰে। আগতে মনমোহন সিঙে বেছিকৈ কথা ক'ব পাৰিছিল। সেইটো নিয়ম। কষ্ট কৰিবই লাগিব। এতিয়া যদি ৮৭ হাজাৰ ল'ৰাৰ পিছত লাগি যায়, অহাবাৰ কেইটা seat পাব আপুনি? আৰু গেলিব। সেইকাৰণে কৈছো যে আমিনুল ইছলাম ডাঙৰীয়াই যদি মোক ৫-৬ জন ল'ৰা-ছোৱালীৰ নাম দিয়ে যে আমাৰ সন্দেহ হৈছে এই ল'ৰা-ছোৱালীখিনিয়ে পাব নালাগিছিল, মই বিহীত ব্যৱস্থা লৈ ল'ম। কিন্তু, আমি অমূকত শুনিছো এনেকৈ ক'লে নহ'ব। মই CBI ক এখন কাগজতো দিব লাগিব। তেওঁলোকক কিয় মাতিছো তাৰ কাৰণে এটা justification দিব লাগিব যে এনেকৈ Assembly ত এটা seatত গণ্ডগোল হৈছিল, মানুহ এজন বহি থাকিব নোৱাৰে, পিং পং কৰি থাকে, গতিকে CBI লাগে। সেইটোততো CBI হ'ব নোৱাৰে। Seat এটাৰ খেলি-মেলিৰ কাৰণেতো CBI হ'ব নোৱাৰে। এতিয়া কথা হ'ল যে মই অত্যন্ত সততাৰে ক'ব পাৰো যে এই যি ল'ৰা-ছোৱালীয়ে চাকৰি পাইছে, তাত যদি কোনোবাই সন্দেহ কৰে, তাতকৈ আৰু ভুল

কাম একো নাই। সকলোৰে সমষ্ঠিত পাইছে। কাৰ সমষ্ঠিত কোনে সন্দেহ কৰিব পাৰে? পুলিচত দৌৰি দৌৰি, পঢ়া-শুনা কৰি কষ্ট কৰি কৰি ল'ৰা-ছোৱালীবোৰে চাকৰি পাইছে। Appointment letter ল'ব আহোতে হাজাৰ হাজাৰ টি.ভি.য়ে randomly সাক্ষাৎকাৰ লৈছে, ঘৰৰ background সকলোৱে শুনা পাইছে। চাকৰিৰ কেলেংকাৰী ক'তো হোৱাই নাই। নোপোৱাৰ কেলেংকাৰী definitely হৈছে। কোনোবাই যদি মোৰ নামত পইচা তুলি আছে, মই কি কৰিব পাৰো? মোৰতো কোনো উপায় নাই। তাৰ তদন্ত হৈছে আৰু সেই তদন্তৰ logical conclusion লৈকে আমি লৈ যাম। চাকৰি নোপোৱাৰ কেলেংকাৰীটোত আমি কাকো ৰেহাই নিদিওঁ। যি কৰিব লাগে কৰি থাকিম। পোৱাৰ কেলেংকাৰীৰ খবৰ আমাৰ হাতত নাই। ইয়াৰ কিবা তথ্য যদি আপোনালোকৰ হাতত আছে, আমাক দিয়ক, আমি চালি-জাৰি চাই, CBI লাগে, ED লাগে, সকলো কৰি দিম। কেৱল পোৱাৰ কেলেংকাৰীৰ তথ্য দিয়ক যে এই দহজন ল'ৰাই পাব নালাগিছিল। কাৰণ এইটো তদন্ত দিয়াৰ পিছত ৮৭ হাজাৰ মানুহক এজন এজনকৈ পুলিচে মাতিব। তাৰ পাপ মই ল'ব নোৱাৰো। যিয়ে ল'ব লাগে লওঁক, মোৰ কোনো আপত্তি নাই। গতিকে, আপোনালোকে ধুনীয়াকৈ লিষ্টখন দিয়ক যে এই কেইজন ল'ৰাৰ চাল-চলন, গঠন পঢ়নত আমাৰ আপত্তি আছে, ইহঁতে চাকৰি পাব নালাগিছিল কিন্তু পালে, গতিকে আপুনি তদন্ত দিয়ক। কিন্তু, ইয়াত কোনো তথ্যই নাই..... Interruptions**...**

**শ্ৰী আমিনুল ইছলাম (ধিং):** মহোদয়, যিখিনি ধৰা পৰিছে তেওঁলোকক কৰিব পাৰি ... Interruptions**...** বাজপেয়ী ভৱনত তেওঁলোকক ৰাখি ... Interruptions**...** তেওঁলোকক তাৰ পৰা উলিয়াই দিব লাগে ... Interruptions**...**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী):** সেইটো এটা ভৱন। বাজপেয়ী ভৱনত কালি যদি আপুনিও যায় তাত যোৱা মানুহক মই কেনেকৈনো বাধা দিম? কিন্তু, বাজপেয়ী ভৱন হওঁক, ৰাজীৱ ভৱন হওঁক বা মোৰ ঘৰ হওঁক, কোনোবাই চেষ্টা কৰিলেও চাকৰিৰ নামত কোনেও কেলেংকাৰী কৰিব নোৱাৰে। এইটো স্পষ্ট কথা। এই chapter টো close হৈ গ'ল। এতিয়া আৰু সেইটো chapter নাই। কিন্তু, নোপোৱাৰ তদন্ত কিছুদিনলৈ চলি থাকিব। এতিয়া আৰু যে ২২ হাজাৰ চাকৰি ওলাব, যিসকল লৰা-ছোৱালীয়ে written ত পাচ কৰে, মানুহে তেওঁলোকৰ ঘৰে ঘৰেও টকা খুজিব যায়। পিছত তেওঁলোকক লাগিলে টকাটো ঘুৰাই দিয়ে। তাৰমানে গুলি লাগিলে লাগিব, নালাগিলে পিছত টকা ঘুৰাই দিম। তেনেকুৱা কেলেঙ্কাৰীও চলি আছে। গতিকে সমাজত যেতিয়ালৈকে এক শ্ৰেণীৰ মানুহ থাকিব সেইটো তেওঁলোকৰ জীয়াই থকাৰ সম্বল। খবৰ পালে চাকৰি নোপোৱাৰ কেলেঙ্কাৰী যতেই হ'ব চলি থাকিব, পোৱাৰ কেলেঙ্কাৰীৰ কোনো খবৰ নাই। Cash for job লিখাৰ আগতে এই ৮৭,০০০ লৰা-ছোৱালীৰ পৰিয়ালৰ ফালে চাব লাগিব। তাত এজনো কেচ দিব পৰা মানুহ আছিল জানো? গতিকে চাকৰি নোপোৱাৰ কেলেঙ্কাৰীৰ সম্পূৰ্ণ তদন্ত হ'ব। চাকৰি পোৱা কেলেঙ্কাৰীৰ মোৰ লগত কোনো তথ্য নাই। যদি কোনো বিধায়কে চাকৰি পোৱা কেলেঙ্কাৰীৰ কোনো তথ্য দিব পাৰে তাত তদন্ত দিবলৈ আমাৰ কোনো আপত্তি নাই। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) :** কোনে কিমান নম্বৰ পাইছে সেইটো দিলে ভাল হয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) :** কোনে কিমান নম্বৰ পাইছে বা কিমান cut off হৈছে সেইটো জানিবলৈ SEBA ক সুধিলেই তেওঁলোকে RTI ৰ জৰিয়তে জানিব পাৰিব। নিজৰ

যদি answer sheet খনো চাব বিচাৰে সেয়া চাব পাৰিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** কোনে কিমান নম্বৰ পাইছে সেইটো যদি একেলগে displayকৰি দিয়া হয়, ভাল হয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, UPSC ত যদি rule আছে পোৱা নোপোৱা সকলোৰে marks display কৰি দিয়াৰ তেতিয়াহ'লে আমিও কৰি দিম। আমি এটা standard হে follow কৰো। গতিকে চাকৰি নোপোৱাৰ কেলেঙ্কাৰীৰ তদন্ত হ'ব আৰু পোৱাৰ কোনো কেলেঙ্কাৰী নাই বুলি মই ভাৱো আৰু তথ্য থাকিলে আমি তদন্ত দিম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া, আপুনি প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেওঁলোকৰ লগত problem নাই মাত্ৰ এটা দুটা ছিটতহে problem টো আছে।

**মাননীয় উপাধ্যক্ষ ঃ** গতিকে তেওঁলোকে প্ৰশ্নটোৰ পৰা escape কৰিলে। এতিয়া তেওঁলোকে প্ৰস্তাৱটো withdraw কৰাৰ কাৰণে সদনত নাই। মই এতিয়া voting ত দিছো। যিসকলে সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকলে বিপক্ষে আছে তেখেতসকলে কওঁক নহয়, মই ভাৱো নহয়ৰ সাপেক্ষে, নহয়ৰ সাপেক্ষে,নহয়ৰ সাপেক্ষে প্ৰস্তাৱটো নাকচ কৰা হ'ল।

এতিয়া Under Rule 131,তৃতীয় প্ৰস্তাৱটো মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ নামত আছে। তেখেতক প্ৰস্তাৱটো উত্থাপন কৰিবৰ কাৰণে আহ্বান জনালো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Rule 131 ৰ অন্তৰ্গত অসমৰ চাহ উদ্যোগে অসমৰ অৰ্থনীতিৰ ওপৰত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই অহিছে। বৰ্তমান বহু প্ৰতিষ্ঠিত ব্যৱসায়িক প্ৰতিষ্ঠানে অসমৰ চাহ বাগিছা সমূহ বিক্ৰী কৰি ব্যৱসায়ৰ পৰা মেলানি মাগিব খুজিছে। অসমৰ স্ব-নিয়োজন উল্লেখিত অৱদান আগবঢ়োৱা ক্ষুদ্ৰ চাহ খেতিয়ক সকলো বহু সমস্যাত জুৰুলা। অসমৰ চাহ উদ্যোগে যাতে অসমৰ অৰ্থনীতিৰ শক্তিশালী ভেটিস্বৰূপে পুনৰ প্ৰতিষ্ঠা লাভ কৰিব পাৰে তাৰবাবে অসম চৰকাৰে প্ৰয়োজনীয় সকলো সহায় সহযোগিতা আগবঢ়োৱাৰ ব্যৱস্থা কৰিবলৈ আজিৰ এই পবিত্ৰ বিধান সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হওক। মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰায় ২০০ বছৰ আগত ব্ৰুছ চাহাবে আনুষ্ঠানিকভাৱে অসমৰ চাহৰ আৱিস্কাৰ কৰিছিল কিন্তু তাৰ পূৰ্বেই চিংফৌ সকলে নিজৰ পৰম্পৰাগত পদ্ধতিৰে চাহ ব্যৱহাৰ কৰি আহিছিল। ১৮৩৯ চন মানত ব্ৰিটিছ পাৰ্লিয়ামেন্টে Assam Tea Company ক অসমৰ চাহ উদ্যোগত ব্যৱসায় কৰিবলৈ ৰাজকীয় mandate দিছিল। এই চাহ উদ্যোগ আমাৰ গৌৰৱ। যদিও ডাঙৰ কোম্পানীসমূহে অসমৰ চাহ উদ্যোগ চলাই আছে পৰৱৰ্তী সময়ত গোলাঘাটৰ গঙ্গাধৰ শইকীয়াৰ নেতৃত্বত ক্ষুদ্ৰ চাহ খেতিয়ক সকলো সংগঠিত হ'ল আৰু তাৰ পাছত অসমৰ বিভিন্ন মানুহে চাহ খেতি কৰিবলৈ আৰম্ভ কৰিলে। এই চাহ খেতিৰ লগত কেইবাটাও প্ৰক্ৰিয়া জড়িত থাকে। চৰকাৰী পক্ষ, শ্ৰমিক, কৰ্মচাৰী আৰু মালিক। চাহ খেতিৰ বাবে চৰকাৰে ভাল মাটি সেই সময়ত ব্ৰিটিছ কোম্পানীৰ ব্যক্তি সকলক দি দিছিল আৰু সেই মাটি খুব কম দামত তেওঁলোকক ব্যৱহাৰ কৰিবলৈ দিয়া হৈছিল। আইনত উল্লেখো আছে যে যদি সেই মাটিখিনি চাহ খেতিত ব্যৱহাৰ নকৰে তেনেহ'লে সেই মাটি চৰকাৰে অধিগ্ৰহণ কৰিব পাৰে আৰু সেই অনুসৰি চিলিং মাটি বিভিন্ন ব্যক্তিক সময়ে সময়ে দি থকা হয়। কিন্তু মহোদয়, যোৱা সময়ছোৱাত চাহ অৰ্থনীতিটো বিভিন্ন কাৰণত দুৰ্দশাগ্ৰস্ত হৈছে আৰু অসমত থকা বহু প্ৰতিষ্ঠিত চাহ কোম্পানীয়ে নিজৰ সম্পত্তি বিক্ৰী কৰি চাহ ব্যৱসায়ৰ

পৰা আঁতৰি গৈছে। Mcleod Russel Tea Company য়ে চাৰিখন, আচাম কোম্পানীয়ে ১৪ খন, APJ Company য়ে ১৫ খন আৰু এনেকুৱা প্ৰায় ৮০-৯০ খন কোম্পানীৰ মালিকীস্বত্ব হস্তান্তৰ হৈছে। কিন্তু এইবিলাক হস্তান্তৰ হওঁতে বহু ক্ষেত্ৰত অসম চৰকাৰেও জ্ঞাত নহয়।

দ্বিতীয়তে, এই কোম্পানী সমূহে যিসমূহ চৰকাৰী আইন অনুসৰি provident fund, gratuity বা অন্যান্য পুঁজি চৰকাৰৰ হাতত জমা দিব লাগে সেইবিলাক জমা নিদিয়াকৈ যায়। তাৰ ফলত কোম্পানী বেলেগ মালিকৰ হাতত যোৱাৰ পাছতো এই শ্ৰমিকসকলৰ বিভিন্ন সমস্যা হয়। এনেধৰণৰ সমস্যা অসমৰ কেইবাখনো বাগিছাত চলি আছে। মোৰ সমষ্টিৰ চৰাইদেউ চাহ বাগিছাখন আজি বহু মাহ ধৰি lock out হৈ আছে 144 ধাৰা লগোৱা হৈছে। কোম্পানীয়ে provident fund নিদিয়াকৈ বেলেগ ব্যৱসায়ত আত্মনিয়োগ কৰিলে। তাৰফলত বেঙ্কৰ ফালৰ পৰা তাত lock out হ'ল আৰু এনেকৈ এতিয়া অচলাৱস্থা। বাগানৰ শ্ৰমিক সকলৰ স্বাস্থ্যৰ কোনো ভাল ব্যৱস্থা নাই। Hospital খন বন্ধ হৈ গ'ল আৰু তাত কাম নোপোৱাৰ বাবে শ্ৰমিক সকল বেলেগ ঠাইলৈ গুছি গৈছে। ফলত স্থানীয় স্কুল সমূহতো ছাত্ৰ-ছাত্ৰীৰ অভাৱ হৈছে। কাৰণ তেওঁলোকৰ মাক দেউতাক অন্য ঠাইলৈ গুছি গৈছে। ঠিক তেনেকৈ আমাৰ অসমত যি চাহ প্ৰস্তুত হয় তাৰে প্ৰায় ৫২ শতাংশ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে উৎপাদন কৰে। তেখেতসকলে সময়ে সময়ে কেঁচা চাহৰ মূল্যক লৈ বিভিন্ন অসুবিধাত ভূগে। বৰ্তমান তিনিচুকীয়াৰ লগতে উজনি অসমৰ বিভিন্ন জিলাত প্ৰতি কেজিত১২ টকাৰ পৰা ২০ টকাৰ ভিতৰত কেঁচা চাহপাত বিক্ৰী কৰিবলগা হৈছে। কিন্তু তেওঁলোকৰ production cost Rs.24-25 হয়। লোকচান ভৰি তেওঁলোকে চাহ ব্যৱসায়ত জড়িত হ'বলগা হৈছে। কিন্তু Tea Board ৰ ফালৰ পৰা MTTP নামেৰে প্ৰতিখন জিলাৰ বাবে মূল্য নিৰ্দ্ধাৰিণ কৰিবলৈ দিয়া হৈছিল। যিটো কেঁচা চাহ পাতৰ মূল্য ২৯ টকাৰ পৰা ৩১ টকা, সেয়া উজনি অসমৰ ক্ষেত্ৰত এনেকুৱা কৰা হৈছিল। বহু ক্ষেত্ৰত কেতবোৰ এজেন্টৰ যোগেদি ডাঙৰ কোম্পানী বিলাকো কেতিয়াবা মনোপলি কৰি কেঁচা চাহপাত লৈ যায় আৰু কেতিয়াবা কিছুমান bottling company ও নিয়ে আৰু কিছুমানে চাহৰ মূল্য হস্তক্ষেপ কৰি কম কৰি দিয়ে। ঠিক তেনেকৈ ক্ষুদ্ৰ চাহ খেতিয়ক সকলেও বিভিন্ন সমস্যাত ভূগি আছে আৰু যিসকল শ্ৰমিকক চৰকাৰে প্ৰতিশ্ৰুতি দিছিল **যে ৩৫১ টকা বা অন্যান্য সা সুবিধা দিব। কিন্তু দেখা গৈছে বিশেষকৈ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ ক্ষেত্ৰতো যিসকল শ্ৰমিক জড়িত হৈ থাকে তেওঁলোকৰো যথেষ্ঠ অসুবিধা হৈছে । মহোদয়, এই গোটেই বিলাক কথালৈ লক্ষ্য ৰাখি অসম চৰকাৰে যদি আমাৰ চাহৰ ক্ষেত্ৰত যিটো পূৰ্ববৰ গৰিমা, যিটো দাৰ্জিলিং টি আৰু আসাম টি দুটাৰ পাৰ্থক্য আছিলে, যিটো দেখাত ধুনীয়া বা যিটো ফ্লেভাৰ আছিলে, সেই বিলাক চাই যিটো টি প্ৰমোশ্যন, নেশ্যনেল ড্ৰিংক বা ষ্টেট ড্ৰিংকৰ কথা চৰকাৰে কয় যদিও চাহ উদ্যোগৰ জড়িত সকলোকে শ্ৰমিক, কৰ্মচাৰী মালিক পক্ষ আৰু চৰকাৰেও তাৰ পৰা আহৰণ কৰিব পৰা লাভ আৰু এই ক্ষেত্ৰত যি বিভিন্ন ধৰণৰ চাবচিডি দিয়া বা কেঁচা চাহপাতৰ পৰা ২৫ পইচাকৈ এটা শ্বেয়াৰ যে লৈছে এই গোটেইবিলাক চাই চৰকাৰে যদি এখন ভাল এখন পলিচি গ্ৰহণ কৰে তেনেহ'লে এই চাহ উদ্যোগৰ যি সমস্যা লৈ সময়ে সময়ে চাহ মজদুৰ সংঘ, ছাত্ৰ সন্থা সকলোৱে বিভিন্ন সময়ত বিভিন্ন ঠাইত ধ্বৰ্ণা আদি দিয়ে এইবোৰৰ সমাধান হ'ব। আজি অৰ্থনৈতিকৰ লগতে তেওলোকক যথেষ্ঠ ভাবে সামাজিক দিশতো দুৰ্দশাগ্ৰস্থ হ'ব লগা হৈছে । আমি অলপতে গম পাইছো যে মোৰ সমষ্টিতে এগৰাকী আৰক্ষী বিষয়া দ্বাৰাই এগৰাকী চাহ শ্ৰমিক মহিলাৰ নিৰ্য্যাতন হৈছিল ঠিক তেনেকৈ তিনিচুকীয়া জিলাতো এগৰাকী**

কন্যা সন্তান দামিনী প্ৰজা এজন ব্যক্তিয়ে ধৰ্ষণ কৰাৰ এমাহৰ পিছতো ন্যায় নোপোৱাৰ বাবে ৰাজপথত আন্দোলন হৈছিল তাৰ পৰৱৰ্ত্তী খুৱ সম্ভৱ ১৪ এপ্ৰিল তাৰিখে তাইৰ মাতৃ গৰাকীয়ে আত্মহত্যা কৰিছিল। এনেকুৱা ধৰণৰ কেতবোৰ সামাজিক চেলেঞ্জো বাগিছাৰ ৰাইজৰ লগত হৈ থাকে । নাজিৰাৰ গৰাকীৰ নাম আছিল অনিমা প্ৰজা । এই গোটেই অৰ্থনৈতিক, সামাজিক, উদ্যোগীকৰণ আৰু আমাৰ যি চাহ বাগিচাৰ শ্ৰমিকসকলৰ আৰ্থিক উন্নয়ণ, ক্ষুদ্ৰ ৮৭২ বাগিচাৰ মালিকসকলৰো নিজা সা সুবিধা ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ স্বাৰ্থ ৰক্ষা এই গোটেই বিলাক চাই স্পিচিয়েল ইক'নোমিক জোন ফৰ টি ইণ্ডাষ্ট্ৰি বা চাহ খেতি কৰা অঞ্চলৰ বাবে বিশেষ কেতবোৰ পদক্ষেপ চৰকাৰে ল'বনেকি ? এই কথাখিনিৰে আজি মই, মো ৰ প্ৰস্তাৱৰ যোগেদি চৰকাৰক এনেধৰণৰ সহযোগিতা আগবঢ়াবলৈ প্ৰস্তাৱ দাঙি ধৰিলো...... ধন্যবাদ ।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াদেৱে অসমৰ এটা অতি গুৰুত্বপূৰ্ণ বিষয় তেখেতে উত্থাপন কৰিছে আৰু আমি চৰকাৰেও এই বিষয়টো লৈ অতি গুৰুত্বসহকাৰে কাম কাজ কৰি আছো । অসম বিশ্বৰ বিভিন্ন প্ৰান্তত চাহৰ বাবে এক বিশেষ পৰিচিতি লাভ কৰি আহিছে। কেৱল অসমৰ অৰ্থনীতিতে নহয় সামাজ নীতিতো চাহৰ বিচিত্ৰ ৰূপ আমি দেখিবলৈ পাওঁ । অসমত চাহ দেশৰ মুঠ উৎপাদনৰ পঞ্চাশ শতাংশতকৈও অধিক উৎপাদন হয় । আনহাতে পৃথিবীত যিমান চাহ উৎপাদন হয় ইয়াৰে ছয় ভাগৰ এভাগ চাহ অসমত উৎপাদন হয় । আমাৰ এই চাহ উদ্যোগৰ লগত দহ লাখতকৈও অধিক লোক জড়িত হৈ আছে । ভাৰতীয় চাহ বোৰ্ডৰ তথ্যমতে অসমত ৭৬২ খন বৃহৎ চাহ বাগিছা আৰু ১ লাখ ২৫ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়ক আছে । ২০২২ বৰ্ষত অসমে ৬৬৮.৭০ মিলিয়ন চাহ উঞ্ৎপাদন কৰে । এইটো ভাৰতবৰ্ষত মুঠ উৎপাদনতকৈয়ো ৫০ শতাংশ অধিক । মাননীয় বিধায়কগৰাকীয়ে কিছু বাগিছাৰ মালিকীস্বত্ব সলনি হোৱা কথা উত্থাপন কৰিছে । হয়, বিগত দিনত বহু কেইখন চাহ বাগিছাৰ মালিকি স্বত্ব বদলি হৈছে . সকলো খণ্ডৰে বেচা কিনা থাকে সেইদৰে চাহ বাগানৰো বেচা কিনা হয় । কেতিয়াবা যদি মালিক পক্ষই বাগিছাখন চলাবলৈ অপাৰগ হয় বা লোকচান হয় তেতিয়া বা কেতিয়াবা আন আন ব্যৱসায়ত মন কান দিয়া বাবে বেচি দিয়ে আৰু সেয়া আন কোনোবাই কিনে । গতিকে মালিক স্বত্বই যিটো চাহ উদ্যোগত বিৰূপ প্ৰভাৱ পেলাইছে মই ভাবো এই কথাটো শুদ্ধ নহয় । আনহাতে দেখা যায় ক্ষদ্ৰ খেতিয়কসকল সু-সংহতভাবে সংগঠিত নহয় । ইয়াৰ ফলত তেখেতসকলৰ চাহৰ গুনগত মানদণ্ড যেনেধৰনে মেইনটেইন কৰিব লাগে এই ক্ষেত্ৰত ক'বাত ক'বাত কিছু বিসংগতি দেখা যায় যাৰ ফলশ্ৰুতিত সেই ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ চাহৰ পৰা যি মেট্ৰি সৃষ্টি হয় সেই মেট্ৰিৰ গুনগত মান কেতিয়াবা কেতিয়াবা বজাৰ দৰ দামত পাৰ্থক্যও দেখা যায় । এইটো বঢ়াবৰ বাবে ভাৰতীয় চাহ বোৰ্ড আৰু আসাম টি ডাইৰেক্টৰেটৰ তৰফৰ পৰা আমি উদ্যোগ গ্ৰহণ কৰিছো । ক্ষুদ্ৰ খেতিয়কসকলৰ যান্ত্ৰিকৰণৰ ব্যৱস্থা আমি কৰিছো । গোট সমূহক আমি সাহাৰ্য্য প্ৰদান কৰিছো । ক্ষুদ্ৰ চাহ খেতিয়কসকলক উৎসাহিত কৰাৰ বাবে আমি বটা দিয়াৰ ব্যৱস্থা কৰিছো । কেঁচা পাতৰ পৰা চাহ উৎপাদন কৰিবলৈ, উদ্যোগ স্থাপন কৰিবলৈ আমি আমি ৰাজ সাহাৰ্য্য প্ৰদান কৰিছো । তাৰ বাবে মাজে সময়ে কৰ্মশালা ইত্যাদি পাতিছো, মাটিৰ গুনাগুন মতে কেনেধৰণৰ মাটিত কেনেধৰণৰ চাহ খেতি ভাল হ'ব আমি পৰীক্ষণৰ ব্যৱস্থা কৰিছো , তাৰ বাবে কিধৰণৰ চাপ্লিমেন্ট প্ৰয়োজন হ'ব এই চাপ্লিমেন্টৰ ব্যৱস্থা আমি কৰিছো । আমাৰ যি টোকলাই চাহ গবেষণা কেন্দ্ৰ আছে আমি চৰকাৰৰ পৰা আৰ্থিক সাহাৰ্য্য দিছো যাতে চাহৰ গুনগত মানদণ্ড ভাল কৰিব পৰা যায় । মাননীয় সভাপতি মহোদয় এনেধৰনে খুৱ আন্তৰিকতাৰে আমাৰ চাহ

**উদ্যোগটোক শক্তিশালী কৰিবলৈ লগতে তাত জড়িত হৈ থকা শ্ৰমিক-কৰ্মচাৰীসকলৰ জীৱনৰ মানদণ্ড উন্নয়ণৰ বাবে আমি কাম কৰি গৈছো । আপোনালোকে জানে আজি চাহ বাগিছাসমূহৰ জন জীৱন** আগতকৈ আজি ধুনীয়াকৈ আগবাঢ়িছে। আজি চাহ বাগিছাত এম এম আৰ কমিছে, আই এম আৰ কমিছে। আজি চাহ বাগিছাৰ লাইনৰ ভিতৰৰ বাত-পথ সমূহ আমি উন্নিত কৰাৰ পৰিপেক্ষিতত এটা স্বচ্ছতাৰ বাতাবৰণ সৃষ্টি হৈছে। বেমাৰ-আজাৰৰ পৰা আৰম্ভ কৰি মানুহৰ মনোবল বৃদ্ধি হৈছে। আমাৰ বাগিছাৰ লাইন সমূহত যোৱা দিন বোৰত বিজুলী সংযোগৰ ব্যৱস্থা নাছিল আজি চাহ বাগিছাৰ প্ৰত্যেকঘৰ মানুহৰ ঘৰত আজি বিজুলী সংযোগ হৈছে। ছাত্ৰ-ছাত্ৰী সকলে ভাল শিক্ষা-দিক্ষা পাবৰ কাৰণে যি বাতাবৰণ, যি আন্তগাঠনিৰ প্ৰয়োজন হয় তেনেধৰণৰ পৰিৱেশ আজি সৃষ্টি হৈছে। গতিকে যিয়ে নহঁওক সেইখিনি আমি কৰিবই লাগিব। কিন্তু মোৰ এটা আহ্বান চাহ উদ্যোগটোৰ লগত জড়িত সকলৰ প্ৰতিও যে এই উদ্যোগটো আমি নিশ্চয় অনাগত দিনত আৰু আগুৱাই লৈ যাবলৈ হ'লে কিছু ন ন চিন্তাৰ প্ৰয়োজন আছে। কেৱল চাহ গছৰ পৰা চাহ পাত উৎপাদন কৰিয়ে ভৱিষ্যতৰ দিনত এই উদ্যোগটো আগুৱাই লৈ যাব পাৰিম তাত কিন্তু প্ৰত্যাহ্বান আছে। গতিকে আমি alternative cultivation চাহ বাগিছাত কৰিব লাগিব। আমি diverse productionৰ ফালে যাব লাগিব। চাহৰ পৰা কেৱল মাত্ৰ খোৱা পনীয় বা চাহৰ উপৰিও আৰু অন্যান্য diverse production আমি কৰিব পাৰো নেকি তাৰ কাৰণে আমি কেইদিনমান আগত মই আৰু আমাৰ উদ্যোগ বিভাগৰ সচিবকে ধৰি কেইবাজনো বিষয়াই কৃষি বিশ্ববিদ্যালয়লৈ গৈছিলো। তাত এটা চাহৰ বিভাগ আছে, উপচাৰ্য্য সমন্নিতে এই অধ্যাপক-অধ্যাপিকা সকলৰ লগত গৱেষক সকলৰ লগত আমি আলোচনা কৰিছো যে কেনে ধৰণে আমি চাহৰ পৰা আমি diverse production কৰিব পাৰো। Food processing ত আমি অন্যান্য খাদ্য প্ৰস্তুত কৰণত চাহক কেনেকৈ লৈ যাব পাৰো, ঠিক তেনেকৈ আমাৰ উদ্যোগ বিভাগৰ এইটো এটা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত খুব সুন্দৰ এটা পলিচি Customized policy আমি introduce কৰিছো, তাত বিভিন্ন ধৰণৰ দেশৰ বিনিয়োগকাৰী সকল আহিছিল। মই যেতিয়াই লগ পাও প্ৰত্যেকজন বিনিয়োগ কাৰীকে কওঁ যে আমাৰ ইয়াতে ৰ' মেটেৰিয়েল চাহ অপৰ্য্যাপ্ত পৰিমাণৰ আছে, গতিকে আপোনালোকে এনেকুৱা টেকন'লজি আনক যি টেকন'লজিৰ জৰিয়তে আমি চাহৰ diversity কৰি আমি বেলেগ ধৰণৰ এটা উদ্যোগ স্থাপন কৰি আমাৰ চাহক বিশ্বৰ বজাৰত আৰু ভাল ধৰণে present কৰিব পাৰো, promotion কৰিব পাৰো, তাৰ কাৰণে আমি কাম কৰি আছোঁ। সময় বিশেষ এতিয়া নাই, চাহৰ ওপৰত বহুখিনি কথা কবলগীয়া আছিল কিন্তু মই ভাৱো যে চাহৰ ক্ষেত্ৰত অসমৰ চাহ উদ্যোগৰ লগত জড়িত হৈ থকা লোক সকলেও কিছু নতুন চিন্তাৰে আগবাঢ়িব লাগিব আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ প্ৰতিও এটা মোৰ আহ্বান আছে যাতে quality, quality যদি আমি maintain নকৰো তেতিয়া কিন্তু কেচাঁ পাতৰ মূল্য সময়ে সময়ে হ্ৰাস হৈ থকাৰ যি বাতাবৰণ সৃষ্টি হয় তাৰ পৰা আমি মুক্তি না'পাম। লগতে alternative cultivation, boundary সমূহত পথ সমূহৰ কাষত আমি যদি কৰো তাত নিশ্চয় double income পাবলৈ সক্ষম হম। যি নহওঁক এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ উৎথাপন কৰাৰ বাবে মই দেৱব্ৰত শইকীয়া ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু মই এইখিনিকে কৈ মোৰ কথাখিনি সামৰিছোঁ। ধন্যবাদ।

**সভাপতি (শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা) ঃ** মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া, আপোনাৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ছাৰ, দুটামান সমস্যা আছিল, সেই সমস্যাকেইটা

মাননীয় মন্ত্ৰী মহোদয়ে কৈ দিলে সুবিধা হ'ব। এটা হ'ল বাগানৰ শ্ৰমিক সকলৰ আধাৰ কাৰ্ড নাই কাৰণে তেওঁলোকে চাউল বহুত খিনি পাব পৰা নাই। সেইগতিকে তেখেত সকলৰ পাত তোলাৰ কাৰণে হাতৰ চাপ নোহোৱা হৈ যায়, গতিকে কি উপায় কৰি তেখেত সকলক আধাৰ কাৰ্ড দিব পৰা যায়। তেখেত সকলৰ স্কুল কলেজৰ নামভৰ্ত্তিত চৰকাৰে যিটো বেংক একাউন্ট খুলিব কৈছে, বাগানৰ ছাত্ৰ-ছাত্ৰী সকলে চাহ শ্ৰমিকৰ সেই একাউন্টৰ পৰা বঞ্চিত হৈছে। দ্বিতীয়তে, মহোদয়, যি খিনি কথা কলে সেই খিনিৰ ক্ষেত্ৰত কোম্পানী বিলাগে মানে হথাৎ গুচি যায়। গুচি যোৱাৰ ফলত তেওঁলোকৰ পি এফ আদি পাবলৈ থাকি যায় আৰু তেনেকুৰা বহু উদাহৰণ আছে। সেই গতিকে এই ক্ষেত্ৰত যদি যেনেকৈ আমি এম এল এ ফাণ্ডৰ ক্ষেত্ৰত আজি-কালি নতুনকৈ নিয়ম কৰি দিছে non duplicity certificate দিব লাগে। আমি আগতে যে সেইটো অনুষ্ঠানত দিয়া নাই। আমাৰ ক্ষেত্ৰত মাত্ৰ এক লাখ দুই লাখ টকাৰ আঁচনি হয়। তেনেকৈ এই company নিজৰ share transfer কৰি বেলেগক দিয়াৰ আগত worker বা Government ক কিবা liabilities দিব লগীয়া আছিল নেকি এনেকুৰা ধৰণৰ কথাখিনি Labour Department য়ে কিবা examine কৰিব পাৰে নেকি, labour office বহুত ক্ষেত্ৰত staff নাই under staff হৈ আছে। লগতে নতুনকৈ চৰকাৰে চাহ বাগানৰ মাটিৰ বিক্ৰীৰ মূল্য হ্ৰাস কৰি দিলে আৰু যদি চৰকাৰে acquire কৰে তাত বহুত বেছি দাম দিব বুলি কলে নগৰীয়া মাটিৰ সমান। এইখিনি কৰাৰ কাৰণটো যদি মাননীয় মন্ত্ৰী মহোদয়ে কব পাৰে অলপ সুবিধা হয়।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী)** ঃ মাননীয় সভাপতি মহোদয়, আমাৰ আধাৰৰ যিটো এটা সমস্যা আছে হয় সেইটো আমিও প্ৰত্যক্ষ কৰিছোঁ। সেই কাৰণে Food & Civil Supply Department ৰ তৰফৰ পৰা এতিয়া eye scannerৰ জৰিয়তে আধাৰ registration কৰাৰ কাম হাতত লৈছে। দ্বিতীয়তে আপুনি মালিকী স্বত্বৰ যিটো কথা কৈছে, শ্ৰম বিভাগে এই বিষয়টো চোৱাচিতা কৰিয়ে থাকে, গতিকে তেওঁলোকৰ যি সমূহ ধাৰ আছে সেই ধাৰ সমূহৰ পৰা যাতে আমাৰ শ্ৰমিক কৰ্মচাৰী সকল বঞ্চিত নহয় তাৰ কাৰণে বিশেষ ভাৱে শ্ৰম বিভাগে সেই কাম খিনি কৰে। গতিকে মই ভাৱো চাহ উদ্যোগটো আমি ভালকৈ আগুৱাই নিব লাগিব।

**সভাপতি (শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা)** ঃ এতিয়া মাননীয় সদস্য আপুনি প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** হয়, মই প্ৰত্যাহাৰ কৰিছোঁ।

**সভাপতি (শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা)** ঃ সদনৰ সন্মতি সাপেক্ষে প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া প্ৰস্তাৱ under rule 131, এতিয়া চতুৰ্থটো প্ৰস্তাৱ মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ নামত আছে। তেখেতক প্ৰস্তাৱটো সদনত উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালোঁ। তেখেত অনুপস্থিত।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা)** ঃ ছাৰ, মাননীয় সদস্যই মোক মনোনিত কৰিছে, আপোনাক ফোন যোগে জনাইছে, সভাপতিক জনাইছে।

**মাননীয় উপাধ্যক্ষ** ঃ সভাপতিক জনালে নহ'ব, এইটো লিখিত দিব লাগিব। এতিয়া rule 131 আপোনাৰ পঞ্চমটো প্ৰস্তাৱ মাননীয় সদস্য আব্দুৰ ৰশিদ মণ্ডলৰ নামত আছে, তেখেতক উত্থাপন কৰি বক্তব্য দিবলৈ অনুৰোধ কৰিলোঁ।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ ধন্যবাদ উপাধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন ঠাইৰ লগতে গোৱালপাৰা জিলাৰ হাজাৰ হাজাৰ পৰিয়াল স্বাধীনতাৰ পিছত ব্ৰহ্মপুত্ৰ নদীৰ

গড়াখহনীয়াত ভূমি হীন হোৱাৰ পিছতো চৰকাৰী ভাৱে তেওঁলোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰাত সেই গড়াখনীয়াত গ্ৰস্থ ভূমিহীন পৰিয়াল সমূহে অসমৰ বিভিন্ন ঠাইত চৰকাৰী মাটিত নিজে নিজে সংস্থাপন হোৱাত পিছত প্ৰশাসনে তেওঁলোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ উচ্ছেদ কাৰ্য্য চলাই থকাত আৰু এনেকুৱা গড়াখহনীয়া গ্ৰস্থ ভূমিহীন পৰিয়ালৰ বহুতে অসমৰ বিভিন্ন নগৰ চহৰত দিন হাজিৰা কৰি জীৱন যাপন কৰোতেও সন্দেহ জনক নাগৰিক হিচাপে পুলিচৰ দ্বাৰা হাৰাশাস্তি হৈ থকাত সামাজিক অশান্তি আৰু উদ্বেগৰ কাৰণ হৈ পৰিছে। মহাশয়, আমি বিভিন্ন সময়ত সন্দেহ জনক নাগৰিক আৰু বে-দখল কাৰী এই দুটা শব্দ আৰু অসমৰ কাৰণে ডাঙৰ সমস্যা। প্ৰকৃত বিদেশী আৰু সন্দেহজনক বিদেশী, প্ৰকৃত বিদেশীতকৈ সন্দেহজনক বিদেশী বেমাৰটোৱে অসমক সামাজিক ভাৱে আৰ্থিক ভাৱে, বিভিন্ন প্ৰকাৰে আমাক ক্ষতিগ্ৰস্থ কৰিছে। বিভিন্ন সময়ত চৰকাৰী কৰ্মসূচীত অব্যাহত হৈছে। চৰকাৰী বিষয়া সকলে অদৰকাৰী ভাৱে কিছুমান অৱাবত অদৰকাৰীভাৱে সময় খৰচ কৰিব লগীয়া হৈছে, এনেকুৱা পৰিস্থিতিৰ মোকাবিলা কৰাৰ কাৰণে। ঠিক তেনেকৈ আমি দেখা পাইছো যে উন্নয়নৰ কাৰণে আমাৰ পুঁজিৰ যথেষ্ট অভাৱ ঘটে বিভিন্ন দৰকাৰী কাম কৰাৰ ক্ষেত্ৰত। ৰাজ্য খনত বিভিন্ন আমাৰ আন্তগাঠনি কৰিবলগীয়া থাকে, কিন্তু সেইবিলাকৰ কাৰণে আমাৰ পুঁজি নহয়, কিন্তু আমি অসমৰে নাগৰিক, ভাৰতৰে নাগৰিক কৰবাত তেওঁলোকে চৰকাৰী মাটিত জুপুৰি খাজি বহি আছে তেওঁলোকক উচ্ছেদ কৰাৰ নামত আমি কিন্তু কোটি কোটি টকা ব্যায় কৰি আছোঁ। তেওঁলোক কিন্তু ভাৰতীয় নাগৰিক। তেনেকুৱা কথা নহয় আমি বিভিন্ন ঠাইত উদাহৰণ হিচাপে কব পাৰো চৰকাৰে প্ৰথমতে উচ্ছেদৰ সময়ত তেওঁলোকক সন্দেহজনক নাগৰিক বহুত কিবাকিবি বিশেষণৰ বিশেষকৃত কৰি তেওঁলোকক উচ্ছেদ কৰাৰ পিছত আকৌ চৰকাৰী ভাৱে তেওঁলোকক অসমৰ বিভিন্ন ঠাইত আমি সংস্থাপিত কিমান সাহাৰ্য্য দিয়াৰ আমি দেখা পাইছো এই চৰকাৰৰ দিনত, আগৰ চৰকাৰৰ দিনতোঁ। গতিকে এতিয়া যদি আহে particularly গোৱালপাৰা জিলাৰ ক্ষেত্ৰত। গোৱাল পাৰা জিলা মই ১৯৯০ চনৰ পৰা গোৱালপাৰা জিলাত এজন চৰকাৰী বিষয়া হিচাপে চাকৰি কৰিছিলোঁ। ১৯৯০ চনৰ পৰা যিবিলাক অঞ্চলত মই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়া হিচাপে জিলা খনৰ প্ৰত্যেক অঞ্চলত যোৱাৰ সোভাগ্য হৈছিল কিন্তু ২০০০ চনৰ সেই গাঁও সমূহ আজি কিন্তু নাই। আজি সেই গাঁও সমূহৰ কোনো অস্তিত্ব নাই । সেই গাওঁ সমূহ মানুহেৰে পৰিপূৰ্ণ আছিল। তাত বহুতো স্কুলো আছিল। সেই স্কুল সমূহৰো অস্তিত্ব নাই। গাওঁ সমূহৰো অষ্টিত্ব নাই। মানুহটো উৰি যোৱা নাই, মানুহ নিশ্চয় সংস্থাপিত হৈ আছে ক'ৰবাত। ২০০৬ চনৰ পৰা মই বিধান সভাত আছো। বিভিন্ন সময়ত মই প্ৰশ্নও কৰিছো, যে ১৯৫১ ৰ পৰা আমাৰ গোৱালপাৰা জিলাৰ যদি ৰেভিনিউ ভিলেজ আৰু হাউচ হল্ডাৰৰ নং আৰু এতিয়া যদি হিচাপ কৰা যায়, বহুতকে trace কৰিব নোৱাৰো। চৰকাৰৰ হাতত তথ্যও নাই, চৰকাৰে দিবও নোৱাৰে। কিন্তু সেইবিলাক মানুহ নিশ্চয় অসমতে আছে। ক'ৰবাত আছে, হয়টো তেওঁলোকে চহৰে নগৰে আছে। বিভিন্ন সময়ত এতিয়া গুৱাহাটীৰ যদি সিজুবাৰী কটাহবাৰী আদি অঞ্চলত দেখা যায় যে ঠেলাৱালা, ৰিক্সাৱালা,চবজিৱালা আৰু যি সকলে মাছ বিক্ৰী কৰি আছে আৰু সেই বিলাকক লৈ বহুত সময়ত আমাৰ চৰকাৰী পক্ষৰ পৰা বিভিন্ন মন্তব্যও শুনা যায়, পুলিছেও তেওঁলোকক সন্দেহজনক নাগৰিক হিচাপে জধে মধে তেওঁলোকক থানাত লিপিবদ্ধ কৰি থৈ দিয়ে।

(মাননীয় অধ্যক্ষ মহোদয়ে অধ্যক্ষৰ আসন গ্ৰহণ কৰে)

কেইদিনমান পিছত দেখা যায়, বৰ্ডাৰ পুলিছে তেওঁলোকৰ ঘৰত গৈ ডি ভোটাৰৰ ন'টিচ দি আহে। পিছত তেওঁলোকে ফৰেইনাৰ হিচাবে বা সন্দেহজনক নাগৰিক হিচাপে tribunal লৈ দৌৰি

থাকিব লগা হয়। অৰ্থাৎ আমি সমস্যা সমাধান কৰাৰ পৰিবৰ্তে আমি চৰকাৰী পৃষ্ঠপোষকতাত নতুন নতুন সমস্যাৰ সৃষ্টি কৰি আছো। সমস্যা আৰু গধুৰ কৰি গৈ আছো। এতিয়া গোৱালপাৰা জিলাৰ কেইখনমান গাঁৱৰ নাম যদি উল্লেখ কৰো যে সেই বিলাক গাৱৰ মানুহ এতিয়া ক'ত আছে। চৰকাৰৰ হাতত সকলো ডাটাই থাকিব লাগে। আজি যদি কোৱা যায় যে কিল্লাহাৰা চৰৰ মানুহ, এই মুহূৰ্তত সেই চৰ ব্ৰহ্মপুত্ৰ নদীৰ গৰ্ভত আছে। কিন্তু তাত আগতে সেই গাওঁখন বিলীন হৈ যোৱাৰ আগত সেই গাওঁত থকা মানুহখিনি ক'ত আছে, জিলা প্ৰশাসনে হওঁক বা চাৰ্কোল অফিচাৰৰ হাতত কোনো ৰেকৰ্ড পাবলৈ নাই। এতিয়া যদি চাইলধৰা, মনকৰাচ, জলেশ্বৰ সমষ্টিৰ সেই অঞ্চলৰ কথা কোৱা যায় সেই একেই উত্তৰ আহিব। বালিজনীয়া চাৰ্কোলৰ যদি পাখীমৰা চৰৰ কথা কোৱা যায় গোৱালপাৰা পূৰ সমষ্টিৰ সেই একে উত্তৰ পাব। লক্ষীপুৰ চাৰ্কোলৰ ব্যাপক অঞ্চল গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। তেওঁলোকে নিজৰ সংস্থাপনৰ তাড়নাত কেতিয়াবা ওচৰতে থকা মথাউৰিত সংস্থাপিত হৈছে। নহ'লে হয়তো ওচৰতে থকা চৰ অঞ্চলত সংস্থাপিত হৈছে। দুখৰ কথা যে চৰৰ মানুহ মোৰ সমষ্টিৰ এটা উদাহৰণ মই দাঙি ধৰিব বিচাৰিছো যে সোনাৰী গাওঁ পঞ্চায়তৰ এটা অংশ চৰ অঞ্চল আৰু তাৰ কাষতে ব্ৰহ্মপুত্ৰ নদীৰ মাজত আছে ৰৌখোৰা গাওঁ পঞ্চায়ত আৰু কলচাভাঙা গাওঁপঞ্চায়ত। ৰৌখোৰা গাওঁপঞ্চায়ত তৃষ্টমনি চৰ অঞ্চল যেতিয়া সম্পুৰ্ণৰূপে Eroded হৈ গ'ল সেই চৰৰ মানুহ ওচৰত থকা সোনাৰী চৰত যেতিয়া নিজে নিজে সংস্থাপিত হ'ল দেখা গ'ল প্ৰশাসনে তেওঁলোকক উচ্ছেদ কৰি দিলে কিন্তু এতিয়ালৈকে সংস্থাপন কৰি দিয়া নাই। চৰৰ মানুহ এইটো চৰৰ পৰা ইৰোশ্যন হৈছে, disaster হৈছে চৰকাৰে টো তেওঁলোকক কোনো ধৰণৰ rehabilitation ৰ কথা নকলেই। তেওঁলোকে নিজে নিজে আহি ওচৰতে থকা চৰকাৰী মাটিত সংস্থাপিত হৈছে। কিন্তু তেওঁলোকক eviction কৰি দিয়া হৈছে। ২০০৬ চনত যেতিয়া মই প্ৰথম বিধায়ক হৈ আহিছিলো, মোৰ মনত আছে নবেম্বৰ মাহত, মোৰ জীৱনত এইটো প্ৰথম land right advisory board ত মিটিং আছিল প্ৰায় ৪শ পৰিয়ালক নিদানপুৰ লক্ষীপুৰ চহৰৰ কাষতে নিদানপুৰ চৰকাৰী মাটিত land advisory board য়েতেওঁলোকে মাটি এলটমেন্ট দিলে। তাৰে ৪ শৰ ভিতৰত মাত্ৰ ৩০ টা পৰিয়ালে এতিয়ালৈকে এলটমেন্ট পালে। বাকী পৰিয়ালখিনি আজিলৈকে কিন্তু গোৱালপাৰা জিলা প্ৰশাসনে আজিলৈকে সেইখিনি মানুহক এলটমেন্ট দিয়া নাই। মই নিজে কেইবা বাৰো বিধায়ক হ'লো। কেইবাবাৰো land right advisory board ত প্ৰপোজেইল দিয়াৰ পাছটো সদায় কয় আমি চৰকাৰৰ লগত যোগাযোগ কৰি আছো। কিন্তু চৰকাৰৰ ৰেভিনিউ বিভাগে কি হৈছে নাজানো এতিয়ালৈকে এপ্ৰোভেল দিয়া নাই। অৰ্থাৎ কোনোবা দিনা সেইখিনি মানুহক eviction কৰিব। তাৰ উপৰিও দেখা গৈছে ২০২১ চনত যিটো অসম চৰকাৰৰ rehabilitation policy for erotion affected families of Assam, 2020 ইয়াতে যিটো clause আছে যে erotion affected মানুহক rehabilited কৰাৰ কাৰণে যিটো ক্ৰাইটেৰিয়া দিয়া আছে এই ক্ৰাইটেৰিয়া চৰ অঞ্চলত বসবাস কৰা মানুহক rehabilitation কৰাত অন্তৰাই সৃষ্টি কৰিছে। ইয়াতে এটা ক্ৰাইটেৰিয়া দিয়া আছে যদি চৰৰ মানুহজন যি মাটিত থাকে সেই মাটিতো যদি সেই মানুহজনৰ নামত alloted বা পট্টা নহয় তেতিয়া তেওঁ হিতাধিকাৰী হ'ব নোৱাৰে। তেওঁক rehabilitation দিব নোৱাৰে। চৰৰ মাটি এতিয়ালৈকে non cadastral হৈ থকা জৰিপ নোহোৱাকৈ থকা allotment নোহোৱাকৈ থকা ইয়াৰ কাৰণে জনসাধাৰণ দায়ী হ'ব নোৱাৰে। ইয়াৰ কাৰণে দায়ী চৰকাৰ । চৰকাৰ যি দলৰে নহওঁক কিয় মানুহবিলাক আজি ইমান বছৰৰ পৰা চৰ অঞ্চলত বসবাস কৰি আছে তেওঁলোকে

repeatedly চৰকাৰক দাবী জনাই অহাৰ পাছতো তেওঁলোকৰ অঞ্চল চাৰ্ভে নোহোৱাকৈ ৰখা, তেওঁলোকৰ নিজৰ মাটি তেওঁলোকৰ নামত allotment নিদিয়া, পট্টা নিদিয়া, এইটো চৰকাৰৰ গাফিলটি, চৰকাৰ failour ইয়াৰ কাৰণে সেই মানুহ বিলাক যেতিয়া তাত erosion হৈ যায়, disaster ৰ সন্মুখীন হ'ব আৰু তেওঁলোকে rehabilitation policy ৰ যিটো criteria সেই মতে সিহঁতে rehabilitation ৰ পৰা বঞ্চিত হোৱাটো মই ভাবো যে এই policy, ইয়াৰ amendment ৰ প্ৰয়োজন আছে। আজি মই আপোনাৰ জৰিয়তে চৰকাৰক আহ্বান জনাব খুজিছো, প্ৰথমতে চৰ অঞ্চলৰ মাটি গোটেইখিনি সোনকালে ছাৰ্ভে কৰাৰ ব্যৱস্থা কৰা হওঁক, তাত বসবাস কৰা মানুহখিনিক য'ত যি আছে, যি land policy আছে তেওঁলোকক allotment দি তাতে পট্টাৰ ব্যৱস্থা কৰা হওঁক আৰু যিটো rehabilitation policy আছে সেই policy টো ইয়াক amendment কৰাৰ ব্যৱস্থা কৰা হওঁক। ইয়াতে আৰু লক্ষ্য কৰিছো land policy, 2019 বৰ্তমান চৰকাৰে land policy, 2019 অধীনত এই চৰ অঞ্চলৰ মানুহখিনিক তেওঁলোকে যিবিলাক মাটিত বসবাস কৰি আছে, সেই মাটিৰ তেওঁলোকে allotment ৰ পৰা বঞ্চিত হৈ আছে। কি কাৰণত বঞ্চিত হৈ আছে ইয়াৰ উত্তৰ চৰকাৰে দিব পাৰিব। এই মানুহখিনি তেওঁলোকে apply কৰাৰ সুযোগ নাপায়। apply কৰিলেও দেখা গৈছে যে আমি নিজেই এই বসুন্ধৰাৰ অধীনটো হাজাৰ হাজাৰ মানুহৰ নামত আমি allotment দি আছো। কিন্তু এই চৰ অঞ্চলৰ মানুহৰ নামত কোনোধৰণৰ আমি মাটিৰ আৱন্টন দিব পৰা নাই। গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰক আহ্বান জনাব বিচাৰিছো চৰ অঞ্চলত বসবাস কৰা যিবিলাক মানুহ আছে তেওঁলোকৰ মাটিৰ জৰীপ, মাটিৰ আৱন্টন বা পট্টা এই কামখিনি খৰটকীয়া কৰাৰ লগে লগে যিহেতু rehabilitation policy **আছে** policy **ৰ যিটো** eligibility for consideratoin as beneficiary section-5 ইয়াত যিটো দিয়া আছে যে families occupaing Govt. lands and shall not be eligible ইয়াৰে amendment কৰি চৰ অঞ্চলৰ erosion affected প্ৰত্যেকজন মানুহক compansasion **আৰু** rehabilitation ৰ ব্যৱস্থা কৰা হওঁক। এই দাবী উত্থাপনেৰে মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। ধন্যবাদ, আপুনি ১ মিণিট কওঁক just আপোনাৰ pointটো দি দিলেই হ'ল।

**শ্রী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)**- মাননীয় অধ্যক্ষ মহোদয়,আমি শুধু একটি কথাই বলব যে আমাদের সদস্য যে কথাটি বললেন, আজকে যদি দেখি বিজেপি সরকার সাত বছরে প্রায় ৭১ হাজার মানুষকে ডি'ভোটার নোটিশ দিয়েছে। তার মধ্যে ৩৭ হাজার ঘোষিত হয়েছে এবং বহিষ্কৃত হয়েছে ১ জন। আমি আপনার মাধ্যমে মন্ত্রী মহোদয়কে বলতে চাই, এখন বিশেষ করে জি২০ চলছে, বাংলাদেশের প্রধানমন্ত্রী আসছেন। আপনারা ১জনকে বহিষ্কার করেছেন আপনারা কি করে সেই ঘোষিত বিদেশিদেরকে বহিষ্কৃত করতে পারবেন। কারন অধ্যক্ষ মহোদয় আমি একজন সনাতন ধর্মাবলম্বীর একজন হিন্দু মানুষ। আমাদের মুখ্যমন্ত্রী সবসময় বলেন যে সনাতন সভ্যতা, সনাতন ধর্ম। কিন্তু এখন বুঝতে পারলাম সনাতন ধর্ম সনাতন সভাতার অর্থ কি। সনাতন সভ্যতার অর্থ হচ্ছে ৭১ হাজার মানুষকে ডি'ভোটার নোটিশ দেওয়া , সনাতন সভ্যতার অর্থ হচ্ছে প্রায় ১৯ লক্ষ মানুষের এনআরসিতে নাম না থাকা, সনাতন ধর্মের অর্থ হচ্ছে কর্পাস ফান্ড না দেওয়া, সনাতন ধর্মের অর্থ হচ্ছে ২৮ লক্ষ মানুষের আধার কার্ড না হওয়া, সনাতন ধর্মের অর্থ হচ্ছে দূর্গা পূজোতে চাঁদা না দেওয়া। সনাতন ধর্মাবলম্বীরা অর্থাৎ বাঙালিরা আজকের দিনে

বিপদে। তাই আমি মনে করি যারা ভোট দিয়ে মুখ্যমন্ত্রী বানালো , প্রধানমন্ত্রী বানালো, যারা আসাম সরকার বানালো, যারা ভারত সরকার বানালো আজকের দিনে ওদেরকে আবার ডি'ভোটার নোটিশ দেওয়া হচ্ছে। অধ্যক্ষ মহোদয়, আমি শুধু একটি কথা বলতে চাই। আজ আপনারা যে ডিলিমিটেশন করলেন সেখানে আমি দেখতে পারলাম ২০০১ এর সেনসাস মতে ডিলিমিটেশন করা হল। তখন আমরা ডিলিমিটেসন করিনি করন হচ্ছে ২০০১ এর সেনসাসে বিদেশিদের নাম অর্ন্তভুক্ত ছিল। আজকের দিনে কেন আপনারা ২০০১ এর সেনসাস মতে ডিলিমিটেশন করলেন। দেট মিন্স, আসামে আর কোন বিদেশি নেই। আপনারা বিদেশির সমস্যা সমাধান করে দিয়েছেন । মুখ্যমন্ত্রী বললেন যে এনআরসি করতে পারল না ,যে আসাম চুক্তি করতে পারলনা সেই আজকে ডিলিমিটেশন করল এবং মুখ্যমন্ত্রীর কথা মতে আমিও একমত। যে এনআরসি করতে পারলনা, আসাম চুক্তি করতে পারলনা কিন্তু ডলিমিটেশন করতে পারল যে আসামে আর বিদেশি নেই। আমি অনুরোধ করছি এই ৭১ হাজার মানুষকে যে ডি'ভোটার নোটিশ দেওয়া হচ্ছে , যে বাঙালিরা বিশেষ করে হয়রানির স্বীকার ।এই ক্ষেত্রে যেহেতু বাঙালির সুরক্ষা নেই, আজকের দিনে আসামের বুকে বাঙালিরা কেন বিপদে ? কেন ডি'ভোটার নোটিশ দেওয়া হচ্ছে ? আজকের দিনে বাঙালিরা কেন লাঞ্ছিত, বঞ্চিত, সামাজিক ভাবে নিস্পেষিত সেই কথাগুলোর উত্তর চাই।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্রী মহোদয়।

**শ্রী যোগেন মোহন, (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক আব্দুল ৰছিদ মণ্ডলৰ গৰাখহনীয়া সম্পৰ্কে যিটো প্ৰস্তাৱ, এই সম্পৰ্কে মই আগৰ বক্তব্যত কিছু কথা ৰাখিছিলো আৰু আমাৰ অসমত এই বানপানী আৰু গৰাখহনীয়া সমস্যাটো অতি নেৰানেপেৰা সমস্যা। যাৰ ফলত প্ৰতিবছৰে বৃহৎ সংখ্যক পৰিয়াল গৃহহীন তথা ভূমিহীন হ'বলগীয়া হয় আৰু এনে সমস্যাত পীড়িত লোকসকলে মথাউৰি, পথৰ কাষত, শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান আদিত শিৰিৰ পাতি বসবাস কৰিবলৈ বাধ্য হয়। যদিও গৰাখহনীয়াৰ সমস্যাটো SDRF ৰ নীতিৰ অন্তৰ্ভুক্ত নহয়, ইয়াক অৱশ্যে ৰাজ্য চৰকাৰে ২০১৫ চনত বিশেষ দূৰ্যোগ হিচাপে অধিসূচনা জাৰি কৰা হয়। State Specific Disaster হিচাপে ঘোষণা কৰা হয়। ২০১৪ৰ Rehabilitation Policy আছে। এই পলিচিখনে বিশেষকৈ rehabilation ত সহায় কৰে। আমি গোৱালপাৰা জিলাৰ দুটা চাৰ্কোলত যথেষ্ঠ সংখ্যকক সহায় কৰিছো, যিখিনিক District Addministration ৰ ফালৰ পৰা ইয়ালৈ শুদ্ধকৈ তথ্য সহকাৰে আমাৰ চৰকাৰলৈ আহিছে। এতিয়া কথা হ'ল আমি এই গৰাখহনীয়া আৰু পুনৰসংস্থাপন দিবলগীয়াৰ ক্ষেত্ৰত আমি তিনিটা ভাগত ভাগ কৰো। প্ৰথম ভাগটো আপুনি জানে যে ভূমিহীন বা গৃহহীন আৰু খেতিপথাৰ। মানুহৰ নিজৰ ঘৰটো উটোৱাই লৈ যায় বা খেতি পথাৰ যদি থাকে সেইখিনিও যদি হেৰাই যায় তেতিয়া তিনিটা কেটেগৰীতে এই পলিচিমতে তেখেতে বেনিফিট পায়। পলিচিখন আপোনালোকে নিশ্চয় জানে। প্ৰতি বিঘাত আমি ঘৰ বনাবৰ কাৰণে আধা বিঘা মাটি দিওঁ। তাত ৫ লাখ টকা পাৰ বিঘা হ'ব লাগিব। Zonel value টোৰ যিটো কম হয়। ২.৫ লাখ টকা মাটিৰ কাৰণে আৰু ডেৰ লাখ টকা ঘৰটোৰ কাৰণে পাব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় মন্ত্ৰী মহোদয়, আপোনাৰ এই পলিচিটো implement হোৱা নাই। বৰপেটা জিলাত যদি আপুনি চাই আজিলৈ implement য়েই হোৱা নাই। পলিচিটো থাকিলেই নহ'ব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** মাননীয় শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, মই গোৱালপাৰা

জিলাৰ কথা কৈছো। আপোনাক উদাহৰণ দি দিছো যে আমি জিলা প্ৰশাসনৰ পৰা পোৱা তথ্য অনুসাৰে ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াত লক্ষীপুৰ ৰাজহ চক্ৰত আনুমানিক ৪০৮ টা পৰিয়াল আৰু বালিজানা ৰাজহ চক্ৰত ১০৪১ টা পৰিয়াল ভূমিহীন তথা গৃহহীন হয়। ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ ফলত বালিজানা ৰাজহ চক্ৰত ৩৫১ বিঘা জমী ব্ৰহ্মপুত্ৰ নদীত জাঁহ যায়। জিলা উপায়ুক্তই দিয়া তথ্য অনুসাৰে। গৃহহীন হোৱা পৰিয়াল সমূহৰ ভিতৰত লক্ষীপুৰ ৰাজহ চক্ৰত নিদানপুৰ ২ নং খণ্ড গাওঁত ২৫ টা পৰিয়ালক চৰকাৰী ভাৱে ভূমি আৱন্টন দিয়া হয়। বালিজানা ৰাজহ চক্ৰৰ ১০৪১ টা ভূমিহীন পৰিয়ালৰ ভিতৰত ৩১৪ টা পৰিয়ালক ইতিমধ্যে ভূমি আবন্টন দিয়া হৈছে আৰু ২০১৭ চনত ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ ফলত মটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত বলডমাৰী চৰ ২ নং খণ্ডত ১৭৫ টা পৰিয়াল গৃহহীন হয় আৰু তাৰ আটাইকেইটা আমি ৰাজসিংহী জংঘল প্ৰকল্পত পুনৰ সংস্থাপন দিয়া হয়। যিখিনি জিলা প্ৰশাসনৰ তৰফৰ পৰা আমালৈ তথ্য আহিছে।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় মন্ত্ৰী মহোদয়, মই আপোনাৰ সহায় হোৱাকৈ কৈ আছো। ২৫ টা পৰিয়াল, ৪০০ মানুহক প্ৰপোজেল ২০০৬ চনত। তাৰ ভিতৰত মাত্ৰ ২৫ টাক দিলে। বাকীখিনিৰ বিষয়ে আপুনি মোক কেইবাবাৰো under process বুলি ৰিপ্লাই দিছে। যিখিনি খাচ মাটিত আছে তেওঁলোকক দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কথাখিনি নোট কৰি লওঁক। পিছত সুধিব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** সন্মানীয় বিধায়ক সকল SD LAC ৰ মেম্বাৰ। SD LAC ৰ পৰা পাচ হৈ শুদ্ধভাৱে যিখিনি তথ্য আহিছে, জিলা প্ৰশাসনে যেনেকৈ পঠিয়াইছে আমি সেই তথ্যমতে কৈছো।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** ২০০৬ চনৰ নবেম্বৰ মাহৰ মাইনোটচ্‌টো চাওঁক। আপোনাক দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কথাখিনি নোট কৰি ৰাখি শেষত সুধিব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** আপোনাক বিতং তথ্য লাগিলে মই দি দিম। কিন্তু আপোনালোকক মই সেইকাৰণেই কৈছো যে জিলা উপায়ুক্তৰ কাৰ্য্যালয়ত আপোনালোকে SD LAC বহোতে বহিব। তাত এই ৰেকৰ্ড বিলাক আপোনালোক চাৰ্কোল অফিচৰ পৰা শুদ্ধকৈ আনি ইয়াত যদি শুদ্ধকৈ তথ্য-পাতি নিদিয়ে আমিটো তেনেধৰণে দিব নোৱাৰিম। আপুনি গৰাখহনীয়াত যোৱা বুলি ক'লে, তেওঁৰ কোন চনত কেতিয়া গৰাখহনীয়া হ'ল, আগত ক'ত আছিল, কিমান মাটি এই গোটেই তথ্যখিনি তেখেতে দিব লাগিব। অসম্পূৰ্ণ তথ্য থাকিলে চৰকাৰে সেইটো হিচাপ নকৰে। গতিকে সম্পূৰ্ণ তথ্য সহকাৰে আমি যিমানখিনি পাইছো সেই গোটেইখিনি আমি অনুমতি প্ৰদান কৰিছো। ইতিমধ্যে আমি ২০২২ চনৰ লক্ষীপুৰ ৰাজহ চক্ৰ অন্তৰ্গত পুঠিমাৰী গাঁৱৰ ৩১ বিঘা ২ কঠা ১৭ লেচা সাধাৰণ বেদখল চৰকাৰী ভূমি উচ্ছেদ কৰা হৈছে। কিন্তু তাৰ আগতে জিলা প্ৰশাসনে কেইবাবাৰো নটিচ দিছে বা এনেকুৱা ধৰণৰ ক্ষেত্ৰত আমি কিয় চৰকাৰী মাটি সংৰক্ষণ কৰিব লাগে সেই বিষয়ে আপোনালোক সকলোৰে জানে। গতিকে জলাতংক মাটিয়েই হওঁক বা VGR,PGR মাটিয়েই হওঁক আজি গোটেই পৰিবেশটো পৰিবৰ্তন হৈ গৈছে। এইবোৰ কথা আপোনালোক সকলোৰে জানে। মই ভাবো আমাৰ Rehabilitation Policy খনেই যথেষ্ট আৰু Rehabilitation Policy খনৰ যদি আপোনালোকে কৰ'বাত কিবা অসুবিধা দেখিছে তেতিয়াহ'লে আপোনালোকে লিখিত ভাৱে কি কি অসুবিধা হৈছে চৰকাৰক জনাওঁক। মূল কথা হ'ল আপোনালোকে জিলা প্ৰশাসনৰ লগত আলোচনা কৰি বিষয়টো উত্থাপন কৰক। আমি ক'ত

কিমান গৰাখহনীয়া, কিমান গৃহহীন লোক আছে সেই তথ্যবোৰ আমি প্ৰতিখন জিলাৰ ৰাজহ বিভাগৰ পৰা বিচাৰি আছো। গতিকে আপোনালোক এই গোটেই কথাখিনি জিলা উপায়ুক্তৰ লগত বহি কথা পাতক আৰু তথ্য সহকাৰে আমাক জনাওঁক। কাৰণ আমাৰ হাতত policy implement কৰাৰ কাৰণে এটা ফাণ্ড আছে। আমাৰ এই SDRF ৰ কাৰণে ১০ শতাংশৰ এটা ফাণ্ড ৰাখি থৈছো। এই ফাণ্ডটো আজিৰ তাৰিখলৈকে আছেই। গতিকে আমি কেৱল তথ্যখিনি শুদ্ধ সহকাৰে লাভ কৰিলেই হ'ল। আমি এই পলিচিখনৰ জৰিয়তে Rehabilitation সুন্দৰকৈ কৰি দিব পাৰিম। গতিকে এই Rehabilitation Policy থকাৰ পিছত আকৌ নতুনকৈ এই পলিচিখন সংশোধন কৰিব লাগে বুলি মই নাভাবো। এইখনকেই শুদ্ধকৈ কাৰ্য্যকৰী কৰিবলৈ সকলোৰে সহায়-সহযোগ কৰিলে আমাৰ সমস্যাখিনি সমাধান কৰাত সফল হ'ব পাৰিম।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** এই প্ৰস্তাৱৰ অধীনত ২০০৬ চনত ৪০০ পৰিয়ালৰ ভিতৰত আপুনি ২৫ জনৰ যিটো তথ্য উল্লেখ কৰিছে সেইটো ঠিকে আছে। কিন্তু একেটা প্ৰপোজেলৰে ২৫ জনক দিব পাৰিছে কিন্তু বাকীখিনিক দিব পৰা নাই সেইটোৱে মোৰ কাৰণে দুখৰ বিষয় হৈছে । একেটা SD LAC ত বাৰে বাৰে কোৱা স্বত্তেও কিয় যোৱা নাই সেইটো এটা ৰহস্যৰ বিষয়। দ্বিতীয়তে, সোনাৰী চৰৰ পৰা মানুহে নিজে নিজে rehabilation হোৱা মানুহ, চৰৰ মানুহ চৰতেই বহিছিল। অথচ তেওঁলোকক উচ্ছেদ কৰা হ'ল। যিবোৰ মাটি VGR, PGR একোৰেই নহয়। তৃতীয়তে, যেতিয়ালৈকে Rehabilitation Policy ৰ সংশোধন নহয়, তেতিয়ালৈকে চৰ অঞ্চলৰ মাটি non cadastral মাটিত কোনো চাৰ্ভে হোৱা নাই। তাত আপুনি allotment ও দিয়া নাই। গতিকে গৰাখহনীয়া হৈয়ে থাকে। আপুনি ইচ্ছা কৰিলেও তাত সাহৰ্য্য দিব নোৱাৰে যেতিয়ালৈকে আপুনি এই Rehabilitation Policy খন সংশোধন নকৰে। আপুনি যদি কৈ দিয়ে যে সংশোধন নকৰো তেতিয়া চৰ অঞ্চলৰ মানুহে কেতিয়াওঁ কোনো ধৰণৰ Rehabilitation নাপায়। যাৰ কাৰণে এই Rehabilitation Policy খন সংশোধন কৰাতো অতি প্ৰয়োজন।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** মিশ্যন বসুন্ধৰা ২ ত আমাৰ special survey চলি আছে। এতিয়া polygon survey শেষ হৈছে। কৰ'বাত detail survey কৰিব লাগে। আমাৰ মিশ্যন বসুন্ধৰা ২ ত যেতিয়াই চাৰ্ভে শেষ হৈ যাব তেতিয়া মানুহে মাটিৰ পট্টা পাব। সেইখিনি আমি মিশ্যন বসুন্ধৰাত কৰাৰ ব্যৱস্থা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক এটা অনুৰোধ জনাইছিলো যে মোৰ Rule 131 ৰ মোশ্যনটো শেষত দিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সেইটো নাই। পিছত কথা পাতিম।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** withdraw টো কৰিবই লাগিব। মই মাননীয় মন্ত্ৰীক পুনৰবাৰ কৈছো যে আপুনি এটা SD LAC এটা proposal ২০০৬ চনৰ নৱেম্বৰ মাহত, যি proposal য়ে ২৫ টা পৰিয়ালক আপুনি allotment দিয়া বুলি কৈ আছে, remaining family য়ে কিয় allotment নাপাব। সেই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে যাতে বিষয়া সকলক আপোনাৰ ফালৰ পৰা কৈ দিয়ে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন, (ৰাজহ আৰু দূৰ্য্যোগ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনি

মই আজি বিভাগীয় বিষয়াৰ লগত কথা পাতিম। দৰকাৰ হ'লে বিধায়ক ডাঙৰীয়াকো মাতিম, একেলগে বহি কি কি সমস্যা আছে, চাই লম।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ ধন্যবাদ। আপোনাৰ আশ্বাসৰ কাৰণে ধন্যবাদ জনাই আৰু এটা আশা ৰাখি land rehabilitation policy ৰ সংশোধনী আশা কৰি মই withdraw কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলে।

"The Assam State Commission for Safai Karmachari Bill আছিল, সেইখন আজি takeup কৰা নহব, কাৰণ আজি ইতিমধ্যে ৪ বাজি গ'ল। গতিকে বিলখন অহা কালিলৈ লোৱা হ'ব।

এতিয়া আমাৰ Supplimentary Business মতে Bill introduction ৰ কাৰণে আছে।

The Assam Tea Plantation Provident Fund and Deposit Link Insurance Fund Scheme (Amendment) Bill, 2023, Hon'ble Minister, Shri Sanjay Kishan.

**শ্ৰীসঞ্জয় কিষাণ, (শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Tea Plantation Provident Fund and Deposit Linked Insurance Fund Scheme (Amendment) Bill, 2023" বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়াইছোঁ।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?<br>
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'<br>
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'<br>
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,<br>
বিধেয়কখন উত্থাপন হ'ল।

এতিয়া আছে, The Assam Backward Class Commission (Amendment) Bill, 2023, Hon'ble Minister, Shri Pijush Hazarika.

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Backward Class Commission (Amendment )Bill, 2023" বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?<br>
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'<br>
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'<br>
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,<br>
বিধেয়কখন উত্থাপন হ'ল।

**সদন অহা কালি অৰ্থাৎ বুধবাৰ ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।**